# ৰং আৰু ৰেখা

(উপন্যাস)

Mr. Nilutpal Barthakur

## কুমাৰ কিশোৰ

মিত্ৰ এজেঞ্চি এণ্ড কোং
তিনিচুকীয়া; অসম

RANG ARU REKHA : a novel in Assamese by Kumar Kishore, Rupaban, Shillong.

*First Published : September, 1963*

প্ৰকাশক ঃ
শ্ৰীনৰেন্দ্ৰ নাথ দাস
তিনিচুকীয়া ঃ অসম

পৰিবেশক ঃ
মিত্ৰ এজেঞ্চি এণ্ড কোং
তিনিচুকীয়া ঃ অসম

প্ৰচ্ছদপট ঃ
শ্ৰীগণেশ বসু
কলিকতা

মুদ্ৰক ঃ
শ্ৰীভোলানাথ হাজৰা
ৰূপবাণী প্ৰেছ
৩১, বাছুৰ বাগান ষ্ট্ৰীট
কলিকতা-৯

প্ৰথম প্ৰকাশ ঃ
চেপ্তেম্বৰ, ১৯৬৩ চন

বেচ ঃ চাৰি টকা

গুপুততে কৈ থওঁ,

আপুনি চৰকাৰী চাকৰিয়াল, ৰাজনৈতিক্ নেতা, বাতৰি-কাকতৰ সম্পাদক, ৰাজনীতিৰ ছাত্ৰ, বিশ্ববিদ্যালয়ৰ অধ্যাপক অথবা গৱেষক নহ'ব পাৰে, সঁচা। কিন্তু এজন দেশবাসী হিচাপে আপুনিও দেশখনক নিশ্চয় ভাল পায়। আৰু, এই ভালপোৱা দেশখনৰ প্ৰতি আপোনাৰ জানো একো দায়িত্ব বা কৰ্ত্তব্য নাই ?

আপুনিয়ে ক'ব ঃ নিশ্চয় আছে।

বনুৱা-নিবনুৱা, কৰ্ম্মচাৰী, ব্যৱসায়ী আদি সকলোৱে আজি অসন্তুষ্ট। অসুখী। দেশৰ শতকৰা নবৈবজনৰ মুখতেই সেই একেযাৰ কথা ঃ এনেদৰে এখন দেশ আৰু কিমান দিন তিষ্ঠি থাকিব ?

এই অসন্তুষ্টিৰ কাৰণ কি ? সমাজ-ব্যৱস্থা, শাসন-নীতি নে শাসনৰ এৰাল ছিঙি দৌৰি ফুৰা আমাৰ অশান্ত মন ? অসন্তুষ্টিৰ কাৰণবোৰ আপুনিয়েই জুকিয়াই লওকচোন।

ধৰক—'ৰং আৰু ৰেখা'ত বৰ্ণোৱাৰ দৰেই যদি দেশত সমাজ আৰু শাসন-ব্যৱস্থাৰ মহামাৰী আৰম্ভ হয়, তেন্তে তাত জানো আপোনাৰ-মোৰ ক'বলগীয়া একো নাই ?

অসন্তুষ্টিৰ কাৰণবোৰৰ লগতে শাসন আৰু সমাজ-ব্যৱস্থাৰ দোষ-ত্ৰুটিবোৰ ফঁহিয়াই ৰাইজ আৰু চৰকাৰৰ কৰ্ত্তব্য সম্পৰ্কে আপুনি গুপুতে এখন স্মাৰক-পত্ৰ প্ৰস্তুত নকৰে কেলেই? এই স্মাৰক-পত্ৰখন আপুনি কাৰো ওচৰত দাখিল কৰিব নালাগে। আপোনাৰ লগতে ৰাখক; আৰু এই স্মাৰক-পত্ৰ অনুযায়ী আপুনি নিজৰ দায়িত্ব পালন কৰিছে নে নাই সেই বিষয়ে নিজকে এবাৰ চালি-জাৰি চালে কেনে হ'ব বাৰু?

'শতাব্দীৰ স্বপ্নত' কোৱাৰ দৰেই 'ৰং আৰু ৰেখা' শ্বিলঙৰ আন এটা দিশ। আপুনি পঢ়ি কেনে পায় নাজানো। কিন্তু মই যি দেখিছোঁ, তাকেই লিখিছোঁ। সেই বুলি ব্যক্তিগতভাৱে কাকো আক্ৰমণ কৰা মোৰ উদ্দেশ্য নহয়।

ইতি

ৰূপবন: শ্বিলং
১৫ চেপ্তেম্বৰ, ১৯৬৩ চন।

বিনয়াৱনত
কুমাৰ কিশোৰ

# ৰং আৰু ৰেখা

* 'ৰং আৰু ৰেখা'ৰ কাহিনী আৰু প্ৰত্যেকটো চৰিত্ৰই সম্পূৰ্ণ কাল্পনিক *

আমাৰ প্ৰকাশিত গল্প-উপন্যাস ঃ

পদ্ম বৰকটকীৰ ঃ

কোনো খেদ নাই (উপন্যাস)

আব্দুল মালিকৰ ঃ

ৰূপতীৰ্থৰ যাত্ৰী (ঐ)

জীয়া-জুৰিৰ ঘাট (ঐ)

অৰণ্য-দেৱতা (ঐ)

পৰশ-মণি (গল্প)

শিল আৰু শিখা (ঐ)

লক্ষ্মীনন্দন বৰাৰ ঃ

গঙা-চিলনীৰ পাখি (উপন্যাস)

নিশাৰ পূৰবী (ঐ)

অচিন কইনা (গল্প)

মহেন্দ্ৰ বৰঠাকুৰৰ ঃ

উদাসী সন্ধ্যা (উপন্যাস)

অভয় ডেকাৰ ঃ

জোনাক নিশাৰ ডাৱৰ (ঐ)

হেমলতা বৰাৰ ঃ

সেউজীয়া পাহাৰৰ মাজে মাজে (কাহিনী)

......ইত্যাদি

বৰষুণজাক এৰা নাই।

এৰাৰ আশাও নাই।

শ্বিলঙৰ সেমেকা আকাশ। চেঁচা বতাহজাকত পশ্চিম গোলাৰ্দ্ধৰ দেশবোৰৰ কেঁচা গোন্ধ।

এগিলাচ মদ ঃ কেইটুকুৰামান সিজোৱা গাহৰি মাংস; আৰু এটা জ্বলন্ত চিগাৰেট।

মদ, কফি আৰু চিগাৰেট।

অলেখ ধন আৰু যৌৱনৰ অপচয়।

শীলাহঁতৰ তিনিমহলীয়া দালানটোৰ ওপৰ মহলাত শেষ নোহোৱা পোহৰ।

এই বৰষুণৰ মাজেৰেই এটা নিশা জহি-পমি যাব।

এটা নিশাৰ মৃত্যু মানে বহুত কুমাৰী গাভৰুৰ কৌমাৰ্য্যৰ মৃত্যু। অলেখ সন্মানিত নাৰীৰ নাৰীত্বৰ লাঞ্ছনা। মাতৃত্বৰ অৱমাননা। হেজাৰ ভ্ৰূণৰ জন্ম।

পৃথিবীত তিনি শ্ৰেণীৰ নাৰীয়ে যৌৱন বিকে।

অভিজাতবোৰে বিলাসিতাত। নোপোৱা নতুন কিবা এটা পোৱাৰ মাদকতাত। অতি আধুনিকা হোৱাৰ হেঁপাহত।

'সভ্য মানুহ পৰিবৰ্ত্তনৰ কাৰণে ভীত নহয়। সকলো পৰিবৰ্ত্তনকে স্বাগতম্ জনোৱাৰ ঔদাৰ্য্যই হ'ল সভ্যতা।' এই সূত্ৰৰ সত্যতা প্ৰমাণ কৰিবলৈ সেইজাক যুৱতী নাৰীয়ে যৌৱনৰ খেল খেলে। ৰুচিৰ পৰিবৰ্ত্তন বিচাৰে।

এয়া যৌৱন বিক্ৰী নহয়। যৌৱনৰ জুৱা খেল।

মধ্যবিত্ত শ্ৰেণীৰ নাৰায়ে যৌৱন বিকিবলৈ নিবিচাৰে। কিন্তু

বিকে। বিকিবলৈ সিহঁত বাধ্য হয়। অৱশ্যে সৰহ ভাগে নহয়। লঘু সংখ্যক নাৰীৰ জীৱনলৈ নামি আহে এই বিপৰ্য্যয়। এই বিক্ৰী—তাড়নাৰ বিক্ৰী। ইয়াত আত্ম-তৃপ্তি নাই। আমোদ অথবা উৎসাহো নাই। আছে আত্ম-লাঞ্ছনা। সহজ সৰল মন এটাত পঙ্কিলতাৰ দাগ লগাৰ বেদনা। এয়া ক্ষয়িষ্ণু মনৰ ধ্বংসৰ আগলি-বতৰা।

আৰু এক শ্ৰেণীৰ নাৰীয়ে যৌৱন বিকে। যৌৱন নহয়: দেহ। কাৰণ সিহঁত সহজলভ্যা। দুৰ্ব্বল সমাজত ডাঙৰ হোৱা যৌৱন বিহ্বলা নাৰী। সিহঁতৰ এই যৌৱন বিক্ৰীৰ কোনো প্ৰতিক্ৰিয়া নাই। অকণমানতে সন্তুষ্ট হোৱা এই শ্ৰেণীৰ নাৰীজাকৰ আত্ম-সমালোচনা কৰাৰ সাহস নাই। ক্ষমতাও নাই। আনক সন্তুষ্ট কৰাই সিহঁতৰ ধৰ্ম্ম। সিহঁতৰ তৃপ্তি। এইজাক ৰাজপথৰ নাৰী। অলিয়ে-গলিয়ে ঘূৰি ফুৰা নাৰী। এইজাক নাৰী আৰু গাভৰুৰ অধঃপতনৰ কাৰণে দায়ী স্বভাৱ বা অভাৱ নহয়। দায়ী সিহঁতৰে সমাজৰ তথাকথিত মুৰব্বীয়ানা কৰা লোকসকল। সিহঁতক উচ্চ বুলি ভবা লোক-সকলক অসন্তুষ্ট কৰাৰ সাহস সিহঁতৰ নাই। নিজক ৰক্ষা কৰাৰ জোখাৰে সিহঁতৰ মনোবলৰ অভাৱ।

যোৱা নিশা এজনী কুমাৰীৰ কৌমাৰ্য্যৰ মৃত্যু ঘটিল।

বাহিৰত বৰষুণত সেমেকা কামনা-চঞ্চল দোভাগ নিশাৰ নিৰৱতা। ঘৰৰ ভিতৰত এজন কামনাতুৰ উন্মাদ ডেকা আৰু বিধাতাই অকৃপণভাৱে ঢালি দিয়া এজনী যৌৱন উতলা নিঃসহায় গাভৰু।

তাই প্ৰতিবাদ কৰিছিল। আপত্তি কৰিছিল। তাৰ পিচত কৰিছিল অনুৰোধ; করুণ আকুতি। অৱশেষত ব্যৰ্থ হৈ তাই কান্দিছিল। কঁপিছিল। ভয়ত; দুৰ্ব্বলতা আৰু আশঙ্কাত।

কিন্তু জুয়ে কাৰো আকুতি নামানে। নামানে প্ৰাৰ্থনা। তাইৰ



ক্ষেত্ৰতো সেয়ে হৈছিল। শেষলৈ ক্ষীণ হৈ অহা তাইৰ প্ৰতিৰোধ মোৰ কামনাৰ প্ৰৱল বন্যাত উটি গৈছিল। বৰনৈৰ বানত উটি অহা তাই যেন এডাল ছিন্নমূল ইকৰা। জাঁজি।

অবিশ্বাস আৰু আশঙ্কাত পশু বুলি ভবা এজন ডেকাৰ বুকুৰ মাজত অৱশেষত তাই নিজকে জাহ দিছিল। বিচাৰি লৈছিল পৃথিৱীৰ আটাইতকৈ বিশ্বাসযোগ্য আৰু নিৰ্ভৰশীল আশ্ৰয়। তাৰ বাহিৰে তাইৰ আৰু তেতিয়া আন কোনো উপায় নাছিল।

সেইজনীয়েই আকাশী। চকুত আশাৰ শেৱালি ফুলি অকালতে মৰহি যোৱা নিঃসহায় গাভৰু।

পৃথিৱীৰ সকলো প্ৰাণীকে বিশ্বাস কৰিব পাৰিলেও বিশ্বাস কৰিব নোৱাৰি মানুহক। নিজক বিশ্বাস কৰা আৰু টান।

আকাশীয়ে জানো যোৱা নিশাৰ আগলৈকে মোক অবিশ্বাস কৰিব পাৰিছিল?

এয়া জানো পঙ্কিলতা?

তেন্তে এই পঙ্কিলতাৰ বাবে দায়ী কোন? কুমাৰী আকাশীৰ চৰিত্ৰৰ শুচিতা জানো সঁচাকে মই ধ্বংস কৰিছোঁ? মই যদি দায়ী তেন্তে যিসকলে মোক এই সুবিধা দিলে সেইসকল দায়ী নহ'ব কিয়?

বৰষুণজাক এতিয়াও এৰা নাই।

এই বৰষুণৰ জাকবোৰেই গাত সানি লৈ আহে কামনাৰ অস্থিৰতা। আকাশীয়ে চাগে মোলৈ বৈ বৈ ভাগৰি পৰিছে।

অকলশৰীয়া আকাশী। ঘৰত কোনো নাই। মোকে আশ্ৰয় কৰি, বিশ্বাস কৰি তাই কটাই দিব লাগিব যোৱা নিশাৰ দৰে আৰু বহুত নিশা। তায়ো হয়তো জানে তাইৰ সেই বিশ্বাসে ভাঙি থৈ গ'ল তাইৰ কুমাৰী জীৱনৰ সোণৰ জয়দ'ল। যৌৱনৰ বালিঘৰ।

এয়া কপৌফুল ফুলা বতৰ। বসন্ত। বনৰ নহয়; মনৰ। জীৱনৰ। যৌৱনৰ। কিন্তু আকাশীৰ যৌৱনৰ কপৌফুল জানো

ফুলিল? যৌৱনৰ পলাশ বনত ফেটীসাপৰ বিষৰ নিশ্বাস লাগি তাই যদি চিৰদিন ৰঙা মদাৰ ফুল হৈয়ে ধূলিৰ বুকুত সৰি পৰিবলগীয়া হয়? আকাশীয়ে হয়তো সেই কথাকে ভাবিছিল। কান্দিছিল। কঁপিছিল। কৌমাৰ্য্যৰ শুচিতা হেৰুৱাই জীৱনৰ নিৰাপত্তাৰ আশঙ্কাত ফেঁকুৰি উঠিছিল।

শাসননীতিৰ সমালোচকসকলে কোৱা কথা এবাৰ মনত পৰিছে: পাৰ্‌শ্যনেল এচিষ্টেণ্ট্‌বোৰ হেনো বিষয়াসকলৰ দুৰ্ব্বলতাৰ ট্ৰেজাৰাৰ। মন্ত্ৰীসকলৰ ট্ৰেজাৰাৰ প্ৰাইভেট্‌ চেক্ৰেটাৰীসকল। দুৰ্ব্বলতাবোৰ গোপনে ৰখাটোৱে হ'ল এই ট্ৰেজাৰাৰসকলৰ চৰম দায়িত্ব। তাৰ বাহিৰে তেওঁলোকৰ বিশেষ একো কাম নাই।

কোনো মানুহেই অকলে বেয়া কাম কাৰব নোৱাৰে। বেয়া কাম কাৰবলৈ মানুহক লগ লাগে। সঙ্গী লাগে। এই সঙ্গী দুই প্ৰকাৰৰ। এদলে কামত সক্ৰিয় অংশ লয়: আৰু আন দলে আলোচনাত সহযোগ কৰে। দিহা-পৰামৰ্শ আগ বঢ়ায়। পাৰ্‌শ্যনেল এচিষ্টেণ্ট্‌ আৰু প্ৰাইভেট্‌ চেক্ৰেটাৰীসকল দ্বিতীয় শ্ৰেণীৰ সঙ্গী। এওঁলোকে মন্ত্ৰী-উপমন্ত্ৰী আৰু বিষয়াসকললৈ আলোচনাৰ শেষত পৰামৰ্শ আগ বঢ়ায়। নিজে একো নকৰে। বিষয়া আৰু মন্ত্ৰীসকলৰ হেজাৰ দুৰ্ব্বলতা আৰু দুৰ্নীতি চেপি ৰাখি কৰ্ত্তব্য-নিষ্ঠাৰ পৰিচয় দিয়ে। স্বাৰ্থসিদ্ধিৰ বাট মোকোলাই লয়। লাইন বাছ, চিটি বাছ, টিনপাত, কাঠ আদিৰ পাৰ্মিট আত্মীয়-স্বজনৰ নামত উলিয়াই লয়। ৰাজহুৱা নামঘৰটোৰ কাৰণে কাঠৰ খুঁটা আৰু টিনপাত লাগে বুলি দৰ্খাস্ত কৰি গাৱঁৰ খেৰৰ ঘৰটো টিনেৰে সাজে। নিজৰ গাৱঁৰ সমবায় সমিতিৰ নামত ঘানী আৰু চাবোনৰ কাৰখানা স্থাপন কৰাৰ অজুহাত দেখুৱাই পাৰ্মিট আৰু মঞ্জুৰী আদায় কৰে। এওঁলোকৰ চাকৰি—চাণক্যৰ চাকৰি। এওঁলোক ৰাজহুৱা ধনেৰে পোহা চৰকাৰৰ বগা হাতী।



এওঁলোক মানে মৰ্য়ো।

এৰা, কথাবোৰ মিছা নহয়। মানুহ স্বাৰ্থপৰ। আমি ইমান দুৰ্ব্বল। স্বাৰ্থসিদ্ধিৰ বাবে আমি কৰিব নোৱাৰা কাম একোৱেই নাই। আমি জানো: এয়া অন্যায়। এয়া অনুচিত। জানি-শুনিও আমি অন্যায় কৰোঁ। সুখৰ আশাত। শান্তিৰ আশাত। এয়া আত্ম-কেন্দ্ৰিক মানুহৰ স্বাৰ্থপৰতা। স্বাৰ্থপৰতাই মানুহক অন্ধ কৰে। আমিও সেই কথা জানো। জানিও আমি অন্ধ হ'বলৈকে বিচাৰোঁ।

আমি মানে আমাৰ সৰহ ভাগেই। অৱশ্যে কৃষ্ণ বৰাৰ দৰে চাপ্লাই চুপাৰিণ্টেণ্ডেণ্টো আমাৰ মাজত আছে। পেঞ্চন পাবলৈ আৰু মাথোন তিনি বছৰ থাকোঁতে মৃত্যু হোৱা বৰাৰ শ' দাহনৰ কাৰণে অফিচৰ কৰ্ম্মচাৰীসকলে বৰঙণি তুলি দিবলগীয়া হৈছিল। কিন্তু আমাৰ মাজত কৃষ্ণ বৰা কেইজন?

আত্মশুদ্ধি নহ'লে শান্তিৰ আশা কৰা মিছা। তেন্তে আমি জানো সঁচাকৈয়ে অশান্ত? যদি অশান্তই, তেনেহ'লে আমি জানি-শুনিও অন্যায় কৰোঁ কিয়? কিহৰ আশাত? কাৰ প্ৰলোভনত? আমাৰ শিৰাত এয়া কোন যুগৰ বন্য তেজৰ সোঁত?

পঙ্কিল মোৰ ওচৰলৈ আহিছিল।

আজিৰ দৰেই সিদিনাও আছিল নেৰানেপেৰা বৰষুণ। তেতিয়া নিশা এঘাৰটা বাজি ভালেখিনি গৈছিল।

পঙ্কিলৰ নামটো পঙ্কিল নাছিল। আছিল পঙ্কজ। প্ৰৱেশিকা পৰীক্ষাৰ ফৰ্ম্ম পূৰাওঁতে সি লিখিলে পঙ্কিল। আমি আচৰিত হৈছিলোঁ। সুধিছিলোঁ: ভুলকৈ পঙ্কজৰ সলনি সি পঙ্কিল লিখিলে নে কি?

'ধেৎ, তইঁত একো একোটা প্ৰকাণ্ড বলদ অ'। আমি জানো

পঙ্কজ হ'ব পাৰোঁ ? আমি পঙ্কিল হে। সমাজৰ; দেশৰ। দেউতাই নামটো ভুলকৈ থৈছিল। মই শুধৰাই ল'লোঁ।'

ঠিকেই। সকলোবোৰ পঙ্কজেই পঙ্কজ নহয়। পঙ্কিলে দিয়া যুক্তিটো বহুতৰ ক্ষেত্ৰতে প্ৰযোজ্য।

এইজন পঙ্কিলেই মোৰ ওচৰলৈ আহিছিল। নিশা এঘাৰ বজাৰ পিচত।

এবছৰ আগৰ কথা।

মোৰ স্কুল আৰু কলেজৰ সহপাঠী পঙ্কিল। মোতকৈ কেইবছৰমান আগতেই কলেজ এৰি সি গুচি আহিছিল। কলেজৰ শেষ পৰীক্ষা দিয়াৰ ধৈৰ্য্য পঙ্কিলৰ নহ'ল। কলেজৰ ডিগ্ৰী এটা ল'বলৈ বিশেষ অধ্যৱসায় নালাগে। লাগে ধৈৰ্য্য আৰু অৰ্থ। পঙ্কিলৰ ধৈৰ্য্য থাকিলেও অৰ্থ নাছিল। সেই কাৰণেই সিদিনা সি কলেজ এৰি আঁতৰি আহিবলৈ বাধ্য হৈছিল। তাৰ পিচত কাৰোবাক ধৰি-মেলি চাকৰি এটা যোগাৰ কৰি লৈছিল। পঙ্কিলৰ মাকে সিদিনা হয়তো স্বস্তিৰ নিঃশ্বাস এটা পেলাইছিল। ভগৱানক বাৰে বাৰে ধন্যবাদ দিছিল। ভাবিছিল ঃ সিহঁত আৰু নাখাই নমৰে।

মাকে ভবাটোৱে সঁচা হ'ল। সিহঁত নমৰিল। জীয়াই থাকিল। জীয়াই থাকিল—জীয়াই জীয়াই মৃত্যুৰ যন্ত্ৰণা ভোগ কৰিবলৈ। পঙ্কিলহঁতৰ দৰে হেজাৰ হেজাৰ আশাবাদী দলে আশা পালি থাকিল কেতিয়াবালৈকে হ'ব লগা পদোন্নতিৰ কাৰণে। তিনি চাৰি যুগৰ মূৰে মূৰে বহা পে'-কমিশ্যনটোলৈকে। দৰ্মহা আয়োগৰ প্ৰতিবেদনৰ আশাত সিহঁতে আঙুলি মূৰত দিন লেখে।

ছবছৰৰ মূৰত পঙ্কিলক আকৌ লগ পাইছিলোঁ। শ্বিলঙত। সি তেতিয়া বিক্ৰী-কৰ দপ্তৰত নতুনকৈ উচ্চ শ্ৰেণীৰ কেৰাণীলৈ প্ৰমোচন পাইছে।

জীৱিকাৰ মূলধন হিচাপে কলেজৰ ডিগ্ৰী দুটাকে লৈ ময়ো শ্বিলং



পাইছিলোঁহি। কলেজৰ ডিগ্ৰীবোৰ যেন ডিগ্ৰী নহয়। অনিৰ্দ্দিষ্ট কালৰ ম্যাদ যুক্ত চেলফ্ চেক্। অৱশ্যে চৰকাৰী চাকৰিৰ ক্ষেত্ৰত নিৰ্দ্দিষ্ট ম্যাদ নথকা নহয়। প্ৰৱেশিকা পৰীক্ষা পাছ কৰা প্ৰমাণ পত্ৰমতে যিজন ল'ৰা বা ছোৱালীৰ বয়স আজি পঁচিশ বছৰ, হয়তো সেইজন প্ৰমাণ পত্ৰধাৰীৰ মাকৰ মৃত্যু হোৱাৰে ত্ৰিশ বছৰ পাৰ হৈ গ'ল। কলেজত থাকোঁতে বিৰাট কিবা এটা হোৱাৰ কল্পনাৰ সমাধিত মম-বাতি জ্বলাই অৱশেষত বিচাৰিছিলোঁ খাই জীয়াই থকাৰ জোখাৰে এটা চাকৰি। খোৱাৰ কাৰণে জীয়াই থাকে পশুবোৰে। জীয়াই থকাৰ কাৰণে খায় মানুহে। এয়া মোৰ কলেজীয়া জীৱনৰ কল্পনা-প্ৰৱন মনৰ ধাৰণা। বাস্তৱ জীৱনত হ'ল ওলোটা। নমৰোঁ কাৰণেই খাব লাগে। আৰু খাই জীয়াই থাকিবলৈকে লাগে এটা চাকৰি। কেইদিনমান যত্ন কৰাৰ পিচত চাকৰি এটা পালোঁ। ৰাজহুৱা ধনেৰে পোহা বগা হাতী হৈ ৰাজধানীত কটাই দিব খুজিছিলোঁ হেজাৰ নিশা। একো এটা কৰিব নোৱাৰা জীৱনৰ বাকী কেইটা দিন।

হ'বলৈ বিচাৰিছিলোঁ প্ৰাইভেট্ চেক্ৰেটাৰী। হ'লোঁ পাৰ্শ্চনেল এচিষ্টেণ্ট্। চাকৰিৰ কাৰণে অকল কলেজৰ পৰীক্ষাই যথেষ্ট নহয়। বিশ্ববিদ্যালয়ৰ পৰীক্ষা পাছ কৰা সহজ। কিন্তু চাকৰি পোৱা টান। তাতকৈ আৰু টান চৰকাৰৰ জন-সেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ। এই পৰীক্ষাৰ নামত হোৱা ভেঁকো-ভাৱনাৰ দুৱাৰডলি পাৰ হ'বলৈ নিজৰ বুদ্ধি-মত্তাৰ বাহিৰেও আৰু বহুত কিবা-কিবিৰ আৱশ্যক। ক্ষমতাত অধিষ্ঠিত হ'বলৈ ক্ষমতা-সম্পন্ন পৰিয়ালৰ লোক হোৱাটো অপৰিহাৰ্য্য। নহ'লে এই আয়োগৰ অনুগ্ৰহ লাভ কৰাৰ আশা কৰা মিছা। নিমাত দেৱতা সন্তুষ্ট হ'লেও আয়োগৰ দেৱতাসকলক সন্তুষ্ট কৰা দুৰূহ।

মোৰ লগতে নৱৰঞ্জনেও জন-সেৱা আয়োগৰ পৰীক্ষা দিছিল। স্নাতকোত্তৰ পৰীক্ষাত তৃতীয় শ্ৰেণী পোৱা নৱৰঞ্জন মোৰ সহপাঠী

আৰু উদ্যোগ-মন্ত্ৰী শৰ্ম্মাৰ দ্বিতীয় পক্ষৰ সহোদৰ। আয়োগে আয়োজন কৰা পৰীক্ষাৰ প্ৰশ্ন-কাকতৰ উত্তৰ দি ভাবিছিলোঁ ঃ নৰৰঞ্জনে নাপালেও সেৱা-আয়োগৰ অনুগ্ৰহ মই নিশ্চয় পাম। অৰ্থনীতিত প্ৰথম শ্ৰেণীৰ দ্বিতীয় হৈ সিদিনা মাথোন কলেজ এৰি আহিছোঁ।

কিন্তু মই ভবাটো সঁচা নহ'ল। 'ন'মিনেশ্যন লিষ্টত' মোৰ নামটো নোলাল। ওলাল নৰৰঞ্জনৰ লগতে আৰু বহুতৰ। সেইবোৰৰ ভিতৰত কেইজনমানক মই চিনি পাওঁ। গড়কাপ্তানী বিভাগৰ ডিপুটী চেক্ৰেটাৰী খাউণ্ডৰ ভায়েক হিতেশ খাউণ্ড। সচিবালয়ৰ নিয়োগ বিভাগৰ চুপাৰিণ্টেণ্ডেণ্ট ৰাজখোৱাৰ মাহীয়েকৰ ল'ৰা নিৰুপম ৰাজখোৱা। আৰু বাকী কেইজনো বিধান সভাৰ সদস্যৰ লগা-ভগা অথবা তেওঁলোকে লিখি দিয়া প্ৰমাণ-পত্ৰ থকা প্ৰাৰ্থী। সিদিনাহে বুজিলোঁ ঃ মই এটা প্ৰকাণ্ড বলদ। পঙ্কিলে কোৱা কথাষাৰ সঁচা। মনক সান্ত্বনা দিলোঁ। অহাবাৰলৈ পৰীক্ষা দিলে বিধান সভাৰ অধ্যক্ষৰ হতুৱাই মোৰ এই নিভাঁজ চৰিত্ৰৰ বিষয়ে এখন প্ৰমাণ-পত্ৰ লিখাই দৰ্খাস্তৰ লগতে গাঁথি দিম। চাম, মোক তেতিয়া 'ন'মিনেশ্যন' দিয়ে নে নিদিয়ে (?)

চেক্ৰেটাৰী গোস্বামীৰ ছবছৰীয়া ছোৱালী পাৰ্লৰ 'বাৰ্থ ডে ডিনাৰ' খাই ঘৰ পাইছিলোঁহি ৰাতি চাৰে এঘাৰ বাজি কেইমিনিটমান যোৱাৰ পিচত। চৰকাৰী ড্ৰাইভাৰ ৰাণাদিলে গাড়ীৰে মোক থবলৈ আহিছিল।

ঘৰত সোমায়ে দেখিলোঁ পঙ্কিল মোলৈ অপেক্ষা কৰি বৈ আছে।

'কি অ' পঙ্কিল? ইমান ৰাতি ক'লৈ আহিলি?'

'অ' তই আহিলি? তোলৈকে বৈ আছোঁ ভাই।'

সি টোপনিৰ পৰা সাৰ পাইহে যেন কথা কেইষাৰ কৈছিল। ভাবিলোঁ ঃ তাক কেইটামান টকা লাগে। সি হয়তো ক'ব ঃ 'ঘৰৰ



পৰা টেলিগ্ৰাম এখন আহিছে। মাৰ অসুখ। কেইটামান টকা আজি মোৰ নহ'লেই নহয়।'

ৰাণাদিলেও আহোঁতে বাটত মোক টকা দুটাৰ কথা কৈছিল। তাৰ হেনো বজাৰ কৰিবলৈ হাতত এটা পইচাও নাই। ঘৰলৈ গৈ শুদা ভাত খাব লাগিব। টকা দুটা পালে ৰাণাদিলে কি কৰিব মই জানো। এই ৰাতিখন বজাৰ কৰিবলৈ টকা লাগে বুলি ক'লে মই কিয়—কোনোৱেও বিশ্বাস নকৰে। টকা পালে সি কাকিয়াদ খাব। কিন্তু মদ খাবলৈ সি মোক টকা খোজে কেনেকৈ? গতিকে বজাৰ খৰচৰ কাৰণে তাক টকা লাগে।

'ক'চোন পঙ্কিল। কেলেই আহিলি?'

'ক'বলৈ বেয়াই লাগিছে। কিন্তু উপাই নোপোৱাতহে তোক আমনি……।' পঙ্কিল বৈ গৈছিল।

বুজিলোঁ সি মোক টকাৰ কথাই ক'ব। নহ'লে সি এনেদৰে পাতনি কেতিয়াও নতৰে। আশ্বাস দি ক'লোঁ ঃ

'ক'। একো নহয়। বেয়া পাবলৈ কিটো আছে? মানুহৰ সুবিধা,অসুবিধা হয়েই।'

'তইঁতৰ গাড়ীখন আছে নে কি?'

'গাড়ী? এই ৰাতিখন গাড়ী কেলেই?'

পঙ্কিলে কি ক'ব খুজিছে মই একো ভাবি নাপালোঁ।

'ষ্টেণ্ডত বিচাৰিছিলোঁ। টেক্সি এখনো নাই। এনেকুৱা লেতেৰা বৰষুণত ইমান ৰাতিলৈকে টেক্সি ড্ৰাইভাৰবোৰ বৈ নাথাকে। তই যদি অনুগ্ৰহ কৰি লিফ্‌ট্ এটা দিলিহেঁতেন……।'

'কি ক'ব খুজিছ বুজাই নকৱ কেলেই?'

'মানে, মানে জানই নহয় পৰিবাৰৰ কথাটো। পেইন্ আৰম্ভ হৈছে। হাস্পাতাললৈ নিবলৈ,একো সুবিধা নাই। ইমান দূৰ বাট খোজ কঢ়াই নিবলৈ……।' শেষ কৰি কোৱাৰ আগতেই তাৰ মাত বন্ধ হৈ গৈছিল।

G947

'বুজিছোঁ পঙ্কিল। এনেকুৱা বিপদত তোক সহায় কৰিবলৈ পালে মই নিশ্চয় ভাল পালোঁহেঁতেন। কিন্তু......।' কি কম মই একো ভাবি নাপালোঁ। ৰাণাদিল তেতিয়াও মোৰ ওচৰতে থিয় হৈ আছে। তেনে অৱস্থাত ড্ৰাইভাৰ নাই বুলি কোৱাৰ প্ৰশ্ন নুঠে।

'এইকণ অনুগ্ৰহ কৰ ভাই।' তাৰ মাতত অনুনয়ৰ সুৰ।

'চা পঙ্কিল, চৰকাৰী গাড়ী। তাতকৈ তই এখন টেক্সি বিচাৰ। টকা লাগিলে মই দিম। জানাই নহয় আজিকালিৰ দিন-কাল।'

'টেক্সি পোৱা হ'লে তোক আমনি নিদিলোঁহেঁতেন; বুইছ?'

'হম নেই চেকেগা হুজুৰ। চৰকাৰকা গাড়ী ঝুঠ-মুঠ চালাকে হম মৰেগা কাহে? আউৰ পেট্ৰ'ল ভী নেহী হ্যায়।'

পেট্ৰ'ল নোহোৱা কথাষাৰ একেবাৰে মিছা। ৰাণাই সেইদৰে কোৱাৰ সাহস ক'ত পাইছিল মই জানো। মই পঙ্কিলক তেনেদৰে নোকোৱা হ'লে সি বাধ্য হৈ তাক লিফ্‌ট্‌ এটা নিশ্চয় দিলেহেঁতেন।

'ৰাণাৰ কথা শুনিছই নহয় পঙ্কিল।'

পঙ্কিল আঁতৰি গৈছিল। হতাশাত ভাঙি পৰা মন। মোৰ বেয়াও লাগিছিল। কিন্তু উপায় নাই। মানৱতাৰ বিচাৰ কৰিবলৈ গৈ মই মোৰ সৰ্ব্বনাশ কৰিব নোৱাৰোঁ।

পঙ্কিল মোৰ কোঠাৰ পৰা ওলাই যোৱাৰ লগে লগে ফোন এটা পাইছিলোঁ। চেক্ৰেটাৰীৰ ফোন। ৰিচিভাৰটো থৈ ৰাণাক কৈছিলোঁ:

'তুম অভি গকুল বাবুকো ঘৰমে জানে হোগা।'

'গকুল দাস? ইতনা ৰাত? কিউ?'



'চেক্ৰেটাৰীনে ফোন কিয়া। উচ্‌কা চুক্ৰীকো বীমাৰ হ্যায়। ৰবাৰ্টমে লেনে পৰেগা।'

'দাস বাবুকা চুক্ৰী?'

'হ্যাঁ।'

টকা দুটা লৈ ৰাণাদিল আঁতৰি গৈছিল। চকু-মুখত ফুটি উঠিছিল: সি যেন বিৰক্ত। তাৰ চকুৰ দৃষ্টিয়ে যেন মোক কৈছিল: এই ৰাতিখন পৰৰ চাকৰি কৰিবলৈ মই অকণো ভাল নাপাওঁ। এয়াতো চৰকাৰী কাম নহয়। বৰ বৰ অফিচাৰবোৰে আমাৰ নিচিনা চাকৰিয়ালবোৰক নিজৰ ঘৰৰ চাকৰ বুলি ভাবে কেলেই? আৰু হয়তো ভাবিছিল: তোমাৰ পৰা টকা দুটা মিছাকে ল'লোঁ। গকুল দাসৰ ছোৱালীক হাস্পাতালত থৈ আহি মই জানো আৰু ক'ৰবাত মদ পাম?

গকুল দাস! সৌভাগ্যই বৰণডালাৰ সহস্ৰ বাতিৰে আগবঢ়াই নিয়া গকুল দাসৰ চৰকাৰী মহলত অগাধ প্ৰতিপত্তি। সিও এটা কাহিনী। সঁচা।

প্ৰৱেশিকা পৰীক্ষাত লুটি-বাগৰ খাই সৰু চহৰখনত গকুল দাসে এদিন জীৱিকা উপাৰ্জ্জনৰ পাতনি তৰিছিল। টিনৰ চালি এখনৰ তলত এখন চাইনব'ৰ্ড ওলমিল। কেৰাচিন তেলৰ টিন কাটি আলকাতৰাৰে লিখা চাইনব'ৰ্ড। 'চাইকেল হাস্পাতাল।' চালিখনৰ ভিতৰৰ সৰু এন্ধাৰ কোঠাটোত কেইটামান ফটা টিউব, টায়াৰ, কেইডালমান স্পোক আৰু দুটা নে এটা হাঁতুৰী-বটালী আৰু এপাট বেঞ্চ। এখন নেপালী দা। চাইকেলৰ ভাঁজ লগা ৰিং নেপালী দা'খনে কোবাই পোনাই দিয়ে।

'এনেকুৱা চাৰ্ভিচ আপুনি ক'তো নাপায়। মজবুত মালেৰে ইমান কম টকাত আপোনাক কোনোৱে কৰি নিদিয়ে। এবাৰ উঠি চাওক। আপোনাৰ চাইকেল একদম নতুন কৰি দিছোঁ। একেবাৰে হাৰকিউলাচৰ বাবা।'

গ্ৰাহকক কোৱা এয়া গকুল দাসৰ কথা। গকুল দাসৰ দোকানত কেচ্-বক্স্ নাছিল। ম'বিল লগা হাত চুটি কামিজ চোলাৰ জেপ দুখনেই তাৰ কেচ্-বক্স্। অৱশেষত এদিন কেচ্-বক্স্ আহিল। কেচ্-বক্স্ মানে কোনোবাই ভাল কৰিবলৈ দিয়া এটা পুৰণি টিনৰ চুটকেচ্। নিৰ্দ্ধাৰিত দিনৰ দুই-তিনিমাহ পিচলৈকে গৰাকীয়ে খবৰ নোলোৱাত চুটকেচৰ সলনি কেচ্-বক্স্ হ'ল। পেটত নেপালী দাৰ খোঁচ এটা খাই চুটকেচ্‌টোৱে কেচ্-বক্স্ উপাধি ল'লে। তাৰ কেইদিন-মান পিচত আৰু দুটা বস্তুৰ আমদানি হ'ল। এটা সেন্দূৰ সনা ৰঙা গণেশৰ মূৰ্ত্তি আৰু এটা ধূনাদানী। গণেশৰ মূৰ্ত্তিটোৱে আমদানি কৰিলে আৰু কেইটামান টিউব আৰু টায়াৰ। চাইনব'ৰ্ডখনো সলনি হ'ল। বকৰা ব্ৰাদাৰ্চে কলা, বগা আৰু ৰঙা ৰং সানি চাইকেলৰ ছবি এটাৰ সৈতে লিখি দিয়া চাইনব'ৰ্ড। 'চাইকেল হাস্পাতালে' মোট সলাই 'সেৱা-ভৱন' হ'ল। চাইনব'ৰ্ডখনত আৰু এশাৰী কথা যোগ দিয়া হ'ল: প্ৰোপ্ৰা: শ্ৰীগকুল কান্ত দাস।

সেৱা-ভৱনত অকল চাইকেলৰে সেৱা নহয়। মেকানিক গকুল দাসে নজনা কাম একো নাই। চহৰখনৰ ক্ৰম-বৰ্দ্ধমান ৰিক্সা দুখন-এখনেও মাজে সময়ে আহি পেৰালাইচিচ্, হোৱা ঠেং দুখন-এখন পোনাই যায়হি। হাৰমনিয়ম, ফটা তবলা দুটা এটা আহি সেৱা-ভৱনত কেইদিনমান জিৰণি লৈ গা টঙাই যায়। প্ৰোপ্ৰাইটৰ গকুল দাসে মেকানিকৰ সলনি আজিকালি নিজকে ইঞ্জিনিয়াৰ বুলি কৈ গৌৰৱ কৰে।

দাসৰ মতে মেট্ৰিকত তেওঁ প্ৰথম ডিভিজন পাব লাগিছিল। পৰীক্ষা দি উঠিও হেনো ভাবিছিল: প্ৰথম বিভাগত তেওঁ পাছ কৰিবই। তাৰ পিচত কলেজত বিজ্ঞানৰ শ্ৰেণীত ভৰ্ত্তি হ'ব। কিন্তু পৰীক্ষাৰ খবৰৰ তালিকাত তেওঁৰ নাম নোলাল। গতিকে: ধেৎ কোনে পঢ়ে? চব চালা খাতিৰ। তাতকৈ স্বাধীন ব্যৱসায় কৰিম। তাৰ পিচতেই জন্ম হ'ল 'চাইকেল হাস্পাতালৰ।' সেই



হাস্পাতালেই এদিন ৰূপ সলাই নাম ল'লে সেৱা-ভৱন। গাৱঁলীয়া চহৰখনৰ একমাত্ৰ সেৱা-ভৱনৰ এয়েই জন্ম ইতিবৃত্ত।

বছৰ বাগৰি যায়। সেৱা-ভৱন পুৰণি হয়।

বিত্ত-মন্ত্ৰী চৌধুৰী সেই সময়ত মন্ত্ৰী নহয়। পৰাধীন ভাৰতৰ সেই অঞ্চলৰ ৰাজনৈতিক নেতা। সস্তীয়া ৰাজনীতি লৈ বৰ বৰ বক্তৃতা দিয়ে। চৌধুৰীয়ে বি-এ পাছ কৰি ল' পঢ়াৰ কথা ভাবিছিল। কিন্তু ঘৰৰ অৱস্থা বেয়া। চাকৰি এটা নাপালে ল' পঢ়াৰ আশা মিছা। কেইদিনমান গুৱাহাটীত থাকি চাকৰি বিচাৰিলে। উদ্দেশ্য: চাকৰি এটা পালে ল' পঢ়ি উকীল হ'ব। কিন্তু চাকৰি তেওঁৰ ভাগ্যত নিমিলিল। কলেজৰ ডিগ্ৰী এটা লৈ উপায়ুক্তৰ দপ্তৰত নকল-নবিচ হোৱাতকৈ ৰাজনীতি কৰাই বেছি ভাল। এয়া চৌধুৰীৰ ধাৰণা।

অৱশেষত চৌধুৰীয়ে এদিন গুৱাহাটী এৰি ঘৰ পালেহি। বাতৰি-কাকতৰ এজেন্সি এটা লৈ সময়ে-অসময়ে চাহ-দোকান-খনত বহি ৰাজনীতিৰ বক্তৃতা দিয়ে। সমালোচনা কৰে। ক'ৰবাত কংগ্ৰেছৰ সভা-সমিতি হোৱাৰ খবৰ পালে দহ-পোন্ধৰ মাইল বাট-কুৰি বাই তেওঁ তাত গৈ ওলাবই। সকলোৱে কোৱাৰ শেষত সভা ভঙ্গ হোৱাৰ আগে আগে দুষাৰ ক'বলৈ থিয় হয়। তেনেকৈয়ে আৰম্ভ হ'ল চৌধুৰীৰ ৰাজনৈতিক জীৱন। ককায়েকৰ ভগা চাইকেলখন তেওঁৰ ৰাজনৈতিক জীৱনৰ ৰথ! আকাশী যান।

সেয়া ১৯৪১-৪২ চনৰ কথা। গতিকে চৌধুৰী চৰকাৰৰ চকুত পৰিবই। তাৰ পিচত বিয়াল্লিচৰ গণ-বিপ্লৱৰ সময়ত চৌধুৰীহঁতৰ গাৱঁৰ ডাকঘৰত আৰু ৰেল-ষ্টেশ্যনত কোনোবাই বোমা ফুটালে। ইংৰাজ চৰকাৰৰ ধাৰণা: এইবোৰৰ গুৰিতে চৌধুৰী। তেওঁক নি জেলত সুমুৱাই থলে সকলো লেঠা খতম্। এদিন চৌধুৰী গৈ চৰকাৰৰ শান্তি-নিবাস পালেগৈ। তাৰ পিচতো চৌধুৰীহঁতৰ গাৱঁত দলং পুৰিল। কাৰোবাৰ কাৰোবাৰ ঘৰত বিহুলৈ খুন্দা

চিৰাৰ জুয়ে ছুটা এটা ঘৰ পুৰিলে। চৰকাৰ সন্ত্ৰস্ত হৈ উঠিল। এইবোৰ বৈপ্লৱিক নেতাৰ কাম।

মানুহৰ জীৱনলৈ সৌভাগ্য যেতিয়া আহে তাক কোনেও ভেটি ৰাখিব নোৱাৰে। সেই সময়ত দ্বিতীয় মহাযুদ্ধৰ খলকনি। ভাৰতৰ আকাশে-বতাহে স্বাধীনতাৰ মন্ত্ৰধ্বনি। কেইমাহমান থাকি জেলৰ পৰা ওলাই অহা চৌধুৰী আকৌ বন্দী হ'ল। এয়া ১৯৪৩ চনৰ ফেব্ৰুৱাৰী মাহৰ কথা। '৪২ ৰ বতাহৰ ঢউ তেতিয়াও মাৰ যোৱা নাই। দ্বিতীয়বাৰ গ্ৰেপ্তাৰ হোৱাৰ পিচত মানুহৰ ধাৰণা সলনি হ'ল: চৌধুৰী সঁচাকৈয়ে ডাঙৰ নেতা। নহ'লে পুলিচে এৰি দি আকৌ গ্ৰেপ্তাৰ কৰিব কিয় ?

১৯৪৫ চনৰ কোনোবা এটা মাহত হিৰ'শ্বিমাত বোমা পৰিল। আণৱিক বোমা। তাৰ পিচত এদিন মহাযুদ্ধৰ অৱসান ঘটিল। ভাৰতৰ ৰাজনৈতিক বন্দীসকলক মুক্তি দিয়া হ'ল। সেই দলৰ লগতে ওলাই আহিল চৌধুৰী। চৌধুৰীয়ে কোৱামতে তেওঁ হেনো 'চিকিউৰিটি প্ৰিজনাৰ' আছিল। শ্বেলত ৰাখিছিল। সঁচা-মিছা তেৱেঁই জানে। জেলৰ পৰা ওলাই অহাৰ পিচত চৌধুৰীৰ খাব-ল'বলৈও সময় নাইকিয়া হৈ পৰিল। সদায় ব্যস্ত। এয়া দেশৰ কাম। ৰাইজৰ কাম। দেশ স্বাধীন নোহোৱালৈকে কাৰো শান্তি নাই। অৱসৰ নাই। চৌধুৰীৰো।

দ্বিতীয় মহাযুদ্ধ আৰু অসহযোগ আন্দোলনে চৌধুৰীক স্বীকৃতি দি গ'ল ৰাজনৈতিক নেতাৰ। ককায়েকৰ বং এৰাই যোৱা পুৰণি চাইকেলখনৰ এশ-এটা বেমাৰ। গতিকে মাহেকত কমেও তিনিবাৰ সেৱা-ভৱনলৈ চৌধুৰীৰ আহিবলগীয়া হয়। সেই সূত্ৰ-পাততে চৌধুৰীৰ লগত গকুল দাসৰ চিনাকি।

'৪২ৰ অক্টোবৰ নে নবেম্বৰ মাহ। চৌধুৰীয়ে চহৰখনৰ উপকণ্ঠতে লগা গাওঁখনৰ তিৰোতা কেইজনীমানক লৈ চহৰত এটা মহিলা সমদল আৰম্ভ কৰিলে। প্ৰৱেশিকাৰ বাছনি পৰীক্ষাৰ কাৰণে ভাল



প্ৰস্তুতি নথকা গাভৰু কেইজনীমানেৰে এটা 'পিকেটা'ৰ দল গঠন কৰিলে। চৰকাৰী অফিচবোৰৰ সন্মুখত পিকেটিং আৰম্ভ হ'ল। বাছনিৰ পিচতে দিবলগীয়া মাচুলৰ গধুৰ বোজা বব নোৱাৰা পিতৃহীনা শীলা শইকীয়াই সমদল, পিকেটিং আদিত আগভাগ ল'বলৈ পাই ভালেই পালে। দেখনিয়াৰ গাভৰু শীলা শইকীয়া ৰাজনৈতিক কামত চৌধুৰীৰ সেঁাহাত স্বৰূপ হৈ পৰিল।

বন্দীশালৰ পৰা ওলাই আহিও চৌধুৰীয়ে শীলাৰ মৰম এৰিব নোৱাৰিলে। কিছুমানে কয়: চৌধুৰীক হেনো এবাৰ শীলাৰ মাকে অপমানো কৰিছিল। সঁচা-মিছা কওঁতা সকলেহে জানে। কিন্তু জেলৰ পৰা ওলাই অহাৰ পিচত আন ক'তো বিচাৰি নোপোৱা চৌধুৰীক শীলাহঁতৰ ঘৰত পোৱাৰ কথা সঁচা।

তেনেকৈয়ে ছুটা বছৰ পাৰ হৈ গ'ল। তাৰ মাজতে গাওঁ আৰু সৰু চহৰখনৰ মানুহবোৰে এদিন জানিলে শীলাৰ 'টাইফয়ড্'। চৌধুৰীয়ে হেনো গুৱাহাটীৰ ছাত্ৰীবাৰী হাস্পাতালত ৰাখি চিকিৎসাৰ বন্দোৱস্ত কৰিছে।

এইবোৰ আনে কোৱা কথা। সঁচা-মিছা বিশ্বাস কৰিব নোৱাৰি। সমাজত চকু-চৰহা লোকৰ অভাৱ নাই। মানুহৰ দোষ দেখা আমাৰ স্বভাৱ।

তাৰ পিচত ১৯৫২ চনৰ জানুৱাৰী মাহত পতা সৰ্ব্বভাৰতীয় নিৰ্ব্বাচন। কংগ্ৰেছ কৰ্তৃপক্ষৰ খেচ্‌খেচনিত চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিলে। তেওঁৰ হেনো প্ৰতিদ্বন্দ্বিতা কৰাৰ ইচ্ছা নাছিল। কিন্তু কৰ্তৃপক্ষৰ আদেশ অমান্য কৰাৰ সাহস তেওঁৰ নাই। গতিকে ৰাইজে তেওঁক ভোট নিদিয়ে নাই। তেওঁ বেয়া নাপায়। কিন্তু কংগ্ৰেছ যাতে পৰাজিত নহয়, তাৰ বাবে ৰাইজ সজাগ হ'লেই তেওঁৰ পক্ষে যথেষ্ট।

চৌধুৰীৰ ভোট খোজা নীতি দেখি কেইজনমান মুখ চোকা ডেকাই হেনো কৈছিল: মিলিটাৰী ঠিকা নাপাই কংগ্ৰেছৰ পাণ্ডা

হৈ বিয়াল্লিচৰ গণবিপ্লৱত জেললৈ যোৱা চোৰবোৰক আমি ভোট নিদিওঁ। ৰাইজেও নিদিয়ে।

চৌধুৰীয়ে সেইসকল ডেকাৰ কথা শুনিও নুশুনিলে। মনৰ মাজত সন্দেহৰ আগ্নেয়গিৰি এটা সাৰটি লৈ ফলাফললৈ অপেক্ষা কৰিলে। সময়ত ঘোষণা কৰা হ'ল নিৰ্ব্বাচনৰ ফলাফল। চৌধুৰী প্ৰতিদ্বন্দ্বিতাত জয়ী হৈছে। পৰাজিত প্ৰতিদ্বন্দ্বীক সমৰ্থন কৰা লোকসকলে ক'লে ঃ এয়া অন্যায়। নিৰ্ব্বাচনৰ দিনাখন বেলেট-বাকচ ফুটাৰ কথা সকলোৱে জানে। এই কেন্দ্ৰত পুনৰ নিৰ্ব্বাচনৰ কাৰণে আমি নিৰ্ব্বাচন আয়োগৰ ওচৰত আবেদন কৰিম।

কিন্তু আবেদন কৰা নহ'ল। আবেদন নকৰিলে। চৌধুৰীক প্ৰতিদ্বন্দ্বিতা কৰা শৰ্ম্মা শান্ত মানুহ। পৰাজয় বৰণ কৰি লাজত তেওঁ মৰ্ম্মাহত হৈ পৰিল। 'আয়োগৰ ওচৰত গোচৰ তৰি মিছাতে জুলুম হোৱাৰ কোনো অৰ্থ নাই। যি হৈ গ'ল, গ'ল। ৰাইজে যাকে উপযুক্ত বুলি ভাবিছে তাকেই ভোট দিছে।' এয়া শৰ্ম্মাৰ কথা।

নতুন মন্ত্ৰিসভাৰ শপত গ্ৰহণৰ পিচত চৌধুৰীৰ ভাগত পৰিছিল ৰাজহ বিভাগ। কিন্তু এবছৰ পূৰ হওঁ-নৌহওঁতেই মনৰ অমিল হোৱাত বিত্তীয় মন্ত্ৰী শেনচোৱাই মন্ত্ৰীপদ ইস্তফা দিলে। মন্ত্ৰী-সকলৰ বিভাগবোৰ অদল-বদল হ'ল। ৰাজহ-মন্ত্ৰী চৌধুৰীৰ ভাগত পৰিল বিত্তীয় বিভাগ। তাৰ কেইমাহমান পিচতে চৌধুৰীৰ ককায়েকে মাছৰ মহল এৰি ঠিকা কৰিবলৈ ল'লে। লাইন-বাছৰ পাৰ্মিটো এখন নে দুখন তেওঁৰ নামত 'ইচু' হ'ল।

উদাৰ চৌধুৰীয়ে কিন্তু শীলা শইকীয়াক পাহৰিব নোৱাৰিলে। ভাল মানুহৰ কথাই সুকীয়া। শীলা শইকীয়াৰ কিবা এটা ব্যৱস্থা নকৰালৈকে চৌধুৰীৰ মনত শান্তি নাই। নিজৰ বিয়াৰ কথা ভবাৰ কথা নুঠেই।

অৱশেষত এদিন শীলা শইকীয়াৰ বিয়া হৈ গ'ল। শীলা



শইকীয়া শীলা দাস হ'ল। গকুল দাসৰ কপালত লক্ষ্মীৰ বাঢ়নীৰ খোঁচ পৰিল। বিয়াৰ নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ অহা দুই-চাৰিয়ে কোৱা-মেলা কৰিলে ঃ বিধৱা মাকজনীয়ে ছোৱালীজনীক সালঙ্কৃতাকৈ উলিয়াই দিছে। ইয়াতকৈনো কি কৰিব বেচেৰীয়ে? সেই চাইকেল মিস্ত্ৰিটোৱেও যে তলে তলে ইমান টকা জমাইছিল ক'বই পৰা নাছিলোঁ দেও। কোনোবা কোনোবাই ক'লে ঃ উৰহী গছৰ গুৰি আন ক'ৰবাত হে।

তাৰ পিচত এদিন 'সেৱা-ভৱনত' ওলমিল এটা প্ৰকাণ্ড তলা। কথা বুলিলেই বতাহ। সকলোৱে জানিলে গকুল দাসে হেনো শ্বিলঙত ৰেচনিং-শ্ব'প খুলিছে। গ্ৰাহক পালে সেৱা-ভৱনখন বিক্ৰী কৰিব।

এইবোৰ মই শ্বিলঙলৈ আহি শুনা কথা। মানুহৰ মুখত শুনিছোঁ। সঁচা-মিছা নাজানো। কিন্তু মই যেতিয়া গকুল দাসক চিনি পাওঁ তেতিয়া তেওঁৰ ৰেচনিং-শ্ব'প অথবা আন ব্যৱসায় একো নাই। এটা প্ৰকাণ্ড তিনিমহলীয়া ঘৰৰ মালিক গকুল দাস। বহুত ভাৰা পায়। তলৰ মহলা দুটাত চৰকাৰী অফিচ বহিছে। মাহে বাৰশ নে কিবা এটা ভাৰা। ওপৰ মহলাত গকুল দাস আৰু শীলা দাস থাকে। খাওঁতা কোনো নাই। এহাল গিৰিয়েক-ঘৈণীয়েক আৰু এটি পাঁচ বছৰীয়া ছোৱালী। মন্ত্ৰী-উপমন্ত্ৰীক লগ ধৰি ভৈয়ামৰ পৰা অহা মানুহবোৰক অফিচৰ কামত সহায় কৰি দিয়ে। বহুতে কয় ঃ সেয়েই তেওঁৰ ব্যৱসায়। তাৰ কাৰণে তেওঁ পইচা লয়। লয় যদিও মই নাজানো। কিন্তু উচ্চ বিষয়া আৰু মন্ত্ৰী-মহলত যে তেওঁৰ প্ৰতিপত্তি অগাধ সেই কথা মই জানো। দাস ব্যস্ত মানুহ। শ্বিলং, গুৱাহাটী, যোৰহাট, ডিব্ৰুগড় আদি চহৰবোৰত ঘূৰি ফুৰিব লাগে। ঘূৰি ফুৰে। কিয় ফুৰে নাজানো। কিন্তু ঘূৰি ফুৰা দেখোঁ। স্বাধীনোত্তৰ ভাৰতৰ চাবিবশ জানুৱাৰী পালনাৰ্থে দিল্লীলৈ যোৱা অসমৰ মন্ত্ৰী দুই-চাৰি গৰাকীৰ

লগত শীলা দাসো দিল্লীলৈ যাব লাগে। যায়। শীলা দাসে হেনো ভাল নাচে। মনিপুৰী নৃত্যত বিশাৰদ। চাবিবশ জানুৱাৰীত দিল্লীৰ সংস্কৃতি সভাঁত প্ৰায়ে কাৰ্য্যসূচী থাকে।

এইজনী শীলা দাসৰে ছোৱালীৰ অসুখ। হয়তো গকুল দাস শ্বিলঙত নাই। আদৰ্শ অসমীয়া ব্যৱসায়ী দাস ঘৰত নথকাটোৱে স্বাভাৱিক। আমি জনপ্ৰিয় চৰকাৰৰ চাকৰিয়াল। গতিকে গকুল দাসৰ ছোৱালীক ৰবাৰ্ট হাস্পাতালত শুশ্ৰূষাৰ বন্দৱস্ত কৰি আদৰ্শবাদী ব্যৱসায়ী এজনক উৎসাহ দিয়াটো আমাৰ কৰ্ত্তব্য। দায়িত্ব।

দুদিন পিচত। ৰাণাদিলেই খবৰটো আনি মোক দিছিল। পঙ্কিলৰ ঘৈণীয়েকে হেনো জন্ম দিছিল এটা মৃত সন্তানৰ! নিৰুপায় হৈ পঙ্কিলে সেই ৰাতিয়েই ঘৈণীয়েকক খোজ কঢ়াই লৈ গৈছিল হাস্পাতাললৈ। লাবানৰ পৰা গণেশ দাস হাস্পাতাললৈ তিনি মাইল নহ'লেও দুমাইলৰ বাট। বাটতে উজুটি খাই পৰি যোৱা মানুহজনীৰ গৰ্ভত তেতিয়াও পঙ্কিলে আশা কৰিছিল—এটা জীয়া সন্তান।

খবৰটো শুনি অনুশোচনাত মন মোৰ ভাঙি পৰিছিল। নিজকে বৰ সৰু সৰু যেন লাগিছিল। পঙ্কিলক বিপদৰ সময়ত লিফ্‌ট্‌ এটা দিব নোৱাৰা ষ্টাফ্‌কাৰখনেৰেই ৰাতি বাৰ বজাতো পুলিচ বজাৰৰ পৰা মই মদ কিনি আনো। বজাৰ কৰোঁ। গাভৰু টাইপিষ্ট্‌ মাৰ্গাৰেটক লৈ চুইট্‌ ফল্‌চ্‌লৈ যাওঁ। গকুল দাসৰ ছোৱালীক চিকিৎসালয়ত থোৱাওঁ। আৰু আজি এইখন গাড়ীৰেই অলপ পিচত মই যাম আকাশীৰ ওচৰলৈ। আকাশীহঁতৰ নঙলা-মুখত মোক নমাই থৈ ৰাণা গুচি আহিব।

আকাশী আৰু পঙ্কিল!

পঙ্কিলক লিফ্‌ট্‌ এটা দিব নোৱাৰা গাড়ীখনৰ মুভমেণ্ট্‌ পৰীক্ষা



কৰি জানো কোনোবাই ক'ব পাৰিব সেইখন চেক্ৰেটাৰী মিঃ গোস্বামী, মিছেছ গোস্বামী আৰু মোৰ নিজা গাড়ী?

হিচাপ পৰীক্ষক! 'ভেহিকেল পাৰ্‌ফমেঞ্চ লগ বুক'ত ভ্ৰমণ বিৱৰণ লিখিবলৈ আমি জানো। তোমাৰ অডিট্‌ পেন্সিলে আমি লিখি থোৱা ভ্ৰমণ বিৱৰণীকে সঁচা বুলি স্বীকাৰ কৰিব লাগিব। কণা হাঁহক পতান ধান।

'মিশ্ৰ, ড্ৰাইভ্‌ কৰিবলৈ আপুনি শিকি নলয় কেলেই? ড্ৰাইভিংটো জানি থোৱা আৱশ্যক। চেক্ৰেটাৰীয়ে মোক এদিন কৈছিল।

মিছেছ গোস্বামী শ্বিলঙত নথকা দিন কেইটাত মিছেছ আহমেদ, মিছ জুৱেল, ইলিজা বেগম, শীলা দাসহঁতক লিফ্‌ট্‌ দিয়াৰ কাৰণে যে গাড়ী চলাবলৈ শিকি থোৱাটো বেয়া নহয় চেক্ৰেটাৰী গোস্বামীয়ে নক'লেও মই জানো।

স্কুলত থাকোঁতে পঢ়া হিতোপদেশৰ পংক্তি এটা মনত পৰিল ঃ

এৰা, বেগমহঁতক লিফ্‌ট্‌ দিওঁতে পোৱা সঙ্গ সুখেৰে চেক্ৰেটাৰীয়ে মোৰ মুখখন চিলাই থ'ব খোজে।

তেল নসনা বব কটা চুলিবোৰ উৰুৱাই ইলিজাই ময়ূৰী ভঙ্গীত ডিঙিটো বেঁকা কৰি মোক এদিন সুধিছিল ঃ

'হেৰি মিশ্ৰ, মোৰ ষ্টাইপেণ্ডটো হ'বগৈ নে?'

'নহ'ব কেলেই? গোস্বামীয়ে আশা দিছে যেতিয়া নিশ্চয় হ'ব।' ক'লোঁ। ভাবিলোঁ ঃ জীৱনৰ কোষাগাৰ উদং কৰি দিয়াৰ পিচতো তোমাৰ এই সন্দেহৰ অৰ্থ কি? অৱশ্যে মিছেছ গোস্বামী শ্বিলঙলৈ উভতি নহালৈকে গোস্বামীয়ে ইমান সোনকালে বিদেশলৈ তোমাক কেতিয়াও নপঠিয়ায়। গোস্বামী মূৰ্খ নহয়। গোস্বামী তোমাৰ দৰে মোহ লগা গাভৰু এজনীক হাতৰ পৰা সহজে এৰি দিয়া ভকত নহয়।

কথা কওঁতে ওঁঠ কঁপা ইলিজাৰ যৌৱনটোলৈ বহুতৰে লোভ

লগা স্বাভাৱিক। ইলিজাহঁতৰ দৰে গাভৰুবোৰ থাকোঁতে ৰুগ্না মিছেছক লৈ মিঃ গোস্বামী সুখী হ'বলৈ যত্ন কৰাটোও এটা মূৰ্খামি। দো'পট্টাৰ আঁচল ঠিক কৈ লোৱাঁৰ চলেৰে বুকুৰ জোঙা অংশবোৰৰ প্ৰদৰ্শনী পাতি প্ৰলুব্ধ কৰা,—গোস্বামীৰ দোষ কি? ভাবিলোঁ: গোস্বামীক সম্পূৰ্ণভাৱে বিশ্বাস কৰিব নোৱাৰাৰ অন্তৰালত বিপুল ভূঞাই কৰা প্ৰতাৰণাৰ ছাপ নাইতো?

'এটা কথা নহয় মিছ বেগম!'

'কওঁকচোন!'

'হোৱাই ডন্টচ্ ইউ গো টু মি ওৱানচ্? আপোনাৰ লগত মোৰ কথা আছে। ঠিক মোৰ নহয়। আপোনাৰেই।'

'চাৰটেইনলি। নিশ্চয় যাম। হোৱেন ইউ উইল বি এভেলএৱল এট্ হ'ম? টু-ডে ইভিনিং?'

কিবা এটা চিন্তা কৰাৰ অভিনয় কৰি কৈছিলোঁ: 'নট টু-ডে। বেটাৰ টু-মৰো।'

'থ্যাঙ্ক্চ্।'

সিদিনা গধূলি যে মোৰ বিশেষ কিবা কাম আছিল এনে নহয়। কিন্তু ইলিজাহঁতৰ দৰে ছোৱালীবোৰৰ সন্মুখত নিজক বৰ সস্তীয়া কৰি দেখুৱালে উদ্দেশ্য সিদ্ধি হোৱাৰ আশা কৰা মিছা। সেই কাৰণেই কৈছিলোঁ: বেটাৰ টু-মৰো। উদ্দেশ্য পূৰণৰ কাৰণে এইকণ ধৈৰ্য্য মই ধৰিবই লাগিব।

বেচেৰী ইলিজা বেগম! তাই হয়তো ভাবে: তাইৰ কথা মই একোৱেই নাজানো। কিন্তু তাইতো নাজানে যে, জীৱনত একো কৰিব নোৱাৰিলেও ধুনীয়া গাভৰুবোৰৰ অতীত উদ্ধাৰ কৰাত ডেকা-ল'ৰাবোৰ ওস্তাদ।

প্ৰেমৰ জুৱা-খেলত বেচেৰী ইলিজা হাৰিল। তাই ভবা নাছিল বিপুল ভূঞাই যে যোৱা চাৰি বছৰে তাইৰ লগত কেৱল ব্লাফেই খেলি আছিল। অৱশেষত কিওঁৰ ট্ৰায়ো লৈ তাই এদিন শ্বো



দিলে। এম-এ পাছ কৰি অহাৰ এবছৰ পিচত। বিপুল ভূঞা এক্সপ'জ হ'ল। শেষ নিশাৰ জুৱা খেলত যি পালে তাকে লৈ তাই ঘৰলৈ উভতি আহিল। দাৰস্থ হ'ল চেক্ৰেটাৰী গোস্বামীৰ। গোস্বামীয়ে আশা দিলে। তাইক আমেৰিকালৈ পঠাব। চৰকাৰী ষ্টাইপেণ্ড এটা তেওঁ নিশ্চয় দিব পাৰিব। তাৰ মাজতেই সুবিধা ল'বলৈ বিচাৰিছিলোঁ মই।

সেইজনী ইলিজাক এদিন মাজনিশা ঘৰত থৈ অহাৰ কাৰণেই বৰকৈ অনুভৱ কৰিছিলোঁ: গাড়ী চলাবলৈ শিকাটো মোৰ নিতান্ত প্ৰয়োজন।

তাৰ পিচদিনাই পাইছিলোঁহি পল'-ফিল্ড। লগত আহিল ৰাণাদিল। সি তেতিয়া ড্ৰাইভাৰ নহয়। মোৰ শিক্ষক।

এদিন দুদিনকৈ তিনিদিন পাৰ হৈ গ'ল। তিনিদিন মানে তিনিটা আগনিশাৰ কেইটামান ঘণ্টা। ইতিমধ্যে ৰাণাদিলৰ সহায় নোহোৱাকৈয়ে ষ্টেয়াৰিং পোনাবলৈ মই শিকি পেলাইছোঁ। এক্সচেলেটাৰ গচকি স্পিড্ কন্ট্ৰ'ল কৰাৰ কৌশল আয়ত্ত কৰিছোঁ। ৰাণাই উৎসাহ দিছিল। মই হেনো নিপুণ ড্ৰাইভাৰ এজনৰ দৰেই গাড়ী চলাবলৈ শিকি পেলাইছোঁ।

চতুৰ্থ দিনৰ ঘটনা। সেই দিনাই ঘটিছিল সেই দুৰ্ঘটনাটো। পৃথিবীৰ বুকুত দশমী নে একাদশীৰ জোন। মই ষ্টেয়াৰিং ধৰিছিলোঁ। এক্সচেলেটাৰত ভৰিৰ দুৰ্ব্বল হেঁচা। ৰাণাদিল মোৰ কাষতে বহি আছিল। গাড়ী চলিছিল মন্থৰ গতিত।

হঠাৎ দেখিলোঁ গাড়ীৰ সন্মুখত এজন মানুহ। গাত এটা বগা সাজ। গাড়ীৰ হেড্ লাইট আৰু মানুহজনৰ মাজত ব্যৱধান তেতিয়া কিজানি দুফুটো নাছিল। ফুট ব্ৰেক্ গচকি গাড়ীখন ৰখোৱাৰ যত্ন কৰিছিলোঁ। কিন্তু কি হ'ল? গাড়ীৰ গতি-বেগ নকমিল। বাঢ়িল! ইঞ্জিনটো জঁপিয়াই যেন পঞ্চাশ মাইল গতিত আগুৱাই গ'ল। চকুৰে মই ধোঁৱা-কোৱা দেখিলোঁ। কিবা এটা

আশঙ্কাত চকু দুটা মুদ খাই গ'ল। মই তেতিয়া আৰু মই হৈ থকা নাই।

মানুহজন এতিয়ালৈকে নিশ্চয় জীয়াই থকা নাই

মানুহজনৰ করুণ আৰ্ত্তনাদটোৱে যেন পৃথিবীৰ সকলোকে জনাই থৈ গ'ল মই হত্যাকাৰী। মোৰ খাম-খেয়ালীত এটা জীৱনৰ অৱসান ঘটিল।

গাড়ীৰ ফ'ৰ হুইল আৰু ৰেডিঅ'টাৰটো তেজত ডুবি গৈছে। নৰ-ৰক্তেৰে ৰঞ্জিত হৈ পৰিছে পল'-ফিল্ডৰ ঘাঁহনি। অ'ত ত'ত সিঁচৰিত হৈ পৰি থকা শিল-গুটিবোৰত তেজৰ চেকা লাগি দুৰ্ব্বাসাৰ চকুৰ দৰে যোৱলৈ ট'-টকৈ চাই আছে। প্ৰতিহিংসাত। আক্ৰোশত। সেয়া যেন চকু নহয়ঃ প্ৰতিহিংসাৰ জ্বলন্ত জুই। ।ফাৰঙতি।

লগে লগেই কোনোবা এজন দানৱৰ শক্তি লৈ মোৰ গাত জঁপিয়াই পৰিল। মোৰ পিঠিত পৰা প্ৰতিটো আঘাতত! মই যেন মৃত্যুক আঁকোৱালি ল'বলৈ আগবাঢ়ি গৈছোঁ।

কিমান সময় তেনেদৰে পাৰ হৈ গৈছিল ক'ব নোৱাৰোঁ।

'ঠিক হ্যায়। এইসাই হোনা মাংটা। যেইসা আদমী, এইসা নেই হোনেসে কভী ঠিক নেই হোগা।'

হে ভগৱান! ৰাণাদিলে কয় কি? মোৰ এই দুৰ্ঘটনাটোৰ কাৰণে ৰাণাদিল আনন্দিত? সি গৈ বিচাৰালয়ৰ সাক্ষীৰ কাঠ-গৰাত থিয় হৈ ক'বঃ মই মানুহ মৰা কথাটো সঁচা। মই মানুহ মাৰিছোঁ। মানুহজন নিৰ্দ্দোষী। দোষী মই?

'ক্যা হো গিয়া? চালায়িয়ে না।'

মোৰ পৰা কোনো উত্তৰ নাপাই আদেশৰ সুৰত সি মোক পুনৰ কৈছিল। সেই মুহূৰ্ত্তত মোৰ এনে ইচ্ছা হৈছিলঃ মই যেন তাক গাড়ীৰ তলত চেপি গুৰি কৰি দিম। ঘুচিয়াই মুখ ভাঙি পেলাম।





অসভ্য জানোৱাৰ ক'ৰবাৰ। নিমখহাৰাম। বিশ্বাসঘাটক! বেইমান!

'আপ্ কো ক্যা হো গিয়া জী?'

'শ্বাট্-আপ্। তুম্ চুপ্ ৰহো।'

মই কঁপিছিলোঁ। চিঞৰিছিলোঁ খঙত। ক্ষোভত। কিবা এটা নাম নজনা নিষ্ফল আক্ৰোশত। সকলো চেতনা মোৰ যেন তেতিয়া হেৰাই গৈছিল।

কেইমিনিটমান পিচত। মই সুস্থ হৈ পৰিছিলোঁ। শান্ত হৈ পৰিছিলোঁ। দীঘল নিশ্বাস এটা মোৰ নাকেৰে বৈ আহিছিল। নিশ্চিত মৃত্যুৰ হাতৰ পৰা মই যেন এবাৰলৈ ৰক্ষা পৰিছিলোঁ। শ্বাস-নিশ্বাস বন্ধ হৈ যোৱা অক্টোপাচৰ দৃঢ় বন্ধন যেন হঠাতে শিথিল হৈ গৈছিল।

মোৰ অৱস্থাটো উপলব্ধি কৰি ৰাণাই মোক আশ্বাস দিছিল। কৈছিলঃ সেইজন মানুহ নহয়। ঘোঁৰা। গৰাকী নোহোৱাৰ দৰে বাটে-পথে ঘূৰি ফুৰা ঘোঁৰাজাকৰ ঠেং ভাঙি গুৰি কৰি দিয়াহে উচিত। এই চৰণীয়া ঘোঁৰাজাকৰ উৎপাতত ওচৰ-পাঁজৰৰ ল'ৰা-ছোৱালীবোৰে বাটে-পথে ওলাব নোৱাৰে। উমলিব নোৱাৰে। অথচ এই ঘোঁৰাবোৰ চোৱা-মিলাৰ দায়িত্ব লৈ কিছুমানে দৰ্ম্মহা খাই বহি আছে।

মোক কোনেও তেনেহ'লে কিলোৱা নাছিল? মই শুনা কাৰোবাৰ মৃত্যু আৰ্ত্তনাদটো মিছা?

মোৰ সন্দেহ দূৰ কৰিবলৈ ৰাণাই আকৌ কৈছিলঃ সেয়া মোৰ নাৰ্ভাচনেচ্। দুৰ্ব্বলতা। সিহে মোৰ গাৰ ওপৰেৰে জঁপিয়াই পৰি ষ্টেয়াৰিং নিয়ন্ত্ৰণ কৰিছিল। ফুটব্ৰেক্ গচকি ধৰাৰ পৰিবৰ্ত্তে মই জোৰেৰে হেঁচি দিছিলোঁ এক্সচেলেটাৰত।

তাক তেতিয়াও মই সম্পূৰ্ণভাৱে বিশ্বাস কৰিব পৰা নাছিলোঁ। গাড়ীৰ পৰা মই নামি গৈছিলোঁ। মোৰ লগে লগে নামি আহি-

ছিল ৰাণাদিল। জেপৰ পৰা দিয়াচলাইটো উলিয়াই এটাৰ পিচত আন এটা কাঠী জ্বলাই কিবা এটা নিৰীক্ষণ কৰিছিলোঁ। ৰাণাৰ কথাৰ সত্যতা প্ৰমাণ কৰিবলৈ যত্ন কৰিছিলোঁ।

ৰাণাদিলৰ কথাটোৱে সঁচা। মই মানুহ মৰা নাই। কাৰো তেজৰ চেকাই গাড়ীৰ ৰেডিঅ'টাৰ ডুবাই পেলোৱা নাই। গাড়ীখনৰো বিশেষ একো ক্ষতি হোৱা নাই। সোঁ ফালৰ হেড্ লাইট্টোৰ আয়নাখন মাথোন ভাঙি টুকুৰা-টুকুৰ হৈ মাটিত পৰি আছে।

'দেখিয়ে।'

দূৰলৈ আঙুলিয়াই ৰাণাই কিবা এটা মোক দেখুৱাইছিল। দৃষ্টি ফিৰাই আনি সি আঙুলিয়াই দেখুওৱাৰ পিনে চালোঁ। অলপ দূৰত এটা ঘোঁৰা। বগা। নিৰ্ব্বিকাৰ ভাৱে ঘাঁহ খাই আছে।

এনেতে হুৰমুৰকৈ ভিতৰলৈ সোমাই আহিল ৰাণাদিল। মই হাতৰ ঘড়ীটোলৈ চালোঁ। দহ বাজিবলৈ সাত মিনিট বাকী।

'মুঝে মাফ্ কিজিয়ে হুজুৰ। মেৰা থোৰা দেৰ হো গিয়া।'

'কই বাত নেই। চলেঁ।'

পানী-কোট আৰু টুপীটো হাতত লৈ ওলাই গ'লোঁ। কুমাৰী-দেহৰ গোন্ধ এটা তেতিয়া মোৰ নাকৰ ওচৰত উৰি ফুৰিছিল।

বৰষুণজাক তেতিয়াও এৰা নাই।

আকাশেও কান্দে। ক্ৰন্দসী।

যোৱা নিশা আকাশীয়েও কান্দিছিল।



## ॥ দুই ॥

অৱশেষত আইভীলতাই আত্মহত্যা কৰিলে।

যৌৱনৰ উছলি-মুছলিত চঞ্চলা এজনী ৰূপহী গাভৰুৰ আত্মহত্যাৰ কাৰণ জানিবলৈ বহুতেই ব্যস্ত হোৱাটো স্বাভাৱিক। ধন আৰু সৌন্দৰ্য্যই আমুৱা আইভীলতাৰ বাবে ময়ূৰ দুৱৰা দায়ী নহয়। আইভীৰ মৃত্যুৰ কাৰণে যদি কোনোবা দোষী, তেন্তে সেইজন মই। মোতকৈও বেচি দোষী দৈনিক বাতৰি-কাকত হিমাচলৰ সম্পাদক নৰপল্লৱ বৰুৱা।

এৰা, নৰপল্লৱেই দোষী। নিজে নজনাকৈয়ে আমি কেতিয়াবা কাৰোবাৰ হত্যাকাৰী হৈ পৰোঁ। বহুত অপৰাধত সংলিপ্ত হৈ পৰোঁ।

এইজনী আইভীলতা আকাশীহঁতৰ আইভীলতা নহয়।

পঞ্জাৱী ৰূপহী গাভৰু বুলি ভুল কৰা আইভীলতাৰ ঘৰ পঞ্জাৱত নাছিল। অসমৰ মাটিতে জন্ম লৈ গাভৰু হোৱা, কামুৰি খাবলৈ মন যোৱা আইভীলতাই এদিন আত্মহত্যা কৰিলে।

বেচেৰা ময়ূৰ দুৱৰা!

তাৰ জীৱনলৈ নামি আহিছিল সংঘাত। ঘনাই আহিছিল সমাধান নোহোৱা হেজাৰ সমস্যাৰ থুপ। মানুহৰ জীৱনৰ সমস্যাৰ শেষ নাই। আশাৰ অন্ত নাই। জীৱনটোৱেই এটা সমস্যা। এটা আশা। আশাৰ জুই-বাহ।

ন্যায়, আদৰ্শ আৰু জীৱনৰ চৰম সভ্যতাৰ উপলব্ধিয়ে সিদিনা তাক সাঙুৰি পেলাইছিল সমস্যাৰ মকৰা-জালত। সি পিঞ্জৰাবদ্ধ হ'ল। স্বস্তিৰ নিশ্বাসেই তাৰ কাৰণে হ'ল মৃত্যুৰ ৰুদ্ধশ্বাস।

সি কিন্তু ভাঙি নপৰিল। অনাগত ভৱিষ্যতক আঁকোৱালি লৈ

সি যত্ন কৰিছিল জীয়াই থাকিবলৈ। অসীম সাহস আৰু শক্তি গোটাই ল'বলৈ তাৰ এই আত্ম-বিশ্বাসেই সিদিনা তাক যোগাইছিল প্ৰেৰণা। উৎসাহ। জীয়াই থকাৰ অনন্ত আশা। সমাজৰ ওপৰত প্ৰতিশোধ লোৱাৰ দুৰ্ব্বাৰ হেপাহ।

যক্ষ্মাগ্ৰস্ত বৃদ্ধ অধ্যাপক শীতল কাকতি। ক্ষণে ক্ষণে মৃত্যুৰ ক্ষণ গণি শেষ নিশ্বাসলৈ অপেক্ষা কৰিছিল হাস্পাতালত। শ্বিলঙৰ বেড্-চেষ্টত্।

ৰাতিৰ এন্ধাৰবোৰে উমনি দিছিল এটা নতুন পুৱাৰ। নতুন দিনৰ। অলেখ নতুন আশাৰ। আৰু এই এন্ধাৰবোৰেই কাকতিৰ জীৱনলৈ ঘনাই আনিছিল অলেখ হতাশা আৰু বেদনা। অনিশ্চয়তা আৰু ধ্বংসৰ ক'লা স্তূপৰ আকাশ-লজ্মী চূড়া। কাকতিয়ে কান্দি কান্দি কান্দিব নোৱাৰা হৈ গৈছিল। চকুপানী-বোৰ যেন শুকাই নিঃশেষ হৈ গৈছিল। গোট মাৰি শিল হৈ গৈছিল। কাকতিৰ চকুপানীয়ে প্ৰশান্ত সাগৰৰ সৃষ্টি কৰিব নোৱাৰিলে। সৃষ্টি কৰিলে হিমালয়ৰ বৰফ। বগা ৰ'দত নপমা, নজহা বৰফ।

অৱশেষত সেই বৰফো এদিন গলিল।

আইভীলতা তেতিয়া চতুৰ্থ বাৰ্ষিকৰ ছাত্ৰী।

মই নতুনকৈ শ্বিলঙলৈ আহিছোঁ। চাকৰি পোৱা নাই। পাম। বিচাৰিছোঁ। দীপ্তিপ্ৰখৰ চৌধুৰী লাইটুমুখ্ৰাত ঘৰ এটা লৈ অকলেই আছিল। মই আহি প্ৰথমতে কেইদিনমান তাৰ আলহী হৈ আছিলোঁ। তাৰ পিচত হ'লোঁ মেছ মেম্বাৰ। মেছ মানে আমাৰ দুজনৰ মেছ। দীপ্তিপ্ৰখৰ আৰু মই। বাপুটিয়ে আমাৰ ভাত পানী ৰান্ধে। দৰ্ম্মহা-পাতি একো দিব নালাগে। আমাৰ লগত খায়। অফিচত চাকৰি কৰে। দৰ্ম্মহা অফিচৰ পৰাই পায়।

দীপ্তিপ্ৰখৰৰ লগত কলেজত একেলগে চাৰিটা বছৰ পঢ়িছিলোঁ। সি আজিকালি শ্বিলঙত কিবা এটা ভাল চাকৰি কৰে। দৰ্ম্মহা



বহুখিনি পায়। ভাল চাকৰি মানে অলপ বেচি টকা পোৱা চাকৰি। বিয়া-বাৰু কৰোৱা নাই। এজনী খাচিয়ানী ছোৱালীৰ প্ৰেমত পৰি আছে। সি কোৱামতে তাৰ প্ৰেমৰ কাহিনীটো অলপ সুকীয়া।

'বুইছ, ভৈয়ামত থাকোঁতে শুনিছিলোঁ শ্বিলঙত প্ৰেম হেনো বৰ সস্তীয়া। যি কোনো ডেকাই ইচ্ছা কৰিলে খাচিয়ানীৰ প্ৰেমত পৰিব পাৰে। আলোচনীবোৰত প্ৰকাশ হোৱা দুটা নে এটা গল্পও পঢ়িছিলোঁ। সেই গল্প লেখকসকলৰ মতে খাচিয়ানীৰ প্ৰেম ইয়াত বৰ সহজ-লভ্য। ভৈয়ামৰ পৰা শ্বিলঙলৈ অহা প্ৰায়বোৰ ডেকা ল'ৰাই এই সস্তীয়া প্ৰেমৰ বাটত উজুটি খাই আঁঠুৰ মাখিছাল ছিঙে। বহুতৰে আকৌ বুকুৰ কামি-হাড়ো ভাঙে। সেইদল ডেকাই তাইহঁতকে লৈ যৌথ জীৱনৰ পাতনি মেলি সুখী দাম্পত্য জীৱন যাপন কৰাৰ অভিনয় কৰে। 'মোৰ ক্ষেত্ৰত কিন্তু ইয়াৰ ব্যতিক্ৰম ঘটিল। মই কাৰো প্ৰেমত নপৰিলোঁ। মোৰো প্ৰেমত কোনেও নপৰিল। তেনেকৈয়ে তিনিটা বছৰ পাৰ হৈ গ'ল। অৱশেষত ভাইওলেটজনী আহিল। তাই লোভ লগাকৈ ধুনীয়া। মাতবোৰ মিঠা। মোৰ সন্মুখতে বহি দিনৰ দিনটো টাইপ কৰে। ধুনীয়াকৈ হাঁহে। মৰম লগাকৈ কথাবোৰ কয়। টাইপ কৰিবলগীয়া চিঠিবোৰৰ পাণ্ডুলিপিৰ পঢ়িব নোৱাৰা শব্দবোৰ মোৰ হতুৱাই পঢ়ুৱাই লয়। মাজে মাজে ইংৰাজী শব্দ দুটা এটাৰ বানান সোধে। মিঠা হাঁহি এটা মাৰি 'ধন্যবাদ' বুলি আঁতৰি যায়।

'চিম' বুলি কেতিয়াবা কেতিয়াবা তাই তামোল একোখন মোলৈ আগুৱাই দিয়ে। খাওঁ। 'চিম' মানে 'খা' নে 'ল' বাৰু?

আকৌ ময়ো মাজে সময়ে তাইক তামোল দিওঁ।

'খুব্লাই ম?'

'খুব্লাই ম' মানে 'লৈছোঁহক দেই' নে 'ধন্যবাদ'?

এৰা, খাচিয়া ভাষাটো শিকি লোৱা বেয়া নহয়।

সিদিনাৰ পৰা অফিচৰ আহৰি পৰত তাই মোৰ শিক্ষয়িত্ৰী নিযুক্ত হ'ল। মই নিযুক্তি দিলোঁ। তাই আপত্তি নকৰিলে। বৰং তাই মোক খাচিয়া ভাষা শিকাবলৈ পাই আনন্দহে পালে। বুইছ অসীম, নিজৰ মাতৃ ভাষাটো আনক শিকাবলৈ পালে অকল আমিয়েই নহয়, সকলোৱে আনন্দ পায়।

এদিন আবেলি। অফিচত কোনো নাছিল। আছিলোঁ মই আৰু তাই। তাই গাত লোৱা কাপোৰখন আঙুলিয়াই 'এইখনক তইঁতৰ ভাষাত কি বোলে' বুলি সুধিব খোজোঁতেই মোৰ সোঁ-হাতৰ আঙুলি এটা গৈ তাইৰ গাৰ নালাগিব লগা অংশ এটাত লাগিলগৈ।

মই পেপুৱা লাগিলোঁ। ভাবিলোঁ: তাই মোক এতিয়াই গালি পাৰিব। মোৰ সাত পুৰুষ উদ্ধাৰি যৎপৰোনাস্তি কৰিব। ক'ব: অসভ্য, বদ্‌মাচ্ ক'ৰবাৰ। ইয়াৰ কাৰণেহে তই খাচিয়া ভাষা শিকিব খুজিছিলি?

কিন্তু নক'লে। তাইৰ চকুলৈ চালোঁ। চকু দুটাই হাঁহিছে। এইহাল চকু মই যেন চিনি নাপাওঁ। এইজনী ভাইওলেটক মই কোনো দিনেই ক'তো দেখা নাই। নাৰীৰ চকুত ইমানবোৰ মৰম সনা থাকে! ইমান চেনেহ!

'এইখনৰ কথা যে সুধিছ তাতকৈ নোসোধ কিয় বক্ষ-বন্ধনীক আমি কি কওঁ (?)'—তাই হাঁহি হাঁহি ইংৰাজীতে কৈছিল।

'তয়ো বক্ষ-বন্ধনী পিন্ধ নে কি? তোকো জানো বক্ষ-বন্ধনী লাগে? বক্ষ-বন্ধনী নহ'লেও তোৰ বুকুখন শ্বিলং পিকৰ দৰেই ওখ।' ইংৰাজীতেই কৈছিলোঁ। তাৰ পিচত তাই সঁচাকৈ বক্ষ-বন্ধনী পিন্ধিছে নে নাই তাৰ প্ৰমাণ ল'বলৈহে যেন মোৰ হাতখন আগুৱাই গৈছিল।

'ধেৎ! তই বৰ দুষ্ট। সুৰ.সুৰাই দিয় কেলেই?' হাঁহি



হাঁহি তাই আঁতৰি গৈছিল। অলপ দূৰৰ মেজ এখনত আউজি গাত লোৱা কাপোৰখন দাঙি দেখুৱাই কৈছিল: 'আমি এইখনক তাম্‌খ্‌লি বুলি কওঁ অ'। মোৰ দৃষ্টি তেতিয়া তাম্‌খ্‌লিৰ ওপৰত নাছিল। চিয়া কঁকালখনৰ ওপৰত উপত্যকা ঘন হৈ অহা জোঙা বুকুখন কামুৰি খাওঁ কামুৰি খাওঁ যেন লাগিছিল। এয়া নাৰী। দেহৰ ভাঁজে ভাঁজে ৰূপ। কাপোৰৰ পাতল আৱৰণে ঢাকি ৰাখিব নোৱাৰা দেহৰ ঐশ্বৰ্য্য। যৌৱন। মন বাঁইজাঁই কৰা নাৰী-দেহৰ সুষমা।

সেইজনী ভাইওলেটক মই সাৱটি ধৰিছিলোঁ। চুমা খাব খুজিছিলোঁ।

'ইয়াত নহয় অ'। ঘৰত। ঘৰলৈ যাবি।'

ভাইওলেটৰ ঘৰলৈ গৈছিলোঁ। কেইবা দিনো চাহ খাইছোঁ। ভাত খাইছোঁ। বৰষুণ অথবা চেঁচাৰ কাৰণে আহিব নোৱাৰি কেইবা ৰাতিও সিহঁতৰ ঘৰতে কটাই দিছোঁ।

অকলশৰীয়া মাকজনীয়ে আমাক কথা পাতিবলৈ কৈ শুবলৈ গৈছিল। কৈছিল: 'তাক যাবলে' নিদিবি। বহুত ৰাতি হ'ল। ইয়াতে বিচনা কৰি দে।' মোলৈ চাই কৈছিল: 'এই ৰাতিখন নাযাবি। বাহিৰত যিহে চেঁচা। নিউমোনিয়া হৈ মৰিবি।'

মাকেও জানে আন এখন বিচনা কৰিবলৈ ভাইওলেটহঁতৰ যথেষ্ট কাপোৰ নাই। হয় ভাইওলেট মাকৰ লগত শুব লাগিব; নহ'লে মই শুব লাগিব ভাইওলেটৰ সৈতে একেলগে।

ইতিমধ্যে মই খাচিয়া ভাষা বহুখিনি শিকি পেলাইছোঁ। প্ৰায়-বোৰ কথা সিহঁতৰ ভাষাত ক'ব পাৰোঁ। বুজোঁ।

'বুইছ অসীম, মই তাইক বিয়া কৰাবই লাগিব যেন পাইছোঁ। বেচেৰী বৰ আঁকৰী। মা-দেউতাই বন্দৱস্ত কৰা সত্ত্বেও সেই কাৰণেই মই বিয়াত সন্মতি দিয়া নাই। তাইক এবাৰ মোৰ বিয়া পতাৰ কথা কৈছিলোঁ। তাই একো নক'লে। কান্দিলে। তাৰ

পিচত কৈছিল ঃ 'তইতো আজিৰ পৰা তেনেহ'লে মোৰ ওচৰলৈ নাহ।'

মাকে কৈছিল ঃ 'মোৰ ল'ৰা নাই। তোকে মোৰ ল'ৰা বুলি ভাবিছিলোঁ। মৰম নেৰিবি। সময় পালে আহিবি। বিপদ-আপদ হ'লে খবৰ-বাতৰি দিবি।'

মা-দেউতাৰ কথা শুনি সেইজনী ছোৱালীক মই কেনেকৈ প্ৰতাৰণা কৰোঁ ; তয়ে ক'চোন অসীম।'

মই একো নক'লোঁ। 'এৰা' বুলি মাথোন শলাগিলোঁ।

এইজন দীপ্তিপ্ৰখৰেই মোক এদিন পৰামৰ্শ দিছিল ঃ 'তই দেখোন কাম এটা কৰিব পাৰ। চাকৰি নোহোৱালৈকে বাতৰি-কাকতৰ ৰিপ'ৰ্টাৰ এটাকে হৈ নলৱ কেলেই? চাকৰি পালেও ৰিপ'ৰ্টাৰ হৈয়েই থাকিব পাৰিবি। মন আছে যদি ক'। হিমাচলৰ সম্পাদক নৱপল্লৱলৈ মই লিখিম।'

নৱপল্লৱ বৰুৱাৰ লগত মোৰো পৰিচয় নোহোৱা নহয়। দীপ্তি-প্ৰখৰৰ পৰামৰ্শটো মোৰ বেয়া নালাগিল।

কেইদিনমানৰ পিচত হিমাচলৰ সম্পাদকৰ পৰা উত্তৰ আহিছিল। মোক ৰিপ'ৰ্টাৰ হিচাপে পালে তেওঁৰ লগতে কাকতৰ ব্যৱসায়—মেনেজাৰো হেনো সুখী হ'ব।

ৰিপ'ৰ্টাৰ হ'বলৈ বিশেষ একো কষ্ট নালাগে। বিশেষকৈ শ্বিলঙত। বিধান সভাখন আছে। থানা আছে। চৰকাৰৰ প্ৰধান অফিচবোৰ আছে। আৰু মন্ত্ৰী, উপ-মন্ত্ৰীবোৰো আছে। অকল সচিবালয়খনকে নিৰ্ভৰ কৰিয়েই এজন ৰিপ'ৰ্টাৰ ইয়াত পোহ যাব পাৰে। খবৰ বিচাৰি শ্বিলঙত হাবাথুৰি খাব নালাগে। খবৰে হাবাথুৰি খাই ৰিপ'ৰ্টাৰক বিচাৰি ফুৰে। থানাৰ অ'-চি জনৰ সৈতে বন্ধু হৈ ল'ব পাৰিলে কামটো আৰু উজু হয়। মোৰেই বোধহয় সৌভাগ্য। থানাৰ অ'-চি জনো মোৰ চিনাকি। ককাইদেউৰ সহপাঠী। 'ককাইদেউ' বুলি মাতোঁ। গতিকে সৰহ ভাগ খবৰ অ'-চি



জনেই মোক দিয়ে। মাজে মাজে থানালৈ যাওঁ। যাবলৈ এলাহ লাগিলে ওচৰত থকা কাৰোবাৰ ঘৰৰ পৰা ফোন কৰোঁ। মই যেন খুউব ব্যস্ত। থানালৈ যাবলৈও মোৰ সময় নাই।

'এৰা, তোমালোক ৰিপ'ৰ্টাৰ মানুহ। বুইছা অসীম, ৰিপ'ৰ্টাৰ, পুলিচ আৰু ডাক্তৰ—এই কেইটাৰ নিচিনা 'চুটীয়া' কাম আৰু দুনিয়াত একো নাই। খোৱা-লোৱাৰ শান্তি নাই। জিৰণি নাই। কেৱল কাম আৰু কাম।'

'এৰা, ককাইদেউ। আমাতকৈও আপোনালোকৰ যে আৰু মস্কিল। অৱশ্যে মই সকলোবোৰ পুলিচ অফিচাৰৰ কথা কোৱা নাই। বিশেষকৈ আপোনাৰ। সেই কাৰণেই ওপৰৱালাই আপোনাক ভালো পায় বেচি। বিশ্বাস কৰে। আনবোৰৰ দৰে কামত আপুনি ফাকি নিদিয়ে বুলি তেওঁলোকে জানে। এচ্-পিৰ কথাই প্ৰতি আপোনাৰ নাম।'

কম্পাউণ্ডৰক 'ডাক্তৰবাবু' আৰু হেণ্ডিমেনক 'কণ্ডাক্টৰ চাহাব' বুলিলে ভাল পোৱাৰ দৰে মোৰ 'ককাইদেউ' জনৰো পুলিচ অফিচাৰ শব্দটোৰ প্ৰতি এটা দুৰ্ব্বলতা আছে। সেই কাৰণেই সুবিধা পালেই 'পুলিচ অফিচা'ৰ শব্দ দুটা মই ক'বলৈ নাপাহৰোঁ।

এচ্-পিক মই চিনি পাওঁ। কিন্তু এচ্-পিয়ে কথাই প্ৰতি 'চুটীয়া' শব্দ ব্যৱহাৰ কৰা মোৰ এই পুলিচ অফিচাৰ ককাইদেউজনৰ কথা মোক কিয় ভুলতে আনকো কেতিয়াবা কোৱা বুলি মোৰ বিশ্বাস নহয়। কেতিয়াবা কাৰোবাক ক'লেও 'সোৰোপা' 'কথা-চহকী' বুলি কোৱাৰ বাহিৰে আন একো নকয় বুলি মই ন দি ক'ব পাৰোঁ। তথাপিও ফোনত কথা পাতিলেই সেই কথাষাৰ মই দোহাৰোঁ। এইষাৰ কথা যে কিমানবাৰ কৈছোঁ কোনোবাই তাৰ হিচাপ ৰখা হ'লে দ্বিতীয় মহাযুদ্ধৰ সময়ত মিত্ৰপক্ষৰ বাতৰি-কাকতবোৰত প্ৰকাশ হোৱা জাপানী সৈন্যৰ মৃত্যু-সংখ্যাতকৈ বেচি নহ'লেও যে কম নহ'ল-হেঁতেন—ই ঠিক। ফোনত কথা পাতিলে কোৱা জনক প্ৰশংসা

কৰি কথা ক'বলৈ বেয়া নালাগে। মোৰ সদায় একেটা কথা। কোনোবাই টেপ কৰি ফোনৰ ৰিচিভাৰটোৰ সম্মুখত বজাই দি ককাইদেউজনৰ পৰা মোৰ হৈ আটাইবোৰ খবৰেই ল'ব পাৰে। জানো—এই শব্দ কেইটা 'ককাইদেউৰ' ওচৰত উদ্দেশ্য পূৰণৰ বাবে মোৰ কাৰণে ৰুদ্ৰপ্ৰদত্ত অব্যৰ্থ বাণ।

'এহ্ থোৱা থোৱাহে। সেই চুটীয়াডালৰ কথা। সি কেলেহুৱাই মোৰ প্ৰশংসা কৰিলে মই ক'ৰ ডাঙৰ মানুহটো হমগৈ। ভাগ্য ভাল ঃ সি যেনিবা এচ্-পিটো হৈছে। আৰু মোৰ ভাগ্য বেয়া ঃ থানাই থানাই বাগৰি ফুৰিছোঁ। পাৰ্থক্য ইমানেইহে। ভাগ্যনো কি ভালহে। তাৰ দৰে 'তেল' দিব পৰা হ'লে আমিও ইমান দিনে কিবা এটা হ'লোঁহেঁতেন।'

এইষাৰ কথা মোৰ ককাইদেউজনে যে পেটৰ ভিতৰৰ পৰা নকয় মই জানো।

আনৰ দুৰ্ব্বলতাৰ সুযোগ লৈ নিজৰ উদ্দেশ্য পূৰণ কৰা মানুহৰ স্বভাৱ। কওঁ ঃ 'নহয় ককাইদেউ ; এই প্ৰশংসাৰ মূল্য নাই বুলি আপুনি নক'ব। আপোনাৰ তুলনাত এচ্-পিৰ কেলিবাৰ একোৱেই নহয়। মই জানো। তথাপিও এচ্-পি। মই ঠিৰাংকৈ ক'ব পাৰোঁ।…এহ্ থাওক। অহাবাৰ চাবিবশ জানুৱাৰীলৈ আপুনি নিজেও গম পাব নহয়।'

'এহ্ থোৱা। আজিকালি ৰাষ্ট্ৰপতি-পদকৰ কোনো মূল্য নাই। কেইজন যোগ্য লোকে সেইবোৰ পদক পাইছেহে? চব ফাকি। খাতিৰ। পিচে এটা কথা নহয় অসীম। আজিৰ খবৰটো বৰ গোপনীয়। প্ৰকাশ কৰা মানা।'

'হয় নে কি? তেন্তে মইনো কি কম? মোতকৈ আপুনি বেচি বুজে। বেচি জানে। মই জানো নহয়—চবকাৰে গোপনীয় আৰু গুৰুত্বপূৰ্ণ কেচবোৰৰ কাৰণে আপোনাকেই নিৰ্ভৰ কৰে বেচি। নকয় যদি তেনেহ'লে থওঁ। নহয় জানো ককাইদেউ? আচলতে কথাটোনো কি?'



থওঁ বুলি ক'লেও ৰিচিভাৰ মই কোনোদিনেই থৈ নিদিওঁ। জানো ঃ যিমান গোপনীয় খবৰেই নহওঁক তেওঁ মোক ক'বই।

'তোমালোক ৰিপ'ৰ্টাৰবোৰৰ কাৰণে উপায় নাই আৰু। একেবাৰে চিনা-জোক লগা দিয়াহে। শুনা বাৰু। কিন্তু খবৰটো কাগজলৈ নপঠিয়াবা দেই। কাৰো আগত যেন প্ৰকাশ নকৰা। বুইছা?'

'ইচ্ ৰাম। তেনে কথা আৰু হ'ব পাৰে নে? আপোনাৰ কথা জানো মই পেলাব পাৰোঁ?'

তাৰ পিচত তেওঁ কৈ যাব। কি হৈছিল। তেওঁ কি কৰিছিল। ইত্যাদি। তেওঁ বুলিহে কোনোমতে ৰক্ষা। নহ'লে হেনো হৈছিলেই।

'বুইছা, এনেকুৱা কেচ মোৰ বাহিৰে কেইজনে 'ডিটেক্ট' কৰিব পাৰে চাম নহয়।'

'মই জানো ককাইদেউ।'

তাৰ পিচত মাতটো সৰু কৰি ক'ব ঃ 'হেৰা মইনা, [ একেকোৱেই মই মইনা হৈ যাওঁ তেতিয়া ] এটা কথা নহয়। এচ্-পি-য়ে মোৰ কথা কি কৈছিল বুলিলা?'

এসোপামান মিছা কথা কৈ ফোনটো থৈ দিওঁ। কিন্তু ফোনটো থোৱাৰ আগতে 'থৈছোঁ দেই' বুলি মই কেতিয়াও নকওঁ। ক'লেই বিপদ। ফোন থোৱা মোৰ নহ'বই। পেঘেনিয়াই পেঘেনিয়াই একেবোৰ কথাকে সুধি থাকিব। কেইবা দিনো তেনেদৰে কৈ মই বিপদত পৰিছোঁ। অৱশেষত এদিন কথাৰ মাজতে অ'-চি জনে শুনাকৈ কৈছিলোঁ ঃ 'ৰচোন অ'। কথা পাতিছোঁ। গাড়ীখন অকণমান ৰ'বলৈ দে না।'

অৰ্থাৎ মোৰ কাৰণে যেন কোনোবা এজন গাড়ীলৈ অপেক্ষা কৰি আছে। তৃতীয় ব্যক্তিক কোৱাৰ অজুহাত দেখুৱাই ফোনটো থৈ দিয়াৰ সুবিধা বিচাৰিছিলোঁ। তাৰ পিচত কৈছিলোঁ ঃ 'আহেঁ৷ ককাইদেউ। মোৰ কাৰণে গাড়ী ৰৈ আছে।'

কিন্তু মিছা কথা। মোৰ কাৰণে কোনো বৈ নাছিল। তৃতীয় ব্যক্তিক উদ্দেশ্য কৰি কোৱা কথাবোৰ মই নিজে সাজি কোৱা। তৃতীয় ব্যক্তি মোৰ ওচৰত আচলতে কোনো নাছিল। তেনেদৰে ফাকি নিদি উপায় নাই। ককাইদেউক অসন্তুষ্ট কৰা মানে নিজৰ আহুকাল নিজে চপাই লোৱা। মানুহৰ ওচৰত স্বাৰ্থ থকালৈকে কাকো অসন্তুষ্ট নকৰিবলৈ যত্ন কৰাটো আমাৰ স্বভাৱ। সিদিনাৰ পৰা বিচিভাৰটো থোৱাৰ আগতে 'থৈছোঁ' বুলি কেতিয়াও নকওঁ। খবৰটো শুনাৰ পিচত 'হয় নে কি? বাৰু' বুলি ৰিচিভাৰটো থৈ দিওঁ।

পিচদিনা কাৰো আগত প্ৰকাশ নকৰিবলৈ কোৱা অতি গোপনীয় খবৰটো কাগজত ছপা হৈ ওলায়। কেচ অনুসন্ধান কৰা অ'-চি জনৰ নামটো ছপা আখৰত দেখি মোৰ ককাইদেউজনে আত্মগৌৰৱত মিচিকিয়াই হাঁহে। ষ্টাফৰ কাৰোবাক দেখুৱাই নে কি নাজানো। কিন্তু সকলোৱে দেখক বুলি বাতৰিটো ৰঙা পেন্সিলেৰে আণ্ডাৰ লাইন কৰি কাগজখন সকলোৰে চকুত পৰাকৈ টেবুলত মেলি থোৱা থানালৈ যাওঁতে মই কেইবা দিনো দেখিছোঁ। তেওঁৰ মতে গোপনীয় আটাইবোৰ খবৰেই কাগজত ছপা হৈ ওলায়। এদিন নহয়। দুদিন নহয়। সদায়।

খুন, চুৰি, মোকৰ্দ্দমাৰ খবৰবোৰ এইজন ককাইদেৱেই মোক দিয়ে। নাৰী অথবা বালিকা অপহৰণৰ বাতৰিবোৰৰ প্ৰতি তেওঁৰ ভীষণ দুৰ্ব্বলতা। তেনেকুৱা ঘটনাৰ বিৱৰণ দিবলৈ তেওঁ নিজেই মোলৈ ফোন কৰিব। লিখি-মেলি মই কাগজলৈ পঠিয়াই দিওঁ। অসমীয়াতে কথাখিনি জুকিয়াই লিখিবলৈ মোৰ বিশেষ একো টান নালাগে। মই লিখক নহ'লেও মাতৃভাষা মোৰ অসমীয়া। ৰিপ'ৰ্টাৰ হ'বলৈ লিখক হ'ব নালাগে। ব্যাকৰণ নাজানিলেও চলে।

অৱশ্যে ককাইদেৱে মোক যে সদায় সঁচা খবৰবোৰকে দিয়ে এনে নহয়। মাজে সময়ে মিছা খবৰো দিয়ে। আত্মগৌৰৱ কৰি



কোৱা কোনবোৰ খবৰ মিছা মই জানো। বুজি পাওঁ। তেনে খবৰবোৰৰ নমুনা এনেকুৱা ঃ

'ভেৰি ইণ্টাৰেষ্টিং অসীম। এই বয়সত এনেকুৱা খবৰ কোনেও বিশ্বাস নকৰিব। কিন্তু নকৰিলেও সঁচা। বানপ্ৰস্থৰ বয়স পালেহি। এতিয়াও যদি ছোৱালীৰ পিচত দৌৰি ফুৰে কোনে বিশ্বাস কৰিব কোৱাচোন।'

'কাৰনো কথা কৈছে ককাইদেউ?'

'কিয়? নাজানা? বিধান সভাৰ অধ্যক্ষ হাজৰিকাৰ কথাটো? কি হ'ল জানা? লাহোৱাল নে ক'ৰবালৈ যাওঁতে বিধান সভাৰ সদস্যা কাঞ্চন কুমাৰী কোঁৱৰক হেনো ফাৰ্ষ্ট ক্লাছ্ ক'ম্পাৰ্ট'মেণ্টতে··· মানে চি ওৱাজ ব'ডিলি ফৰ্চড্···।'

'হয় নে কি?'

মোৰ এই 'হয় নে কি' শব্দ দুটাই যেন শুকান খৰিত ঘিউ হে ঢালিলে। দুগুণ উৎসাহেৰে কৈ যাব ঃ 'সেইদিনাতো সেইদিনাই। আজি কেইদিনমান আগতে যে এটা দল মাজুলীলৈ গৈছিল? দুজন নে তিনিজন এম-এল-এ, কাঞ্চন কুমাৰী আৰু অধ্যক্ষ। 'ফ্লাড্ এফেক্টেড্ এৰিয়া চাৰ্ভে' কৰিবলৈহে। নিশা ব্ৰহ্মপুত্ৰৰ মাজতে থাকিবলগীয়া নহ'ল?'

'হয় জানো। কাগজত পাইছিলোঁ।'

'কাঞ্চন কুমাৰীৰ আৰু ৰক্ষা ক'ত? এতিয়া কেচ দিছে। মোক অনুসন্ধান কৰিবলৈ যোৱাৰ কথা কৈছে।'

'ভালে হে। য'ক।'

জানো শ্বিলঙৰ পৰা তেওঁক মাজুলী অথবা লাহোৱাললৈ কেতিয়াও নপঠিয়ায়। পঠিয়াব লগা হ'লে আনক পঠিয়াব। তথাপি কওঁ ঃ 'আপুনি তেনেহ'লে কেতিয়া যাব?'

'ক'লৈ? মোক মৰিবলৈ দিছা নে কি? সেইবোৰ কেচৰ অনুসন্ধান কৰিবলৈ বুৰ্ব্বক হ'লেহে যাম।'

'খবৰটো কাগজলৈ পঠিয়াওঁ নে কি?'

'বাপ্‌ৰে বাপ। মোৰ চাকৰিটো নাথাকিব।'

'মোৰ চাকৰিটো নাথাকিব' বুলি কোৱা খবৰবোৰ যে মিছা মই জানো। অৱশ্যে কুমাৰী কোঁৱৰ ধৰ্ষিতা হোৱাৰ বাতৰিটো মিছা নহয়। অধ্যক্ষই 'এইটো এটা ফ্ৰেমড্ কেচ্' বুলি যুক্তি দৰ্শোৱা কথাও মই জানো। কিন্তু মোৰ ককাইদেউজনক অনুসন্ধানৰ কাৰণে পঠিয়াব খোজা কথাটো মিছা।

কথা এযাৰ মনত পৰি মোৰ নিজৰে হাঁহি উঠিছে। হিমাচল কাৰ্য্যালয়ৰ পৰা পোৱা কেমেৰাটোৰে ছবি এখন লৈছিলোঁ। মোৰ এইজন ককাইদেউৰ ঘৈণীয়েক—নবৌৰ। কোনো দিনে কেমেৰাৰ লেন্সৰ সন্মুখত থিয় হৈ নোপোৱা নবৌজনীৰ ছবিখন দেখিলে দেখোঁতাজনে নিশ্চয় এজনী পাহাৰী তিৰোতাৰ ছবি বুলিহে ভুল কৰিব। প্ৰিন্ট কৰি আনি ককাইদেউৰ হাতত তুলি দি কৈছিলোঁ: 'নিয়ক ককাইদেউ। জংলী ছবিৰ একেবাৰে মধুবালাৰ প'জ। কেমেৰাৰ কাৰণে ধুনীয়া ব'ডি। সময় পালে আৰু এখন ল'ম ব'ব। একদম নাৰ্গিছৰ প'জ; নে বৈজয়ন্তীমালাৰ প'জত ল'ম কওঁক!'

ককাইদেৱে ছবিখনলৈ ৰ-লাগি, চাই হাঁহিছিল। তৃপ্তিত। সন্তুষ্টিত। জংলী কথা-ছবিত মধুবালাই কিবা ভাও লৈছে নে নাই মই নাজানো। কিন্তু ককাইদেউৰ মুখত প্ৰায়ে শুনিছিলোঁ: 'বুইছা অসীম, এখন ছবি দিয়াচোন আৰু। সেইবোৰ হে ছবি। একদম মাৰ্ভালাচ। আমাৰ যে অসমীয়াবোৰে ছবি কৰে। কি কৰিবহে! কানীয়া; খাৰ খোৱা অসমীয়ায়ো আকৌ ছ-বি কৰে। জংলীখন তুমি চাইছা নে নাই? এ চাবা চাবা। মই তিনিবাৰ চালোঁ; জানা? আজি গধূলি আহিবা না। হলত মই তোমাক সুমুৱাই দিম।'

সেই সময়ত হয়তো শ্বিলঙৰ কোনোটো চিনেমা হলত জংলী ছবি নায়েই। কিবা-কিবি আন ছবি চলি আছে। টাৰ্জান পিক্‌চাৰ



আহিলে ককাইদেউৰ আনন্দ চায় কোনে। দহোবন কাতি কৰি হ'লেও চাবই। পইচা নালাগে। টাউন ইন্স্‌পেক্টৰ। গতিকে চিনেমা হলত অবাধ গতি।

নাৰ্গিছ অথবা বৈজয়ন্তীমালাৰ প'জত ল'বলগীয়া নবৌৰ ছবিখন কিন্তু আজিলৈকে লোৱা হোৱা নাই। মই ব্যস্ত মানুহ। 'চুটীয়া' কাম। মোৰ সময় ক'ত? কিন্তু মইহে বুজোঁ। সময়বোৰ মই কি দৰে কটাওঁ। দিনবোৰ মোৰ কাৰণে কিমান দীঘল। তথাপি মাজে-সময়ে প্ৰায়ে কওঁ: 'নবৌক ক'ব দেই। তেখেতে যেন বেয়া নাপায়। জানেই নহয় শ্বিলঙৰ বতৰ। একদম চুটীয়া। কেতিয়াবা সময় হ'লেও 'ফেভাৰেবল ওৱেদাৰ' নহয়।'

'ফেভাৰেবল ওৱেদাৰ' নহ'লেও ছবি মই প্ৰায়ে লওঁ। কাগজলৈ পঠিয়াওঁ। কলিকতা আৰু বোম্বাইৰ চিনেমা কোম্পানী দুটা-মানেও আহি এনেকুৱা বতৰতে বহিৰ্দৃশ্যৰ কাৰণে শ্বিলঙৰ কেইবা ঠাইৰো ছবি লৈ গৈছেহি। কিন্তু মোৰ নবৌৰ ছবিখন লোৱাৰ বাবেহে 'ফেভাৰেবল ওৱেদাৰ' হোৱা নাই।

দিনবোৰ আগুৱাই যায়। ইতিমধ্যে মই হিমাচলৰ এজন লেখত ল'বলগীয়া বিজ্ঞ ৰিপ'ৰ্টাৰ হৈ পৰিছোঁ। সম্পাদকৰ মতে মোৰ আটাইবোৰ খবৰেই হেনো গুৰুত্বপূৰ্ণ আৰু মূল্যবান। শাসন-নীতি সম্পৰ্কীয় ভিতৰুৱা খবৰ বিচাৰি সম্পাদকে মোলৈ চিঠি লিখে। অফিচবোৰত সদায় চলি থকা দুৰ্নীতিবোৰৰ সমালোচনা কৰি লিখা মোৰ প্ৰৱন্ধ দুটা এটা দেওবৰীয়া চ'ৰাত প্ৰকাশ কৰিবলৈ পালে সম্পাদক হেনো বেচি আনন্দিত হ'ব। সম্পাদকীয় লিখাৰ বাবে তেওঁলৈ মই কিছুমান 'ডাটা' পঠাব নোৱাৰোঁ নে? ইত্যাদি।

যোগান, পৰিবহন, পাছপ'ৰ্ট, সাহায্য আৰু পুনৰ সংস্থাপন সম্পৰ্কে চৰকাৰৰ নীতি ফঁহিয়াই লিখা মোৰ সমালোচনামূলক প্ৰৱন্ধ কেইটা হেনো পাঠক সমাজে বৰ ভাল পাইছে। এয়া সম্পাদক নৰপল্লৱ বৰুৱাই মোলৈ লিখা চিঠিৰ কথা।

এই প্ৰবন্ধ কেইটাৰ পৰা মোৰো অৱশ্যে নিজাকৈ লাভ নোহোৱাকৈ থকা নাই। ময়ূৰ ভুৱৰাই কৈছিল: 'চাকৰি পোৱাত এই প্ৰবন্ধ কেইটাই তোক যথেষ্ট সহায় কৰিছে। বুজিছ অসীম? নহ'লে তোক চাকৰিত নিযুক্তি দিবলৈ চৰকাৰৰ কেতিয়াও ইমান খৰখেদা নালাগে। অৱশেষত যোগান বিভাগৰ মন্ত্ৰীয়ে তোক চাকৰি দিয়াৰ কাৰণে আমাৰ ডিৰেক্টৰলৈ ফোন কৰিবলৈ তত নাপালে।'

ময়ূৰৰ কথাষাৰ কিমান সঁচা নাজানো। মিনিষ্টাৰেনো কেনেকৈ জানিব চাকৰিৰ কাৰণে মই কোন কোন বিভাগত আবেদন কৰিছোঁ। ভাবিলোঁ: জানিবও পাৰে। কিয়নো চৰকাৰৰ চোৰাং-চোৱা বিভাগ এটা আছে বুলি জানো। চোৰাংচোৱা বিভাগৰ বিষয়ববীয়াবোৰে দেশৰ গুৰুতৰ সংবাদবোৰৰ সন্তেদ নাপালেও কোনে কোন মন্ত্ৰীৰ বিৰুদ্ধে ক'লে বা সমালোচনা কৰিলে তাৰ সন্তেদ পায়। খবৰ ৰাখে। এই বিষয়ত এইসকল বিষয়া বেছ পটু। নহ'লেনো পুলিচ পহৰা থকা সত্ত্বেও সচিবালয়ৰ কোনো বিভাগত জুই লাগিব পাৰে নে? জুই লাগি পুৰি শেষ হোৱা চৰকাৰী দফ্‌টৰবোৰৰ কাৰণে দায়ী কোনো নহয়। দায়ী অদৃশ্য শক্তি। বিজুলী সৰবৰাহৰ বিজুতি। আৰু তাতকৈও বেচি দায়ী জুইৰ দাহিকা শক্তি।

শ্বিলং ক্লাবত জুই লাগিছিল। ভদ্ৰমহিলাই সাজ-পাৰ কৰা কোঠাৰ পৰা জুইৰ সূত্ৰপাত হৈছিল বুলি বহুতে সন্দেহ কৰিছিল। সন্দেহ কৰিবলগীয়া একো নাই। নাৰী জানো পুৰুষৰ কাৰণে জুইৰ ফিৰিঙতি নহয়? (কাকনো দোষিবা? জটীয়া শিৱও পৰিল পাকত।) অৱশ্যে এইটো সঁচা: শ্বিলং ক্লাবত জুই লগা আৰু চৰকাৰী দফ্‌টৰবোৰত জুই লগাৰ কাৰণ একে নহয়।

এৰা, অগ্নি জানো দেৱতা নহয়? অগ্নি! তোমাক প্ৰণাম। তুমি সৰ্ব্বশক্তিমান। সৰ্ব্বজ্ঞানী। তোমাৰ হিচাপৰ বহীত চৰকাৰী



অফিচত থকা খাণ্ডৱ বন আৰু কেইখন আছে? তোমাৰ পেটত মন্দাগ্নি। হওঁক। কোনো চিন্তা নাই। আমাক সহায় কৰিবলৈ চীনা ড্ৰেগন আছে।

চোৰাংচোৱা বিভাগৰ গুৰু দায়িত্বত থকা বিষয়াসকল! তোমালোকৰ কোনো দোষ নাই। তোমালোক নিৰ্দ্দোষ। অসমৰ সীমা পাৰ হৈ কোনোবা নদীৰ বুকুৰেদি জাক জাক জনতা ক'ৰবালৈ যাব খুজিছে? য'ক। তোমালোকে তাত বাধা দিবা কিয়? তোমালোক ৰাইজৰ সেৱক। ৰাইজৰ সেৱক হৈ ৰাইজক মনোকষ্ট দিয়া জানো উচিত? অসমৰ সীমা চেৰাই ক'ৰবালৈ যোৱা সেইজাক জনতাও ভাৰতৰে ৰাইজ। কোনোবাই সমালোচনা কৰিছে? কৰক। এইজাক নিবন্ধুৱা পৰশ্ৰীকাতৰ লোক। 'ছাগলীয়ে নাখায় কি? বলিয়াই নকয় কি?' সেইজাক বলিয়া। বলিয়াৰ কথা শুনি তোমালোকো বলিয়া হ'লেহে হ'ব। আৱশ্যক হ'লে তোমালোকৰ অফিচৰ প্ৰতিবেদনবোৰ পুৰি পেলাবা। এয়া ৱেষ্ট-পেপাৰ। আমাৰ ভয় নাই। আমি উদাৰ। নিজৰ সৰ্ব্বস্ব দান দি ত্যাগী (?) নাম লোৱা ব্যৱসায়ী। দধীচি, কৰ্ণ আদি মহা-পুৰুষসকলৰ বংশধৰ। অসমৰ চুকে-কোণে পতা তাঁৰ বিহীন বাতৰি প্ৰেৰক আৰু গ্ৰহণ যন্ত্ৰবোৰ সপ্তাহত কেইবাৰ অচল হয়? কি ক'লে? জাৰ্ম্মানীৰ পৰা যন্ত্ৰ-অংশবোৰ (পাৰ্টচ্‌) নানিলে ইয়াত ভাল কৰাৰ আশা মিছা? কাৰোবাক বিদেশলৈ পঠিয়াব নোৱাৰি নে? দিল্লীত পোৱা যায়? হয় নে কি? বৰ ভাল কথা তেনেহ'লে। কোনোবা এজনক দিল্লীলৈ পঠিয়াই দিয়ক। কোন যাব বুলিলে? এৰা, য'ক বেচেৰা। ঘৈণীয়েকৰ বহু দিনৰ পুৰণি বেমাৰ। সেইবোৰ বেমাৰৰ অস্ত্ৰোপচাৰ দিল্লীত হয় জানো? বোম্বাইতহে হয় হ'বলা? এই যন্ত্ৰ-অংশবোৰ বোম্বাইত নাপাই নে? গড্‌ৰেজ-কোম্পানীত? অ' গড্‌ৰেজ কোম্পানীয়ে তেন্তে নিৰ্ব্বাচনী বাকচহে তৈয়াৰ কৰে। মই আকৌ নাজানিছিলোঁ দেই। ক্ষমা কৰিব।

তেখেতে নিৰ্ব্বাচনী কাৰ্য্যালয়ত কাম নকৰে নহয়। হওঁক, হওঁক দিল্লীৰ পৰানো বোম্বাই কিমান দূৰ? ডাঙৰ ল'ৰাজনে পুনাত বোলছবিৰ কিবা এটা শিকে? একেবাৰে খবৰটোও লৈ আহিব ফুলৰ বীজ আনিবলৈ কৃষি-বিভাগৰ কোনোবা এজনো যোৱাৰ কথা আছিল নহয় পুনালৈ?

আইভীলতা এদিন কলেজৰ পৰা নাইকিয়া হৈছিল। এদিন ৰাতিপুৱা দহ বজাত কলেজলৈ গৈছিল। কিন্তু উভতি নাহিল। মাজ-নিশালৈকে বিচাৰিও সন্ধান নোপোৱা আইভীলতাৰ নিৰুদ্দেশৰ বিষয়ে বহুতে বহুত কথা কৈছিল।

এইজনী আইভীলতাৰ লগতো যে ময়ূৰ দুৱৰাৰ সম্বন্ধ গঢ়ি উঠিছিল, সেই কথা মই সিদিনালৈকে জনা নাছিলোঁ। চিনি নোপোৱা আইভীজনীক সিদিনাই মই প্ৰথম দেখিছিলোঁ। বেসামৰিক চিকিৎসালয়ৰ অপাৰেশ্যন থিয়েটাৰত। অচেতন অৱস্থাত।

ধুনীয়া আইভীজনীৰ আউল-বাউল চুলি-কোছা সিদিনা হাতেৰে মোৰ ছুই চাবৰ মন গৈছিল। এখন শান্ত, সমাহিত মুখ। মুদ খাই থকা চকু দুটাত যেন লুকাই আছিল অলেখ মৰম-সনা চাৱনি। হেজাৰ সপোন। অযুত কৱিতা। মৰম-কোমল চকুৰ তৰা দুটাত যেন সনা আছিল হৰিণীৰ বোবা দৃষ্টি। আগদিনাৰ ঘটনাটো নজনা হ'লে ময়ো ক'লোঁহেঁতেন: এইখন এখন ধুনীয়া মুখ। শান্ত। শিশুৰ দৰে পৱিত্ৰ। ফুলৰ দৰে নিষ্পাপ। এইখন মুখত কলঙ্কৰ ছিটিকনি পৰা নাই। পৰিব নোৱাৰে। এইজনী ছোৱালীয়ে পৃথিবীৰ ব্যভিচাৰৰ কথা নাজানে। অশ্লীলতাৰ এছাৰকণিয়ে এইখন মুখ স্পৰ্শ কৰিব নোৱাৰে।

ফেব্ৰুৱাৰী মাহ। জাৰ কমা নাই। সন্ধিয়াৰ কুঁৱলীজাকে শেষ নিশা বৰফ হৈ শ্বিলঙৰ বুকুত ৰূপৰ পাতল দলিচা পাতে। মনৰ মাজত এলাহবোৰে কুণ্ডলি পকাই গুজৰি মৰে।



সেয়া মোৰ চাকৰি জীৱনৰ তৃতীয় সপ্তাহ।

আজি বহু দিন কাগজলৈ বাতৰি পঠোৱা নাই। পঠিয়াব লগা বাতৰিও নাই। অৱশ্যে চাকৰিটো নোহোৱা হ'লে সঁচাই-মিছাই এসোপামান কিবা-কিবি লিখি পঠিয়ালোঁহেঁতেন। হেড্-এচিষ্টেণ্টলৈ প্ৰমোচন পোৱা বুজৰবৰুৱাক কাৰ্য্যদক্ষতাৰ দোহাই দি তললৈ নমাই দিয়াৰ খবৰটোকে লিখি পঠিয়ালোঁহেঁতেন। সেন গুপ্তৰ অফিচত চিনিওৰিটিৰ ভিত্তিত বুজৰবৰুৱাক হেড্-এচিষ্টেণ্টৰ পদ দিয়াটো অন্যায়। কাৰণ অফিচৰ প্ৰমোচনবোৰ সদায় চিনিঅ-ৰিটি আৰু এফিচিয়েন্সিৰ ভিত্তিতহে হয়। মিঃ দাসগুপ্ত বুজৰ-বৰুৱাতকৈ 'চিনিওৰ' নহ'লেও 'এফিচেণ্ট'। আখৰবোৰ ধুনীয়াকৈ লিখে। জিলা অফিচত কাম কৰি অহা দাসগুপ্তৰ কাৰণে পদোন্নতিৰ ক্ষেত্ৰত শিক্ষাৰ প্ৰতিবন্ধক প্ৰযোজ্য নহয়। প্ৰৱেশিকা পাছ নহ'লেও কি হ'ব? কাৰ্য্যদক্ষতা আছে। নম্ৰ আৰু বিশ্বাসী। এক সময়ৰ মুখ্যমন্ত্ৰী পাঠকে দাসগুপ্তক জিলা অফিচলৈ বদলিৰ আদেশ দিলে কি হ'ব? পাঠকতো এতিয়া মুখ্যমন্ত্ৰী নহয়। সেই ফাইলটো নি ৱাৰ্ড-লেকত পেলাই দিলেই হ'ল।

এৰা, এইবোৰ বৰ সাধাৰণ খবৰ। কেৰাণীৰ পদোন্নতিৰ খবৰো কিবা খবৰ নে? এইবোৰ খবৰ ছপাবলৈ হ'লে দেখোন স্বাস্থ্য-মন্ত্ৰীৰ পানীলগা অসুখৰ অথবা গৰ্ভনিপাত আৰু ধাতু-দৌৰ্ব্বল্যৰ বিজ্ঞাপন দিবলৈ হিমাচলত ঠায়েই নুজুৰিব। জানো: মই খবৰ নপঠিয়ালেও বাতৰি-কাকত চলিয়েই থাকিব। চলিব। মোৰ দৰে বহুত ৰিপ'ৰ্টাৰ আছে। অমৰাজুলি বাগানত বামুণী সাপে গোটে গোটে এটি অজগৰ সাপ গিলি পেলোৱাৰ খবৰ-বোৰ দেখোন চিৰদিন অপ্ৰকাশিত হৈয়েই ৰ'ব। আটাইবোৰ ৰিপ'ৰ্টাৰে সদায় বাতৰি পঠিয়াই থকাটোও বিপদ। তাৰোপৰি পিচৰ সংখ্যা কাগজত শুধৰণি দিয়াৰ বাবে ঠাই ৰখাটোও আৱশ্যক। 'বামুণী সাপে এটা অজগৰ গিলি পেলোৱা কথাটো সঁচা নহয়।

আচলতে বামুণ ভেকোলা এটাইহে অজগৰ সাপটো জীয়াই জীয়াই গিলি পেলাইছিল। অবাঞ্ছনীয় ভুলৰ বাবে আমি দুখিত।'

নিশা আঠমান বাজিছিল।

পুলিচ বজাৰ শ্বিলঙৰ প্ৰাণকেন্দ্ৰ। অবিবাহিত ডেকা, পকেট-মাৰ, শ্বিলং দৰ্শনাভিলাষীসকলৰ কাৰণে পুলিচ বজাৰ সন্ধিয়াৰ ক্লাব-ঘৰ। ইন্দ্ৰপুৰী। পুলিচ বজাৰত সন্ধিয়া পাক এটা নামাৰিলে এই ডেকা-দলৰ ৰাতি টোপনি নহয়। পকেটমাৰ-সকলৰ ভাগ্যত চিৰ আঁউসী নামে। ডেকা চাকৰিয়ালসকলে পুলিচ বজাৰৰ পৰা গৈ বৰ'বজাৰ, ৱাইংডো, মুলকিৰ অখ্যাত গলিত খাচিয়ানীৰ দোকানত কাকিয়াদ খায়। আড্ডা মাৰে। ওৰে দিনটো সিজোৰা চাহ খাই হোৱা গেষ্ট্ৰিক ট্ৰাব'লৰ উপশম বিচাৰে। দোভাগ নিশা ঘৰলৈ উভতে। মাজে-সময়ে ৰুচিৰ পৰিবৰ্ত্তন বিচাৰি সস্তীয়া গাভৰু খাচিয়ানী লগত লৈ চিনেমা চায়। এইজাক খাচিয়ানীৰ আটাইবোৰেই ধুনীয়া নহয়। কিন্তু যৌৱন আছে। ভোটা নাকেৰে বগা ছালৰ অধিকাৰিণী। যৌৱনে বিদায় ল'ব খোজাসকলৰ যৌৱনৰ ভেম আছে। আছে যৌৱনক ধৰি ৰখাৰ এটা মিছা প্ৰচেষ্টা। ৰাতিৰ এন্ধাৰত সকলো নাৰীয়েই ধুনীয়া।

মই কাকিয়াদ নাখাওঁ। খাচিয়ানীৰ ঘৰলৈও নাযাওঁ। শ্বিলঙত মই নতুন নহ'লেও সেইবোৰৰ লগত তেতিয়াও মোৰ সম্পৰ্ক গঢ়ি উঠা নাই। কিন্তু গধূলি পুলিচ বজাৰত পাক এটা মৰাৰ অভ্যাসটো হ'লে আছে। খাচিয়ানীৰ ওচৰলৈ যোৱাটো মই বৰ দোষণীয় বুলি নাভাবোঁ। খাচিয়ানীৰ ওচৰলৈ যাবলৈ মোৰ মানসিক প্ৰস্তুতি আছে। নাই মাথোন আৰ্থিক ক্ষমতা। খাচিয়ানীৰ দেহৰ দামটো দিয়াৰ ক্ষমতা হয়তো মোৰ আছে। কিন্তু নাই মাথোন মাহেকত পোন্ধৰটা বেজী কিনা আৰু লোৱাৰ ক্ষমতা। আনক নক'বলগীয়া বেমাৰ এটা কিনাৰ ইচ্ছা মোৰ নাই। এয়া, অৱশ্যে মোৰ বৰ্ত্তমানৰ কথা। পিচলৈ কি হওঁগৈ ক'ব নোৱাৰোঁ।



সিদিনাও পুলিচ বজাৰৰ পৰা আহি ঘৰ পাইছিলোঁ।

ঠেঁটুৱা লগা চেঁচাত হাত-ভৰিবোৰ মোৰ অৱশ হৈ গৈছিল। জ্বলন্ত চিম্‌নিটোৰ ওচৰত বহি হাত-ভৰিবোৰ মেলি দিছিলোঁ। সেকিছিলোঁ। তাৰ পিচত জ্বলাই লৈছিলোঁ এটা চিগাৰেট।

'বাবু, চাহ খাবোক নে কি?'

'নেখাওঁ।'

মোৰ উত্তৰটো শুনি বাপুটি আঁতৰি যাব খুজি থমকি ৰৈছিল। ভাবিলোঁ: বজাৰ কৰিবলৈ তাক পইচা লাগে। সুধিলোঁ: কি হ'ল অ'?

'আপ্‌নাৰ এখান চিঠি আইহ্‌ছিল। পাইছি না?'

'মোৰ চিঠি? ক'তা? আনচোন।'

'টেবুলোৰ উপ্‌ৰোতে থৈছিলু দেখুন। আপনি নাপালাক নে কি?'

অলপ পিচত বাপুটিয়ে চিঠি এখন আনি মোৰ হাতত দিছিল। খুলি চালোঁ। হিমাচলৰ সম্পাদকে লিখিছে। মই হেনো বহুদিন খবৰ-বাতৰি একো পঠোৱা নাই। ৰাজধানীত খবৰৰ অভাৱ হ'ল নে কি? কেমেৰাটো আছে নে নাই? চিঠি পায়েই মই যেন আকৌ খবৰ পঠাবলৈ আৰম্ভ কৰোঁ। ৰাজধানীৰ ৰিপ'ৰ্টাৰজনৰ ওপৰত কাগজৰ সম্পাদকে যথেষ্ট আশা ৰাখে। ইত্যাদি।

চিঠিখন পঢ়ি হাঁহিলোঁ। খবৰ নাথাকিলে ক'ৰ পৰা পঠিয়াওঁ? অৱশ্যে 'ককাইদেউক' লগ ধৰিলে দুটা এটা সস্তীয়া খবৰ নিশ্চয় ওলাব। মুলকিৰ খট্‌খটিৰ ওপৰত পোৱা জয়ন্তীয়া গাভৰুজনীৰ মৃতদেহৰ বিষয়েও মই এটা বাতৰি পঠিয়াব পাৰিলোঁহেঁতেন। অৱশ্যে সেই খবৰটো নপঠিয়ালোঁ সেই হত্যাকাণ্ডত জড়িত শিক্ষামন্ত্ৰী আলোক চলিহাৰ ভায়েক দেৱব্ৰত বুলি নহয়। দেৱব্ৰত মোৰ বন্ধু বুলিহে।

চিঠিখন ছিৰা খামটোৰ ভিতৰত সুমুৱাই লৈ আকৌ এটা চিগাৰেট জ্বলাই ল'লোঁ। লং-পেণ্টটো কোঁচাই শুদা ভৰি দুখন জুইৰ

ওচৰত মেলি দিলোঁ। উদং কলাফুল দুটাত তাপ লগাত বাহিৰৰ ঠেঁটুৰা ধৰা জাৰৰ কথা মই পাহৰি গ'লোঁ।

গধূলিৰ সময়খিনি মোৰ কাৰণে নেযায়। নুপুৰায়। অকলে অকলে ঘৰটোতে বহি বহি আমনি লাগে। দীপ্তিপ্ৰখৰক এই সময়ত ঘৰত পোৱাৰ আশা কৰা মিছা। সি ৰাতিপুৱা মোৰ লগতে অফিচলৈ ওলাই যায়। যেতিয়া আহি ঘৰ সোমায় তেতিয়া বহুত ৰাতি। মাহেকত অতি কমেও সাত দিন তাৰ ৰাতিৰ সাজ ভাত মেজৰ ওপৰত সজাই থোৱাতে থাকে। ৰাতিপুৱা বাপুটিয়ে টাইগাৰক দি পশু-প্ৰীতি দেখুৱায়। বন-বিভাগে প্ৰচাৰ কৰা বন্য জন্তু সংৰক্ষণৰ বিজ্ঞাপনখন আংশিকভাৱে কাৰ্য্যকৰী কৰিবলৈ যত্ন কৰে। টাইগাৰ বন্য জন্তু নহয়। ঘৰচীয়া পশু। হওঁক তেও। ঘৰচীয়া হ'লেও পশু। মানুহ নহয়। পিচ দিনা ৰাতিপুৱা আঠমান বজাত দীপ্তিপ্ৰখৰে আহি ক'বহিঃ যোৱাকালি ভাইওলেটে এখন নতুন তৰকাৰী ৰান্ধিছিল অ'।

নতুন তৰকাৰী নে আন কিহবাৰ সোৱাদত সি ৰাতি মেছলৈ উভতি নাহে সেই কথা মই জানো। ময়ো বিশেষ একো নকওঁ। 'হয় নে কি' বুলি শলাগি থওঁ। 'যি যিমান নামে সিমানেই তিতিব।' হকা-বধা কৰিবলৈ মই কোন? প্ৰথমতে কেইদিনমান কৈছিলোঁ। এতিয়া আৰু তাক ঘূৰাই অনাৰ পথ নাই।

বাপুটিৰ ভাত-পানী সোনকালে হ'লে কেতিয়াবা কেতিয়াবা তাৰ লগতে কথা পাতোঁ। ঘৰত কোন কোন আছে? ভনীয়েক-জনী গাভৰু হৈছে নে কি? বিয়া দিলে নে নাই? সি কাক বিয়া কৰোৱাৰ কথা ভাবিছে? সিহঁতৰ গাৱঁত ভাল ছোৱালী আছে নে নাই? মোলৈ এজনী ছোৱালী চাই দিব পাৰিব নে কি? ইত্যাদি।

'এহ্, বাবুই নু আমাৰ গাৱঁত বিয়া ক'ব্‌বো না? টাউনতে পাবো দেখুন। টাউনত আপীৰ কিবা আকাল লাগ্‌ছি না। বিয়া কৰাওঁ বুল্‌লি ইত্‌তেই এক্ সোপামান আপী আইহ্‌বো।'



গধূলিৰ সময়খিনি মই এনেদৰেই কটাই দিওঁ।

সিদিনা কিন্তু দীপ্তিপ্ৰখৰৰ আশা কৰাতকৈ বহুত সোনকালেই ঘৰ পাইছিলহি। তেতিয়া দহমান বাজিছে। মই ভাত খাই উঠিছোঁ।

'তইচোন ইয়াতে?'

'মানে?' সুধিছিলোঁ।

তাৰ প্ৰশ্ন শুনি মই আচৰিত হৈছিলোঁ।

'কিয়? তই হাস্পাতাললৈ যোৱা নাই?'

'হাস্পাতাললৈ? এই ৰাতিখন আকৌ হাস্পাতাললৈ কেলেই?'

'অ' তই তেন্তে ক'বই নোৱাৰ হ'বলা? ভাল ৰিপ'ৰ্টাৰটো হৈছ! হিমাচলক দেউলীয়া কৰিবি!'

'কিয়? কাৰোবাৰ কিবা হৈছে নে কি?'

'হৈছে নে কি মানে? শ্বিলং গৰম। ইমান ডাঙৰ এটা খবৰ।'

দীপ্তিপ্ৰখৰৰ কথাষাৰ শুনি মই কৌতূহলী হৈ পৰিছিলোঁ। খবৰটো কাগজলৈ পঠোৱাৰ আগ্ৰহত নহয়। ইমান ডাঙৰ ঘটনা-টোনো কি সেইটো জনাৰ আশাত। সি কৈ গৈছিল।

'এৰা, গুৰুত্বপূৰ্ণ খবৰ নহ'লেও কাগজৰ কাৰণে চাঞ্চল্যকৰ বাতৰি।' ভাবিলোঁঃ মোৰ ভাগ্যই ভাল হ'বলা। সম্পাদকৰ চিঠি-খনৰ সন্মান ৰক্ষা কৰিবলৈ এনে এটা খবৰ ইমান ততাতৈয়াকৈ পাম বুলি ময়ো আশা কৰা নাছিলোঁ।

হাস্পাতাললৈ যোৱাৰ ইচ্ছা এটা হৈছিল। কিন্তু এলাহ লাগিল। নিশা খাই-বৈ উঠাৰ পিচত বিচনাৰ আকৰ্ষণটো বৰ ডাঙৰ আকৰ্ষণ। বিশেষকৈ শ্বিলঙত। মাঘ-মহীয়া জাৰত।

দীপ্তিপ্ৰখৰৰ মুখত শুনা কথাখিনিকে বাতৰিৰ আকাৰত লিখি উলিয়ালোঁ। যথা সময়ত প্ৰকাশ হৈ ওলাল।

ৰাজধানাত চাঞ্চল্যকৰ ঘটনা ঃ

দুৰ্ব্বৃত্তৰ দ্বাৰা অসমীয়া গাভৰু অপহৰণ।

শ্বিলং—৩ ফেব্ৰুৱাৰী ১৯......’ ঃ—আজি আবেলি কলেজৰ পৰা ঘৰলৈ উভতি আহোঁতে শ্ৰীমতী আইভীলতা বৰুৱা নামৰ এজনী অসমীয়া গাভৰুক কেইজনমান দুৰ্ব্বৃত্ত...ডেকাই ৰাজপথৰ পৰা জোৰ-পূৰ্ব্বক টেক্সিত তুলি লৈ যোৱাৰ বাতৰি পোৱা গৈছে। পুলিচে জোৰ তদন্ত চলাই গাভৰুজনীক শ্বিলং-জোৱাইৰ মাজ পথত নিশা চাৰে সাত বজাত অচেতন অৱস্থাত উদ্ধাৰ কৰে। এই সম্পৰ্কত এতিয়ালৈকে পুলিচে তিনিজন......ডেকাক গ্ৰেপ্তাৰ কৰিছে। এ-এচ-এ ৪৩৫৭ নং টেক্সিখনকো পুলিচে আটক কৰিছে বুলি জানিব পৰা গৈছে।

প্ৰকাশ যে ৰক্তাক্ত গাভৰু গৰাকীক ডাক্তৰী পৰীক্ষাৰ কাৰণে হাস্পাতাললৈ পঠোৱা হৈছে। শ্ৰীমতী বৰুৱা খাদ্যমন্ত্ৰী শ্ৰীযুত কুমুদ ৰঞ্জন বৰুৱাদেৱৰ একমাত্ৰ কন্যা আৰু লেডীকিন্ কলেজৰ তৃতীয় বাৰ্ষিকৰ ছাত্ৰী।

এই ঘটনাই ৰাজধানীত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

পিচ দিনা ৰাতিপুৱা। অফিচলৈ যোৱাৰ সময়ত হাস্পাতালত সোমাই গৈছিলোঁ। মানুহৰ ভিৰ ঠেলি ভিতৰলৈ সোমাই যাওঁতে মোৰ কাণত পৰিছিল ঃ বেটাহঁতক ভালদৰে এশিকনি দিব লাগে। অসমতে খাব, অসমতে থাকিব ; আৰু অসমীয়াৰ বুকুতে বৰ কামোৰ মাৰিব। সিহঁতক কোনে জামিনত খালাচ দিয়ে চাওঁচোন। আমি মৰি যোৱা নাই নহয়।

কোনোবাই কৈছিল। কোনে কাৰ মুখত সোপা দিব?

ডাক্তৰৰ অনুমতি লৈ অপাৰেশ্যন থিয়েটাৰলৈকে সোমাই গৈছিলোঁ। .অচেতন আইভীলতাৰ আউল-বাউল চুলি-কোছা অপাৰেশ্যন টেবুলৰ পৰা তললৈ ওলমি পৰিছে।



‘ৰাতি পৰীক্ষা কৰিছিলোঁ। কিন্তু একো নাপালোঁ। আকৌ এবাৰ পৰীক্ষা কৰিব খুজিছোঁ। এতিয়ালৈকে জ্ঞানেই ফিৰি অহা নাই। পৰীক্ষানো কি কৰিব? এইটো দেখ দেখকৈ ৰেপ্ কেচ্। কিন্তু পৰীক্ষা কৰি সেইটোকে ধৰিব পৰা নাই। তথাপি আমাৰ কৰ্ত্তব্য আমি কৰিবই লাগিব।

মোতকৈ কেইশ্ৰেণীমানৰ জুনিওৰ ডাক্তৰ মজুমদাৰে মোৰ প্ৰশ্নৰ উত্তৰ দি কৈছিল।

হাস্পাতালৰ পৰা ওলাই আহোঁতে বাটে বাটে ভাবিছিলোঁ ঃ ভগৱানে কাৰো অহঙ্কাৰ সহ্য নকৰে। এইজনা মন্ত্ৰীয়েই চাকৰি বিচাৰি যাওঁতে মোক এদিন কৈছিল ঃ অ’ তেন্তে তুমিয়েই হ’বলা অসীম মিশ্ৰ? হিমাচলৰ বিশেষ প্ৰতিনিধি। তোমালোকক আকৌ চাকৰি কেলেই? দুৰ্নীতিৰে ভৰা চৰকাৰৰ যোগান বিভাগত চাকৰি কৰিলে তোমালোকৰ আত্মসন্মান নষ্ট নহ’ব নে? অমানুহ হৈ নাযাবা নে? কাগজৰ প্ৰতিনিধিবোৰতকৈ শগুণবোৰো বেচি ভাল।

বুজিলোঁ এয়া কিহৰ খং। যোগান বিভাগৰ বিষয়ে লিখা মোৰ প্ৰবন্ধটো তেন্তে চৰকাৰৰ চকুতো পৰিছে? ভাবিলোঁ ঃ এইবোৰ মানুহ মন্ত্ৰিত্ব ল’বলৈ নিৰ্ব্বাচনত জয়ী হয় কেনেকৈ? সাধাৰণ ভদ্ৰতাখিনিও নাজানে দেখোন। আৰু ৰিপ’ৰ্টাৰবোৰ শগুণ (?) সমালোচকবোৰকহে শগুণ বুলি ক’ৰবাত পঢ়া মনত পৰে। ৰিপ’ৰ্টাৰবোৰকতো এওঁৰ বাহিৰে কোনোৱেও শগুণ বুলি কোৱা নাই। এৰা, মই ৰিপ’ৰ্টাৰ হ’লেও অসম চৰকাৰৰ যোগান নীতিৰ কেবোণ আৰু বিষয়াসকলৰ দুৰ্ব্বলতাৰ সমালোচনা কৰিছিলোঁ। গতিকে মই শগুণ নহে আৰু কি হ’ম?

কিন্তু বেচেৰী আইভীলতাজনীৰ কি দোষ?

অফিচততো সকলোৰে মুখে মুখে সেই একেষাৰেই কথা।

‘আইভীলতাজনীতো এনেকুৱা নাছিল। ইমান শান্ত। ইমান

মৰম লগা ছোৱালী দেহি। কাৰো চকুলৈ চাই কথা এষাৰ নকয়। ইমান ভদ্ৰ।'

'এৰা, আচৰিত দেও। নিবোকা-চামোন হৈ তলে তলে এইবোৰ?'

এয়া অফিচত হোৱা সমালোচনা। আইভীক চিনি পোৱা চাকৰিয়ালসকলৰ মন্তব্য। সকলোৰে মুখত আইভীৰ প্ৰশংসা। আইভীৰ লগত কোনোদিনে কথা এষাৰো পাতি নোপোৱা দুই-এজনে বঢ়াই কৰি কৈ উঠিল ঃ মোৰ চকুৰ আগতে ডাঙৰ হোৱা ছোৱালী। আমিয়েই কোলাই-বোকোচাই লৈ ডাঙৰ কৰিছোঁ। কিমান দিনৰনো ছোৱালী আইভী? মাকৰ বিয়ালৈ আমিয়েই পুৰোহিত বিচাৰি আনি দিছিলোঁ। নঙলামুখত বেই সাজিছিলোঁ। ইত্যাদি।

মনতে ভাবিলোঁ ঃ ভাল কাৰণেইতো এনেকুৱা হয়। আন ছোৱালী আৰু কলেজত পঢ়াই নাই? তাইহে পঢ়িছে। তাইৰ আসৈ নাপালে ডেকা কেইজনেইবা সাহ পাব কেনেকৈ? দেউতাক মন্ত্ৰী। গতিকে আইভীৰ চৰিত্ৰ ভাল বুলি তোমালোকে ক'বাই।

মই মনে মনে ৰ'লোঁ।

অফিচত সিদিনা বিশেষ একো কাম নহ'ল। আইভীলতাৰ আলোচনালৈয়েই সকলো ব্যস্ত। কোনোৱেও কাম নকৰিলে। আইভীলতা যেন অফিচত কাম কৰা চাকৰিয়ালসকলৰ আপোন ভনীয়েক ; জীয়েকহে। গতিকে আইভীলতাৰ তেনে এটা দুৰ্ঘটনাৰ বাতৰি পোৱাৰ পিচত কৰ্ম্মচাৰীসকলে কাম কৰে কেনেকৈ? কাম নকৰিলেও মাহেকৰ মূৰত সিহঁতে দৰ্ম্মহা পাবই।

অফিচ এচিষ্টেন্টবোৰতকৈও বঙালী আৰু অসমীয়া চাপ্ৰাচী কেইজনৰ কথা আৰু এখোপ চৰা। দেছোৱালী চাপ্ৰাচী কেইজন নিৰৱ শ্ৰোতা। মাহেকত দহ টকাৰ চাহ খোৱা বুলি আনৰ আগত কৈ গৌৰৱ কৰা চাপ্ৰাচী নবীনৰ লগত আইভীলতাৰ যেন বিয়াৰ বন্দৱস্তহে



হৈছিল। আইভীলতা নবীনৰ বাগ্‌দত্তা পত্নী। 'সেই কাৰণেইতো মই কওঁ ঃ এনেকুৱা ছোৱালীৰ লগত হেজাৰ টকা দিলেও মই বিয়া নকৰাওঁ। গাৱঁৰ ছোৱালীক পাবে নে? আমাৰ নাজিৰা, টিয়কৰ ছোৱালীৰ যোগ্য নে ইহঁত? পিন্ধিলে-উৰিলে বান্দৰীও সুন্দৰী হয় ; বুইছ। গাৱঁৰ ছোৱালীবোৰৰ বুকুৱেই চাবা নে কঁকাললৈকে চাবা? সাইলাখ অপেস্বৰী। দিয়কচোন ইহঁতে ফুলাম গামোচা বই বিহুৰ বিহুৱান। চাওঁ। নাচকচোন বিহুনাচ।'

'ৰাখ্‌দো তুম্‌হৰা গাওঁকী চুক্‌ড়ীকী বাত। আমাদেৰ সোণতলাৰ মেয়েদেৰ সঙ্গে তোমাদেৰ মেয়েৰা কি পাল্লা দিতে পাৰে? হাঁ, সোণতলাৰ মেয়েগুলি মেয়ে বটে। বুজ্‌ছিস্ নবীন, তোকে কি ব'ল্‌ব? শুভ্ৰাৰ মতন মেয়ে আমি জীৱনে দেখিনি। দেবীৰ মতন চেহাৰা। সাৰা দুনিয়াইতো ঘুৰ্‌লাম্।'

হিন্দীতে আৰম্ভ কৰি বঙালীতে শেষ কৰা এয়া বঙালী চাপ্ৰাচী ৰাখালৰ কথা।

কেইদিনমান পিচত। অফিচতে কোনোবা এজনে কৈছিল ঃ আইভীলতা হেনো অক্ষত। ডাক্তৰে পৰীক্ষা কৰি প্ৰতিবেদন দাখিল কৰিছে। আচলতে ঘটনাটো কিড্‌ন্যাপ্ নহয়।

কথাবোৰ শুনি থ'লোঁ। উত্তৰ দিয়াৰ প্ৰয়োজন বোধ নকৰিলোঁ। এইবোৰ কথাত তৰ্ক কৰি লাভ নাই। অনাহকত তৰ্ক কৰে মূৰ্খই। জ্ঞানীয়ে নকৰে।ময়ো মূৰ্খ নহৈ জ্ঞানীটো হৈ মনে মনে বহি ৰ'লোঁ। কাৰণ মই জানো ঃ ডাক্তৰে তেনেকুৱা ৰিপ'ৰ্ট দিয়াই স্বাভাৱিক। আইভীৰ দেউতাকে হয়তো কৈছিল ঃ ৰিপ'ৰ্টটো এনেকুৱাকৈ দিয়ক। ছোৱালীজনীৰ ভৱিষ্যতটো ধ্বংস নকৰিব।

মন্ত্ৰী এগৰাকীৰ অনুৰোধ উলাই কৰাৰ সাহস ডাক্তৰৰ নাই। পেটৰ দায়ত চাকৰি কৰিবলৈ আহিছে। ৰিপ'ৰ্টত সঁচা কথা লিখি চাকৰিৰ মূৰ খাব নোৱাৰে। ডাক্তৰবোৰো মানুহহে। তেওঁৰো এখন সংসাৰ আছে। সংসাৰ পতাৰ আশা আছে।

'...ডেকা কেইজনক মুক্তি দিয়া হৈছে। জামিনত নহয়। নির্দ্দোষী কাৰণে। মন্ত্ৰী বৰুৱাই মোকৰ্দ্দমাটো উঠাই লৈছে।' কোনোবাই কৈছিল। ময়ো আচৰিত হৈছিলোঁ। এনেকুৱা মোকৰ্দ্দমাবোৰ হেনো উঠাই ল'ব নোৱাৰি। মিট্‌মাট্‌ কৰাৰ প্ৰশ্নও অবান্তৰ। তেনেহ'লে বৰুৱাই মোকৰ্দ্দমা উঠাই ল'লে কেনেকৈ? মন্ত্ৰী হ'লে আইন-কানুনবো, অদল-বদল হ'ব পাৰে তেনেহ'লে?... ডেকা কেইজন নির্দ্দোষী। বিচাৰ নোহোৱাকৈয়ে কেনেকৈ জানিলে সিহঁত দোষী নহয়—নির্দ্দোষী। বিচাৰালয়ত মোকৰ্দ্দমাৰ বিচাৰ হ'লে আইভী সাক্ষীৰ কাঠ-গৰাত থিয় হ'ব লাগিব। কথাটো আৰু সদৰী হ'ব। গতিকেই...ডেকা কেইজন নির্দ্দোষী।

বাতৰিটো কাগজত ছপা হৈ ওলোৱাৰ পিচত ময়ূৰ দুৱৰা এদিন মোৰ ওচৰলৈ আহিছিল। মোৰ ওচৰলৈ মানে মোৰ ঘৰলৈ। মেছলৈ। ময়ূৰে মোৰ লগতে কাম কৰে। হঠাৎ সি মোৰ ঘৰলৈ অহাত অলপ আচৰিত হৈছিলোঁ।

বহিবলৈ দিছিলোঁ। সি বহিছিল। তাৰ পিচত চিগাৰেট এটা জ্বলাই লৈ কৈছিল: 'তই মোক ৰক্ষা কৰিলি অসীম। অন্ততঃ মা, দেউতা আৰু মোমাইদেউক মই ক'ব পাৰিম।'

'কি কৈছ মই একো বুজা নাই ময়ূৰ।'

'বুজিবি। বুজিবি। সকলো ক'ম। অফিচত এইবোৰ কথা ক'ব নোৱাৰি কাৰণেই তোৰ ঘৰলৈ আহিছোঁ। ক'ম বুলিয়েই আহিছোঁ। এইবোৰ বহুত কথা।'

চিগাৰেটটোৰ দীঘলকৈ হোপা এটা মাৰি নাকেৰে ধোঁৱাবোৰ উৰুৱাই সি বৈ গৈছিল। মই তাৰ মুখলৈ চাই ৰ'লোঁ।

'বুইছ অসীম। এইবোৰ কথা যে এতিয়া ওলাইছে চব মিছা। তোৰ বাতৰিটোৱে সঁচা। তাই ক'ৰ জোৱাইত গানডাল গাবলৈ গৈছিল? এতিয়াতো সিহঁতে এইবোৰ কথা ক'বই। ছোৱালীজনীক ক'ৰবাত বিয়াতো দিব লাগিব। এইবোৰকে নকৈ ক'ব



কি? মন্ত্ৰীৰ ছোৱালী। দৰাৰ অভাৱ নহয়। অসমীয়া ল'ৰা নাপালে বঙালী, বিহাৰীতে দিব—চাবি না। অৱশ্যে আইভীয়ে ভাল গান গায়। সঁচা।'

বুজিলোঁ: সি আইভীৰ দুৰ্ঘটনাটোৰ কথাই ক'বলৈ আহিছে। ক'ব।

'মোমাইদেউলৈ মই লিখিলোঁৱেই। সিহঁতে সিদিনা মোক গালি পাৰিছিল। দেউতাই ত্যাজ্য পুত্ৰ কৰিব খুজিছিল। পিচে এতিয়া?'

'আইভীৰ এই ঘটনাটোৰ লগত তোক ত্যাজ্য পুত্ৰ কৰাৰ সম্পৰ্ক কি?'

মই কৌতূহলী হৈ পৰিছিলোঁ। সি হাঁহিছিল।

'তই আইভীৰ দেউতাকৰ নামটো দি বৰ ভাল কাম কৰিছ হ'লে দেই। তাৰ বাবে অশেষ ধন্যবাদ। নহ'লে সিহঁতে মোৰ ৱাইফৰ কথাই ক'লেহেঁতেন। বদনাম উলিয়ালেহেঁতেন।'

ময়ূৰৰ ঘৈণীয়েকৰ নামো আইভীলতা। আকাশীলতাৰ বায়েক। আইভীলতা কাকতি আছিল। হ'ল আইভীলতা দুৱৰা। ময়ূৰৰ পত্নী। সেইজনী আইভীলতাক মই জানো। চিনি পাওঁ। অধ্যাপক শীতল কাকতিৰ ছোৱালী।

ময়ূৰ আৰু আইভীলতাৰ বিয়াখনৰ কথা মই জানো। ঠিক বিয়াখন নহয়। বিয়াৰ আগৰ ঘটনাটো। বিয়ালৈ নিমন্ত্ৰণ জনাই ময়ূৰে মোলৈ চিঠি দিছিল। পাইছিলোঁ। কিন্তু যাব নোৱাৰিলোঁ। বিয়াৰ দিনা ৰাতিপুৱা দহ বজাত তাঁৰ এখন পঠাই দিছিলোঁ। মেৰেজ গ্ৰিটিংচ্‌। সিহঁতৰ বৈবাহিক জীৱন মধুময় হওঁক। সুখৰ হওঁক। প্ৰেমভৰা হওঁক দাম্পত্য জীৱন।

শুভেচ্ছা কামনা কৰি পঠোৱা মোৰ সেই তাঁৰখনে সিহঁতৰ যুগ্ম-জীৱনত কিবা সহায় কৰিছে নে নাই নাজানো। মোৰ তাঁৰ-খনৰ কথাখিনি সিহঁতৰ জীৱনত ফলৱতী হওঁক বুলিয়েই সিদিনা

কামনা কৰিছিলোঁ। অভাৱ, অনাটন অথবা ধন-সম্পত্তি বৈবাহিক জীৱনৰ সুখ-শান্তিৰ তুলাচনী নহয়। হ'ব নোৱাৰে। সুখী দাম্পত্য জীৱনৰ কাৰণে টকাই সকলো নহয়। টকা গৌণ। মুখ্য গভীৰ প্ৰেম আৰু বিশ্বাস। মনৰ মিল। ময়ূৰ আৰু আইভীৰ জীৱনত টকাৰ জন্‌জননি নাই সঁচা। কিন্তু গভীৰ প্ৰেম আৰু বিশ্বাস আছে। ইজনে সিজনক বুজা-পৰাৰ প্ৰচেষ্টা আছে। জানো।

কলেজৰ বন্ধত ঘৰলৈ যাওঁতে গাৱঁৰ এম-ই স্কুলখনৰ প্ৰধান শিক্ষক দত্তই মোক শ্বিলঙলৈ অহাৰ কথা কৈছিল। মোৰ লগত তেখেতো থাকিব। স্কুলৰ মঞ্জুৰী হেনো বহুত দিন পোৱা নাই। মই স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ। কথা ক'ব জানো। গতিকে তেখেতৰ সজাতি দলত মোক পালে কাম নহৈ নোৱাৰে। এয়া প্ৰধান শিক্ষক দত্তৰ বিশ্বাস।

সজাতি দলৰ নেতৃত্ব লৈ শ্বিলঙলৈ আহিছিলোঁ। অফিচলৈ গৈ খা-খবৰ লৈছিলোঁ। চৰকাৰে হেনো মঞ্জুৰীৰ পৰিমাণ অলপ বঢ়াই দিয়াৰ কথা ভাবিছে। সেই কাৰণেই ইমান দিনে মঞ্জুৰীৰ টকা পঠোৱা নাছিল। এতিয়া পঠাব। ডিলিং এচিষ্টেণ্টে ফাইল পুট-আপ কৰিছে। পিচ দিনালৈ চিঠি ইচু হ'ব হেনো। গতিকে ৰাতিটো ৰৈ চিঠিখন লৈ যোৱাৰ কথা ভাবি হোটেললৈ উভতি আহিছিলোঁ।

সেইদিনাই পুলিচ বজাৰত লগ পাইছিলোঁ ময়ূৰক। মোক দেখি সি চিঞৰি উঠিছিল। মোৰ সোঁ-হাতখনত খামোচ মাৰি ধৰিছিল। সাধাৰণ খা-খবৰ লোৱাৰ পিচত সি কৈছিল: অধ্যাপক শীতল কাকতিৰ যক্ষ্মা। হাস্পাতালত পৰি আছে। অৱস্থা ভাল নহয়। কেতিয়াবা যায় হে লাগে।

কাকতিৰ অসুখ। ময়ো জানো। আজি দুবছৰ আগৰ পৰাই তেখেত কলেজত নাই। ছাত্ৰবোৰে চান্দা তুলি এবাৰ কেইটামান টকা চিকিৎসাৰ কাৰণে পঠিয়াইছিল। সৰবৰহী অধ্যাপক



কাকতিৰ অসুখৰ কথাটো শুনি সিদিনা প্ৰায়বোৰ ছাত্ৰই দুখ কৰিছিল। সহানুভূতি দেখুৱাইছিল।

'মই এতিয়া হাস্পাতাললৈ যাম। যাৱ যদি বল। তোক দেখিলে বৰ ভাল পাব।' ময়ূৰে কৈছিল। ভাবিলোঁ: মানুহজনক এবাৰ দেখা কৰি যোৱা বেয়া নহয়। মই তেওঁৰ এদিন বৰ মৰমৰ ছাত্ৰ আছিলোঁ। মোৰ শ্ৰদ্ধাৰ অধ্যাপক আছিল।

দত্তক হোটেললৈ যাবলৈ কৈ ময়ূৰৰ সৈতে মই হাস্পাতাললৈ গৈছিলোঁ। জীৱনত প্ৰথমবাৰৰ কাৰণে যক্ষ্মা হাস্পাতালত প্ৰৱেশ কৰিছিলোঁ। সিদিনা মোৰ এনে অনুমান হৈছিল: ময়ো যেন এজন যক্ষ্মা বেমাৰী। মোৰ বুকুখন বৰকৈ বিষাইছে। হাস্পাতালৰ ঘৰ-দুৱাৰ আনকি চৌহদৰ চাৰিওপিনে উৰি ফুৰিছে হেজাৰ হেজাৰ যক্ষ্মাৰ কীট। প্ৰতিটো নিশ্বাসত মোৰ নাকেৰে ভিতৰলৈ সোমাই গৈছে অলেখ জীৱাণু আৰু সেই জীৱাণুবোৰে হাঁওফাঁওত আৰম্ভ কৰিছে তাণ্ডৱ নৃত্য। খুলি খুলি খাই মোৰ কলিজাটো যেন শেষ কৰি পেলাইছে।

শীতল কাকতিয়ে আমাক দেখি হাঁহিছিল। শেঁতা ম্লান হাঁহি। দুগালত তেতিয়াও চকুলোৰ দাগ। মানুহৰ হাঁহিও ইমান অসুন্দৰ? কুৎসিত। এদিন যিটো হাঁহিৰে অধ্যাপক কাকতিয়ে প্ৰত্যেক ছাত্ৰ আৰু শিক্ষকৰ মন জয় কৰিছিল আজি সেই হাঁহিটো ইমান কুৎসিত হ'ল কেনেকৈ? সেই হাঁহিটো যেন হাঁহি নহয়। হিয়া-ভগা বেদনাৰ অনামী ৰূপ। তাতকৈ কন্দা হ'লেই কিজানি আমাৰ ভাল লাগিলহেঁতেন। হাঁহিৰেও মানুহে মনৰ বেদনা প্ৰকাশ কৰিব পাৰে তেনেহ'লে।

'তুমিও আহিছা অসীম? বহা। তোমালোকে যে মোক পাহৰি যোৱা নাই; সেইকণেই মোৰ কাৰণে সান্ত্বনা। ইয়াত মোৰ আপোন বুলিবলৈ কোনো নাই। মোক দেখা কৰিবলৈ কোনো নাহে। ময়ূৰে মাজে মাজে মোৰ খবৰ নকৰা হ'লে মই কিজানি

ইমান দিনে মৰিয়েই গ'লোঁহেঁতেন। আনবোৰ ৰোগীৰ খা-খবৰ ল'বলৈ ঘৰৰ পৰা যেতিয়া মানুহবোৰ আহে মোৰ তেতিয়া কেনে লাগে জানা?'

কাকতি বৈ গৈছিল। কিবা এটা অপ্ৰকাশিত বেদনাই কাকতিৰ মাত ৰুদ্ধ কৰি দছিল। তাৰ পিচত লাহে লাহে আকৌ কৈছিল: 'ঘৰৰ পৰা মোৰ কোনো নাহে। আহে চিঠি। সেই চিঠিবোৰত থাকে বহুত আশা। বহুত সান্ত্বনা আৰু আশ্বাস। সান্ত্বনা ভৰা সেই চিঠিবোৰে মোক কিন্তু অকণো সান্ত্বনা দিব নোৱাৰে অসীম। সেই চিঠিবোৰে মোক কন্দুৱায়। জানো: সেইবোৰ মিছা কথা। মিছা কথা লিখি সিহঁতে মোলৈ চিঠি দিয়ে। লিখে। সিহঁতে যিমানেই যি নিলিখক ঘৰৰ অৱস্থা মই জানো। হয়তো সিহঁতে দিনৰ পিচত দিন অনাহাৰে কটাইছে- অসীম। তথাপি সিহঁতে লিখে: আমাৰ কোনো অসুবিধা হোৱা নাই। অভাৱ হোৱা নাই।'

ধৈৰ্য্যৰো এটা সীমা আছে। শেষলৈ কাকতিৰ ধৈৰ্য্যৰ বান্ধ স্থলকি যায়। হুকুহুকুকৈ কান্দি উঠে।

'জানা ময়ূৰ, এদিন বৰ হেপাহেৰে কিনা কিতাপবোৰ বিক্ৰি যিখন ঘৰে মোক শ্বিলঙলৈ পঠোৱাৰ বাবে খৰচ গোটাবলগীয়া হৈছিল; সেইখন ঘৰে যদি লিখে সিহঁতৰ কোনো অভাৱ হোৱা নাই সেই কথা কেনেকৈ বিশ্বাস কৰিব পাৰোঁ? সিহঁত উপবাসে থাকি মোলৈ টকা পঠিয়ায়। সেই কথা সিহঁতে নিলিখিলেও মই জানো অসীম।'

কাকতিয়ে কান্দিছিল। আমাৰ দুটা এটা কথা। অকণমান সান্ত্বনা। কিন্তু সেই সান্ত্বনাই তেখেতৰ মনৰ বেদনাবোৰ যেন আৰু গভীৰ কৰি তুলিছিল। তেখেতে কোৱা কথা কেইষাৰৰ প্ৰতিটো শব্দত যেন লুকাই আছিল এসাগৰ বেদনাৰ চকুলো।



মানুহে ইমান দুখ লগাকৈ কথা ক'ব পাৰে? নিয়তিৰ হাতত মানুহ ইমান নিঃকিন?

'আইভী আৰু আকাশী। সিহঁত সৰুতেই মৰি নগ'ল কিয় অসীম? সিহঁতক মই নিজ হাতেই মাৰি নেপেলালোঁ কিয় ময়ূৰ? মৰম লগাকৈ সিহঁত ডাঙৰ হৈ আহিল। ধুনীয়াকৈ কথা ক'লে। গাভৰু হ'ল। আৰু, আৰু মই সিহঁতক গাভৰু অৱস্থাত হত্যা কৰিলোঁ। জীয়াই জীয়াই সিহঁতে ভোগ কৰিলে আজীৱন মৃত্যু-যন্ত্ৰণা। সিহঁতৰ এই আজীৱন মৃত্যু-যন্ত্ৰণাৰ কাৰণে মই চিৰদিন ৰৌ ৰৌ নৰকত পচি মৰিম। মই মৰিও শান্তি নাপাম। মাকজনী হয়তো সিহঁতৰ এই জীয়াই থকাৰ যন্ত্ৰণা দেখি বলিয়া হৈ যাব। আত্মহত্যা কৰিব।'

'আপুনি ইমান চিন্তা নকৰিব চাৰ। আপুনি ভাল হৈ উঠিব।'

ময়ূৰৰ কথাষাৰেও কান্দিছিল।

কাকতিয়ে হাঁহিছিল। বেদনাৰ হাঁহি। অবিশ্বাসৰ হাঁহি। ময়ূৰৰ কথাষাৰক মিছা সান্ত্বনা বুলি প্ৰমাণ কৰাৰ হাঁহি। বেদনাক গভীৰকৈ প্ৰকাশ কৰিবলৈ হাঁহিতকৈ বোধহয় আন একো ডাঙৰ মাধ্যম হ'ব নোৱাৰে। সিদিনাহে সেই কথাষাৰ মই উপলব্ধি কৰিছিলোঁ।

'মোৰ কাৰণে মই ভবা নাই ময়ূৰ। কিন্তু আইভী আৰু আকাশীৰ ভৱিষ্যৎ কি হ'ব? সিহঁতক কোনে জীৱনৰ আশ্বাস দিব? আশ্ৰয় দিব? যক্ষ্মাগ্ৰস্ত জনকৰ দুহিতাক…। মই ভাবিব নোৱাৰোঁ ময়ূৰ।'

'চাৰ।'

'এদিন বৰ মৰমেৰে সিহঁতৰ নাম থৈছিলোঁ: আইভীলতা আৰু আকাশীলতা। সেয়া মৰম নাছিল। সেয়া সিহঁতৰ মাজ মূৰত মোৰ বিষ দংশন।

'আইভীৰ দায়িত্ব মই লম চাৰ।'

হঠাৎ যেন ক'ৰবাত বজ্রপাত হৈছিল। মই উচাপ খাই উঠিছিলোঁ। কাকতি নিস্তব্ধ হৈ গৈছিল।

বহু সময় কাৰো মুখত মাত নাই। তাৰ পিচত মৌনতা ভাঙি ময়ূৰেই পুনৰ দোহাৰিছিল: সি আইভীৰ জীৱনৰ দায়িত্ব ল'ব।

'তুমি? তুমি ল'বা ময়ূৰ? তুমি জানো তাইক দেখিছা?'

কাকতিয়ে আৰু ক'ব নোৱাৰিলে। শিলাখণ্ডৰ দৰে স্তব্ধ হৈ গ'ল। তেখেতৰ চকু আৰু মুখলৈ লক্ষ্য কৰি দেখিলোঁ: কাকতিৰ উশাহ-নিশাহ বন্ধ হৈ গৈছে। অলপ পিচতে হাৰ্টফেল কৰিব। সম্ভাব্য ধ্বংস এটাৰ কাৰণে মই অপেক্ষা কৰি ৰ'লোঁ। আশঙ্কাত। উদ্বিগ্নতাত।

তেতিয়া বেলি ডুবিছিল নে নাই নাজানো। পশ্চিম আকাশত দেখিছিলোঁ সেন্দূৰ বৰণীয়া এখন ৰঙা আকাশ। কাবোবাৰ কলিজা ছিৰি বোলোৱা এখন দৃশ্য-পট।

হাস্পাতালৰ পৰা যেতিয়া ওলাই আহোঁ বাহিৰত তেতিয়া অন্ধকাৰ। কিবা এটা লাজত মোৰ মূৰ দোঁ খাই গৈছিল। মই যেন দোষী। কাবোবাক এই মাত্র হত্যা কৰি পলাই আহিছোঁ। ময়ূৰৰ মুখলৈ চোৱাৰ সাহস মোৰ নহ'ল। ইচ্ছা হৈছিল মই যেন হাস্পাতাললৈ আকৌ উভতি যাম। অধ্যাপক কাকতিক ক'ম: আকাশীলতাৰ দায়িত্ব মই লম চাৰ।

এটা অসহায় মৌনতা।

'ময়ূৰ, তই জানো আইভীলতাক কেতিয়াবা ক'ৰবাত দেখিছ? তোৰ দেউতাৰাই যদি আপত্তি কৰে?'

'আইভীক দেখাৰ কোনো প্রয়োজন নাই অসীম। যিজনী ছোৱালীৰ দেউতাক শীতল কাকতি সেইজনী ছোৱালীক নতুনকৈ চোৱাৰ প্রশ্ন নুঠে। এজন কন্যাদায়গ্রস্ত মুমূর্ষু বাপেকীক মৃত্যুৰ



আগ মুহূৰ্ত্তত আশ্বাস দিয়াৰ আনন্দতকৈ বিয়াটো মোৰ মানত ডাঙৰ নহয়। কিন্তু আকাশীক মই বিয়া কৰাব নোৱাৰোঁ। এজন ডেকাই এজনী গাভৰুকহে বিয়া কৰাব পাৰে। বিয়া কৰোৱা উচিত। দুজনীক নহয়।'

ময়ূৰৰ দুখ ক'ত মই বুজিছিলোঁ। পৰা হ'লে সি হয়তো ক'লেহেঁতেন: চাৰ, আইভী আৰু আকাশীৰ জীৱনৰ ভাৰ মোৰ ওপৰত দিয়ক। মই সিহঁতৰ জীৱনৰ দায়িত্ব লম। বহন কৰিম।

মোৰ দ্বিতীয় প্রশ্নৰ উত্তৰত ময়ূৰে একো নক'লে। সেই প্রশ্নৰ উত্তৰ তেতিয়া মোৰ কাৰণেও নিৰৰ্থক। যিজনে আনৰ কাৰণে ইমান ত্যাগ স্বীকাৰ কৰিব পাৰে, তাৰ কাৰণে মাক-দেউতাকৰ মতামতৰ কোনো মূল্য নাই। যাৰ মনৰ মাজত ইমান সাহস সঞ্চিত হৈ আছে তাৰ বাবে মোৰ দ্বিতীয় প্রশ্নটোৰ কোনো অর্থ নাই। উত্তৰ নাই।

এই দুজনীয়েই আইভীলতা আৰু আকাশীলতা। মাক-দেউতাকৰ মতামতক আওকাণ কৰি জীৱন সঙ্গিনী হিচাপে আঁকোৱালি লোৱা ময়ূৰৰ আইভীলতা। সেই দিনা এফালে বৰিষণ হৈছিল সহস্র অভিশাপ। শাওপাত। আৰু আন ফালে এজন মৃত্যুমুখী বৃদ্ধৰ শেষ নোহোৱা আশীৰ্ব্বাদ। সমাজে সিদিনা তাক গৰিহণা দিছিল। কৈছিল: ময়ূৰ মতলবী। চৰিত্রহীন। উচ্চ জাতত জন্ম গ্রহণ কৰা বংশৰ কলঙ্ক।

এয়েই আছিল আইভীলতা আৰু ময়ূৰৰ যৌথ-জীৱনৰ আগৰ কাহিনী।

ময়ূৰে কৈ গৈছিল:

'তই বোধহয় জানই অসীম, মোৰ মোমাইদেউ এজন কংগ্রেছৰ পাণ্ডা।'

'জীৱন তুৱৰাৰ কথা কোৱা নাই জানো ?'

'এৰা, তেওঁৰ কথাই কৈছোঁ। এই জীৱন তুৱৰাহঁতৰ দৰে মানুহ-বোৰে আনৰ কথা ভাবিব নোৱাৰে। নিজক লৈয়ে চিৰদিন ব্যস্ত। তেওঁলোকৰ দূৰ-দৃষ্টিৰ অভাৱ। এইবোৰ মানুহেই আমাৰ সমাজৰ আৰু ৰাজনৈতিক বৰ নেতা। কংগ্ৰেছখন সঁচাকৈয়ে এদিন ভাল আছিল। আছল পৱিত্ৰ আৰু শুদ্ধ। কিন্তু মোমাইদেউহঁতৰ দৰে মানুহবোৰে সেই শুচিতাত সানি দিলে বোকাৰ ছিটিকনি। গেৰেকনি।

'তেওঁলোকক উলিয়াই দিলেই হয়।'

'লাভ একো নহয়। যাৰ মনুষ্যত্বত এবাৰ ঘুণে ধৰিছে তাক প্ৰায়শ্চিত্ত কৰি শুধৰাই লোৱাৰ উপায় আৰু নাই। সেইবোৰ মানুহ য'তেই নাথাকক বিষ বীজ ৰোপণ কৰিবই। কংগ্ৰেছৰ পৰা উলিয়াই দিলে সমাজৰ বুকুত বৰ কামোৰ মাৰি সৃষ্টি কৰিব কোনো-দিনে নুশুকোৱা কেঁচা নগা ঘা। তাতকৈ তেওঁলোক কংগ্ৰেছৰ পাণ্ডা হৈ থকাই ভাল। জোৰকৈ কোনোৱেও কাৰো আত্মশুদ্ধি কৰাব নোৱাৰে। আত্ম উপলব্ধি নহ'লে আত্মশুদ্ধিৰ আশা কৰা মিছা। কিন্তু আচল কথা কি জান ? এইবোৰ মানুহে এদিন নহয় এদিন ইয়াৰ কাৰণে অনুতাপ কৰিব লাগিব। সুতে-মূলে পৰিশোধ কৰিব লাগিব।'

'কিন্তু কেতিয়া ? মৃত্যুৰ পিচত ?'

'নিশ্চয়। জীৱনৰ শেষ ছোৱাত নহ'লেও তেওঁলোকৰ বংশধৰ-সকলে পূৰ্ব্ব-পুৰুষৰ কৃতকৰ্ম্মৰ ফল ভোগ কৰিবই লাগিব।'

'এতিয়াওতো কৰি আছে। তেওঁলোকৰ এতিয়াৰ দুমহলাটো তেতিয়ালৈকে হয়তো হ'বগৈ তিনিমহলা। পাৰ্থক্য ইমানেইহে।'

'তই ভুল বুজিছ অসীম। ফল ভোগ মানে মই প্ৰায়শ্চিত্তৰ কথা কৈছোঁ।'

মই একো নক'লোঁ। সিয়েই কৈ যাওঁকচোন।

'মোমাইদেৱে দেউতাৰ লগত পৰামৰ্শ কৰি মোক এদিন



শ্বিলঙলৈ পঠিয়াইছিল। আহিলোঁ। হাতত কেইটামান টকা আৰু কলেজৰ ডিগ্ৰীটো। মোমাইদেৱে লিখি বন্ধ কৰি দিয়া চিঠি এখন আনি কুমুদ ৰঞ্জন বৰুৱাৰ হাতত দিলোঁ। তেখেতে মোক আশ্বাস দিলে। চাকৰি মোৰ হ'বই। কিন্তু তেখেতেনো মোক যেই সেই চাকৰি এটাত সোমাই দিয়ে কেনেকৈ ? ভাল চাকৰি এটা নহ'লে জানো মোমাইদেৱে তেখেতক বেয়া নাপাব ? গতিকে মই অপেক্ষা কৰিবলগীয়া হ'ল। নতুন পদ এটা সৃষ্টি কৰাৰ কাৰণে দুই এদিনতে তেখেতে কিবা এটা কৰিব। ৰেগুলেশ্যন থ্ৰিত মোক নিযুক্তি-কৰণ কৰিব। 'ৰেগুলেশ্যন থ্ৰি' কি মই তেতিয়া একো নুবুজোঁ।'

'পিচে দেখোন কেৰাণী হ'লি ?'

'কথা সেই খিনিতেই। তাকেহে কওঁ বুলি আহিছোঁ। উৰহি গছৰ গুৰি ক'ত—শুন্ না' বুলি ময়ুৰ উৎসাহিত হৈ পৰিল। গাটো লৰাই ভাল দৰে বহি লৈ কৈ গ'ল ঃ শ্বিলঙত মই নতুন। নতুন বাট-ঘাট। কাৰো লগত বিশেষ চা-চিনাকি নাই। এই মন্ত্ৰীজনাই হোটেলৰ পৰা মোৰ বিচনাপত্ৰবোৰ নিয়াই তেখেতৰ ঘৰতে থকাৰ কাৰণে বন্দবস্ত কৰি দিলে। মন্ত্ৰী গৰাকীৰ মোৰ প্ৰতি মৰম দেখি মই আচৰিত হ'লোঁ। মোমাইদেউলৈ শ্ৰদ্ধাত মোৰ মূৰ দোঁ খাই গ'ল। মোৰ দৰে এজন সাধাৰণ চাকৰি প্ৰাৰ্থীক বৰুৱা আৰু তেখেতৰ পৰিয়ালৰ প্ৰত্যেক জনেই ইমান মৰম-চেনেহ দেখুওৱাৰ গুৰিতে মই নহয়; মোমাইদেউ। মোমাইদেউৰ মন্ত্ৰী মহলত থকা আধিপত্য।

এদিন দুদিনকৈ কেইবা দিনো পাৰ হৈ গৈছিল। কাম-কাজ নোহোৱাকৈ খাই-শুই মোৰ আমনি লাগিলেও বৰুৱাহঁতৰ ঘৰখন পৰ যেন লগা নাছিল। লাগিবলৈ দিয়া নাছিল। কিন্তু আনৰ ঘৰত এনেদৰে বেচি দিন থাকিবলৈ হ'লে কিবা এটা অস্বস্তিয়ে খুঁচিয়াই থাকে। লাজ লাজ লাগে। নিজকে কিবা জগৰীয়া জগৰীয়া যেন অনুভৱ হয়। অৱশেষত এদিন ক'লোঁ ঃ 'পলম হয় যদি মই এবাৰ ঘৰৰ পৰাই আহোঁগৈ।'

'কি ক'লা ? ঘৰৰ পৰা আহিবা ? কেলেই ? এইখন জানো তোমাৰ ঘৰ নহয় ? দুই এদিনতে তোমাৰ চাকৰি হ'বই। প'ষ্ট ক্ৰিয়েশ্যন হৈ গ'ল। ফ'ৰমেলিটিৰ কাৰণে বিজ্ঞাপন এখনতো দিব লাগিব। ইমান অধৈৰ্য্য হৈছা কেলেই ? ইয়াত কিবা অসুবিধা পাইছা নে কি ? নে হাতত পইচা-পাই নাইহে ?' মোৰ কথাষাৰ শুনি বৰুৱাই ধমকনিৰ সুৰত আৰম্ভ কৰি মৰম লগাকৈ শেষ কৰি কৈছিল। মিছেছ বৰুৱাক মতাই আনি মোক কেইটামান হাত-খৰচৰ বাবে টকা নিদিয়াত ধমক দিছিল।

'মোৰ হাতত পইচা আছে চাৰ। অসুবিধাও একো পোৱা নাই। কিন্তু…।' শেষ কৰি ক'বলৈ মোৰ কোনো কথা নাছিল। মই বৈ গৈছিলোঁ। 'আনৰ ঘৰত এনেদৰে নিৰ্লজ্জৰ দৰে বহি খাই থাকিবলৈ ভাল লগা নাই' বুলি সঁচা কথাষাৰ কোৱাৰ সাহস মোৰ নহ'ল।

'এৰা, তুমি ঘৰলৈ যোৱাগৈ। জীৱই মোক গালি পাৰক। বহি বহি আমনি পাইছা যদি আইভীক লগত লৈ দুপৰীয়া, গধূলি চিনেমাকে চাব পাৰা দেখোঁন।'

তাৰ পিচত 'ঘৰলৈ যাওঁ গৈ' অথবা 'চাকৰিৰ কি হ'ল' বুলি সোধাৰ সাহস মোৰ কোনো দিনেই নহ'ল। এদিন বৰুৱাই উপযাচিয়েই গেজেট এখন দেখুৱাই মোক কৈছিল : 'এয়া চোৱা, বিজ্ঞাপন দিয়াইছোঁ। তুমি দৰ্খাস্ত কৰা। এইবোৰ এটা শ্বো। বুইছা। নহ'লে জানাই নহয় 'পাব্লিক্ ক্ৰিটিচিজ্ম্ ফেচ্' কৰিব লাগিব।'

তেখেতৰ কথামতে দৰ্খাস্ত এখন দিছিলোঁ। কিন্তু তাৰ পিচত তেখেতক মই চাকৰিৰ কথা আৰু সোধা নাছিলোঁ।

বৰুৱাৰ একমাত্ৰ ছোৱালী আইভীলতা। এখন ধুনীয়া মুখ। এহাল মৰম-সনা চকু ! মিঠা মিঠা লগা চেনেহ কোমল ব্যৱহাৰ।

'বুইছা আইভী, তোমালোকক এনেদৰে আমনি দি মোৰ



নিজৰে বৰ বেয়া লাগিছে।' আইভীক এদিন কৈছিলোঁ। কলেজ বন্ধ হ'লে ঘৰত আইভী আৰু মই প্ৰায় অকলেই থাকোঁ। মাহীদেউ, মানে আইভীৰ মাকৰ বহুত কাম। মানুহৰ ঘৰত 'চ'চিয়েল ভিজিট' এটা নিদিলে মানুহে অহঙ্কাৰী বুলি ক'ব। ফিটাহি হোৱা বুলিব। ভাবিছিলোঁ : কথাষাৰ সঁচা হ'লেও হ'ব পাৰে।

মোৰ কথাষাৰ শুনি আইভীয়ে মোলৈ বেঁকাকৈ চাইছিল। চকুত এসাগৰ মৰম সানি লাজ লাজকৈ কৈছিল : সদায় যেতিয়া আমনি দিব লাগিব, তেতিয়া কি কৰিব ?

আইভীৰ কথাষাৰৰ অৰ্থ সিদিনা মই বুজা নাছিলোঁ। বুজিবলৈ যত্নও কৰা নাছিলোঁ। গাভৰু ছোৱালীয়ে বহুত কথাই কয়। সকলোবোৰ কথাৰে অৰ্থ নাথাকে।

তাৰ মাজতেই এদিন মনত পৰিছিল : অধ্যাপক কাকতি হাস্পাতালত আছে। ইয়াতেই আছে। শ্বিলঙত। এদিন গৈ খবৰ এটা লৈ অহাটো বেয়া নহয় বুলি হাস্পাতাললৈ গৈছিলোঁ। আৰু সেই এদিনেই মোক উদগাইছিল দ্বিতীয় দিন যাবলৈ। দ্বিতীয় দিনে উদগাইছিল তৃতীয় দিনলৈ। আৰু সেইদিনাই লগ পাইছিলোঁ তোক। তাৰ পিচৰ কথাবোৰতো তই জানই। কথা বুলিলেই বতাহ। আইভীৰ দেউতাকে শুনিলে। আৰু তেখেতৰ জৰিয়তেই মোমাইদেৱে জানিলে। অৱশেষত জানিলে দেউতাই।

দেউতাই যেতিয়া কথাষাৰ শুনে, মই তেতিয়া আইভীহঁতৰ পৰা বহুত দূৰত। ঢেঁকী এদিন স্বৰগলৈ গ'লেও সি সদায় ঢেঁকীয়েই। হোটেলত আছিলোঁ। আকৌ হোটেললৈ উভতি আহিলোঁ। প্ৰথমতে হোটেললৈ আহোঁতে হাতত পইচা আছিল। দ্বিতীয় বাৰ হোটেললৈ আহোঁতে হাতত পইচা নাছিল। পাৰ্থক্য ইমানেই।

বৰুৱাহঁতৰ মৰমবোৰ মৰম নাছিল। আছিল ষড়যন্ত্ৰ। মোৰ

কিন্তু বুজাত পলম হৈ গ'ল। ইতিমধ্যে মোমাইদেউৰ পৰা অলেখ বিশেষণেৰে ভৰা কেইবাখনো চিঠি আহি মোৰ হাতত পৰিল। 'মোৰ মূৰ মই নিজেই খাইছোঁ। মই মূৰ্খ। চৰিত্ৰহীন। মই তেওঁলোকৰ বংশ-মৰ্য্যদাত কলঙ্ক সানিছোঁ। মই তেওঁলোকৰ কোনো নহয়। আইভীৰ দৰে চৰিত্ৰৰ ছোৱালী এজনীৰ কেঞা আঙুলিৰ যোগ্যও মই নহওঁ। কুকুৰৰ পেটত ঘি হেনো কোনো দিনেই হজম নহয়।' ইত্যাদি।

আইভীজনীয়ে আহিবৰ সময়ত মনে মনে দুশ টকা মোৰ জেপত গুজি দি কৈছিল: 'মোক যদি অকণমানো মৰম কৰে তেন্তে টকাখিনি লৈ যাওঁক ককাইদেউ। নহ'লে আপোনাৰ বৰ অসুবিধা হ'ব। তাৰোপৰি আপুনি মোক ক্ষমা কৰি যাওঁক ককাইদেউ। ইহঁত সাপ। নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে ইহঁতে কৰিব নোৱাৰা কাম একো নাই। সকলো কৰিব পাৰে। সাপক বিশ্বাস কৰিব পাৰি। কিন্তু দেউতাহঁতৰ দৰে মানুহবোৰক নোৱাৰি। আনৰ কথা শুনি অধ্যাপক কাকতিৰ মনত আপুনি আঘাত নিদিব ককাইদেউ। মোৰে শপত।'

বুইছ অসীম, আইভীজনীলৈ মোৰ সিদিনা সঁচাকৈয়ে বৰ বেয়া লাগিছিল। মৰম লাগিছিল। ইচ্ছা হৈছিল: আইভীজনীক যেন এজনী সৰু ছোৱালীৰ দৰে মৰমতে চুমা এটা খাই দিম। ইমান জ্ঞানী। ইমান শান্ত আৰু বুজন ছোৱালী এইজনী।

সিদিনা কাগজত খবৰটো পঢ়ি যিমান ভাল লাগিছিল তাতকৈ বেছি বেয়া লাগিছিল আইভীজনীলৈ। দেউতাকে কৰা পাপৰ প্ৰায়শ্চিত্তৰ বাবে বলি হ'ল বেচেৰী নিৰ্দ্দোষী আইভীজনী। বিষাক্ত সাপৰ বিষ দংশনত সাপ নমৰে। মৰে নিৰপৰাধ প্ৰাণী। অথচ সাপৰ বিষ দাঁততেই থূপ হৈ থাকে স্তূপীকৃত হলাহল।'

ময়ূৰে হুমুনিয়াহ এটা কাঢ়ি ৰৈ গৈছিল। মোৰ অনুমান হৈছিল সি যেন কান্দি দিব। কিবাকিবি বহুত প্ৰশ্নই মোৰ মনৰ মাজত



কুণ্ডলি পকাই উঠিল। কিন্তু সোধাৰ সাহস নহ'ল। সেই সময়ত তাক প্ৰশ্ন সোধা—অবান্তৰ।

তাৰ পিচত ময়ূৰ বহাৰ পৰা লাহে লাহে উঠিছিল। মোক মাত নিদিয়াকৈয়ে ওলাই গৈছিল। মই বাৰাণ্ডাৰ লাইটটো জ্বলাই দিছিলোঁ।

ডাঠ এন্ধাৰ এজাকে পৃথিবীখন তেতিয়া গিলি পেলাইছে।

## ॥ তিনি ॥

তাৰ কেইদিনমান পিচত। সিদিনা সুধিব খোজা প্ৰশ্ন এটা তাক সুধিছিলোঁ: 'নতুনকৈ সৃষ্টি কৰা পদটো পিচে কি হ'ল অ' ময়ূৰ? কাক দিলে?

'কাক দিব আৰু? কাকো দিয়াৰ আৱশ্যক নহ'ল। চাৰেণ্ডাৰ কৰিলে।'

'কিন্তু বিজ্ঞাপন দিয়াৰ পিচত প'ষ্ট চাৰেণ্ডাৰ কৰিলে কেনেকৈ?'

'অন্তঃদৰ্শন এটা হৈছিল। পিচে উপযুক্ত প্ৰাৰ্থী হেনো কোনো নোলাল। দ্বিতীয়বাৰ বিজ্ঞাপন দি প্ৰাৰ্থীৰ পৰা দৰ্খাস্ত আহ্বান কৰাৰ অজুহাত লৈ কেইদিনমান পেলাই থ'লে। বিজ্ঞাপন আৰু দিয়ে ক'ত? নিদিলে? তাৰ পিচত প'ষ্ট চাৰেণ্ডাৰ।'

'পদত নিযুক্তিৰ বাবে উপযুক্ত প্ৰাৰ্থী নাপালে নে আইভীৰ কাৰণে?'

'যি বুজ।'

ভাবিলোঁ: চৰকাৰে তেনেহ'লে কিছুমান অনাৱশ্যকীয় পদবো সৃষ্টি কৰে। চাকৰিয়াল নিযুক্ত কৰে। অসম চৰকাৰৰ তলত এনেকুৱা কিমানটা অনাৱশ্যকীয় পদ আৰু চাকৰিয়াল আছে বাৰু? এইদল তেওঁলোক কোন মন্ত্ৰী অথবা চেক্ৰেটাৰীৰ লগা-ভগা? এইদল

চাকৰিয়ালৰ কাৰণে চৰকাৰৰ মাহিলি ব্যয়ৰ পৰিমাণ কিমান? সংখ্যা-বিজ্ঞান এই বিষয়ত নিমাত। কোনে জানো কৈছিল: অসম চৰকাৰৰ কোনোবা এটা বিভাগত উচ্চ পৰ্য্যায়ৰ কৰ্ম্মচাৰী যিমান-জন তাতকৈ দুজন নে এজন বেচি আছিল বিষয়া। চেক্ৰেটাৰী, ডেপুটি চেক্ৰেটাৰী, স্পেচিয়েল অফিচাৰ, স্পেচিয়েল অফিচাৰ ড্ৰাফ্‌টিং, স্পেচিয়েল অফিচাৰ প্লেনিং ইত্যাদি। [ক্ষমা কৰিব, বিভাগটোৰ নামটো নকওঁ।] এই বিশেষ বিষয়াবোৰ শিক্ষাৰ ক্ষেত্ৰত কোনোবা মাইনৰ পাছ। কোনোবা প্ৰৱেশিকা পৰীক্ষাত ফেল। তেওঁলোকে কিন্তু হিন্দীত এম-এ পাছ বুলি কয়। হিন্দীত কোৱিদ, বিশাৰদ, ৰত্নালঙ্কাৰ উপাধিবোৰ আছে বুলি জানো। কিন্তু সেই উপাধিবোৰ নিলিখি বা নকৈ এম-এ বুলি কিয় কয় বা লিখে সেই কথাহে নাজানো। এয়া বোধহয় স্বাধীনত্তোৰ ভাৰতত ইংৰাজ প্ৰীতিৰ নিদৰ্শন। ইংৰাজী ডিগ্ৰীৰ প্ৰতি থকা দুৰ্ব্বলতা। এই বিষয়াসকলে সাধাৰণতে শুদ্ধই অশুদ্ধই ইংৰাজী শব্দ ব্যৱহাৰ কৰি কথা কয় বেচি। ইংৰাজীতে 'কেজুৱেল লীভৰ' দৰ্খাস্ত এখন লিখিবলগীয়া অৱস্থাত হোৱা এইসকল অফিচাৰে নিজৰ অসহায় অৱস্থাটোৰ কথা তেতিয়া পাহৰি যায়। পাব্‌লিক্ ডিমাণ্ড, গৱৰ্ণমেণ্ট প'লিচি, ওৱাৰ্ল্ড চিটুৱেশ্যন আদি বৰ বৰ ইংৰাজী শব্দৰ খিচিৰি ৰান্ধে। ডেমোক্ৰেটিক শব্দটো ঘণ্টাত এশবাৰ নক'লে তেওঁলোকৰ ভাতেই হজম নহয়। এই বিষয়াসকলৰ আৰু এটা ভাল গুণ আছে। এওঁলোক গান্ধী-নীতি অনুসৰণকাৰী। গতিকে নিজৰ গাঁঠিৰ ধন ভাঙি দোকানৰ চাহ-মিঠাই, তামোল, চিগাৰেট একো নাখায়। আনৰ ওপৰত পালে ঘণ্টাত চাৰিটামানলৈকে গ'ল্ড ফ্লেক হুপিবলৈ বিচাৰে। দুবাৰকৈ চাহ খাব খোজে। জনমত কোনোদিনে নেদেখা অফিচৰ চাপ্ৰাচীবোৰক আনি নিজৰ ঘৰত ৰাখে। সাজ-বাচন ধুৱায়। ঘৈণীয়েকৰ পেটীকোটৰ পৰা আৰম্ভ কৰি আটাইবোৰ কাপোৰত চাবোন সানিবলৈ দিয়ে। অফিচ-





পিয়ন অথবা চাপ্ৰাচীবোৰক বিষয়াৰ ঘৰত নিজা ঘৰুৱা কামৰ বাবে খটুৱাব নোৱাৰা চৰকাৰৰ নিৰ্দ্দেশৰ কথা তেওঁলোকে পাহৰি যায়। বেচেৰা চাপ্ৰাচী পিয়নবোৰ! উপায় নাই। পেটৰ দায়ত চাকৰি কৰিবলৈ আহিছে। কিমানজন বামুণৰ ল'ৰাই বিষয়াসকলক কুকুৰাৰ মাংস ৰান্ধি নিদিয়াৰ ফলত চাকৰি এৰি দি আহিবলগীয়া হৈছে, ময়ূৰে হেনো এবাৰ তাৰো এটা হিচাপ উলিয়াইছিল।

এৰা, কাকনো দোষিম? সকলোৱে কঁঠাল খোৱা পঞ্জাৰী। মোৰ চাকৰিটোৰে বা আৱশ্যক কি? দিনটোৰ মূৰত কেতিয়াবা এখন চিঠি আহে। ৰাখোঁ। চেক্ৰেটাৰীলৈ ফোন আহে। মই সংযোগ কৰি দিওঁ। চেক্ৰেটাৰী শ্বিলঙত প্ৰায় নাথাকেই। দিল্লী, কলিকতাত তেখেতসকলৰ মিটিং থাকে। যায়। উভতি অহাৰ পিচত ভ্ৰমণ বিলখন মোক কৰিবলৈ দিয়ে।

ভ্ৰমণ বিল কৰিবলৈ মই শিকা নাই। নাজানো। চেক্ৰেটাৰীৰ ভ্ৰমণ বিৱৰণীখন (টু'ৰ ডায়েৰী) লৈ কোনোবা এজন কৰ্ম্মচাৰীক দিওঁ। এঘণ্টামানৰ ভিতৰতে চহীৰ কাৰণে সাজু কৰি আনি দিয়ে। মই নি চেক্ৰেটাৰীক দিওঁ। কেতিয়াবা কেতিয়াবা ভ্ৰমণ বিলত উঠা টকাৰ সংখ্যা দেখি মোৰ চকু থিৰ হৈ যায়। আমাৰ নিচিনা চাকৰিয়ালসকলৰ চাৰি পাঁচ মাহৰ দৰমহা। এৰা, হ'বইতো। চেক্ৰেটাৰী, ডেপুটি চেক্ৰেটাৰীৰ ভ্ৰমণ বিল!

ড্ৰাইভাৰ ৰাণাদিল কেতিয়াবা কেতিয়াবা মোৰ ওচৰলৈ আহে। হাতত এখন ভ্ৰমণ বিল তৈয়াৰ কৰাৰ আৰ্হি। তাৰ বিলখন কৰি দিব লাগে। চাৰি পাঁচ মাহ আগৰ বিলও তাৰ হোৱা নাই। বিল-বাবুক কৈ কৈ সি হেনো ভাগৰি পৰিছে। বিল-বাবুৰ সময় নাই। অসন্তোষৰ সুৰত ৰাণাদিলে কয়: 'বুইছে চাৰ, দিনটোত এলাৱেঞ্চ পাওঁ এটকা। দুসাজ ভাত খাবলৈয়ে লাগে আঢ়ৈ টকা। দৰমহাৰ টকা কেইটাৰে ঘৰত খাবলৈকে নোজোৰে। তাৰ পৰা

আকৌ মফচললৈ যাওঁতে ঘৰৰ পৰা দৰমহাৰ পইচা লৈ যাব লাগে। বিলখনো যদি পাঁচ মাহে নহয় আমিনো কেনেকৈ চলোঁ। চাব ?'

'কিয় ? চাহাবৰ লগত একেলগে নাখায় জানো ?'

'তেতিয়া হ'লেতো কথাই নাছিল চাব। মফচললৈ গ'লে আমাৰ লোকচান।'

ৰাণাদিল থিয় হৈ থাকে। কওঁ ঃ 'আজি নহয়, যা। কাইলৈ কৰি দিম।'

ৰাণা আঁতৰি যায়। ভাবোঁ ঃ চৰকাৰী গাড়ীবোৰে সেই কাৰণেই পে'ট্ৰল বেচি খায় নে কি ?

পিচদিনা ৰাণাদিল আকৌ আহে। তাৰ হাতৰ পৰা ভ্ৰমণ বিৰৰণীটো লৈ তাক বিদায় দিওঁ। চাপ্ৰাচী এজনক মাতি বিল এচিষ্টেণ্টক মাতি দিবলৈ কওঁ। বিল এচিষ্টেণ্ট দাস সোমাই আহে।

'দাস, আপোনাৰ বহুত কাম নে কি ?'

'এৰা, নক'ব বুইছে নে ? ইমান এটা প্ৰকাণ্ড এষ্টাব্লিষ্ট্মেণ্ট। অথচ বিল এচিষ্টেণ্ট আমি মাত্ৰ দুজন। মই আৰু বৰা। বৰা নতুন মানুহ। সকলোবোৰ কাম মোৰ ওপৰেদিয়ে যায়। উশাহ ল'বলৈকে সময় নাই। বুইছে ; চাকৰিয়ে টেঙাইছেহে আৰু। যি কেইটা পইচা পাওঁ খাবলৈকে নোজোৰে। ঘৰ ভাৰাই দিব লাগে দৰমহাৰ আধা টকা। বৰ ভুল কৰিলোঁ। তাতকৈ পাণ দোকান এখন দিয়াই বেচি ভাল আছিল।'

'এৰা, বস্তু-বাহানিৰো যি হে দাম।'

'বুইছে, পে, টি-এ, কন্‌টিন্‌জেন্সি চব বিল মই নকৰিলেই নহয়। তাৰোপৰি এড্‌ভাঞ্চৰ বিল আছেই। বৰাই পে-বিলখনকে কৰিবলৈ শিকা নাই। কনটিন্‌জেন্সি বিল বাৰু কেনেকৈ কৰে কওঁক।'

দাসৰ কিমান কাম মই জানো। দিনটোত তেওঁ চিটত দুঘণ্টাও নাথাকে। পে-বিল চহী কৰাবলৈ নিয়ে পিচৰ মাহৰ তিনি বা চাৰি তাৰিখে। কন্‌টিন্‌জেন্সি বিল চহী হোৱাৰ দিনা তেওঁক অফিচত



পোৱা টান। ট্ৰেজাৰী আৰু বেঙ্কৰ মাজত তাঁত-বাটি কৰোঁতেই দিনটো যায়।

ক'লোঁ ঃ এৰা, আপোনাৰ বৰ অসুবিধাই হৈছে। আপোনালোকে আৰু এজন মানুহ নলয় কেলেই ?

'সেইবোৰনো কি ক'ব ? মই কেইবাৰ নোট দিলোঁ। অফিচৰ কথা এৰক। এইখন অফিচৰ কথা ক'লে শেষ নহয়। পিচে মোকনো কেলেই মাতিছিল ? সিফালে আকৌ বিল ৰেজিষ্ট্ৰাৰটো মেলি থৈ আহিছোঁ।'

'কোনোবা চাপ্লাইয়াৰৰ বিল হ'বলা ?'

'হয়। কাঠ-কয়লা চাপ্লাইৰ। মানুহবোৰে নুবুজে। বুইছে।'

'এৰা।' শলাগিলোঁ।

ভাবিলোঁ ঃ মোক তুমি কি ফাকি দিবা ? কাঠ-কয়লা, অফিচৰ কাৰ্পেট, চকী-মেজ আৰু ষ্টেশ্যনাৰী মালৰ বিল তৈয়াৰ কৰি দিবলৈ তোমাৰ এদিনো সময় নালাগে। লাইট চাৰ্জ্জ আৰু অফিচৰ ঘৰ ভাৰাৰ বিল তিনি বছৰলৈকেও পৰি থাকে। টেলিফোন চাৰ্জ্জৰ বিল দুবছৰলৈ পৰিশোধ নকৰাৰ বাবে ফোন লাইন কাটি দিব খোজা কথাটো জানো মই নাজানো। সহকাৰী কৰ্ম্মচাৰী বৰাৰ সৈতে নাজিৰ, ষ্টেশ্যনাৰী ইনচাৰ্জ্জ আৰু দাসৰ হেনো বৰ মিল। বস্তু যোগানকাৰীয়ে বিল অথবা বিলৰ টকা নিবলৈ আহিলে নিজৰ জেপৰ পৰা পইচা ভাঙি চাহ-তামোলো খুৱায়। হওঁক তেও, বেচেৰাহঁত জনতাৰ সেৱক। ৰাইজৰ সেৱক।

ফুটাই ক'লোঁ ঃ 'মই মাতিছিলোঁ মানে আপোনাক চেক্ৰেটাৰীয়ে মাতিছিল।'

'মোক ? কিয় ?'

দাসে মোৰ কথাষাৰ শুনি যেন সম্মুখত ভূত দেখা মানুহৰ দৰে উচাপ খাই উঠিছিল। মুখখন বিবৰ্ণ হৈ গৈছিল। কাৰণটো মই বুজিছিলোঁ।

'বুইছে মিশ্ৰ, মানুহবোৰক সন্তুষ্ট কৰা বৰ টান। সঁচাই-মিছাই আমাৰ বদনাম গোৱাত ওস্তাদ। সেই ভয়তে আমি নিজৰ জেপৰ পৰা পইচা ভাঙি চাহ-তামোল খুৱাওঁ।'

'মই কিবা নুবুজোঁ নে হেৰি দাস! অফিচৰ চকীদাৰ ওজায়ো গোচৰ দিয়ে চিম্‌নি জ্বলোৱা বিল তৈয়াৰ কৰি দিয়া বাবে পইচা বিচৰা বুলি। তেনেদৰে পইচা পোৱা হ'লে দেখোন আপুনি দালান বান্ধিলেহেঁতেন।' ক'লোঁ।

'আপুনিহে বুজিছে। বিষয়াসকলে বুজিলেহে।'

মনতে ভাবিলোঁ: বিষয়াসকলে ঠিকেই বুজে। বুজিও চকু মুদি থাকে। নহ'লে নিম্নতম চাকৰিয়াল এজন হৈ শ্বিলঙত মাটি কিনিলা। ঘৰ বান্ধিলা। তাৰোপৰি ঘৰৰ খৰচ আছেই। এতিয়া আকৌ গুৱাহাটীতো মাটি কিনিছা। অস্থায়ী হৈ থাকিয়েই ইমানখিনি কৰিছা।

দাসে ভাৱে: তেওঁ ঘৰ সজা কথাটো যেন মই নাজানোহে। দুটা কোঠালিত গৰু গোহালিৰ দৰে ল'ৰা-তিৰোতাৰে সৈতে এপালমান মানুহ থাকি, কেইটা কোঠা ভাৰালৈ দিছে মই তাকো জানো। ভাৰা দিয়াত এদিন পলম হ'লে কি ব্যৱহাৰ কৰে দাসৰ ঘৰত ভাৰা লৈ থকা মানুহৰ পৰাই শুনিছোঁ। অৰুণ শৰ্ম্মাই বোলে ঘৈণীয়েকৰ ডেলিভাৰীৰ কাৰণে এমাহত ভাৰা দিওঁতে চাৰি দিন নে পাঁচ দিন পলম হৈছিল। তাৰ কাৰণেই তেওঁ দহদিনীয়া কেঁচুৱা কোঁচত লৈ নতুন ভাৰা ঘৰলৈ আহিবলগীয়া হ'ল। তাকো আকৌ পোন্ধৰ দিনৰ ভাৰা বেচিকৈ দিহে হেনো দাসে ৰাখি থোৱা উষা চিলাই কলটো মোকোলাব লগীয়া হৈছিল।

'নুবুজিলে নাই। চাকৰিৰ পৰা খেদা সিমান সহজ নহয়। চাকৰি পোৱা টান। তাতকৈও আৰু টান চাকৰিৰ পৰা বিদায় দিয়া। ন্যায়ত থকা মানুহৰ বদনাম চিৰদিন আছেই। গান্ধীকো মানুহে অপবাদ দিবলৈ বাকী এৰা নাই। তেনেস্থলত আপুনি



মইনো কোন? পিচে চেক্ৰেটাৰীয়ে আপোনাক সেই কাৰণে মতা নাছিল। ৰাণাদিলৰ বোলে বহুদিনৰ বিল পৰি আছে? আপোনাক কমত নাপাই মোকে মাতি নি ক'লে। এইখন তাৰ টু'ৰ ডায়েৰী। বিলখন কৰি দিব।'

কমত নোপোৱা কথাষাৰ মিছাকৈ ক'লোঁ যদিও মই জানো তেওঁৰ কাৰণে কথাষাৰ মিছা নহয়।

'মইচোন কমতে আছিলোঁ। অ' বোধহয় বিল চহী কৰাবলৈ গৈছিলোঁ।'

'হ'ব পাৰে। বহক। চাহ খাব?'

'নবহোঁ হ'বলা। বহুত কাম আছে দেখোঁন।'

'বহক বহক। কামতো কৰিয়েই আছে সদায়। হ'ল বুলিনো এজন মানুহে আৰু কিমান কৰিব?'

'ওপৰৱালাই সেইবোৰ বুজিলেহে।'

বেলটো টিপি দিওঁ। কোনো নাহে। এবাৰ দুবাৰকৈ তিনিবাৰমান বেল টিপাৰ পিচত বিহাৰী চাপ্ৰাচী এজন আহি হনুমান ড'ন দিয়াৰ ভঙ্গীত থিয় হয়হি। চকুত তন্দ্ৰাৰ জড়তা।

'ক্যাহা গিয়া? বেল দেনেছে নেই শুন্‌তা?'

'ক্যা কৰেগা হুজুৰ। হম একেলা আদমী। কোই তৰফ দেখেগা?'

'জয়দেও ক্যাহা গিয়া?'

'ও আজ আয়া নেই হুজুৰ। চুটী লিয়া।'

'যাওঁ। চাহৱালীকো বোলাও। খানেকোভী কুছ লেনা। সমজা?'

'জী হ্যা।'

যাওঁ নেযাওঁ কৈ সি ওলাই যায়।

পোন্ধৰ বিশ মিনিটমান পিচত হয় কেইটামান আলপিন নহয় ফাইল-ব'ৰ্ড অথবা ট্যাগ দুডাল বা এডাল লৈ সি আকৌ সোমাই আহে।

মই ধমক দি সোধোঁ ঃ চাহ ক্যা হুৱা ?

'পিন লেনেকো দিয়া না হুজুৰ ?'

'বুদ্ধু, তুম্‌কো পিন লেনেকো কোন বোলা ? চাহৱালীকো বোলাও।'

ঠোঁট-মুখ চেলেকি সি ওলাই যায়।

আধা ঘণ্টামান পিচত কোনোবা এজনী চাহৱালী লৈ আকৌ সোমাই আহে।

'চাহৱালী আয়া হুজুৰ।'

ঘূৰি চাওঁ। মই যিজনীৰ পৰা চাহ খাওঁ সেইজনী নহয়। আন এজনী। আকৌ ধমক দি পঠিয়াই দিওঁ। বিউটি বোলা চাহৱালী-জনীক মাতিবলৈ কওঁ।

বিউটি বোলা ছোৱালীজনীৰ ৰূপ আছে। শৰীৰত ভৰ যৌৱন। কিন্তু চাহৰ ৰূপ নাই। গোন্ধ নাই। চেঁচা। তথাপি তাইৰে গ্ৰাহক বেচি। টেবুলত কাপ-প্লেটযোৰ থৈ কেট্‌লীটোৰ পৰা চাহ ঢালি দিওঁতে গাতে উঠিব খোজে। কোঠাটোত কোনো নাথাকিলে তাইৰ মূৰ অথবা পিঠিত পিহি দিলেও তাই একো নকয়। তীৰ্য্যক দৃষ্টিৰে এবাৰ চাই অশ্লীল মুখ ভঙ্গী কৰি ওলাই যায়।

মৰিবলৈকেও সময় নোহোৱা দাস এঘণ্টা ডেৰ-ঘণ্টামান বহি চাহ একাপ খাই ওলাই যায়। তিনিদিনমানৰ মূৰত ৰাণাদিলৰ বিল তৈয়াৰ হয়। তাৰ এসপ্তাহমানৰ পিচত বিল চহী হৈ এদিন ট্ৰেজাৰীলৈ যায়।

ৰাণাদিলক সোধোঁ ঃ 'ৰূপীয়া মিলা ?'

'নেই হুজুৰ। ক্যাহা মিলেগা ? ৱহ দফ্‌টৰী বহুত হাৰামী হ্যায়। চব 'চুটীয়াকা' জাত।'

ৰাণাৰ মুখত চুটীয়া শব্দটো শুনি পুলিচ অ'-চি জনলৈ মনত পৰে। মোৰ হাঁহি উঠিব খোজে। কোনোমতে জোৰকৈ চেপি ৰাখোঁ।



সাতদিনমান পিচত আপত্তি দৰ্শোৱা ৰাণাদিলৰ বিলখন ট্ৰেজাৰীৰ পৰা উভতি আহে। আকৌ যায়। আকৌ ফিৰি আহে। অৱশেষত এদিন তাৰ বিল পাছ হয়। কেতিয়াবা বিশ। কেতিয়াবা ত্ৰিশ। সেয়া তাৰ চাৰি-পাঁচ মাহৰ ভ্ৰমণ বিলত উঠা টকাৰ সংখ্যা। মনতো ভাবোঁ ঃ বিশ-ত্ৰিশ টকাৰ বিল। পলম নহ'বইবা কিয় ? ট্ৰেজাৰীৰ যি সকল কৰ্ম্মচাৰীয়ে লাখ লাখ টকাৰ বিল পাছ কৰে, ৰাণাদিলৰ বিশ-ত্ৰিশ টকাৰ বিল পাছ কৰিবলৈ তেওঁলোকৰ সময় ক'ত ? চৰকাৰী বিধিমতে হেনো আপত্তিৰ কোনো কাৰণ নাথাকিলে ট্ৰেজাৰীত জমা দিয়া যি কোনো বিল সাত দিনৰ ভিতৰত পাছ কৰি দিবই লাগিব। পাছ কৰিব নোৱাৰা আপত্তিজনক বিলও সাতদিনতকৈ বেচিদিন ৰাখিব নোৱাৰে। অৱশ্যে চৰকাৰৰ লিখিত এই বিধিটো মই দেখা নাই।

কিন্তু চেক্ৰেটাৰী, আণ্ডাৰ চেক্ৰেটাৰীসকলৰ ভ্ৰমণ বিল অথবা কন্‌টিন্‌জেন্সি বিলবোৰ পাছ হ'বলৈ ট্ৰেজাৰীত অকণো সময় নালাগে দেখোন।

তাৰ পিচত বিল কৰাৰ অনুৰোধ লৈ চাৰি-পাঁচ মাহলৈ ৰাণাদিল মোৰ ওচৰলৈ নাহে। যদিও সি প্ৰত্যেক মাহতেই অফিচাৰসকলক লৈ কেইবাবাৰো মফচললৈ যাবলগীয়া হয়। যায়। অৱশ্যে মাৰ্চ্চ মাহত বিল কৰাই দিবলৈ সি মোক কোনো দিনেই অনুৰোধ নকৰে। কাৰণ সি জানে ঃ তাৰ বাকী থকা সকলো বিল মাৰ্চ্চ মাহত সি নক'লেও পাছ হ'বই। কিন্তু দুবাৰ নে এবাৰ হেনো নোহোৱা-কৈও আছিল। তাৰ বিলখন কৰিবলৈ বিল এচিষ্টেণ্টৰ সময়ে নুজুৰিলেগৈ। অৱশেষত হেনো কিবা 'প্ৰি-অ'ডিট' আৰু বিত্তীয় মঞ্জুৰী ল'বলগীয়া হৈছিল। একে বিত্তীয় বছৰতে পাছ কৰিব-লগীয়া বিলও তেনেহ'লে কোনো কাৰণ নোহোৱাকৈ পিচৰ বছৰলৈকে পৰি থাকিব পাৰে। থাকে।

ভগৱানক ধন্যবাদ। মোৰ ভ্ৰমণ বিলৰ তেনে কোনো লেঠা নাই।

ময়ূৰৰ মুখলৈ চালোঁ। এজন যেন নিৰ্ভীক সৈনিক। উজ্জ্বল চকু দুটাত অনামী দৃঢ়তাৰ ছাপ। বেচেৰা। ভাগ্যই তাক প্ৰতাৰণা কৰিলে। আজিৰ পৃথিবীত মানুহ—মানুহৰ ভাগ্যৰ জন্মদাতা? বিধাতাৰ সংবিধানৰ এটা বিধিৰ মৃত্যু ঘটিল। বিধাতাই কাৰো ভাগ্য নিৰ্ণয় নকৰে। কৰে মানুহে।

যোগান বিভাগৰ হ'বলগীয়া এডিশ্যনেল ডিৰেক্টৰ ময়ূৰ দুৱৰা আজি শিক্ষা বিভাগৰ কেৰাণী। চৰকাৰী গাড়ী, চৰকাৰী ঘৰ আৰু দুই-তিনিজন চৰকাৰী আৰ্ডালী পিয়ন। যিজন ময়ূৰে প্ৰত্যেকজন কৰ্ম্মচাৰীৰ পৰা প্ৰতি মুহূৰ্ত্ততে পাব লাগিছিল নমস্কাৰ সেইজন ময়ূৰে আজি প্ৰতি মুহূৰ্ত্ততে দিব লগা হ'ল নমস্কাৰ। ভাগ্যদাতা আজি ভাগ্যপ্ৰাৰ্থী। ভাগ্যৰ কি অসহনীয় ফেৰ! ভাগ্য বিজয়ৰ জয় তিলক আঁকি দিবলৈ ৰৈ থকা তাৰ ভাগ্যলক্ষ্মী আইভীলতা বৰুৱাক সি বিয়া কৰাব নোৱাৰিলে।

আইভীলতাকে সি বিয়া কৰাইছিল। কিন্তু আইভীলতা বৰুৱাক নহয়। আইভীলতা কাকতিক। এজনী আইভীলতাৰ দেউতাকে মানুহ গঢ়ে; আৰু আনজনী আইভীৰ দেউতাকে মানুহৰ বজ্ৰ-তালুত দংশন কৰে। এজনে নিজৰ সৰ্ব্বস্ব দান দি দিয়াৰ তৃপ্তিত আপোন পাহৰা হয়; আৰু আনজনে স্বাৰ্থপৰতাৰ শীৰ্ষবিন্দুত থিয় হৈ ক্ষমতাৰ বাঃ বাঃ লয়। দুয়োজনেই একে মানুহ। ভগৱান যদি আছে তেন্তে সেই একেজন ভগৱানৰেই সৃষ্টি। ভগৱানৰ সৃজিত মানুহৰ ভাগ্য নিয়ন্ত্ৰণ কৰাৰ অধিকাৰ আজি ভগৱানৰ নাই। আছে মানুহৰ।

আইভীলতা বৰুৱাৰ দুৰ্ঘটনাটোৱে ময়ূৰক বেদনাতুৰ কৰি তুলিছিল। কৈছিল: বুইছ অসীম, ভগৱানৰ বিচাৰবোৰ সদায় নিৰপেক্ষ নহয়। উপযুক্ত নহয়। শীতল কাকতিৰ যক্ষ্মা হ'ল। কিন্তু হ'ব লাগিছিল কুমুদ ৰঞ্জন বৰুৱাৰ। আইভীৰ যে দুৰ্ঘটনাটো হ'ল তাতকৈ দেউতাক মটৰ দুৰ্ঘটনা হৈ নমৰিল কিয়? ভগৱানৰ ওচৰত আইভীয়ে কি দোষ কৰিছিল বাৰু?



'আইভীৰ প্ৰতি যদি তোৰ ইমানেই দুৰ্ব্বলতা আছিল তেন্তে বিয়া নকৰালি কেলেই?' সুধিছিলোঁ।

'তই ভুল বুজিছ। আইভীৰ প্ৰতি মোৰ অকণো দুৰ্ব্বলতা নাছিল। নাই। কিন্তু আইভীয়ে এনেকুৱা এটা অপবাদ পাবলগীয়া একো বেয়া কাম কৰা নাছিল। আইভীৰ চৰিত্ৰৰ কথা মই জানো। কণ্ঠত ৰুদ্ৰৰ তপস্যা ভুলোৱা ধ্বনি। খোজত হস্তীৰ লয়। দেহত উৰ্ব্বসী-মেনকাই লাজ পোৱা ৰূপ। অথচ সেইজনী আইভীৰ অকণো অহঙ্কাৰ নাই। চঞ্চলতা বা চপলতা নাই।'

'তাৰ মানে তই ক'ব খোজ কাগজলৈ পঠোৱা মোৰ খবৰটো ভুল?'

'আইভীৰ বিষয়ে মানুহে কোৱা কথাবোৰ যে সঁচা নহয় তই কেনেকৈ ক'বি?'

মোৰো সন্দেহ হৈছিল। বাতৰিটোত তেনেহ'লে সত্যতা নাই নে কি? তাই জোৱাইলৈ গান গাবলৈ যোৱাটোৱে সঁচা? যদি সেইটোৱে সঁচা তেন্তে তাই অচেতন হৈ পৰিছিল কেলেই? তাই পিন্ধা মেখেলাখনত......। ছিঃ বৰ লাজ লগা কথা।

মনৰ মাজত সন্দেহ এটাই বাহ লৈছিল। মোক অশান্ত কৰি তুলিছিল। কৌতূহলী কৰি তুলিছিল। মানুহ কেতিয়াবা আনৰ কাৰণেও অশান্ত হৈ পৰে। কৌতূহলী হৈ পৰে।

আইভীক পৰীক্ষা কৰা ডাক্তৰ মজুমদাৰক সুধিছিলোঁ: কথাটো আচলতে কিহে যোগেন? ৰিপ'ৰ্টটো মিছা নে কি?

'মিছা নহয় ককাইদেউ। সঁচা। মিছা ৰিপ'ৰ্ট দিবলৈ মোৰ কিটো আছে? মিছা ৰিপ'ৰ্ট এটা দি চাকৰিৰ মূৰটো খালেহে হ'ব। মন্ত্ৰী, উপমন্ত্ৰী জড়িত থকা কেচবোৰত মিছা ৰিপ'ৰ্ট দিয়াৰ কথা উঠে। অকল মোৰে ৰিপ'ৰ্ট নহয়—নহয়। মেডিকেল কলেজত পৰীক্ষা কৰাৰ ৰিপ'ৰ্টতো সেই একে কথাই লিখিছে।'

'নহয়; মানে মন্ত্ৰীয়েই অৰ্থাৎ আইভীৰ দেউতাকেই যদি তেনেদৰে ৰিপ'ৰ্ট দিবলৈ...।' কথাষাৰ মই শেষ কৰি ক'ব নোৱাৰিলোঁ। নীচ কথা এষাৰ ভাবি ময়ো যেন নীচ হৈ গৈছিলোঁ।

'আপোনাৰে শপত ককাইদেউ। বৰুৱাই ৰিপ'ৰ্ট দিয়া সম্পৰ্কে একো কোৱা নাই।'

'ছোৱালীজনী তেনেহ'লে নিৰ্দ্দোষী?'

'নিৰ্দ্দোষী হয় নে নহয় নাজানো। কিন্তু অক্ষত।'

যোগেনৰ কথাষাৰে মোক আৰু বেচি অশান্ত কৰি তুলিছিল। অনুমান হৈছিলঃ মিছা বাতৰি প্ৰকাশ কৰি ছোৱালী এজনীৰ ভৱিষ্যত নষ্ট কৰাৰ পাপত মই যেন ডুবি পৰিছোঁ। দুৰ্ব্বল মনত সিদ্ধান্ত লৈছিলোঁঃ আইভীলতাৰ ওচৰলৈ গৈ মই ক্ষমা খুজিম। কাগজত শুধৰণি বাতৰি এটা দিম।

কিন্তু আইভীলতাৰ ওচৰলৈ যোৱা মোৰ নহ'ল। যাব নোৱাৰিলোঁ। কিবা এটা দুৰ্ব্বলতা আৰু শঙ্কাই মোক হেঁচা মাৰি ধৰিছিল। আইভীয়ে যদি মোক ক্ষমা নকৰে? অপমান কৰে?

এৰা, আইভীক মই ক্ষমা খুজিম কিয়? মোৰ বাতৰিটো যদি মিছাই, তেন্তে কোনোৱেও তাৰ প্ৰতিবাদ নকৰিলে কিয়? আইভী, আইভীৰ দেউতাক অথবা আইভীৰ আত্মীয়-স্বজনে?

তেন্তে কাগজত প্ৰকাশ হোৱা আইভীৰ বাতৰিটো মিছা নহয়। সঁচা। আইভী ধৰ্ষিতা।

কেইদিমানলৈ মই বৰ অস্বস্তি অনুভৱ কৰিছিলোঁ। 'কিবা এটা যেন দোষ কৰিছোঁ। অন্যায় কৰিছোঁ।' এনে এটা ভাৱে মোৰ মনৰ শান্তি কাঢ়ি নিছিল। ৰাতি টোপনিতে সপোন দেখি চক্ খাই উঠিছিলোঁ। আইভী মোৰ ওচৰলৈ আহি কৈছিলঃ আপোনাৰ কি অন্যায় কৰিছিলোঁ? কি শত্ৰুতা শালিছিলোঁ?



মোৰ যে আপুনি সৰ্ব্বনাশ কৰিলে? কিয়? জানে, দেউতাই ইচ্ছা কৰিলে আপোনাক কি কৰিব পাৰে?

সাৰ পাই ভাবিছিলোঁঃ বৰুৱাই যদি কিবা অজুহাত লৈ মোৰ চাকৰিটো খায়? মই তেতিয়া কি কৰিম?

তাৰ পিচত এদিন মোৰ চাকৰি গ'ল। মোৰ চাকৰি নাই। চৰকাৰী গোপনীয় তথ্যপাতি প্ৰকাশ কৰাৰ অপৰাধত মোক চাকৰিৰ পৰা অব্যাহতি দিছে। মই আকৌ হিমাচললৈ বাতৰি পঠাবলৈ আৰম্ভ কৰিছোঁ। বহুত বাতৰি। বহুত খবৰ। মোৰ সৰহবোৰ খবৰেই আইভী আৰু আইভীৰ দেউতাকক কেন্দ্ৰ কৰি লিখা। অসমৰ চুকে-কোণে বাৰুকৈয়ে প্ৰচাৰ হৈ পৰিছে আইভীলতা চৰিত্ৰহীনা।

আইভীৰ দেউতাক স্বাৰ্থপৰ। দুৰ্নীতি পৰায়ণ। বৰুৱাৰ দুৰ্নীতি পৰায়ণতাই গৈ দিল্লীৰ বতাহতো খলকনি তুলিছে।

নিৰ্ব্বাচন আৰম্ভ হ'বলৈ আৰু বেচি দিন নাই। গাৱেঁ-ভূঁইয়ে নিৰ্ব্বাচনৰ বক্তৃতা। হেজাৰ হেজাৰ ৰাইজৰ আগত প্ৰতিনিধিবোৰ নিজ নিজ প্ৰাৰ্থীৰ গুণ-গৰিমা বখানি কথাৰ ফুলজাৰি উৰুৱাইছে। কংগ্ৰেছৰ টিকেট লৈ বৰুৱাইও প্ৰতিদ্বন্দ্বিতা কৰিছে।

মই চক্ খাই উঠিলোঁ। এই মানুহজনে নিৰ্ব্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ কংগ্ৰেছ টিকেট পালে কেনেকৈ? তেওঁৰ দুৰ্নীতি পৰায়ণতাৰ কথা কোনে নাজানে? কংগ্ৰেছৰ ওপৰ মহলতো এদিন তেওঁৰ বিৰুদ্ধে আলোচনা হৈছিল। বহুতে বহু ৰকমে সমালোচনা কৰিছিল।

পৰিধানত খদ্দৰৰ ধুতি। গাত খদ্দৰৰ পঞ্জাবী। মূৰত গান্ধী টুপী। বৰুৱা বহাৰ পৰা উঠিল। হস্তীৰ পদক্ষেপেৰে গৈ সভামঞ্চত থিয় দিলে। তাৰ পিচত কেইটামান কাহ মাৰি গুৰু গম্ভীৰ মাতেৰে আৰম্ভ কৰিলেঃ স্বাধীনতা লাভৰ পিচত কংগ্ৰেছ চৰকাৰে কি কৰিছে? কি কি কৰিব? ইত্যাদি। শুদ্ধকৈ

অসমীয়া ক'ব নোৱাৰা বক্তাৰ বক্তৃতাত ব্যাকৰণৰ যতি চিনৰ ব্যৱহাৰ আছে। কিন্তু অপ-ব্যৱহাৰ। প্ৰথম পুৰুষত আৰম্ভ কৰি তৃতীয় পুৰুষৰ অসমাপিকা ক্ৰিয়াৰে শেষ কৰা বাক্যবোৰৰ অৰ্থ বিচাৰি মই ৰিপ'ৰ্ট লোৱাৰ যত্ন কৰিছোঁ। এনেতে জনতাৰ মাজৰ পৰা কোনোবা এজনে চিঞৰি উঠিল ঃ চেম চেম। এইবাৰ ভালুকক আমি কুঁহিয়াৰণিৰ ৰখীয়া নাপাতোঁ। আমাৰ কোনোৰেও আপোনাক ভোট নিদিয়ে। আপুনি গুচি যাওঁক। উভতি যাওঁক। ভোজ-ভাত খুৱাই ভোট কিনাৰ দিন কাহানিবাই উকলিল।

মই ডিঙি মেলি চাবৰ যত্ন কৰিলোঁ ঃ কোন সেইজন নিৰ্ভীক পুৰুষ। ময়ুৰ নে কি? ইয়ালৈ কেনেকৈ আহিল? কিন্তু মোৰ দৃষ্টিয়ে সেই নিৰ্ভীক পুৰুষজনক জনতাৰ মাজৰ পৰা বিচাৰি উলিওৱাৰ আগতে সভাস্থলীত আৰম্ভ হ'ল এটা প্ৰকাণ্ড হুলস্থুল। জনতা উন্মত্ত হৈ পৰিছে। কেইজনমান উত্তেজিত ডেকা বক্তৃতা মঞ্চৰ পিনে আগুৱাই গৈ মঞ্চত থিয় হৈ থকা বক্তাক হাতত ধৰি চোঁচোৰাই টানি আনিলে। তাৰ পিচত ইটা, পাথৰ যেয়ে য'তে যি পাইছে দলিয়াবলৈ আৰম্ভ কৰিছে। বক্তৃতা মঞ্চ ইটাৰে দ'ম খাই পৰিছে। সকলোৰে মুখত এটা মাথোন শব্দ ঃ, মাৰ! মাৰ! চোৰ ক'ৰবাৰ। বেটাক মাৰি গুৰি কৰি দে।

হঠাৎ কোনোবা এজনৰ হাতৰ পৰা শিলগুটি এটা উফৰি আহি মোৰ কপালত লাগিল। মোৰ কপাল ফাটি বৈ আহিল ৰঙা তেজ। ৰিপ'ৰ্ট লোৱা কাগজ কেইখিলা তেজেৰে ৰাঙলী হৈ পৰিছে।

খকমককৈ সাৰ পালোঁ। কপালখন পিহি চালোঁ। এইবোৰ তেজ নে কি? বেড্ চুইচটো টিপি দিলোঁ। ধেৎ নহয়। গাঁৰুৰ পৰা মূৰটো পিছলি গৈ চিগাৰেটৰ টিনটোতহে লাগিছে। লাইটটো নুমাই দি আকৌ শুই পৰিলোঁ।

পিচ দিনা ৰাতিপুৱা। অফিচত সোমায়েই মোৰ বুকুখন কঁপি উঠিল। মোৰ টেবুলত এখন চিঠি টাইপ কৰা। কঁপা হাতখনেৰে



তুলি ল'লোঁ। চকুৰে ধোঁৱা-কোঁৱা দেখিলোঁ। মই যেন আখৰবোৰ ভালদৰে মনিব পৰা নাই। চকুৰে মই জলক-তবক দেখিছোঁ।

বৰ কষ্টেৰে পঢ়ি গ'লোঁ। ইংৰাজীত লিখা আছে ঃ তোমাৰ চাকৰিৰ আৰু প্ৰয়োজন নাই।

মোৰ মূৰটো ঘূৰাই দিছিল। চকীখনত অৱশ হৈ বহি পৰিলোঁ। লৰালৰিকৈ চিঠিখন জাপি জেপত ভৰাই ল'লোঁ। লাজত মই যেন মৰি যাম। কাৰোবাৰ ওপৰত মোৰ ভীষণ খং উঠিল। 'ইচু এচিষ্টেণ্ট' নে পিয়নজনৰ ওপৰত ক'ব নোৱাৰোঁ। মই কঁপিছিলোঁ। সেই সময়ত ফোন অহা হ'লে মই উত্তৰ দিবও নোৱাৰিলোঁহেঁতেন কি জানি। ৰিচিভাৰটো হাতত তুলি লোৱাৰ শক্তিও যেন মোৰ নাছিল।

তেনেদৰে কিমান সময় পাৰ হৈ গৈছিল ক'ব নোৱাৰোঁ। আকাশ-পাতাল ভাবি মই অৱশ হৈ পৰিছিলোঁ। কি কৰিম? যোৱাৰ আগতে চেক্ৰেটাৰীক এবাৰ মাত লগাই যাম নে কি! কম ঃ কাইলৈৰ পৰা মই আৰু নাহোঁ। মোৰ চাকৰি নাই।

কিন্তু চেক্ৰেটাৰীৰ সম্মুখত মই মুখ দেখুৱাওঁ কেনেকৈ?

এনেতে ফোনটো বাজি উঠিল। নধৰিলোঁ। চাকৰিয়েই যেতিয়া নাই ফোন ধৰি আৰু কি হ'ব? কেইবাৰমান শব্দ কৰি ফোনটো নিমাত হৈ পৰিল। তাৰ পিচতো ফোন বাজিছিল। এবাৰ দুবাৰ। বহুবাৰ। ইচ্ছা কৰিয়েই নধৰিলোঁ। ইচ্ছা হৈছিল ফোনটো যেন দলি মাৰি দিম। ভাঙি পেলাম। কেই মিনিটমান নিস্তব্ধ। তাৰ পিচত আকৌ সেই শব্দ। ফোনত কোনোবাই মোক বিচাৰিছে। খঙত ৰিচিভাৰটো দাঙি আনি টেবুলত ওভোতাই থ'লোঁ।

কেৰেক্ কৈ দুৱাৰখন মেলি কোনোবা এজন সোমাই আহিছিল। মূৰ তুলি চালোঁ। ৰামস্বৰূপ। চেক্ৰেটাৰীৰ আৰ্ডালী।

'আপকো চাহাব চালাম দিয়া।'

'বলো, নেই হ্যায়। যাওঁ।'

সি মোৰ মুখলৈ চাইছিল। তাৰ চকুত ভাঁহি উঠিছিল এটা বিস্ময়-দৃষ্টি। সেই দৃষ্টিটোৱে যেন মোক প্ৰশ্ন কৰিছিল: বৰ চাহাবৰ আদেশ অমান্য কৰিবলৈ আজি তুমি ইমান সাহস ক'ত পালা? তাৰ পিচত সি লাহে লাহে ওলাই গৈছিল।

মনতে ভাবিছিলোঁ: তহঁতৰ বৰ চাহাব। মোৰ কি? ৰাম-স্বৰূপো চৰকাৰী চাকৰিয়াল। কিন্তু মই?

জেপৰ পৰা অৰ্ডাৰটো উলিয়াই আকৌ এবাৰ পঢ়াৰ যত্ন কৰিছিলোঁ। দুয়ো হাতেৰে মূৰটো হেঁচা মাৰি ধৰি টেবুলত মেলি লোৱা টাইপ কৰা কাগজখনৰ ওপৰেৰে দৃষ্টি বুলাই নিলোঁ।

'ইমান তন্ময় হৈ নো কি পঢ়িছ হে মিশ্ৰ?'

কথাষাৰ কাণত পৰাৰ লগে লগে কাৰোবাৰ হাত এখন আঙুৰাই আহি মোৰ সন্মুখৰ কাগজখন টা[illegible]ছিল। মই বাধা দিয়াৰ যত্ন কৰিছিলোঁ। কিন্তু নোৱাৰিলোঁ [illegible] তুলি চালোঁ। ডেপুটি চেক্ৰেটাৰীৰ ষ্টেন' টাইপিষ্ট চৰিত্ৰ চলিহা।

'আপোনাৰ 'আৰ্ণ লিভৰ' অৰ্ডাৰ আজিহে পালে নে কি? আজি দুমাহ পিচত? যিহে তন্ময় হৈ পঢ়িছিল: মই আকৌ কাৰোবাৰ পৰা প্ৰেমপত্ৰ অহা বুলিহে ভাবিছিলোঁ।'

'অসভ্য ক'ৰবাৰ। ইতিকিং কৰিবলৈ আৰু ঠাই নাপালি? মোৰ ডিচ্‌চাৰ্জ্জ অৰ্ডাৰটো দেখি ভেঙুচালি কৰিবলৈ আহিছ? তোৰ চাকৰি যোৱাৰ পিচত মই এনেদৰে ভেঙুচালি কৰিলে কেনে পালিহেঁতেন?' ক'ব খুজিছিলোঁ। কিন্তু নক'লোঁ। ইমান দিন একেলগে আছোঁ। কাম কৰিছোঁ। আজি যোৱাৰ আগতেনো মিছাতে কেলেই বেয়া হওঁ?

কাগজখন মোলৈ আঙুৰাই দি চলিহা ওলাই গ'ল। অৰ্ডাৰটো হাতত লৈ জেপত সোমাই থ'ব খুজিও নথ'লোঁ। কিবা এটা ভাবি আকৌ মেলি ল'লোঁ।



মই যেন নিজৰ চকুদুটাকে বিশ্বাস কৰিব নোৱাৰিলোঁ। কিবা এটা অবিশ্বাস্য দৃষ্টিৰে কাগজখনলৈ একেৰাহে চাই ৰ'লোঁ। বুকুৰ মাজত এটা অস্থিৰ কঁপনি। তেন্তে চলিহাই মিছা কোৱা নাই? এয়া মোৰ উপাৰ্জ্জিত ছুটীৰ মঞ্জুৰী আদেশ? চাকৰিৰ পৰা বিদায় দিয়াৰ নহয়? এবাৰ দুবাৰকৈ সেই একেটা পংক্তিকে কেইবাবাৰো পঢ়িলোঁ।

ধেৎ, মই ইমান কণা হৈছিলোঁ নে? মই বলিয়া হ'লোঁ নে কি? মোৰ মূৰৰ বিকৃতি ঘটা নাইতো?

ফোনৰ ৰিচিভাৰটো হুক্ দুডালৰ ওপৰত তুলি থ'লোঁ। লগে লগে শব্দ কৰি ফোনটো বাজি উঠিল।

'ইয়েচ। পি, এ, টু এডুকেশ্যন চেক্ৰেটাৰী হিয়াৰ।'

তাৰ পিচত লৰালৰিকৈ ৰিচিভাৰটো থৈ ওলাই গ'লোঁ।

মোক দেখিয়েই চেক্ৰেটাৰীয়ে কৈ উঠিল: আপোনাক কেইবা-বাৰো বিচাৰিছিলোঁ। গা অসুখ নে কি? মুখখন ইমান শুকান কিয়? ইউ চিমচ্ টু বি ৰিডুইচড্। হোৱাই?'

লাজত মই মৰি যোৱা যেন পালোঁ। সেমেনা-সেমেনিকৈ ক'লোঁ: গাটো ভাল লগা নাই। মোক কেলেই মাতিছিল চাৰ?

'আজি থাওক আৰু। আপুনি ঘৰলৈ যাওঁক গৈ। কাইলৈ কৰিলেও হ'ব।' বুলি চেক্ৰেটাৰীয়ে সন্মুখৰ কাগজৰ দ'মটোত দৃষ্টি নিবেশ কৰিলে।

মই আহোঁ-নাহোঁকৈ ওলাই আহিলোঁ।

যদু বৰকটকী। চাকৰি-বাকৰি নকৰে। জায়াওৰ ঘৰ এটাত থাকে। মোৰ বন্ধু এজনে চিনাকি কৰি দিছিল। বন্ধুজনে হাঁহি হাঁহি কৈছিল: এখেত যদু বৰকটকী। যাদু জানে। পখিলাৰ যম।

মই নমস্কাৰ দিছিলোঁ। প্ৰতি নমস্কাৰ জনাইছিল বৰ-কটকীয়ে। 'পখিলাৰ যম' মানে কি নুবুজিলোঁ। সৰু ল'ৰা-

ছোৱালীৰ দৰে পখিলা দেখিলেই পখিলাৰ পিচে পিচে লৰি ফুৰে নে কি? কিন্তু নুসুধিলোঁ। সুধিলে জানোচা বন্ধুজনে আৰু বৰকটকীয়ে মোক বুৰ্ব্বক বুলি ভাবে? বহুত নজনা কথাও আমি জনাৰ অভিনয় কৰোঁ? জনা হৈ দেখুৱাওঁ। নজনাখিনি জনাৰ সৎসাহস দেখুৱাই সমাজত আমি নিজক বুৰ্ব্বক বুলি প্ৰমাণ কৰিব নোখোজোঁ।

কথাযাৰ এদিন বুজিছিলোঁগৈ। বৰকটকী খাচিয়া-জয়ন্তীয়া পাহাৰৰ বনে-জঙ্গলে ঘূৰি পখিলা সংগ্ৰহ কৰে। তাৰ পিচত সেইবোৰ আমেৰিকাৰ কোনোবা এখন ফাৰ্ম্ম নে বিশ্ববিদ্যালয়ৰ গৱেষণাগাৰলৈ পঠিয়ায়। তাত সেইবোৰ পখিলাৰ ওপৰত গৱেষণা চলে। কটকীয়ে তাৰবাবে যথেষ্ট টকা পায়।

পৃথিৱীত মানুহৰ ব্যৱসায়ৰ অন্ত নাই। মানুহৰ জীৱন ধাৰণৰ বাটবোৰ বিচিত্ৰ! কোনে কি উপায়ে জীৱন ধাৰণ কৰে এই বিষয়ে কোনোবাই কেতিয়াবা ক'ৰবাত লিখিছে নে বাৰু? কোনোবাই লিখা গল্প এটাত পঢ়িছিলোঁ: কচিয়াত সুন্দৰী গাভৰু বাৰবনিতাৰ দেহৰ দামো হেনো এবাৰ নাইকিয়া হৈ গৈছিল। দেহ বিক্ৰী কৰিও এখন শুকান কটী আৰু এগিলাচ পানীয়ৰ অভাৱত উপবাসে দিন কটাবলগীয়া হৈছিল। দুই এজনী সুন্দৰী সুচতুৰ গাভৰু বনিতাই অভিনৱ উপায় অৱলম্বন কৰিবলগীয়া হৈছিল মানুহৰ দৃষ্টি আকৰ্ষণৰ বাবে। জীয়াই থকাৰ জোখাৰে—এখন কটীৰ সংস্থানৰ বাবে। এজন ডেকা এদিন সন্ধিয়া কবৰশালিলৈ গৈছিল। এজনী মাতৃ পৰ্য্যায়ৰ মহিলাৰ কবৰত ফুল এথূপি দিয়াৰ পিচত প্ৰাৰ্থনা কৰিছিল। এনেতে অলপ দূৰৰ কবৰ এটাত কপাল থেকেচি কান্দি আছিল এজনী সুন্দৰী গাভৰুৱে। গাত ক'লা সাজ। বেদনাত, সহানুভূতিত ডেকাজন আগুৱাই গৈছিল। গাভৰুজনীক সান্ত্বনা দিছিল। তাৰেই অনুৰোধত কান্দি কান্দি ভাঙি পৰা গাভৰুজনীক ঘৰত থৈ অহাৰ বাবে ডেকাজন গৈ সেই



গাভৰুজনীৰ ঘৰত উপস্থিত হৈছিল। তাৰ পিচতহে সেই ডেকাজনে বুজিব পাৰিছিল: গাভৰুজনীয়ে সমাধিত কোৱাৰ দৰে সদ্য বিবাহিত বিধৱা গাভৰু নহয়। এজনী দেহ বিক্ৰীকাৰিণীহে।

তেনেকৈও মানুহে জীৱিকা উপাৰ্জ্জন কৰে! জীয়াই থাকে!

এদিন বৰকটকীৰ ঘৰলৈ গৈছিলোঁ। কটকীয়ে দেখুৱাইছিল: এটা কোঠাত বিচিত্ৰ ৰঙৰ পখিলা। সৰু-ডাঙৰ। বহু আকাৰৰ। বহু জাতীয়। পেপাৰ প্ৰেচাৰ দি শ্বো-কেচত আঁৰি থৈছে। সজাই থৈছে। এফুটতকৈও ডাঙৰ পখিলাৰ পাখি থকা বুলি ক'লে জানো কোনোবাই বিশ্বাস কৰিব? ময়ো জানো কৰিলোঁহেঁতেন? কিন্তু বৰকটকীৰ শ্বো-কেচত মই তেনেকুৱা পখিলা বহু কেইটাও দেখিছিলোঁ। বিভিন্ন জাতৰ। বিভিন্ন ৰঙৰ।

ভাৰতৰ পখিলা সম্পৰ্কে ভাৰতৰ কোনোবাই গৱেষণা কৰিছে নে নাই নাজানো। কিন্তু অসমৰ পখিলা সম্পৰ্কে কটকীয়ে বহুত কথাই জানে। বহুত কথাই ক'ব পাৰে। ফুলৰ মৌ খাই জীয়াই থকা নিৰ্জ্জু বুলি ভবা আটাইবোৰ পখিলাই নিৰ্জ্জু নহয়। প্ৰজাপতি বা পখিলাক বিয়াৰ মাঙ্গলিক চিহ্ন হিচাপে কোনে কেতিয়া আৰু কিয় ব্যৱহাৰ কৰিবলৈ লৈছিল ক'ব নোৱাৰোঁ। বৰকটকীয়ে আমেৰিকাৰ গৱেষণাগাৰলৈ পখিলাৰ ছবি যে আমাৰ যুগ্ম জীৱনৰ পাতনি মেলাৰ বাবে আয়োজন কৰা মাঙ্গলিক কাৰ্য্যৰ চিহ্ন এই কথাযাৰ লিখি জনাইছে নে নাই নাজানো।

এদিন এটা সপোন দেখিছিলোঁ। এটা জুৰি। দূৰত পাহাৰ। জুৰিটোৰ পাৰত থিয় হৈ আছে বৰকটকী। হাতত এটা বাইনোকিউলাৰ। অলপ দূৰত এজনী গাভৰু। গাত শুভ্ৰ সাজ। অপৰূপ গাভৰুজনী বিধৱা। চকু-মুখত কিবা এটা হেকুওৱাৰ বেদনা। মই আগুৱাই গৈছিলোঁ।

এইখন যেন মোৰ চিনাকি মুখ। গাভৰুজনীক মই চিনি পাওঁ। ক'ৰবাত দেখিছোঁ। গাভৰুজনী আৰু মোৰ মাজত তেতিয়া

মাত্ৰ কেইফুটমানৰ ব্যৱধান। মই যেন ভূত দেখিছে উচাপ খাই উঠিছিলোঁ। আইভীলতা। ইমান দিনে যি অপমানৰ ভয়ত আইভীলতাৰ ওচৰলৈ যোৱাৰ সাহস মোৰ হোৱা নাছিল সেইজনী আইভীলতা আজি মোৰ সম্মুখত। মই নিশ্চিত অপমান এটাৰ বাবে সাজু হৈ ৰ'লোঁ। এহাল বঙা প্ৰতিশোধ-পৰায়ণ চকুৱে যেন মোলৈ চাই আছে। কিবা এটা আশাত যদু বৰকটকীলৈ চালোঁ। কিন্তু কোনো নাই। জুৰিটোও যেন জুৰি নহয়। এখন ফুলনি। সেই চকুহাল যেন চকু নহয়। দুটা জ্বলন্ত বিজুলী-বাল্ব। ভয়ত মোৰ চকু দুটা মুদ খাই গ'ল।

এটা ধুনীয়া পখিলাক অনুসৰণ কৰি যদু বৰকটকী তেতিয়া বহুত দূৰলৈ আঁতৰি গৈছে।

কাৰোবাৰ হাতৰ কোমল স্পৰ্শত চকু দুটা আকৌ মেল খাই গ'ল। সেই স্পৰ্শত যেন মই অনুভৱ কৰিছিলোঁ কাৰোবাৰ হেজাৰ মৰম। হিঃ হিঃ। আপোনাৰ ইমান ভয় নে পাই? জানে, আপোনাক মই কিমান ভাল পাওঁ? আপোনাক মই কিমান দিন দেখিছোঁ। কিমান দিন আশা কৰিছোঁঃ আপুনি আমাৰ ঘৰলৈ যাব। মোৰ লগত কথা ক'ব। মোক মৰম কৰিব। মোক জানো আপোনাৰ অকণো মৰম নালাগে? আপুনি ইমান নিষ্ঠুৰ নে?

কিবা এটা নাম নোহোৱা পুলকত মোৰ গাটো ৰোমাঞ্চিত হৈ পৰিল। আইভীক মই সাৱটি ধৰিলোঁ। এইজনী আইভী বিধৱা নহয়। এইজনী আইভী সালঙ্কৃতা। ধুনীয়া। কোমল চকুৰ চাৱনি। সেই চাৱনিত যেন ফুটি উঠিছিল হেজাৰ কামনাৰ বিহ্বলতা। জোৰেৰে সাৱটি ধৰা আইভীজনী তেতিয়া মোৰ বুকুৰ মাজত লেতু-সেতু হৈ পৰিছে। মই তাইৰ ওঁঠত আঁকি দিছোঁ হেজাৰ চুমাৰ অঙ্কন। ওঁঠত, চকুত, বাহুত।

তাৰ পিচত সাৰ পাইছিলোঁ। মনটো কিবা ৰিঙা ৰিঙা লাগিছিল।



দিনবোৰ বাগৰে। এদিন দুদিনকৈ বহুদিন। বহু মাহ। মই আৰু সপোন দেখা নাই। আইভীও মোৰ ওচৰলৈ অহা নাই। আজিকালি আইভীৰ কথা সিমান নাভাবোঁ। আগেয়ে অনুভৱ কৰা সেই অস্বস্তি আজিকালি মোৰ নাই। কেতিয়াবা আইভীলৈ মনত পৰে। কিন্তু পিচ মুহূৰ্ত্ততে পাহৰি যাওঁ। এটা সহজ সোঁতত দিনবোৰ বাগৰি যায়।

চাকৰি জীৱনৰ তিনিটা বসন্ত মোৰ পাৰ হৈ গৈছিল। ইতিমধ্যে মই অফিচৰ বহু কথাই জনা হৈছোঁ। শিকিছোঁ। অফিচাৰ-সকলৰ দুৰ্ব্বলতা ক'ত গম পোৱা হৈছোঁ। এটা মদৰ বটল আৰু এশ টকীয়া এখন নোট। কাৰ শক্তি বেচি বাৰু?

অফিচবোৰত সাধাৰণতে চাৰি দল কৰ্ম্মচাৰী থাকে। এয়া মোৰ তিনি বছৰীয়া চাকৰি জীৱনৰ অভিজ্ঞতা। এদলে সদায় অফিচৰ বাহিৰত থাকিব খোজে। ভ্ৰমণ বিলৰ টকাৰ সংখ্যাৰ হিচাপ কৰে। সেইদল ওপৰ মহলৰ কৰ্ম্মচাৰী। বিষয়া। এইদল বিষয়াই চৰকাৰী কামত ভ্ৰমণ কৰাৰ অজুহাত লৈ আত্মীয়-স্বজনৰ বিয়া-সবাহ, অন্নপ্ৰাশন আদিত 'চচিয়েল ভিজিট' দিয়ে। নানা ৰকম ঘৰুৱা জঞ্জালৰ আউল মাৰে। এই সকল প্ৰধানতঃ অসমৰ বাহিৰৰ পৰা অহা বিষয়া। এওঁলোকে ঘৰলৈ উভতি যোৱাৰ সময়ত জীৱনৰ সকলো উপাৰ্জ্জন লৈ যাব খোজে। দৈনন্দিন খৰচৰ বাবে ভ্ৰমণ বিলৰ টকাৰ ওপৰত নিৰ্ভৰ কৰে। ভ্ৰমণ বাট্টা আয়ৰ বিকল্প পথ নহয়। এয়া চৰকাৰী বিধিত সোণৰ কাপেৰে লিখি থোৱা উপবিধি। 'আদাৰ নাচোন গা। কেঁতুৰিয়ে বোলে মোকেই খা॥' এইদল অনা-অসমীয়া চাকৰিয়ালক দেখি অসমৰ ওপৰৱালা কৰ্ম্মচাৰীসকলেও সৰ্ব্ব-ভাৰতীয় হোৱাৰ যত্ন কৰে। মাহটোৰ বিশ দিন অফিচৰ বাহিৰত থাকে। এজন উপায়ুক্তৰ কথা মনত পৰিছে। সেই সময়ত জিলাৰ আটাইবোৰ চুকে-কোণে খাদ্য-দ্ৰব্যৰ নাটনি। চাউলৰ অভাৱত শতকৰা পঁয়সত্তৰ ভাগ মানুহে উপবাসে দিন

কটাইছে। জিলাৰ উপায়ুক্তই যোগান বিভাগৰ চুপাৰিণ্টেণ্ডেণ্টৰ মাতি নি ক'লে ঃ খাদ্য পৰিস্থিতি আমি যি কোনো উপায়েই হওঁক সমাধান কৰিবই লাগিব। এই সময়ত আপুনি যিমান পাৰে জিলাৰ আটাইবোৰ যোগান কেন্দ্ৰ পৰিদৰ্শন কৰক। অ' এটা কথা নহয়। মোৰ অৱশ্যে অসুবিধা হ'ব। হওঁক। ৰাইজতকৈতো মোৰ সুবিধাটো ডাঙৰ নহয়। আপুনি মোৰ ষ্টাফ্ কাৰখন নি ব্যৱহাৰ কৰিব পাৰে। দুমাহৰ কাৰণে গাড়ীখন আপোনাৰ তত্ত্বাৱধানত থাকিল। তেতিয়া হ'লে আপোনাৰ যোগান কেন্দ্ৰবোৰ পৰিদৰ্শনৰ সুবিধা হ'ব।

সেই চুপাৰিণ্টেণ্ডেণ্টজনে এবাৰ খিলঙলৈ আহোঁতে বঢ়াই কৰি কৈছিল ঃ জিলাৰ উপায়ুক্তই তেওঁক কিমান মৰম কৰে। কিমান ভাল পায়। নিজৰ অসুবিধা কৰিও নিজৰ গাড়ীখন তেওঁক দিয়ে।

মনতে ভাবিলোঁ ঃ বুৰ্ব্বক বেচেৰা। তাৰ পিচত এদিন জি, এ, ডি, লৈ গৈ সেই দুমাহৰ উপায়ুক্তই পঠোৱা এষ্টাব্লিষ্ট্মেণ্টৰ খৰচৰ হিচাপ পৰীক্ষা কৰিছিলোঁ। আন কেইমাহৰ ভ্ৰমণ বিলৰ লগত সেই দুমাহৰ ভ্ৰমণ বিল পৰীক্ষা কৰি চাইছিলোঁ উপায়ুক্ত আৰু চুপাৰিণ্টেণ্ডেণ্টজনৰ। উপায়ুক্তৰ ভ্ৰমণ বিলৰ টকাৰ সংখ্যা আনবোৰ মাহতকৈ পোন্ধৰ গুণে বেচি। আৰু বেচেৰা যোগান বিষয়াজন!

দ্বিতীয় দল নিম্ন খাপৰ বিষয়া। এই দলৰ লগত হেড্-এচিষ্টেণ্ট অথবা চুপাৰিণ্টেণ্ডেণ্টসকলৰ লগত মিতিৰালি। এই দলে চেক্ৰেটাৰী, ডেপুটি-চেক্ৰেটাৰীসকলৰ ভ্ৰমণ-বিলৰ টকাৰ সংখ্যালৈ লুকাই-চুৰকৈ লোলুপ দৃষ্টিৰে চায়। কোৱাৰি চেলেকে আৰু ভাৱে ঃ যোৱা মাহত ষ্টেশ্যনাৰী আৰু চাৰ্কল চাপ্লায়াৰৰ পৰা লোৱা ঋণৰ পৰিমাণতকৈ চেক্ৰেটাৰীৰ ভ্ৰমণ-বিলৰ টকাৰ অঙ্ক কিমান বেচি? মোৰ ঘৰত পাৰি দিয়া কাৰ্পেটখনৰ দাম কিমান বাৰু? পোণাকণৰ মাকক দিয়া পাটৰ মেখেলা-চাদৰযোৰৰ দাম কিমান হ'ব?



এই দল বিষয়াই কাৰো পৰা ওপৰঞ্চি নলয়। ধাৰলৈ লয়। চাপ্লায়াৰ, কণ্ট্ৰাক্টৰ, জিলা অফিচৰ পৰা বদলি অথবা বদলিৰ আদেশ ৰদ কৰিবলৈ অহা কৰ্ম্মচাৰীসকলে এওঁলোকক টকা ধাৰলৈ দিয়ে। নন্-ৰিফাণ্ডএবল ল'ন। চতুৰ্থ আৰু তৃতীয় শ্ৰেণীৰ নিম্নতম চাকৰিয়ালৰ পদত কৰ্ম্ম নিযুক্তি দিয়ে। চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰীসকলে এই দল চাকৰিয়ালৰ ঘৰত নিযুক্তিৰ পিচত সাজ-বাচন ধোৱে। বজাৰ কৰে। ভাত ৰান্ধে। পানী আনি কৰি-তলীত দিয়ে আৰু বাবুৱানীসকলৰ গালি খায়। এক তাৰিখে বা দুই তাৰিখে গধূলি বাবুৰ ঘৰলৈ এটোপোলা মিঠাই অথবা এক কিলো, ডেৰ কিলো ওজনৰ ৰৌমাছ এচকল আনে।

ভাতৰ তিতা খাব পাৰি। মাতৰ তিতা সহিব নোৱাৰি। মাতৰ তিতা সহিব নোৱাৰা চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰীসকলৰ ওপৰত শনিৰ কোপ-দৃষ্টি আৰম্ভ হয়। কৈফিয়ৎ তলব, বাঢ়নী দৰমহা বন্ধ; চাকৰিৰ পৰা অস্থায়ী কৰ্ম্ম বিচ্যুতি আৰু অৱশেষত এদিন চাকৰিৰ পৰা অব্যাহতি। যিসকলৰ অদৃষ্ট ভাল সেইসকলে ডাঙৰ কৰ্ম্মচাৰী-সকলৰ মেছত ভাত ৰান্ধে। বজাৰ কৰে। 'হাত চাফাইৰ' মেজিক শিকে। বান্দৰ মাৰ্কাৰ পৰা পদোন্নতি হয়। নাম্বাৰ টেন খায়। নেচনেল গ'ল্ড ফ্লেক হোপে। হাৱাইন চেণ্ডেল পিন্ধে। মেছৰ বাবু-বোৰ পূজা অথবা বিহুৰ বন্ধত ঘৰলৈ গ'লে 'বাবুসকলে' এৰি যোৱা টাইৰে 'ইণ্ডিয়ান নট' মাৰে। কোটৰ বুকুৰ জেপত সস্তীয়া ৰুমালৰ ৰঙা আগটো উলিয়াই 'নো টায়েম' ইংৰাজী কয়। 'ভেৰি আৰ্জেণ্ট' কাম এটাৰ বাবে সন্ধিয়া পুলিচ বজাৰলৈ এবাৰ ওলাই যায়। ইহঁত মেছৰ গভৰ্ণৰ; গৃহিণী আৰু পাঁচনি। এবাল মুকলিকৈ এৰি দিয়া মাঘ-মহীয়া পথাৰৰ চেঁউৰীৰ বিপৰীত লিঙ্গ। থিয়েটাৰ পাতি চিনা-জনা বাবুৱানীহঁতৰ ঘৰে ঘৰে তিৰোতাৰ সাজ-পোছাক বিচাৰি ফুৰে। অভিনয়ৰ পিচ দিনা মুখৰ ৰংবোৰ আধা মচাকৈ বাস্তাত জুম বান্ধি টহল দিয়ে। বন্ধু-বান্ধৱৰ লগত আধা-চিঙ্গোল চাহ খাই চাহ

দোকানত আড্ডা মাৰে। ইহঁতৰ ভাগ্যত বৃহস্পতিৰ শুভ-দৃষ্টি কণ্ঠত সস্তীয়া হিন্দী কথা-ছবিৰ গানৰ কলি। 'দিল দেকে দেখো 'দিল তেৰা' 'দিল তেৰা দিৱানা' গানৰ সুৰ।

নতুনকৈ নিযুক্তি পোৱা তৃতীয় শ্ৰেণীৰ চাকৰিয়ালসকলৰ ঘৰ পৰা মাক-দেউতাক অথবা ককায়েকহঁতে চুপাৰিণ্টেণ্ডেণ্টসকলৈ 'ঘৰতে হোৱা বৰা চাউল, তিল' বজাৰৰ পৰা কিনি আনি গামোচ অথবা খনীয়া কাপোৰ পঠিয়ায়। বিহুৰ বতৰ। ল'ৰা-ছোৱালী হা খাব। বাছাহঁতে [ কাৰোবাৰ কাৰোবাৰ মতে 'মইনাহঁতে' ] বিহু দিনাখননো কাৰ মুখলৈ চাব ?

'এইবোৰনো মিছাতে কেলেই ? এইবোৰে সিহঁতক নসহে সদায় চানাৰ মিঠাইৰ ওপৰতে থাকে। ইয়াতে জন্ম হৈ ইয়াতে ডাঙৰ হোৱা ল'ৰা-ছোৱালী নহয়। সিহঁতে ধান গছকে চিনি নাপায়। এৰী কাপোৰখন হ'লে ভাল বইছে দেই।' এয়া জকাইচুক শনিবামৰ জীয়াৰী আৰু পাবত গজা বৰ বাবুৱানীৰ কথা।

অকল কিবা সেয়ে নে ? শাহু-আই, মাহীটি, মোমাইদেউহঁতৰ পৰা চিঠি আহে ঃ বোপা, বিহুলৈ এইপিনে পাক এটা মাৰিবা ল'ৰা-ছোৱালীহালক বহু দিন দেখা নাই। বাছাহঁতলৈ চেৰেং-চেৰে কৈ মনত পৰে। 'ঈছৰে' সিহঁতক ভালে-কুশলে ৰাখক। মইনা [ মইনা মানে বৰবাবুৰ খুলশালীয়েক, অথবা ভাগিনীয়েক ] তোমা কথা প্ৰতিখন চিঠিতে লিখে। তোমাৰ উপকাৰৰ কথা আ কেতিয়াও নাপাহৰোঁ।

মইনাই চাকৰি পোৱাৰ চিঠি গৈ ঘৰ পোৱাৰ লগে লগে মাহী শাহু-আইহঁতৰ চেনেহ অফিচৰ বৰ বোপালৈ দুগুণে বাঢ়ে। চেনেহ ঢল বয়। ৰাতা-ৰাতিৰ ভিতৰতে চেনেহ-প্ৰীতিৰ মন্দাকিনী ধা নামি আহে।

কিন্তু বৰবাবুৰ সময় ক'ত ? ছুটী নাই। অফিচত বহুত কাম অফিচাৰৰ প্ৰত্যেকটো কথাতে 'হয় চাৰ' 'হ'ব চাৰ' 'কৰিম চা



'বুজিছোঁ। চাৰ'ৰ ওপৰিও 'আই হেভ দি অনাৰ' লিখি এচিষ্টেণ্টে পুট-আপ কৰা ড্ৰাফ্‌ট্‌ কাটি 'আই বেগ টু ষ্টেট' লিখি ফাইল পাছ কৰোঁতেই তৰণি নাই। তাৰ উপৰিও চহী কৰিব নজনা শ্ৰীমতীৰ নামত থকা জীৱন বীমাৰ এজেন্টৰ লাইচেন্সখনতো আছেই। গতিকে পোষ্ট অফিচৰ কাৰ্ড এটাই ইকুল-সিকুল ৰক্ষা কৰে। আৰু বাবুৱানী-সকলৰ মতে ঃ তেখেত এদিন অফিচলৈ নগ'লেই চাহাবে গাড়ী পঠিয়াই দি হ'লেও নিয়াব। তেখেত নহ'লে অফিচ এদিনো নচলে। তেখেতৰ তলতহে আটাইবোৰ কেৰাণী। ( তেওঁবা ক'ৰ বৰ চাহাব-টো ? ) কিন্তু বাবুৱানীসকলে নুবুজে যে তেওঁলোকৰ বাবুসকল তিনিটা লিঙ্গৰ সমাহাৰঃ পুংলিঙ্গ, স্ত্ৰী-লিঙ্গ আৰু ক্লীৱ-লিঙ্গৰ সমাহাৰ। ৰাতিপুৱা অফিচলৈ যোৱাৰ আগলৈকে পুংলিঙ্গ ; অফিচত স্ত্ৰী-লিঙ্গ আৰু অফিচ ছুটীৰ পিচৰ পৰা নিশা আঠটামান বজালৈকে ক্লীৱ-লিঙ্গ।

ত্ৰি-লিঙ্গৰ সমাহাৰ বাবুসকলে লিখে ঃ

পূজনীয়া আই,

বিহুত মই যে ছুটী পাম আশা নাই। অফিচত বহুত কাম। বিহুলৈ নোৱাৰিলেও পূজালৈকে পাক এটা মৰাৰ যত্ন কৰিম। আশাকৰোঁ বেয়া নাপাব।

মইনাৰ চাকৰিৰ কথানো কি কম ? মই বুলিহে কোনোমতে চাকৰিত সুমুৱাই দিছোঁ। তৃতীয় বিভাগত পাছ কৰা কোনো প্ৰাৰ্থীকে চাকৰিত ভৰ্ত্তি নকৰে। আপোনালোকৰ আশীৰ্ব্বাদত 'চাহাবে' মোৰ কথা পেলাব নোৱাৰে বুলিয়েই মইনাৰ চাকৰিটো হ'ল। মই তাক ৰাতিৰ কলেজত নাম লিখাৰ কথা কৈছোঁ......

তাৰ পিচত ঘৰৰ কথা এবকলামান লিখি কাৰ্ডটো পূৰাই টেবুলত সংযোগ কৰি ৰখা ইলেট্ৰিক বুটামটো টিপি দি বৰ বাবুই চাপ্ৰাচীলৈ অপেক্ষা কৰে। কোনোবা এজন সোমাই আছে। বেল দিয়াৰ পিচতো যেন বহুত পলম হৈ গ'ল ; তেওঁৰ বহুত

কাম ; তেনে এটা ভাব দেখুৱাই ধমকনিৰ সুৰত কৈ উঠিব ঃ ক'লৈ গৈছিলি ? বেল দিলে তহঁতে নুশুন নে কি ? দেখোঁ, এই চিঠিটু পোষ্টাপিচ্‌মে ফেক্‌ ডো' বুলি কাৰ্ডটো চাপ্ৰাচীজনলৈ আগুৱাই দিব। চাপ্ৰাচীজন অসমীয়া, বঙালী অথবা গোৰ্খালী নতুবা বিহাৰী যিয়েই নহওঁক ববৰাবুৱে অসমীয়া আৰু হিন্দীত ক'বই।

এয়েই বৰবাবুৰ হিন্দী কোৱাৰ নমুনা। কেতিয়াবা কেতিয়াবা আন এচিষ্টেণ্টবোৰে বৰবাবুই নুশুনাকৈ কেৰিকাছাৰ আৰম্ভ কৰে ঃ বেল দিলে নাই শুন্‌তা হ্যায় নে কি ? দেখোঁ, এই চিঠিটু··· ফেক্‌ ডো।

আন এজনে সুধিব ঃ অমুকক কি কয় ?

সিজনে উৎসাহ পাই কৈ যায় ঃ একবাৰ আয়েগা একবাৰ যায়েগা। একেলগে নাই কৰ্‌তা হ্যায় কিয় ? যাওঁ, দুপইচাৰ তামোল লে আওঁ। বেগেতে যাওঁ।

এনেতে কেৰেক্‌কৈ দুৱাৰখন মেলি সোমাই আহে বৰবাবু। ৰগৰৰ মৌকোঁহত যেন কোনোবাই চেঁচা পানীহে ঢালি দিয়ে। লৰালৰিকৈ ওচৰত থকা ফাইল এটা মেলি লৈ পাতবোৰ লুটিয়াবলৈ ধৰে।

'সেই ৰেফাৰেঞ্চটো···ৰ'ব।' ৰগৰ মত্ত এচিষ্টেণ্ট দলে বৰবাবুই শুনাকৈ কৈ কামত যেন বৰ ব্যস্ত, তাৰে অভিনয় কৰে। কিবা এটা ফাইল বিচাৰি লৈ অথবা কাৰোবাক কিবা এযাৰ কৈ বৰবাবু ওলাই যায়। 'চাহাবৰ' ওচৰত স্ত্ৰী-ভূমিকা ৰূপায়িত কৰা বৰবাবু এইদল কৰ্ম্মচাৰীৰ ওচৰত সিংহ-পুৰুষ। এই সিংহ-পুৰুষজন কোঠাৰ পৰা ওলাই যোৱাৰ লগে লগে আকৌ আৰম্ভণি হয় হাঁহিৰ খলকনি। 'একবাৰ আয়েগা, একবাৰ যায়েগা' ইত্যাদি।

তাৰ পিচৰ চাম হ'ল বহুদিন আগতে আৰু অলপতে প্ৰমোচন পোৱা আপাৰ ডিভিজন এচিষ্টেণ্ট। এওঁলোক অফিচৰ ব্যস্ত কৰ্ম্মচাৰী। এওঁলোকৰ এদলে কাম কৰে নতুনকৈ পোৱা



প্ৰমোচনটো স্থায়ী কৰিবলৈ ; আন দলে কাম কৰে বয়সৰ কাৰণে কামৰ পৰা অৱসৰ ল'বলগীয়া 'বৰবাবু'ৰ পদটোৰ আশা আৰু অফিচৰ আটাইবোৰ আৱশ্যকীয় ও জৰুৰী কামৰ হেঁচাত। এইদল কৰ্ম্মচাৰীৰ মূৰৰ ওপৰেদিয়ে অফিচৰ আটাইবোৰ কাম বাগৰি যায়। ডিৰেক্টৰ অথবা চেক্ৰেটাৰীয়ে চহী কৰি দিয়া আদেশবোৰৰ পাণ্ডুলিপি এওঁলোকে লিখি দিয়ে। খাচিয়ানীৰ চিটাং চাহ খাই, বিৰি হুপি, ফাইলত মূৰ গুজি কাম কৰা এইসকল চাকৰিয়ালৰ দেহবোৰ থাকে অফিচত। মনবোৰ থাকে ঘৰত। মনৰ মাজত ৰুগ্ন পৰিবাৰ, অসুখীয়া ল'ৰা-ছোৱালীৰ ঔষধ আৰু পথ্যৰ চিন্তা ; কাৰোবাৰ অন্নপ্ৰাশন অথবা বিয়াত দিবলগীয়া উপহাৰৰ টকা যুটাৰ চিন্তা। ৰাতিলৈ চাউল আৰু চেনিৰ সমস্যা সমাধানৰ প্ৰচেষ্টা। ফাইলৰ 'নোট শ্বিট'ত কলম বুলাই ভাবে ঃ কাৰ ওচৰত টকা পাঁচটা পোৱা যায় ? অমুকৰ জেপত টকা পাঁচটা আছে নে বাৰু ? কোটটোৰ কিলাকুটিটো বৰ বেয়াকৈ ছিঙিল। ছোৱালী-জনীৰ কলেজত তিনি মাহৰ ফিজ বাকী। পে'-কমিছনৰ প্ৰতিবেদনটো জানো কেতিয়াকৈ ওলায় ? 'ওভাৰ টাইম'ৰ টকা বাৰটাৰ বিলখন আজিও নাহিল। কাইলৈ আহিব নে বাৰু ?

দুই-তিনি বছৰ আগতে প্ৰমোচন পোৱা আপাৰ ডিভিজন আৰু পুৰণি হোৱা ল'ৱাৰ ডিভিজন এচিষ্টেণ্টবোৰ তাৰ পিচৰ শ্ৰেণীৰ কৰ্ম্মচাৰী। এই দল কৰ্ম্মচাৰীৰ কাম আছে। 'আউট পুট' নাই। এই দল কৰ্ম্মচাৰী অসম চৰকাৰৰ ৰত্ন। এওঁলোক প্ৰত্যেকেই একো একোজন সাহিত্যিক, লেখক, সমালোচক, বক্তা, বৈজ্ঞানিক, ৰাজনীতি-বিদ, নেতা, সমাজ-সেৱক, খেলুৱৈ, বোলছবি জগতৰ সুদক্ষ অভিনেতা, পৰিচালক, কাৰিকৰী শিক্ষাবিদ ( টেক্‌নিচিয়ান্‌ ), সঙ্গীতজ্ঞ আৰু বহুতো কিবা-কিবি। এওঁলোকে সমালোচনা নকৰা বিষয় নাই। নজনা একো কথা নাই। এওঁলোকে 'এইখন খবৰৰ কাৰণে মাত্ৰ, ফাইল কৰি থব পাৰি' অথবা 'অমুক নম্বৰ

চিঠিত বিচৰা খবৰটো সোনকালে পঠিয়াই দিয়ক' বুলি পাণ্ডুলিপি লিখি দিনটোত তিনিটামান ফাইল বৰবাবুৰ টেবুলত পেলাই থৈ একাউণ্টেণ্ট জেনেৰেলৰ অফিচলৈ ৰিকন্চিলেশ্যন কৰিবলৈ যায়। আন অফিচৰ পৰা ৰেফাৰেঞ্চ গোটাই আনৰ অজুহাত লৈ দিনৰ দিনটো অফিচৰ বাহিৰত থাকে। বিধান সভা বহা কেইদিনত 'এচেম্ব্লি কুয়েছ্শ্যন্ঃ আৰ্জেণ্ট' নিচান লগোৱা ফাইল এটা কাবলতিৰ তলত লৈ ইটো কোঠাৰ পৰা সিটো কোঠালৈ যায়। ইখন চকীৰ পৰা গৈ সিখন চকীত বহে। তামোল খায়; চিগাৰেট-বিৰি হুপে। কথা চোবায়। প্ৰশ্নকাৰী বিধান-সভাৰ সদস্যজনৰ পূৰ্ব্ব-পুৰুষৰ পৰা আৰম্ভ কৰি আজিলৈকে সমালোচনা চলে। 'এম-এল-এ হৈছে? বিত্তীয় বছৰৰ জ্ঞান নাই। তাৰ বাপেকে অমুক কৰিছিল; তমুক কৰিছিল। ইত্যাদি।' তাৰ পিচত সাত দিনমানৰ মূৰত কিবা এসোপামান লিখি বৰবাবুৰ হতুৱাই ফাইল পাছ কৰাই অফিচাৰৰ ওচৰলৈ যায়। বছৰেকৰ শেষত 'অনাৰেৰিয়াম' লয়। কেৰেক্টাৰ ৰোলত 'বিশ্বাসযোগ্য, নিৰ্ভৰশীল, কৰ্ম্মদক্ষ আৰু চতুৰ' আদি কিছুমান বিশেষণ লিখাই লয়। বৰবাবুই কেৰেক্টাৰ ৰোলত লিখিবলগীয়া কথাখিনিৰ নকল এটা কৰি দিয়ে। বিদায়গামী বিষয়াজনে সেই কাগজখনকে চাই নিজৰ আখৰ আৰু চহীত সেই মন্তব্যবোৰ লিখি কেৰেক্টাৰ ৰোলবোৰ ওভোতাই পঠিয়ায়। অৱশেষত এদিন সেই বিশেষণবোৰেই কঢ়িয়াই আনে এইদল কৰ্ম্মচাৰীলৈ প্ৰমোচনৰ টোপোলা।

নতুনকৈ নিযুক্তি পাই 'ডায়েৰী' আৰু 'ইচুত' কাম কৰা কৰ্ম্মচাৰীদলে দিনৰ দিনটো ব্যস্ত হৈ কলম পিহে। ৰেজিষ্টাৰৰ পাত ভৰাই লিখে। ডায়েৰী কৰোঁতে এঘণ্টা বা আধা ঘণ্টা পলম হোৱা দৰকাৰী আৰু জৰুৰী চিঠিবোৰ এচিষ্টেণ্টৰ 'লগ বুক'ত দহ-পোন্ধৰ দিনমান পৰি থাকে। তাৰ পিচত সোমায়গৈ 'পেণ্ডিং ফাইলৰ' সৰ্ব্বনাশা পেটত। অৱশেষত দুমাহ বা তিনি মাহৰ পিচত এদিন



সেইবোৰ হেৰায়। অথবা আংটিৰ পৰা জুই আনি চিগাৰেট জ্বলায়। বিৰি জ্বলায়। 'ইচু বাবুৱে' পাঁচ বজাৰ পিচত খামৰ ওপৰত ক্ষিপ্ৰ হাতেৰে ঠিকনা লিখে। শেষলৈ বৈ থকা চাপ্ৰাচী অথবা ডফ্‌টৰীজনে ডি-চি নগাৱঁৰ চিঠিৰ খামত 'যোৰহাটৰ যোগান পৰিদৰ্শক'ৰ চিঠি ভৰাই এঠা লগায়। টিকেট মাৰে। পোন্ধৰ নয়াৰ ঠাইত পঞ্চাশ নয়াৰ; আৰু পঞ্চাশ নয়াৰ ঠাইত পাঁচ নয়াৰ। তাৰ পিচত চিঠিবোৰ পোষ্ট-অফিচৰ বাকচত ঢালি দিয়ে। তেতিয়া সাজ লাগি ভাগে। টেলিগ্ৰামৰ 'নট টু বি টেলিগ্ৰাফ্ড' শব্দ কেইটা দেখি মূল টেলিগ্ৰামখন ৰাখি প'ষ্ট কপিটো পঠিয়াই দিয়ে। সেমেকা বতৰত সেমেকি ব্লটিং কাগজৰ বহীটোত কামোৰ খাই থকা টিকেটবোৰ একৰাব খোজোঁতে আধা ছিঙে। মাহৰ শেষত তথাপি 'ষ্টেম্প একাউণ্ট' মিলে। সন্ধিয়া ছয় বজাত ইচু এচিষ্টেণ্টজনে দীঘলকৈ উশাহ লৈ বজাৰলৈ ঢাপলি মেলে। ৰাজপথৰ শিলগুটিত উজুটি খাই জোতা ফাটি মুখ মেলে। গোৰোহা ছিঙি ক'ৰবাতে ৰয়। ইফালে কলিকতালৈ পঠোৱা চিঠি দিল্লীলৈ যায়। দিল্লীৰ চিঠি ডেৰাডুনলৈ অথবা কোহিমালৈ। চিঠিৰ লগতে গাঁথি দিবলগীয়া এসোপামান ষ্টেটমেণ্টবোৰ ইচু-বাকচতে পৰি থাকে। অফিচাৰৰ চহী নোহোৱা ফৰ'ৱাৰ্ডিং লেটাৰখন অৱশেষত এদিন ঘূৰি আহে। 'মিছ্-চেণ্ট' চিঠিবোৰ অৱশেষত চেক্ৰেটাৰী, ডিৰেক্টৰসকলে কৰা ভ্ৰমণৰ দৰে ঘূৰি-পকি দুমাহমানৰ মূৰত পোষ্ট-অফিচৰ পৰা গাত এসোপামান খহু লৈ আকৌ উভতি আহে। সাত দিনৰ ভিতৰতে জিলা অফিচৰ পৰা খবৰ বিচাৰি পঠোৱা চিঠি তিনি মাহৰ পিচত উভতি আহি ইচু-বাবুৰ চিটৰ তলত গাদী হৈ সোমাই ৰয়। তাৰ পিচত আৰু ওলাই নাযায়। সোঁৱৰাই দিয়া চিঠি পাই পাওঁতাজনে লিখে: মূল চিঠিখন আমাৰ কাৰ্য্যালয়ত পোৱাৰ প্ৰমাণ নাই। অনুগ্ৰহ কৰি অতি সোনকালে মূল চিঠিৰ নকল এটা পঠিয়াই দিয়ক। অফিচ এনেকৈয়ে চলে।

এয়া মোৰ তিনি বছৰীয়া চাকৰি জীৱনৰ অভিজ্ঞতা। চৰকাৰী অফিচবোৰৰ আহিঁবোৰে বৰঘুণৰ বতৰত কৰ্ম্মচাৰীসকলৰ জোতা বুকুত সাৱটি কৰ্ম্মচাৰীসকলৰ কাষলতিৰ তলত উম লয়। কাগজৰ ডাঙৰ ডাঙৰ খামবোৰে গধূলি বজাৰৰ শাক-পাচলিৰে উদৰ পূৰায়। বগা কাগজ দুই-এদিস্তা অফিচৰ ষ্টি্ক ইক'নমিৰ অত্যাচাৰত ব'ব নোৱাৰি ৰঙা-নীলা পেন্সিল এডালমানৰ সৈতে গৈ 'ল'ৰাটোৰ বাহিৰা বহী' হয়। ব্ৰিজৰ আড্ডাত এল-এচ, জি-এচৰ হিচাপ কৰে। খিড়িকীৰ পৰ্দ্দাবোৰে দুই-তিনি দিনমান অফিচাৰৰ ঘৰলৈ ফাইল কঢ়িয়াই আমনি পাই বিহাৰী চাপ্ৰাচীৰ আটা কঢ়িয়ায়। ঘৰত থকা 'বাচ্ছাকো লিয়ে থোৰা দুধ্‌কো ৱাস্তে পালা' সিদ্ধি গাই কেই-জনীৰ ভূচিৰ টোপোলা বয়। অফিচৰ গুদামৰ পৰা কাঠ-কয়লা বয়। কাৰোবাৰ ঠেঁটুৱা লগা হাতত উম যোগায়। অফিচ আৰু চৰকাৰী বুক ডিপোত বিচাৰি নোপোৱা মহাৰ্ঘ আহিঁবোৰে মোট সলাই বৰ' বজাৰৰ চুকে-কোণে টিঘিল-ঘিলায়। সেইবোৰ অকল চৰকাৰী অফিচত ব্যৱহাৰ হোৱা আহিঁয়েই নহয়। কাৰোবাৰ [·জিলা অফিচত কাম কৰা বিষয়াসকলৰ ] পে-শ্লিপ, আৱশ্যকীয় আৰু জৰুৰী চিঠিবোৰো সাঙুৰি লৈ যায়। এইবোৰ একতাৰ জীয়া মূৰ্ত্তি। একতাৰ তুলনা নাই। মঞ্জুৰী আৰু অনুদান বিচাৰি জিলা-অফিচবোৰে লিখা চিঠিবোৰে পেটত চাহ, চেনি, মচুৰ দাইলৰ বোজা বৈ হাঁহে। সিফালে মঞ্জুৰী, অনুদান আৰু পে-শ্লিপৰ অভাৱত জিলা অফিচবোৰত পাবলগীয়া টকা বিত্তীয় বছৰৰ শেষ দিনালৈকে নাপাই কোনোবাই কান্দে। কোনোবা ছাত্ৰই পৰীক্ষা দিব নোৱাৰে। পৰীক্ষাৰ খবৰ বন্ধ হৈ থাকে। কাৰোবাৰ বিয়াৰ দিন ত্ৰিশ মাৰ্চ্চৰ পৰা তেৰ জুনলৈ পিচুৱায়। মন্ত্ৰী, উপমন্ত্ৰী অথবা স্থানীয় বিধানসভাৰ সদস্যসকলৰ ওচৰত গোচৰ জনায়। মন্ত্ৰা, উপমন্ত্ৰী আৰু বিধান সভাৰ সদস্যসকল গায়ত্ৰী মন্ত্ৰ। গোত্ৰত কাশ্যপ। এওঁলোক মকৰধ্বজ। অনুপান ভেদে সকলো বেমাৰতে ব্যৱহাৰ্য্য।





ডিঙিৰ কেন্সাৰৰ পৰা আৰম্ভ কৰি পানীলগা জ্বৰলৈকে। নিৰ্ব্বাচনৰ ফলাফল ঘোষণা কৰাৰ ৰাতিয়েই সৰস্বতীয়ে আহি এওঁলোকৰ কণ্ঠত স্থায়ী ভাৱে বাহ লয়। তেওঁলোক সাহিত্য সভাৰ সভাপতি হয়। বোলছবিৰ মহুৰত উৎসৱ উদ্বোধন কৰে। লাইব্ৰেৰী মুকলি কৰে। প্ৰদৰ্শনীৰ ফিতা কাটে। বিজ্ঞান গৱেষণা-সস্থাৰ বছৰেকীয়া আলোচনা সভালৈ বিশেষ বক্তা হিচাপে আমন্ত্ৰণ পায়। কোনো দিনেও অসমৰ বাহিৰলৈ নোযোৱা এইসকল লোকে হলিউড'ৰ মঞ্চৰ বৰ্ণনা দিয়ে। অভিনয় বৈচিত্ৰ্যৰ তুলনামূলক সমালোচনা কৰে। দেশ-বিদেশৰ বিশ্ববিদ্যালয়বোৰৰ শিক্ষা পদ্ধতিৰ ব্যাখ্যা মেলে। লাইন বাছ, টিনপাতৰ পাৰ্ম্মিট দিবলৈ অঙহী-বঙহীৰ দৰখাস্তৰ ওপৰত পঢ়িব নোৱাৰা আখৰেৰে অনুমোদন পত্ৰ লিখি কৰ্ত্তৃপক্ষলৈ পঠিয়ায়। অগ্নিকাণ্ড, বানপানীত ক্ষতিগ্ৰস্ত (?) লোক-সকলক গছৰ পাৰ্ম্মিট আৰু বিত্তীয় সাহায্য দিয়াৰ বাবে গাত তত নাইকিয়া হয়। 'কেৰেক্টাৰ চাৰ্টিফিকেট' বিচাৰি যোৱা ডেকা ল'ৰা-হঁতক সৰহকৈ টাইপ কৰি ৰখা ফৰ্ম্মৰ দ'মটোৰ পৰা কাগজ এখিলা আনি নামটো লিখি চহী কৰি দিয়ে। এইদল বেতনভোগী দেশ-প্ৰেমিকৰ জহতে দেশখন জয় জয় ময় ময় হয়। এওঁলোকৰ খাবলৈ আৰু শুবলৈও সময় নাই। ইমানবোৰ কাম। তাৰ মাজতে বিধান-সভা বহাৰ আগে আগে বিধান-সভা অফিচত কাম কৰা কোনোবা ভাইটিহঁতলৈ চৈধ্য অনীয়া চিট্‌ ৰিজাৰ্ভৰ কাৰণে লিখিব লাগে। বৰ্দ্ধিত আৰু নিৰূপিত ভ্ৰমণ বাট্টাৰ প্ৰতিবাদ কৰি দৈনিক কাগজৰ 'চিঠি-পত্ৰৰ স্তম্ভত' .চকু-চৰহাসকলে লিখা চিঠিৰ প্ৰত্যুত্তৰ লিখিব লাগে। শ্বিলঙলৈ আহিও এই কৰ্ম্মবীৰসকলৰ তৰণি নাই। গুণমুগ্ধ লোক এদল এওঁলোকে লগতে লৈ আহে। অফিচে অফিচে ঘূৰি গুণমুগ্ধ লোকসকলৰ নামত পাৰ্ম্মিট উলিয়ায়। স্কুলৰ মঞ্জুৰীৰ চেক্ লয়। অফিচত কাম কৰা ভাইটি-মইনাহঁতৰ পৰা প্ৰশ্ন সংগ্ৰহ কৰে। অলপ আজৰি পাই বিধান-সভা ঘৰত

টোপনিয়ায়। অধ্যক্ষৰ কলিঙৰ শব্দত উচাপ খাই উঠে। পুলিচ বজাৰৰ ‘প্ৰাইচ চিষ্টেম’ হোটেল কেইখনৰ নাম এওঁলোকৰ কণ্ঠস্থ। আঁৰ নলগাকৈ ছ-অনীয়া চেলুনবোৰৰ নামবোৰ ক’ব পাৰে। এওঁলোক ব্যস্ত যুগৰ ব্যস্ত দেশ-প্ৰেমিক। চালুকীয়া দেশখনৰ সমৃদ্ধিৰ চিন্তাত ৰাতি টোপনি নাহে। তেনেস্থলত চৰকাৰী অফিচত বিত্তীয় বছৰ জানুৱাৰীৰ পৰা আৰম্ভ হয় নে এপ্ৰিলৰ পৰা আৰম্ভ হয় তাৰ খবৰ ল’বলৈ এওঁলোকৰ অৱসৰ ক’ত? এওঁলোক ভাগ্যৱান। দেৱৰাজ ইন্দ্ৰৰ ৰাজসভাৰ একো একোজন বৃহস্পতি। এওঁলোকৰ মৰণ নাই। এইদল দেশ-প্ৰেমিকক সহায় কৰিবলৈ বিধান-সভা অফিচত কাম কৰা কেৰাণীৰ দল মৰা নাই।

এওঁলোকে বাজেট সমালোচনা কৰে। কৰ্ত্তন প্ৰস্তাৱ আগ বঢ়ায়। সাত আৰু পাঁচৰ যোগফল চৈধ্য লিখি বিধান-সভাত উত্থাপন কৰা বাজেটখনৰ এটকা কমাই বাজেট পাছ কৰে। ‘চাৰ্জ্জড্’ আৰু ‘ভোটেডৰ’ পাৰ্থক্য বিচাৰি এওঁলোকে মূৰ নঘমায়। বিৰোধী দলৰ সদস্যসকল আছে। নেতাসকল আছে। তেওঁলোক থাকোঁতে বাকীবোৰে এই সৰু-সুৰা বিষয়বোৰৰ বিষয়ে ভাবিব কিয়? তাতকৈ সহধৰ্ম্মিণীৰ নামত থকা টি-গাৰ্ডেনখনৰ বনাচৰ সংখ্যা লেখিব।

উন্নয়ন বিভাগবোৰৰ শিতানত কিমান লাখ টকা নিৰ্দ্ধাৰণ কৰা হৈছে? পৰিকল্পনা আয়োগে মঞ্জুৰ কৰা অনুদানৰ পৰিমাণ কিমান? ৰাজ্যিক চৰকাৰৰ অংশ কিমান? ৰাজহেৰে নুকুলায়গৈ? খাঁটি বাজেটত ঘাটি পৰিছে? চিন্তা কৰিবলগীয়া একো নাই। আমাৰ জনমূৰি আয়ৰ পৰিমাণ বাঢ়িছে। লেখক, পাঠ্য-পুথি, জন্মহাৰ আদিৰ ওপৰত কৰ বহুৱাবলৈ এতিয়াও বাকী। পঞ্চবাৰ্ষিকী পৰিকল্পনা। তোমাক নমস্কাৰ। তুমি দেশত জন্ম লৈ জনসাধাৰণৰ ওপৰত কৰৰ হেঁচা বঢ়াইছা। নহয়,—মানে দেশবাসীক দেশৰ



কাৰণে ত্যাগ স্বীকাৰ কৰাবলৈ শিকাইছা। অতিৰিক্ত বিক্ৰী-কৰৰ বাবে চিন্তা কিহৰ! আমি ‘হ’ল-চেলাৰ’। দিবলগীয়া কৰৰ চাৰিগুণ কেনেকৈ আদায় কৰিব লাগে আমি জানো। ‘হিমোগ্ল’বিন’ৰ বটলত আল্‌তা মিহলোৱা পানী ভৰাই বিকিম। কেছ্-মেমো নিদিওঁ। বিক্ৰীকৰ বিভাগৰ পৰিদৰ্শকসকলক সন্তুষ্ট কৰিবলৈ আমি জানো। পৰিদৰ্শকৰ সন্মুখত দাখিল কৰা হিচাপ সম্পূৰ্ণ নিৰ্ভুল। সৰ্ব্ব-ভাৰতীয় নীতিত কেন্দ্ৰীয় চৰকাৰৰ প্ৰযোজ্য বিধি-বিধান আৰু নিৰ্দ্দেশ মানি আমি এবুকু পানীত সাৰ দিম। উৎপাদন বঢ়াম। মৰাপাটৰ উন্নত সঁচ? ভাদ মাহত বিলাম। প’লট্ৰি-ফাৰ্ম্মত ৰাতি মনে মনে সোমোৱা সাপবোৰ বৰ ধূৰ্ত্ত। তাতকৈ বেচি ধূৰ্ত্ত ছাগলীৰ ফাৰ্ম্মত সোমোৱা শিয়াল কেইটা। পশুৰ ধূৰ্ত্ত শিয়াল। এয়া সৰ্ব্বজনবিদিত কথা। এই শিয়াল আৰু সাপ কেইডাল নোহোৱা হ’লে অকল প’লট্ৰি আৰু গোট্ ফাৰ্ম্মৰ উৎপাদনেৰেই অসমক জয় জয় ময় ময় কৰি তুলিলোঁহেঁতেন। জলসিঞ্চন আঁচনিৰ বাবে কেই কোটি টকা খৰচ হ’ল? হওঁক। হ’বইতো। শুকান অসমৰ ৰাইজে বছৰৰ ন মাহ চাঙৰ ওপৰত থাকে। ঘৰৰ মূধৰ ওপৰত দিন কটায়। কেন্দ্ৰত প্ৰতিবাদ কৰি আমি ঠেক প্ৰাদেশিকতাৰ পৰিচয় দিম কিয়? আমাৰ অসমৰ ল’ৰাৰ সেইবোৰ চাকৰিৰ বাবে জানো অৰ্হতা আছে? কেৰেলাৰ অ’ভাৰচিয়াৰসকলে কোৱা কথা জানো মিছা? পমা গছৰ খুঁটা শাল গছৰ খুঁটাতকৈও বেচি শক্তিশালী আৰু স্থায়ী। আমাৰ অসমীয়া অ’ভাৰচিয়াৰ কেইটাই কি জানে? আমি সৰ্ব্ব ভাৰতীয়। তেওঁলোকক আমি পুনৰ সংস্থাপন কৰিবই লাগিব। দেশ বিভাজনৰ পিচত উদাৰপন্থী অসমীয়াৰ এয়া গধুৰ দায়িত্ব। আমি তাক পালন কৰিবই লাগিব। বাতৰি-কাকতবোৰে সমালোচনা কৰে? জনতাই চিঞৰি টেঁটু ফালে। চিঞৰক। এই-দল কাম নোহোৱা ডেকা। লুইতেহে জানে বঠা কিমানলৈ বহে। অসমৰ নিৰ্দ্ধাৰিত কাগজৰ পৰিমাণ (ক’টা) সম্পূৰ্ণকৈ আনি কিটো

হ'ব ? চকু-চৰহা লেখকবোৰে আমাক সমালোচনা কৰি কিতাপ লিখিহে ছপাব। কলিকতাৰ বজাৰত এইবোৰ কাগজ হেৰায় বুলি আমাৰ প্ৰেছবোৰে চিঞৰ-বাখৰ কৰে। মিছা কথা। তেনেকৈ নক'লে কিতাপৰ মূল্য বেচিকৈ ধৰিব কেনেকৈ ? ৰাইজৰ এই ভিত্তিহীন চিঞৰ-বাখৰবোৰ শুনি পাঁচ বছৰৰ মূৰত ভৰিবলগীয়া পঞ্চাশ হেজাৰ টকা জেপৰ পৰা দিলেহে হ'ব। তাৰোপৰি ট্ৰিবুনেলৰ খৰচ আছেই। আমি ইমান মূৰ্খ নহয়।

এইজাক সৰ্ব্বসিদ্ধ দেশ-নেতাৰ এচাম গধূলি বৰ ব্যস্ত। ৰাতিৰ এন্ধাৰে বৈ আনে এইচাম বিধান সভাৰ সদস্যসকললৈ হেজাৰ ব্যস্ততা। কিহৰ ব্যস্ততা বুজা নাই ? ধেৎ ক'বলৈ লাজ লাগে। 'অপ্ৰিয়ম্ সত্যম্ ন ব্ৰুয়েৎ।'

জৈন ব্ৰাদাৰ্চৰ গুদামৰ পৰা তিনিশ ত্ৰিশ গাঁথ টিনপাত আটক কৰিলে ? কোনে ? কামৰূপৰ উপায়ুক্তই ? মূৰ্খ। জৈন ব্ৰাদাৰ্চৰ টিনপাত বেচা-কিনাৰ বাবে লাইচেন্স নাছিল? নাছিল নাই। উপায়ুক্তই নাজানে নে কি জৈন ব্ৰাদাৰ্চে যে অসম চৰকাৰখন কিনি থৈছে। অ' কামত সোমোৱা বেচি দিন হোৱা নাই ? সচিবালয়ৰ নিয়োগ বিভাগত হুলস্থুল। তাঁৰৰ জৰিয়তে বদলিৰ আদেশ। ক'লৈ ? তুৰা নে আইজাললৈ ? আইজালেই ভাল হ'ব।

চাহপাত, তেলৰ ৰয়েলটি আৰু সীমান্তত অসমীয়া ভাষা সম্প্ৰসাৰণৰ কাৰণে গোটেই অসম অসন্তুষ্ট ? ৰাজ্যজুৰি সভা-সমিতি, হৰতাল, শোভাযাত্ৰা। মানুহবোৰে নুবুজে। সীমান্তত অসমীয়া ভাষা প্ৰচলন হ'লেই জানো অসমীয়া ভাষা চহকী হ'ব ? এৰা, মহা বিপাঙত পৰিছোঁ। কোনো চিন্তা নাই। সকলো ঠিক হৈ যাব। আজিৰ এই বিজ্ঞানৰ যুগত ইমান চিন্তা কিহৰ ? দিল্লীলৈ তাঁৰ এখন পঠিয়াওঁক। অথবা বিশেষ বিমানেৰে কেন্দ্ৰলৈ গৈ সৰ্ব্বভাৰতীয় নেতা এজনক অসমলৈ মাতি আহক। তাৰ পিচত জজ্ ফিল্ডত এখন মিটিং। বচ। লেঠা শেষ। তথাপি অশান্তি





কমা নাই ? দুজন এজনক অন্তৰীণ কৰক। জেললৈ পঠিয়াই দিয়ক। সকলো ঠাণ্ডা হৈ যাব। সৰ্ব্বভাৰতীয় নেতাজনে কি বক্তৃতা দিব ? আপুনি সেই বিষয়ে কেলেই চিন্তা কৰিছে ? নেতাজনে সেই কথা ভালদৰে জানে। বিদেশী শত্ৰুৱে আহি আমাৰ চুলিত ধৰি টনাৰ পিচতো জন্ম-নিৰোধৰ বক্তৃতা দিয়া নেতা কেইজনে কণা হাঁহক পতান ধান দি কেনেকৈ ঠগিব লাগে জানে। তাৰ পিচত ছাব্বিশ জানুৱাৰী আহিলেই। ৰাজ্যশ্ৰী, পদ্মশ্ৰী এইবোৰতো আছেই।

কি ক'লে ? সেয়াও বেয়া নহয়। বিদ্ৰোহৰ গুৰি ধৰোঁতাজন বিশ্ববিদ্যালয়ৰ ছাত্ৰ নে কি ? তেন্তে বিদেশলৈ পঠোৱাৰ কাৰণে ষ্টাইপেণ্ড এটা মঞ্জুৰ কৰক। ছাত্ৰ নহয় ? নিবনুৱা ? কলেজৰ প্ৰফেচাৰ ? ভাল দৰমহাৰ চাকৰি এটাত সুমুৱাই দিয়ক। স্বাধীনতাৰ আগৰ নীতি আছিল ঃ বিভেদ আৰু শাসন। স্বাধীনোত্তৰ ভাৰতৰ নীতি হ'ল মূৰ কিনা আৰু শাসন কৰা ( পাৰচেইজ এণ্ড ৰুল )। ষ্ট্ৰং এণ্ড চুপাৰ ইনটেলেক্শ্যুৱেল ব্ৰেইন মাষ্ট বি পাৰচেইজড্। চাকৰি গ্ৰহণ নকৰে ? তেন্তে কিবা এটা দীৰ্ঘকালীন চৰকাৰী ঋণ দিয়াৰ প্ৰলোভন নেদেখুৱাই কেলেই ? তাতো মান্তি নহয় ? তেন্তে জাহান্নামে যাওঁক। জেলত ভৰাই থওঁক। নিজৰ মূৰ নিজে খালে আপুনি কি কৰিব ? পাঁচ বছৰৰ পিচৰ কথা ভাবিছে ? ইমান চিন্তা কিহৰ ? নিৰ্ব্বাচনৰ আগে আগে আপোনাৰ সমষ্টিত পথ নিৰ্ম্মাণৰ আঁচনি এখন হাতত লওঁক। দুই এচপৰা মাটি পেলাবলৈ আৰম্ভ কৰক। মদাৰ গছৰ খুঁটাত ৰং সানি স্থায়ী দলং এখন বা দুখন সজাই দিয়ক। আপোনাৰ জয় সুনিশ্চিত।

এইবোৰ পৰশ্ৰীকাতৰ এদল লোকৰ সমালোচনা। মই সুধি-ছিলোঁ ঃ 'কথাবোৰ সঁচা নে কি ময়ুৰ ?'

'কিছুমান সঁচা। কিছুমান মিছা। দেশ প্ৰশাসনৰ বাবে বহুত কথাই আমাৰ আৱশ্যক। এইদল লোকে সমালোচনা কৰিব

জানে। শুধৰণিৰ পথ দেখুৱাই দিব নোৱাৰে। এয়া প্ৰশাসন ব্যৱস্থাৰ ভিতৰত সোমাই চাব নজনাৰ দোষ।' ময়ূৰে কৈছিল।

'ভোজ-ভাত, কেমেৰা আৰু কম্বল দি বিদ্ৰোহ দমন কৰাৰ কথাটোনো কি?'

'সেইটো সকলোৱে জনা কথা। তই নাজানিলে মই কি কম! কেইদিনমান অপেক্ষা কৰ। নিজ চকুৰেই দেখিবি। তেনে দিন আকৌ আহিব।'

'কিছুমান যে সঁচা; সেইবোৰ নকৰিলেই হয় দেখোন!' সুধিছিলোঁ।

'তাৰ কাৰণে অকল চৰকাৰেই জগৰীয়া নহয়। আমাৰ জন-সাধাৰণো বহু পৰিমাণে দায়ী; আৰু দায়ী আমাৰ বিশ্ববিদ্যালয়ৰ বৰমূৰীয়াসকল। তেওঁলোকে দেশ প্ৰশাসনত নেতৃত্ব দিব পাৰে। চৰকাৰৰ দোষ-গুণ আঙুলিয়াই শুধৰণিৰ বাট দেখুৱাব পাৰে। কিন্তু আমাৰ বিশ্ববিদ্যালয় এই বিষয়ত ন কইনা। কাগজৰ সম্পাদকসকলৰ দুৰ্ব্বল মনোবৃত্তি আৰু আৱশ্যকীয় অধ্যয়নৰ অভাৱ। তথাপি অসমত যিখিনি হৈছে বা কৰিছে তাৰ কাৰণে কাগজৰ সম্পাদকসকলৰ ওচৰত অসমীয়া ৰাইজ কৃতজ্ঞ থকা উচিত। কিন্তু তেওঁলোকক আমি ক্ষমা কৰিব নোৱাৰোঁ। তেওঁলোকে চৰকাৰৰ অশুদ্ধ নীতিৰ সমালোচনা কৰক। চৰকাৰে কি নীতি গ্ৰহণ কৰা উচিত স্পষ্টকৈ কৈ দিয়ক। আঁচনিবোৰৰ কেৰোণ ক'ত ফঁহিয়াই দেখুৱাওঁক।'

ময়ূৰ কোৱাৰ পৰা ৰৈ গৈছিল। তাৰ পিচত আকৌ কৈছিল:

'আচল কথা আমাৰ দেশ-নেতাবোৰে দেশখনক নিজৰ ঘৰ বুলি ভাবিব পৰা নাই। স্বজন-প্ৰীতি আৰু স্বাৰ্থপৰতাই তেওঁলোকক কিছু পৰিমাণে দুৰ্ব্বল কৰি পেলাইছে। তেওঁলোকো মানুহ। দেৱতা নহয়। জানো। কিন্তু তেওঁলোকে পাহৰি যোৱা অনুচিত যে তেওঁলোক আমি বাছি পঠিওৱা আমাৰেই



প্ৰতিনিধি। স্বজন-প্ৰীতিয়ে অৰ্হতা সম্পন্ন লোকৰ নিযুক্তিত বাধা জন্মায়। চৰকাৰী কৰ্ম্মচাৰীসকলৰ মানৱতাবোধ শক্তিশালী নহ'লে শাসন-যন্ত্ৰত ঘুণে ধৰা স্বাভাৱিক। মন্ত্ৰী, উপমন্ত্ৰী আৰু নেতাবোৰে কৰ্ম্মচাৰীসকলৰ ক্ষমতাত হস্তক্ষেপ কৰা অনুচিত। দেশপ্ৰেম আৰু কৰ্ত্তব্যনিষ্ঠা দেখুৱাবলৈ গৈ আইজাললৈ বদলি হ'বলৈ কোনোৱেও নিবিচাৰে। কাম কৰাৰ উৎসাহ নাপায়। তাতকৈ কামত ফাকি দি দুই পইচা ঘটাৰ মনোবৃত্তিক প্ৰশ্ৰয় দিবলৈ যত্ন কৰে। বাধ্য হয়। অৱশেষত এদিন সেয়ে অভ্যাসত পৰিণত হয়। তেতিয়া আৰু তাৰ শুধৰণি নাথাকে। শিক্ষিত মাত্ৰেই সংস্কৃতিশীল লোক নহয়। এভ্ৰি এডুকেটেড্ পাৰ্ছন্ ইজ্ নট্ কাল্চাৰ্ড্। তাৰ কাৰণে দায়ী আমাৰ বংশ পৰম্পৰা। কামত ফাকি দিয়া, মিছা কোৱা আমাৰ মজ্জাগত অভ্যাস। তাৰ কাৰণে দায়ী আমাৰ দুৰ্ব্বল মনোবৃত্তি।'

এনেতে ফোনটো বাজি উঠিল। ধৰিলোঁ। ময়ূৰ বহাৰ পৰা থিয় হ'ল। তাৰ পিচত 'আন এদিন কথা হ'ম বাৰু' বুলি আঁতৰি গ'ল।

বহাগ মাহৰ প্ৰথম সপ্তাহ। এটা ফৰকাল ৰাতিপুৱা। উদঙীয়া মনবোৰে কাৰোবাক বিচাৰি ফুৰে। কিবা যেন নাই; হেৰাই গ'ল: এনে এটা ভাৱ। কাম-বনত মন নবহে॥ এয়া বতৰ আৰু বয়স। বনৰ পলাশ ফুলিল। মৰহিল। কিন্তু জুইৰ আগনি লগা মনৰ পলাশ ফুল নমৰহে। নজহে। কিবা এটা নোপোৱাৰ বেদনাত হাঁহাকাৰ কৰি কান্দে। কমোৱা তুলাৰ দৰে মনবোৰ উৰে।

ভাত-পানী খাই অফিচলৈ গৈছিলোঁ। এটা গতানুগতিক জীৱন। কিবা এটা এলাহ এলাহ ভাৱ। চকীখনত বহি ভৰি দুখন মেজৰ তলেৰে দীঘলকৈ মেলি দি চিগাৰেট এটা জ্বলাই লৈছিলোঁ। আঙঠিৰ আকাৰ লৈ ওপৰলৈ উৰি যোৱা ধোঁৱাবোৰলৈ চাই চাই ভাবিছিলোঁ: এটা এলেহুৱা জীৱন।

এনেতে কোঠাটোলৈ সোমাই আহি কোনোবা এজনে খবৰটো দিছিল। কৈছিল। বিস্ময়ত মোৰ চকু দুটা বহল হৈ পৰিছিল। এয়া যেন অৱিশ্বাস্য। এয়া সঁচা নহয়। মিছা। এটা জীয়া ফাকি। এইটো কেতিয়াও সম্ভৱ হ'ব নোৱাৰে। অসম্ভৱ।

গোটেই অফিচটোতে এটা গুণগুণনি। বহুতে বহুত কথা কৈছিল। প্ৰত্যেকেই বেলেগ বেলেগ কাৰণ দাঙি ধৰিছিল। মই কাকো একো ক'ব নোৱাৰিলোঁ। সুধিব নোৱাৰিলোঁ। মই মাথোন কথাবোৰ শুনি গ'লোঁ। নিজকে বৰ দোষী দোষী যেন লাগিল। কিবা এটা অস্বস্তিয়ে মোৰ মনৰ মাজত খোপনি পুতি বহিল।

অফিচৰ পৰা সোনকালেই গুচি আহিছিলোঁ।

ঘৰলৈ আহি চিঠি এখন পাইছিলোঁ। আইভীলতাৰ প্ৰথম আৰু শেষ-চিঠি।

আইভীলতা বৰুৱাই আত্মহত্যা কৰিছিল।

মোৰ হাতখন কঁপিছিল। চকুৰ আগত কিছুমান অস্পষ্ট আখৰ। বৰ কষ্টেৰে পঢ়ি গৈছিলোঁ।

প্ৰিয় মিশ্ৰ,

আপোনাক মই চিনি নাপাওঁ। আপুনি মোক চিনি পায় নে নাপায় নাজানো। পাঠকৰ মনোযোগ আকৰ্ষণ কৰা এটা ধুনীয়া খবৰ বাতৰি-কাকতত আপুনি পৰিবেশন কৰিছিল। আপোনাৰ মনত আছে নে নাই জানো? সেই বাতৰিটোৰ অপহৃতা গাভৰু-জনীয়েই মই।

চৰিত্ৰৰ নিষ্কলুষতা প্ৰমাণ কৰিবলৈ মই এই চিঠি লিখা নাই। কিন্তু আচল কথাটো ক'বলৈ নাপালে মই যেন শান্তি নাপাম। মোৰ আত্মাই শান্তি নাপাব। অশান্ত হৈ ৰ'ব। সেই কাৰণেই চিঠিখন লিখিবলৈ লৈছোঁ। বিশ্বাস কৰা নকৰাটো আপোনাৰ কথা।



জোৰাইত সভা এখন আছিল। জনজাতীয় লোকৰ সভা। সভাৰ কৰ্ম্মকৰ্ত্তাসকল মোৰ ওচৰলৈ আহিছিল। অন্ততঃ এটা গান আৰু নাচ এটা পৰিবেশন কৰাৰ বাবে অনুৰোধ কৰিছিল। মই মান্তি হৈছিলোঁ। মান্তি হৈছিল মা-দেউতা। সভাৰ উদ্যোক্তা-সকলক কৈছিলোঁ: গান এটা গাম বাৰু। কিন্তু মই হ'লে নাচিব নোৱাৰিম দেই। গা ভাল নহয়।

'সভাৰ দিন এতিয়াও খাটাং হোৱা নাই। তেতিয়ালৈকে গা ভাল পাব। সভাৰ তাৰিখ ঠিক হ'লে আমি আপোনাক খবৰ দিম। নিজে আহি লৈ যাম।' দেউতাই কৈছিল: আগতে খবৰ নিদিলেও হ'ব। সভাৰ দিনাখন আহি লৈ যাব।

অৱশেষত বন্দৱস্ত হৈছিল: লাগিলে মই দুটা গান গাম। তথাপি নানাচোঁ। নাচিব নোৱাৰোঁ।

সেয়া আজিৰ পৰা দুবছৰ-দুমাহ আগৰ কথা। সিদিনা আছিল ফেব্ৰুৱাৰী মাহৰ তিনি তাৰিখ। মোক অনুৰোধ কৰিবলৈ অহা ডেকা তিনিজনে মোক বিচাৰি ঘৰলৈ আহিছিল। তেতিয়া মই কলেজত। মা ক'ৰবালৈ ওলাই গৈছিল। দেউতা সচিবালয়ত। আমাৰ মালীটোৱে কৈছিল: মই কলেজলৈ গৈছোঁ।

মোক কোনোবাই লগ পাবলৈ অহাৰ খবৰ পাই কলেজ কমন-ৰুমলৈ ওলাই আহি দেখিছিলোঁ সেই ডেকা কেইজনক। তেওঁলোকৰ সভা তিনি বজাত। তেতিয়া এটা বাজিছিল। কলেজৰ অধ্যক্ষাৰ পৰা ছুটী লৈ মই ঘৰলৈ ফোন কৰিছিলোঁ। কিন্তু ঘৰত কোনো নাছিল। ফোন ধৰিছিল ৰামদিলে। সি আমাৰ বাগানত কাম কৰে। তাক কৈছিলোঁ: মই জোৰাইলৈ যাম। মা'ক ক'বি: সন্ধিয়া সাতমান বজাত আহি ঘৰ পাম।

তাৰ পিচত তেওঁলোকৰ গাড়ীতে গৈ জোৰাই পাইছিলোঁ। তালৈ গৈ দেখিছিলোঁ শ্বিলঙৰ আন এদল শিল্পীও সভাত যোগ দিবলৈ আহিছে। জনা-শুনা শিল্পী দলক পাই মোৰ ভাল লাগিছিল।

সভা আৰম্ভ হৈছিল মোৰ এটা আৰম্ভণী গীতেৰে।

সভাত মই দুটা গান গাইছিলোঁ। ছ-বজাত সভাৰ কাম শেষ হৈছিল। সন্ধিয়া সাতবজাৰ পৰা সংস্কৃতি সভা আৰম্ভ হোৱাৰ কথা। শ্বিলঙৰ পৰা যোৱা শিল্পী দলৰ কাৰ্য্যসূচী নিশাও আছিল। তেওঁলোকে মোকো থকাৰ কথা কৈছিল। কিন্তু মই আপত্তি কৰিছিলোঁ।

সভা শেষ হোৱাৰ পিচত চাহ এপিয়লা খাই ঘৰলৈ আহিছিলোঁ। নিৰ্দ্ধাৰিত সময়ৰ বাহিৰে আন সময়ত শ্বিলং-জোৱাই বাটত অহা-যোৱাৰ কাৰণে কৰ্তৃপক্ষৰ পৰা সভাৰ উদ্যোক্তাসকলেই বিশেষ অনুমতি লৈ থৈছিল। মোক নিবলৈ অহা ডেকা কেইজনেই মোক থবলৈ আহিছিল। মই মন্ত্ৰীৰ ছোৱালী। গতিকে আনবোৰ শিল্পীতকৈ মোৰ আদৰ বেচি। সন্মান বেচি। অন্ততঃ তেওঁলোকৰ মানত। গতিকে নিৰাপদে মোক ঘৰত থৈ যোৱাৰ বাবে তেওঁলোক ব্যস্ত হৈ পৰিছিল। মোৰ ব্যক্তিগত শিল্পীৰ মৰ্য্যদাৰ কাৰণে নহয়। দেউতাৰ আধিপত্যৰ কাৰণে।

দুৰ্ভাগ্য যেতিয়া আহে মানুহে হেজাৰ চেষ্টা কৰিও তাক বাধা দিব নোৱাৰে। আমি নিয়তিৰ হাতত খেলাৰ পুতলা। মাজ-বাটতে আমাৰ গাড়ী বেয়া হৈ গৈছিল। মই হতাশ হৈ পৰিছিলোঁ।

আধা ঘণ্টামানৰ মূৰত গাড়ীৰ ষ্টাৰ্ট আৰম্ভ হৈ আকৌ বন্ধ হৈ গ'ল। গাড়ীখনে জাঁপ এটা মাৰি আকৌ বৈ গ'ল। খুলি থোৱা দুৱাৰখন ছিটিকি আহি মোৰ বাওঁহাতৰ আঙুলি দুটাত খুন্দিয়াই দিলে। লগে লগে মোৰ আঙুলিৰ পৰা বৈ আহিল নিছিগা তেজৰ ধাৰ। মোৰ মূৰটো ঘূৰাই দিলে।

তাৰ পাচত মই আৰু ক'ব নোৱাৰোঁ।

যেতিয়া জ্ঞান পাওঁ মই তেতিয়া হাস্পাতালত। তাৰ পিচত সকলোবোৰ কথা বোধহয় আপুনিও জানে।

জ্ঞান পোৱাৰ দুদিন পিচত। মা'ৰ মুখত যেতিয়া কথাবোৰ



শুনো খঙত তেতিয়া মই কঁপিছিলোঁ। ইতিমধ্যে গোটেই শ্বিলঙতে প্ৰচাৰ হৈ পৰা কলঙ্কটোৰ কাৰণে মাই কান্দিছিল। ফেঁকুৰিছিল।

মোৰ তালৈ তেতিয়া ভ্ৰূক্ষেপ নাই। সেই সময়ত ৰামদিলক মোৰ কাষত পোৱা হ'লে মই যে তাক কি কৰিলোঁহেঁতেন ক'ব নোৱাৰোঁ। খঙত অধৈৰ্য্য হৈ মই চিঞৰি সুধিছিলোঁঃ ৰামদিল ক'লৈ মৰিবলৈ গৈছিল? তাক মই ফোন কৰি সকলো কথাই কৈছিলোঁ। তেনেস্থলত পুলিচত খবৰ দিবলৈ আপোনালোকক কিহে পাইছিল মা?

'আমাৰেই দুৰ্ভাগ্য আইভী। সাপ নোহোৱা শ্বিলঙত ক'ৰপৰা সাপ এডাল আহি ৰামদিলক খুটিলে ক'ব নোৱাৰোঁ। ময়ো সেই সময়ত ঘৰত নাছিলোঁ। ৰান্ধনিটোৱে তাক পেষ্টিয়ৰলৈ লৈ গ'ল। ঘৰত থাকিল মাথোন আয়াজনী। তাৰ পিচততো এইখন হাঁহাকাৰ লাগিলেই। প্ৰথমতে দেউতাৰাই চাৰিওফালে বিচাৰিলে। শেষত উপায় নাপাই পুলিচত খবৰ দিলে।'

কথাবোৰ কৈ মাই আকৌ কান্দিছিল।

কথাবোৰ সিদিনা মই সিমান গভীৰভাৱে লোৱা নাছিলোঁ। বাতৰি-কাকতত ওলোৱা খবৰটো পঢ়ি হাঁহিছিলোঁ।

কিন্তু ইমান দিনৰ চৰিত্ৰৱতী ছোৱালীজনী এঘণ্টাৰ ভিতৰতে চৰিত্ৰহীনা হৈ গ'লোঁ। কলঙ্কিতা হৈ গ'লোঁ।

তাৰ পিচতো দুটা বছৰ বাগৰি গৈছিল। এই সময়খিনিত মা-দেউতাই মোৰ বিয়াৰ কাৰণে কিমান যত্ন কৰিছিল তেওঁলোকে নক'লেও মই জানো। মই নেদেখাকৈ তেওঁলোকে কান্দিছিল। মোৰ কাৰণে দিনে-ৰাতিয়ে অশান্তিত দেই-পুৰি মৰিছিল। মোৰ ভৱিষ্যতৰ চিন্তাই তেওঁলোকক থকা-সৰকা কৰিছিল।

ইয়াৰ ভিতৰতে দুবাৰ নে তিনিবাৰ মোৰ বিয়াৰ বন্দৱস্তও খাটাং হৈ গৈছিল। কিন্তু বিয়া মোৰ নহ'ল। মই বেয়া ছোৱালী।

ধৰ্ষিতা গাভৰু। তথাপি মই আত্মহত্যা কৰাৰ কথা কোনো দিনে ভবা নাছিলোঁ। গান গাবলৈ পাহৰি যোৱা নাছিলোঁ। মই অনুমান কৰিছিলোঁ ঃ মা-দেউতাই মোক যেন আগতকৈ বেচি মৰম কৰিবলৈ আৰম্ভ কৰিছে। বেচি স্বাধীনতা দিবলৈ যত্ন কৰিছে। মোৰ ইচ্ছা অথবা অভিৰুচিত কোনোৱেও বাধা দিব খোজা নাই।

তেওঁলোকৰ এই ওপৰঞ্চি মৰমে, মোক দিয়া স্বাধীনতাই মোৰ মনৰ অশান্তি যেন বঢ়াইহে তুলিছিল। মই শান্তি পোৱা নাছিলোঁ। দিন যোৱাৰ লগে লগে পৰিবৰ্ত্তন এটা মোৰ নিজৰেই চকুত ধৰা পৰিছিল। মই অস্বাভাৱিক ভাৱে গম্ভীৰ হৈ পৰিছোঁ, গানৰ কলিবোৰ পাহৰি গৈছোঁ। গানৰ প্ৰতি মোৰ ক্ৰমান্বয়ে বাঢ়ি আহিছে বিতৃষ্ণা। তিক্ততা। নিজৰ চৰিত্ৰৰ অপপ্ৰচাৰ শুনি যিজনী ছোৱালীয়ে এদিন হাঁহিছিল সেই ছোৱালীজনীয়ে এদিন কান্দিলে। তাই নজনাকৈয়ে বৈ আহিছিল দুয়ো চকুৰে সহস্ৰ চকুলোৰ ধাৰ। মই কান্দিবলৈ শিকা নাছিলোঁ। শিকিছিলোঁ হাঁহিবলৈ। অভিনয়ৰ মঞ্চত এবাৰ কান্দি দেখুৱাবলগীয়া হৈছিল। সিদিনাও মই মুখ ঢাকি হাঁহিছিলোঁ। কান্দিব খুজিলেই মোৰ হাঁহি উঠে। কিন্তু অৱশেষত মই কান্দিবলৈও শিকিলোঁ। সেই কান্দোন ৰঙ্গমঞ্চৰ কান্দোন নহয়। জীৱন-নাটৰ সঁচা কান্দোন। সঁচা চকুলো। কিন্তু আত্মহত্যা কৰাৰ কথা তেতিয়াও কোনো দিনেই মোৰ মনলৈ অহা নাছিল।

কিন্তু যোৱা পৰহি কি হ'ল জানে? মই যেন সেই মুহূৰ্ত্ততে মৰি যাম। পৃথিৱীৰ বুকুৰ পৰা হেৰাই যাম ঃ এনে এটা চিন্তাই মোক বাউলী কৰি তুলিছিল।

শ্ৰেণীত বহি আমি আটাইজাক ছোৱালীয়ে কথা পাতি আছিলোঁ। এনেতে শ্ৰেণীলৈ সোমাই আহিছিল আমাৰ বাইদেউ। নামটো নকওঁ। বাইদেউ অহাৰ লগে লগে আমি নিস্তব্ধ হৈ গৈছিলোঁ। কিন্তু পিচৰ বেঞ্চত বহা কেইজনীমান ছোৱালীয়ে



তেতিয়াও কথা পাতিয়েই আছিল। বাইদেৱে 'ৰোল-কল' আৰম্ভ কৰি শেষ কৰিলে। কিন্তু তোতয়াও সিহঁতৰ কথা শেষ হোৱা নাছিল।

বাইদেৱে বক্তৃতা আৰম্ভ কৰিছিল। এনেতে কথাত আপোন পাহৰি থকা ছোৱালী এজনী থিয় হৈ কৈছিল ঃ ৰোল নম্বৰ থাৰ্টি প্ৰেজেণ্ট বাইদেউ।

কথাষাৰ শুনি বাইদেৱে তাইলৈ এনেদৰে চাইছিল যেন সেই দৃষ্টিয়ে তাইক পুৰি ছাই কৰি পেলাব। খঙত অধ্যাপিকাজনীয়ে ফোঁপাইছিল। কৈছিল ঃ আই শ্যাল নেভাৰ মাৰ্ক ইউ প্ৰেজেণ্ট।

কিন্তু তাৰ পিচৰ কথাষাৰ! সেই কথাষাৰ যেন বাইদেউৰ কথা নাছিল। বাইদেৱে কোৱা নাছিল। সেই কথাষাৰ যেন কথা নাছিল। আছিল বজ্ৰপাত। উল্কাপাত। মেঘাচ্ছন্ন আকাশৰ পৰা পৃথিৱীৰ বুকুত সৰি পৰিছিল অগ্ন্যুৎপাত। জ্বালামুখীৰে উদ্গীৰিত হৈ অহা উত্তপ্ত লাভা।

'এই স্বভাৱৰ কাৰণেই তোমালোকক ৰাজপথৰ পৰা ডেকা ল'ৰাই টানি নিবলৈ সাহস পায়।'

এটা আণৱিক বোমাৰ বিস্ফোৰণত কোলাহল মুখৰ চহৰ এখন যেন মৃত্যুৰ চেঁচা হাতৰ পৰশত নিমিষতে স্তব্ধ হৈ গৈছিল। শ্ৰেণীৰ কাৰো মুখত মাত নাই। এটা ভয় লগা নিস্তব্ধতা। মোৰ ওপৰত নিবিদ্ধ শ্ৰেণীৰ আটাইজাক ছোৱালীৰ ঘৃণা মিশ্ৰিত চাহনিয়ে যেন মোক খুঁচি থকা-সৰকা কৰিছিল। মূৰটো ঘূৰাই দিছিল।

বক্তৃতা বন্ধ কৰি বাইদেউ শ্ৰেণীৰ পৰা ওলাই গৈছিল। মই ওলাই আহিছিলোঁ কলেজ চৌহদৰ বাহিৰলৈ। মই যেন দৌৰি পলাই যাম। দুয়ো হাতেৰে মুখ ঢাকি গভীৰ অৰণ্যত হেৰাই যাম। দুৰ্য্যোধনৰ দৰে কোনোবা হ্ৰদত নিজক লুকুৱাই থম। তেনে এটা ভাৱে মোক অস্থিৰ কৰি তুলিছিল।

ঘৰলৈ আহি মোৰ কোঠাৰ দুৱাৰখন ভিতৰৰ পৰা বন্ধ কৰি

দিছিলোঁ। বিচনাত পৰি উচুপি উচুপি কান্দিছিলোঁ। দেহ ফুলাই ফুলাই উচুপিছিলোঁ। তেনেদৰে কিমান সময় পাৰ হৈ গৈছিল ক'ব নোৱাৰোঁ।

মা-দেউতাই গম পোৱাৰ আগতে চকু-মুখ ধুই মই সহজ হ'বৰ যত্ন কৰিছিলোঁ। নিজৰ নিঃসহায় অৱস্থাটো লুকুৱাব খুজিছিলোঁ। কিন্তু মা'ৰ চকুক মই ফাকি দিব নোৱাৰিলোঁ। মা'ৰ খেচ্‌খেচনিত অধৈৰ্য্য হৈ কৈছিলোঁঃ মূৰটো কামুৰিছিল। এতিয়া ভাল পাইছোঁ।

মোৰ উত্তৰটোৰে মা'ক নিশ্চয় সন্তুষ্ট কৰিব পৰা নাছিল। মই বুজিছিলোঁ। কিন্তু মাই মোক দ্বনাই আৰু প্ৰশ্ন নকৰিলে। জানোচা মনত আঘাত পাওঁ।

ৰাতি ভাত খোৱাৰ অনিচ্ছা সত্ত্বেও মা'ৰ লগত ভাতৰ টেবুলত বহিছিলোঁ। মা'ক ফাকি দিবৰ যত্ন কৰিছিলোঁ।

পৰহিৰ পৰা দিন আৰু ৰাতিবোৰ কেনেদৰে পাৰ হৈ গৈছে মই ক'ব নোৱাৰোঁ। ঘৰৰ পৰা বাহিৰলৈ ওলোৱাৰ সাহস মোৰ হোৱা নাছিল। কলেজৰ আটাইবোৰ ছাত্ৰী আৰু অধ্যাপিকা যেন মোৰ শত্ৰু। সিহঁতৰ ওচৰত যেন এই নৰহত্যাৰ অপৰাধত অপৰাধিনী।

সন্তান সম্ভৱা আবিয়ৈ গাভৰু এজনীও যেন মোতকৈ বহুত মুকলিমূৰীয়া। বহুত স্বাধীন। সমাজৰ ওচৰত ক্ষমাৰ যোগ্য। কিন্তু মই নহয়।

তাৰ পিচত মই কি ভাবিব পাৰোঁ নক'লেও আপুনি জানিছেই। মালীজনে যদি চিঠিখন ডাকত দিয়ে তেন্তে আপুনি পাব। কিন্তু তেতিয়া আৰু মই এই পৃথিৱীত নাথাকিম। আজি ৰাতিৰ এই অন্ধকাৰেই মোৰ জীৱনৰ কাৰণে শেষ অন্ধকাৰ। এই এন্ধাৰে উমনি দি মোৰ জীৱনলৈ আৰু আনিব নোৱাৰে এটা নতুন দিন। নতুন পোহৰ।



মৃত্যুৰ কাৰণেও মানুহ যে ইমান উন্মাদ হ'ব পাৰে ইয়াৰ আগতে মই কেতিয়াও অনুভৱ কৰা নাছিলোঁ।

আহোঁ দেই। আপোনাক আমনি দিছোঁ। ক্ষমা জানো নকৰিব ?

ইতি—আইভীলতা বৰুৱা

চিঠিখন পঢ়ি মই যেন কান্দি দিম। চিঞৰি চিঞৰি কাৰোবাক কমঃ আইভীলতা মৰা নাই। আত্মহত্যা কৰা নাই। আইভীলতাক হত্যা কৰিছে মানুহে। মই। হিমাচলৰ সম্পাদক নৰপল্লৱ বৰুৱাই।

আকাশত তেতিয়া বহুত মেঘ। হয়তো অলপ পিচত আকাশেও কান্দিব। থূপ খোৱা মেঘবোৰ কাৰোবাৰ চকু-পানী হৈ পৃথিৱীৰ বুকুত সৰি পৰিব।

## ॥ চাৰি ॥

এটা বৰ্ষামুখৰ ৰাতি।

এজনী কুমাৰীৰ কৌমাৰ্য্যৰ মৃত্যু ঘটিছিল।

সেইজনী আকাশীলতা।

আইভীলতা বৰুৱা আৰু আকাশীলতা কাকতি। সৌন্দৰ্য্য প্ৰতিযোগিতাত ইহঁতে প্ৰতিদ্বন্দ্বিতা কৰা হ'লে মই কাক প্ৰথম স্থান দিলোঁহেঁতেন ক'ব নোৱাৰোঁ।

এজনী নিঃসহায় গাভৰুৰ মই সৰ্ব্বনাশ কৰিছিলোঁ। নিৰ্জ্জনতাৰ সুযোগ লৈছিলোঁ। এটা কৰুণ কাহিনীৰ জন্ম দিছিলোঁ। ময়ূৰৰ গভীৰ বিশ্বাসক কবৰ দিছিলোঁ।

ময়ূৰৰ লগত মোৰ বন্ধুত্বটো গাঢ় হৈ পৰিছিল আইভীলতা অথবা আকাশীলতাৰ কাৰণে নহয়। আন এটা সূত্ৰপাতত।

ষষ্ঠী পূজাৰ দিনা। অফিচ সোনকালেই ছুটী হৈছিল। ঘৰলৈ আহিবলৈ ওলাইছিলোঁ। অফিচৰ দুৱাৰ মুখত থিয় হৈ আছিল ময়ূৰ।

'নেযাৰ ময়ূৰ?'

'যাবতো লাগিছিলেই। অলপ ৰৈছোঁ।'

'কিয়? কিবা কাম আছে নে কি?'

'ফেষ্টিভেল এড্‌ভান্সৰ বিলখন এতিয়াও আহি পোৱা নাই। আছে নে কি তাকেই অপেক্ষা কৰিছোঁ।'

'এড্‌ভান্স আজিও হোৱা নাই নে কি?'

'এই অফিচৰ কথানো কি ক'বি? বিল আজিহে পঠিয়াইছে। বিল চহী কৰিবলৈ হেড্‌ কোৱাৰ্টাৰত কোনো অফিচাৰেই নাছিল। সকলোবোৰ মফচলত। মৰণ আমাৰ হে।'

এনেতে দফ্‌টৰীজন আমাৰ কাষেৰেই পাৰ হৈ গৈছিল।

'কি অ' উপাধ্যায়? বিল হ'ল নে কি অ'?'

'কাহা হোগা বাবু? বিল আজ ভেজায়া। চব দফ্‌টৰ ছুটী হো গিয়া। ওলোগ্‌নে বিল ৰাখ্‌নেই নেই মাংটা। হাম্‌ জোৰ জবৰদস্তি কৰ্‌কে দেকে আয়া। পূজা কা পিছু হোগা।'

'পূজাৰ পিচত কাৰ মূৰটো কৰিবলৈ?'

'হাম ক্যা কৰেগা? মেৰা কোই গল্‌টী নেহী হ্যায়।'

উপাধ্যায় আঁতৰি গৈছিল।

ময়ূৰৰ চকু-মুখত ফুটি উঠিছিল আক্ৰোশ আৰু নিঃসহায়ৰ ভাৱ। সি যেন কান্দি দিব।

মোৰ বেয়া লাগিছিল।

'তোৰ পইচাৰ বৰ আৱশ্যক নে কি?'

'পূজাৰ সময়ত কাকনো পইচা নালাগে ক'চোন?'

'কিমান লাগে?'

মোৰ প্ৰশ্নটো শুনি ময়ূৰ থত্‌মত্‌ খাই গৈছিল। মোৰ মুখলৈ



চাইছিল। তাৰ পিচত সেপ ঢুকি কৈছিল: তোৰ জানো অসুবিধা নহ'ব?

'মোৰ অসুবিধা নহয় বাৰু। কিমান লাগে? এশ?'

'এশ দিলেতো ভালেই পাওঁ। তোক কেতিয়া দিব লাগিব?'

'দিবি, যেতিয়া পাৰ।'

'দে তেনেহ'লে।'

'বেচি লাগিলেও দিব পাৰোঁ।'

'বেচি নালাগে দে। নিওঁতেতো নিবই পাৰোঁ। দিওঁতেহে।'

ময়ূৰক মই এশ পঁচিশ টকা দিছিলোঁ। টকা কেইটা পাই কৃতজ্ঞতাত ময়ূৰ অভিভূত হৈ পৰিছিল। পূজাত সিহঁতৰ ঘৰলৈ মোক নিমন্ত্ৰণ কৰিছিল। কৈছিলোঁ: পূজাত নাযাওঁ আৰু। তোৰ ঘৰটো চিনি নাপাওঁ নহয়। পিচত আন এদিন যাম।'

'নহয়। পূজাৰ ভিতৰত তই এবাৰ যাবিয়েই। ৰ' মই তোক বুজাই দিওঁ।'

তাৰ পিচত যি থকা ঘৰটোৰ কথা মোক বুজাই দিছিল। দঢ়াই দঢ়াই কৈছিল: মই যেন নোযোৱাকৈ নাথাকোঁ।

ময়ূৰৰ নিমন্ত্ৰণ ৰক্ষা কৰাৰ যত্ন কৰিছিলোঁ। কিন্তু নোৱাৰিলোঁ। ভাবিছিলোঁ: লক্ষ্মী পূজাৰ দিনাখন যাম। কিন্তু সিদিনাও যোৱা নহ'ল। শ্বিলঙৰ এই এলেহুৱাজাকৰ সময়ৰ বৰ অভাৱ। অফিচ বন্ধ থকা দিন কেইটাত কামো নাই। সময়ো নাই। ৰাতিপুৱা আঠ বজাৰ পৰা আৰম্ভ হয় তাচৰ আড্ডা। মানে জুৱা। গতিকে বন্ধু-বান্ধৱৰ নিমন্ত্ৰণ ৰক্ষা কৰাৰ সময় ক'ত? আনবোৰ বেমাৰৰ পৰা উপশম পালেও এই বেমাৰত যিজন এবাৰ ভুগিছে তেওঁ চিৰৰুগীয়া। জীৱনত ৰোগমুক্ত হোৱাৰ আশা কম। কোনোবাই ক'বৰ দৰে: তাচ পাশা, সৰ্ব্বনাশা। গতিকে ময়ূৰৰ নিমন্ত্ৰণ, নিমন্ত্ৰণ হৈয়েই ৰ'ল।

পূজাৰ পিচত। ময়ূৰে অভিযোগ কৰিছিল: সি হেনো মোক

খুউব বেয়া পাইছে। মই যাম বুলি বৰ আশা কৰিছিল। মিছেছ দুৱৰাই হেনো কিবা-কিবি বনাই মোৰ কাৰণে অপেক্ষা কৰি আছিল। অপৰাধী অপৰাধী ভাৱ এটা লৈ কৈছিলোঁ ঃ যাম বুলি ওলায়ো যাব নোৱাৰিলোঁ ময়ূৰ। যাওঁ বুলি ওলালেই কোনোবা এজন ওলায়হি। বেয়া নাপাবি। এদিন যাম বাৰু।

তাৰ পিচতো কেইবা মাহো পাৰ হৈ গৈছিল। ময়ূৰৰ ঘৰলৈ মই যোৱা নাই। ইয়াৰ ভিতৰতে ময়ূৰে দুবাৰ নে তিনিবাৰ মোৰ পৰা টকা ধাৰলৈ নিছিল। পৰিশোধ কৰিছিল।

ভোগালী-বিহুলৈ তেতিয়াও দহ-পোন্ধৰ দিন বাকী। ময়ূৰে কৈছিল ঃ উক্কাৰ দিনা ৰাতি মোৰ তাতে খাবি। মোৰ তাতে শুবি। তোৰ কোনো আপত্তিয়েই মই নামানো।

মই কিবা এটা কোৱাৰ আগতে কথাষাৰ কৈ সি আঁতৰি গৈছিল। মই ক'ব খুজিছিলোঁ ঃ তোৰ তাতেই খাম বাৰু। কিন্তু থাকিব নোৱাৰেঁা। কিন্তু কোৱাৰ সুবিধা মোক নিদিলে। মনতে থিৰাং কৰি থলোঁ ঃ এইবাৰ আপত্তি কৰাৰ প্ৰশ্ন নুঠে। খাই-বৈ ঘৰলৈ গুচি আহিম।

উক্কাৰ দিনা কথাষাৰ সি মোক সোঁৱৰাই দিবলৈ পাহৰা নাছিল। নিশা আঠ বজাত বিচাৰি বিচাৰি গৈ তাৰ ঘৰটো উলিয়াইছিলোঁ। ময়ূৰ তেতিয়া ঘৰত নাছিল। ভিতৰৰ পৰা ওলাই আহিছিল এজনী গাভৰু। গাভৰুজনীয়ে কৈছিল ঃ তেখেত ঘৰত নাই। তাৰ পিচত ভিতৰলৈ মাতি নি মোক বহিবলৈ দিছিল। মই লুকাই-চুৰকৈ ছোৱালীজনীৰ মুখলৈ চাইছিলোঁ। ইমান ধুনীয়া। এইজনী জীয়া গাভৰু নে মাটিৰ প্ৰতিমা ?

'বহক। তেখেত এতিয়াই পাবহি।'

মন্ত্ৰমুগ্ধৰ দৰে মই বহি পৰিছিলোঁ।

এই জনীয়েই মিছেছ দুৱৰা নে কি ? কিন্তু বিয়া হোৱা বুলিতো অনুমান নহয়।



কেইটামান নিৰৱ মুহূৰ্ত্ত বাগৰি গৈছিল। মই তেতিয়া বুৰ্ব্বক হৈ গৈছিলোঁ। ভদ্ৰতাৰ সুৰত গাভৰুজনীক কিবা এষাৰ কোৱাৰ বা সোধাৰ কথাও মই পাহৰি গৈছিলোঁ। মোৰ যেন ক'বলৈ একো কথা নাছিল। ময়ূৰৰ ওপৰত পেটে পেটে মোৰ ভীষণ খং উঠিছিল। ইমান অভদ্ৰ নে ? মানুহক নিমন্ত্ৰণ কৰি ঘৰত নাথাকে।

'আপুনি অকণমান বহকচোন। মই বাইদেউক পঠিয়াই দিছোঁ।'

গাভৰুজনী আঁতৰি গৈছিল। তাৰ অলপ পিচতে ওলাই আহিছিল এজনী গাভৰু বোৱাৰী। অলপ আগতে মোৰ চকুৰ আগৰ পৰা আঁতৰি যোৱা গাভৰুজনীৰ দ্বিতীয় প্ৰতিমূৰ্ত্তি। কপালৰ ৰঙা ফোটটো নথকা হ'লে মই হয়তো সেইজনী গাভৰুৱেই আকৌ উভতি অহা বুলি ভাবি থাকিলোঁহেঁতেন। মই অনুমান কৰি লৈছিলোঁ। এইজনীয়েই নিশ্চয় মিছেছ দুৱৰা। ময়ূৰৰ পত্নী আইভীলতা ; আৰু এইমাত্ৰ আঁতৰি যোৱা গাভৰুজনীৰ বাইদেউ। মই থিয় হৈ নমস্কাৰ জনাইছিলোঁ। প্ৰতি নমস্কাৰ জনাই মানুহ গৰাকীয়ে কৈছিল ঃ মই ৰান্ধনি-শালতে সোমাই আছোঁ। তেখেত জানো ক'লৈ গ'ল ? অথনিৰ পৰা ঘৰতে আছিল দেখোঁন। এইমাত্ৰ ক'ৰবালৈ ওলাই গৈছে।

'এই ৰাতিখননো সি ক'লৈ গ'ল।'

মোৰ কথাষাৰ শেষ নোহওঁতেই ভিতৰলৈ সোমাই যোৱা গাভৰুজনী আকৌ ওলাই আহিছিল।

'ভিনিহিদেৱেৰা ক'লৈ গ'ল অ' আকাশী ? তোক কিবা কৈ গৈছে নে কি ?'

'ওহো ! অথনি শইকীয়াহঁতৰ ল'ৰাজন আহিছিল নহয় মাতিবলৈ। তালৈকে গ'ল নে কি জানো ?'

'এনেনো মানুহ নে আৰু ! ভদ্ৰলোক এজনক মাতি আহি ঘৰত নাথাকে।'

'কিবা কামত ওলাই গৈছে চাগে।' কৈছিলোঁ।

'কাম আৰু কি? তাচৰ আড্ডাত বহিছে চাগৈ। ৰাতি বাৰ বজাৰ আগতে ঘৰলৈ অহাৰ আশা নাই। তই কথা পাতচোন আকাশী। আপুনি বহক দেই। বেয়া নাপাব। মই আকৌ ৰান্ধনি শালত……।'

'নাই নাই। বেয়া পাম কেলেই? আপুনি য'ক।'

মিছেছ দুৱৰা আঁতৰি গৈছিল। বেয়া নাপাওঁ বুলি ক'লেও ময়ূৰৰ ওপৰত মোৰ ভীষণ খং উঠিছিল। ইমান অভদ্ৰ নে? মানুহক নিমন্ত্ৰণ কৰি আহি তাচৰ আড্ডা দিবলৈ যায়? ৰাতি বাৰ বজালৈকে এনেদৰে বহি থকাটো জানো সম্ভৱ? এবাৰ ভাবিছিলোঁ: ঘৰলৈকে গুচি যাওঁগৈ নে কি?

'আপোনাৰ বৰ বেয়া লাগিছে নহয়?' মৌনতা ভাঙি আকাশীয়ে কৈছিল।

'কিয়?'

"ভিনিহিদেউক লগ পোৱা নাই।'

আকাশীৰ কথাষাৰৰ কিবা এটা উত্তৰ দিয়াৰ প্ৰয়োজন অনুভৱ কৰিছিলোঁ। কিন্তু কোনো কথাই মই ক'ব নোৱাৰিলোঁ। উত্তৰ বিচাৰি নাপালোঁ।

আমাৰ মাজত আকৌ আৰম্ভ হৈছিল নিস্তব্ধতা। এটা অস্বস্তিকৰ মৌনতা। কিবা এটা কোৱাৰ, কিবা এটা সোধাৰ আৱশ্যক বুলি বুজিছিলোঁ। কিন্তু কি কম বা কি সুধিম ভাবি পোৱা নাছিলোঁ। মই যেন ধৰা পৰিছিলোঁ। মই যে ময়ূৰক বেয়া পাইছোঁ সেইটো মোৰ মৌনতাই প্ৰকাশ কৰি দিছিল। আকাশীক বুজাই দিছিল। ৰূপহী গাভৰুবোৰক দেখি এবাৰ কথা কোৱাৰ হেঁপাহ জন্মা মোৰ ডেকা মনটো যেন বোবা হৈ গৈছিল। কথা কবলৈ পাহৰি গৈছিল। মূৰ তুলি আকাশীৰ চকুলৈ চোৱাৰ সাহসকণো মই হেৰুৱাই পেলাইছিলোঁ। বাতৰি-কাকত



অথবা আলোচনী এখনো ওচৰত নাই যে তাকে চায়েই এই অস্বস্তিকৰ পৰিবেশটো সহজ কৰি তুলিম। ভাব হৈছিল: মই যেন ভীৰু। বুৰ্ব্বক। ভদ্ৰঘৰৰ এজনী গাভৰু ছোৱালীৰ লগত কেনেদৰে কথা ক'ব লাগে তাকো নাজানো।

'চাওঁ আকাশী, টি-পয়খন ঠিককৈ দেচোন।'

এটা নাৰী কণ্ঠৰ শব্দত মূৰ তুলি চাইছিলোঁ। মিছেছ দুৱৰা। হাতৰ টি-ট্ৰে এখনত একাপ ধোঁৱা উৰি থকা চাহ আৰু কেইখনমান পিঠা।

'খ'ক দেই। তই তামোল এখন দিবি। বুইছ?'

মিছেছ দুৱৰাই চাহ-পিয়লা আৰু খোৱা বস্তুখিনি মোৰ সন্মুখত থৈ আকৌ আঁতৰি গৈছিল।

'আপুনি নাখায়?' ওচৰতে থিয় হৈ থকা আকাশীক সুধিছিলোঁ।

'আপুনি খাওকচোন। চেঁচা হৈ যাব। আজি কেইদিনমানৰ পৰা বৰ ঠাণ্ডা পেলাইছে।'

'কিন্তু ইমানবোৰ পিঠা-পনা!'

'একো নহয়। খ'কচোন। মই তামোল লৈ আহোঁ।'

আকাশী মোৰ ওচৰৰ পৰা আঁতৰি গৈছিল। চাহ একাপৰ প্ৰয়োজন ময়ো অনুভৱ কৰিছিলোঁ। চেঁচাত হাত-ভৰিবোৰ যেন বৰফ হৈ গৈছিল। বহু দিনৰ মূৰত অসমীয়া পিঠা কেইটা খাই মোৰ ভাল লাগিছিল।

বটা এটাত তামোল কেইখনমান দি খালী কাপ-প্লেটবোৰ সামৰি আকাশী আকৌ ভিতৰলৈ গৈছিল। তাৰ পিচত ওলাই আহিছিল হাতত এটা জ্বলন্ত আংটি লৈ।

'এইটো হ'লে বৰ ভাল কাম কৰিলে দেই।'

কথাষাৰ শুনি আকাশীয়ে মিচিকিয়াই হাঁহিছিল। মোৰ ওচৰত আংটিটো থব খোজোঁতে হাউলি যোৱা আকাশীৰ কানৰ পৰা চাদৰ-

খন পিছলি আংটিটোৰ ওপৰতে পৰি গ'ল। মই লৰালৰিকৈ চাদৰ খন দাঙি ধৰিলোঁ।

আংটিটোৰ জুইৰ ৰঙা ৰঙটো গৈ যেন আকাশীৰ গালত থু খাইছিল। লাজত তাই ৰঙা পৰি গৈছিল।

'আপুনি এতিয়াই সৰ্ব্বনাশ কৰিলেহেঁতেন।'

'আপুনি নহয় দেই। তুমি।'

মই একো উত্তৰ নিদিলোঁ। হাঁহিলোঁ।

সোঁ-হাতৰ মোজাপাত খোলাই আছিল। বাওঁহাতৰ মোজা পাতো খুলি ওভাৰ-কোটৰ জেপত ভৰাই থৈ হাত দুখন জুই ওপৰত দাঙি ধৰিলোঁ।

'আপুনি, শ্বৰি ; তুমিও ওচৰলৈ আহা। বহা। তুমি অথনি পৰা থিয় হৈয়ে আছা।'

আকাশীয়ে একো উত্তৰ নিদিলে। লাজ লাজকৈ মোৰ ওচৰতে চকী এখন লৈ জুইকুৰা সাৰটি বহি পৰিল।

'ময়ূৰে পলম কৰে নে কি জানো? মই আকৌ যাব লাগিব।'

'এই ৰাতিখন! ইমান ঠাণ্ডাত? ভিনিহিদেৱে ৰাতি আপোনাক ইয়াত থকাৰ কথা কৈছে।'

'সি ক'লেই হ'ল নে আৰু।'

'কিয়? ঘৰলৈ গৈনো কি কৰিব? দুখীয়া কাৰণে আমাক ইমান ঘিণ কৰে নে কি?'

'তুমিনো আকৌ কেনেকৈ দুখীয়াজনী হ'লা? এয়া জানো তোমাৰ ঘৰ? ভিনিহিদেৱেৰাবহে ঘৰ।'

'একেই কথা।'

'তেনেহ'লে আপোনাকো মানে তোমাকো মিছেছ দুৱৰা বুলি মাতিম।'

'ছিঃ, কি যে কয়?'



'নহ'লে তোমাৰ ঘৰ কেনেকৈ হ'ল? তুমি এওঁলোকৰ আলহীহে।'

'আলহী নহয়। মূৰৰ গধুৰ বোজা।'

কথাষাৰ কৈ আকাশীয়ে যেন কান্দিহে দিব। এটা সেমেকা মাত। আকাশীৰ চকুপানীবোৰ যেন কথা হৈ সৰি পৰিছিল।

'নিজক ইমান সস্তীয়া বুলি ভাবিব নাপায় আকাশী।'

'জানো। কিন্তু নাভাবিও যে উপায় নাই।'

'তোমালোকৰ সকলো কথাই মই জানো আকাশী।'

'আপুনি জানে বুলি ময়ো জানো। দেউতা নাই। মা'জনী আছিল......।'

'মাৰাৰ কি হ'ল?'

'ঢুকাল।'

আকাশীয়ে সঁচাকৈয়ে কান্দিছিল।

মোৰ বেয়া লাগিছিল। গাভৰু ছোৱালীৰ চকুত চকুপানী দেখিলে সকলোৰে বেয়া লগাটো স্বাভাৱিক।

'ঢুকাল? কেতিয়া? মইতো নাজানো। ময়ূৰেও তো মোক কোৱা নাই।'

আকাশীৰ মাক ঢুকোৱাৰ কথাটো মই সঁচাকৈয়ে নাজানিছিলোঁ।

'ক'লেনো কি হ'ব? দুখীয়াৰ দুখ কোনো দিনেই নুগুচে। ভিনিহিদেউৰ অৱস্থা মই জানো। তেনে অৱস্থাত মই ভিনিহিদেউহঁতৰ মূৰৰ বোজা নহৈনো আৰু কি?'

'ছিঃ কান্দিব নাপায় আকাশী।'

'মোৰ সান্ত্বনাটোৱে আকাশীৰ ধৈৰ্য্যৰ বান্ধ যেন শিথিল কৰি দিছিল। তাই ফেঁকুৰি উঠিছিল। আঁঠুৰ মাজত মুখ গুজি উচুপি উচুপি কন্দা আকাশীজনী যেন আকাশী নহয়। এজনী সৰু ছোৱালী। ফটাকানিৰ দৰা-কইনা সাজি ওমলা ছোৱালী এজনীৰ হাতৰ পৰা যেন কোনোবাই পুতলা এটা কাঢ়ি নিলে।

মই অস্বস্তি বোধ কৰিছিলোঁ।

'ছিঃ আকাশী। তুমি এনেদৰে কান্দি থাকিলে মই গুচি যাম গৈ।'

ক'বলৈ একো বিচাৰি নাপাই তাকেই কৈছিলোঁ।

কিন্তু আকাশীৰ ফেঁকুৰণি বন্ধ নহ'ল।

বেচেৰীৰ চাগৈ মাকলৈ মনত পৰিছে। গাভৰু ছোৱালীয়ে আনৰ ঘৰত মনৰ স্বাধীনতা হেৰুৱাই থাকিবলৈ ভাল নাপায়। নিৰাশ্ৰয়া গাভৰুবোৰৰ কাৰণে এই বেদনা আৰু গভীৰ।

মোৰ দৃষ্টি গৈ আকাশীৰ পিঠিখনত বিয়পি পৰিছিল। এটা জিয়াঁ ৰঙৰ ফটা ব্লাউজ। দেহৰ মোহ লগা ৰং এটাই যেন ভুমুকি মাৰি মোলৈ চাইছিল। কৈছিল: এই দেহৰ ৰঙৰ অধিকাৰিণী আকাশীজনী কিমান দুখীয়া! কিমান নিঃস্ব। শিলঙৰ পুহমহীয়া চেঁচাত গাত ল'বলৈ শ্বাল এখনো নাই।

আকাশীৰ উচুপনিটো তেতিয়া বন্ধ হৈ গৈছে। আকাশী শান্ত হৈ পৰিছে। সহজ হৈ পৰিছে।

'বাইদেৱে পাগঘৰত অকলে কি কৰিছে চাই আহোঁগৈ।'

'নালাগেচোন। বহা।'

হাতত ধৰি বহাৰ পৰা থিয় হ'ব খোজা আকাশীজনীক মই আকৌ বহুৱাই দিছিলোঁ। মই পাহৰি গৈছিলোঁ: আকাশীজনী মোৰ কাৰণে নতুন। অচিনাকি গাভৰু। মাত্ৰ কেই মিনিটমানৰ চিনাকিৰ সুবিধা লৈ আকাশীক হাতত ধৰি বহুৱাই দিয়াৰ সাহস মই ক'ৰ পাইছিলোঁ ক'ব নোৱাৰোঁ।

আকাশীয়ে মোৰ চকুলৈ চাইছিল। এটা করুণ মৰম সনা চাৱনি। ইমান সুন্দৰ! ইমান ধুনীয়া!

ভগৱান, ইমান ৰূপহী গাভৰু এজনীৰ জীৱনত ইমান দুখ কেলেই জাপি দিলা! তাই তোমাৰ কি দোষ কৰিছিল?

'আকাশী।'



'হো।'

'তুমি এইবাৰ কোন ইয়েৰত পঢ়া?'

'নপঢ়োঁ।'

'কিয়?'

'টকা নাই।'

'সেই বুলি তুমি নপঢ়িবা কিয়?'

'তাৰ বাহিৰে উপায় জানো আৰু কিবা আছে?'

'আছে। মই টকা দিম।'

আকাশীয়ে মোৰ কথা শুনি একো নক'লে। মোৰ মুখলৈ মাথোন চাই ৰ'ল। সেই চাৱনি পুতৌৰ পাত্ৰী হোৱাৰ নে বেদনাৰ ক'ব নোৱাৰোঁ। কিন্তু মোহ লগা এটা চাৱনি। মন ভুলোৱা দৃষ্টি। এয়েই নে কি হৰিণা চাৱনি? মই যেন তাইৰ চকু দুটাত চুমা খাই দিম। কামুৰি খাই পেলাম।

ভাবিছিলোঁ: ইমান স্পষ্ট। ইমান সাহসী। অচিন ডেকা এজনৰ আগত প্ৰথম চিনাকিৰ দিনাখনেই কোনো গাভৰুৱেই ক'ব নোৱাৰে: টকা নাই। সেই কাৰণে নপঢ়োঁ।

'কোন বাৰ্ষিকত পঢ়িছিলা?'

'তৃতীয়।'

'কিমান দিন কলেজলৈ যোৱা নাই?'

'প্ৰায় ছমাহ।'

'কলেজত কিমান দিনৰ মাচুল বাকী?'

'মনত নাই। এশ-ডেৰশমান হ'ব কিজানি।'

'এশ-ডেৰশ টকাৰ কাৰণে তুমি কলেজ এৰি দিলা?'

'অকল সেয়ে জানো? কলেজৰ মাচুল। কিতাপ। কানি-কাপোৰ।'

তাই মোৰ চকুলৈ চাইছিল। সেই চাৱনিটোৱে যেন মোক কৈছিল: তুমি যিমান সহজ বুলি ভাবিছা সিমান সহজ নহয়। গাভৰু ছোৱালী এজনীক কিমান খৰচ লাগে তুমি নুবুজিবা।

এনেতে ফোঁপাই-জোপাই সোমাই আহিছিল ময়ূৰ। মই হাতৰ ঘড়ীটোলৈ চাইছিলোঁ ; ন বাজি ত্ৰিশ মিনিট গৈছিল ?

'মাতি আনি ক'লৈ গৈছিলি অ' ?'

'তোৰ ঘৰলৈ ?'

'মোৰ ঘৰলৈ ? ইমান ৰাতি ? কেলেই ?'

'আঠ বজালৈ বৈ বৈ নহা দেখি ভাবিলোঁ ঃ তই কিজানি পাহৰিয়েই গ'লি।'

'ইচ্ ৰাম। এই ঠাণ্ডাখনত মিছাতে কষ্ট কৰিলি।'

'একো নহয়। তই যে আহিলি এয়েই বহুত।'

'ক'ৰবালৈ গ'লে কৈ মেলিতো যাব লাগে।' অনুযোগৰ সুৰত আকাশীয়ে কৈছিল।

'কিয় ? তোমালোক নাই জানো ? সিনো ক'ৰ পৰ মানুহটো ?'

'হ'লেও।'

'কি হ'লেও ? পিচতো কাজিয়া কৰিবা যোৱাঁ। আগেয়ে ভাত পানী হ'ল নে নাই চোৱাঁ।'

কথাষাৰ কৈ ময়ূৰে লাহেকৈ আকাশীৰ গালত চৰ এটা মাৰি দিছিল।

'ইচ্ ৰাম। ইমান চেঁচা। একেবাৰে বৰফ।'

আকাশী ভিতৰ সোমাই গৈছিল। ময়ূৰে আংটিৰ জুই কুৰা সাৰটি ধৰিছিল ; যেন বুকুৰ মাজত জুই কুৰা সুমুৱাইহে ল'ব।

মই ভাবিছিলোঁ ঃ কেই ঘণ্টামানৰ চিনাকি এজন ডেকাৰ আগত এজনী গাভৰুৱে নিজৰ নিঃস্ব জীৱনৰ কথাবোৰ ইমান সহজে কৈ যাব পাৰে কেনেকৈ ?

'বুইছ অসীম, আইভী আৰু আকাশী তোৰ কাৰণে অচিনাকি হ'লেও তই কিন্তু সিহঁতৰ কাৰণে অচিনাকি নহয়। সিহঁতৰ কাৰণে তই বহুদিনৰ চিনাকি।'



মই উচাপ খাই উঠিছিলোঁ। ময়ূৰে এইবোৰ কি কৈছে ? সি মোৰ মনৰ কথাটো কেনেকৈ গম পালে ? নিজক লুকুৱাই সুধিছিলোঁ ঃ 'কেনেকৈ ? তেখেতসকলক মই আজিহে লগ পাইছোঁ। কথা পাতিছোঁ। ইয়াৰ আগতে তেখেতসকলেও মোক নিশ্চয় দেখা নাই।'

'দেখা নাই সঁচা। মানুহক চিনিবলৈ কেতিয়াবা কেতিয়াবা দেখাৰ প্ৰয়োজন নহয়। নেদেখাকৈও চিনাকি হ'ব পাৰি। যেনে ধৰা ঃ এই লেখক অথবা জনপ্ৰিয় গায়কবোৰ। খেলুৱৈবোৰ।'

'কিন্তু মই লেখক, গায়ক নতুবা খেলুৱৈ একো এটায়ে নহওঁ।'

'মই যে তোৰ কথা আইভীহঁতৰ আগত প্ৰায়ে কৈ থাকোঁ।'

এনেতে আকাশীয়ে আহি খবৰ দিছিল। ভাত দিছে।

ভাত-পানী খাই মই আহিবলৈ ওলাইছিলোঁ। কিন্তু ময়ূৰ মান্তি নহ'ল। সি মোক কোনোমতেই আহিবলৈ নিদিয়ে। আকাশীয়ে কৈছিল ঃ ৰাতিটো ইয়াত থাকিলেনো কি হয় ? ইমান দূৰ বাট। এই চেঁচাত মিছাতে ৰাতিখন কেলেই যাব লাগে ?

মই একো উত্তৰ দিব নোৱাৰিলোঁ। ইমান পৰে ময়ূৰক দেখুওৱা এশ এবুৰি কাৰণৰ এটাও মোৰ মনত নপৰিল। ময়ূৰে মোৰ চকুলৈ চাই হাঁহিছিল। কৈছিল ঃ পালি মজাটো এতিয়া ? উত্তৰত মই মাথোন কৈছিলোঁ ঃ তহঁতেতো মোৰ অসুবিধাটো বুজা নাই।

বহা কোঠাটোৰ পিচৰ কোঠাটোতে ময়ূৰ আৰু মই শুইছিলোঁ। দুয়ো ওচৰা-উচৰিকৈ দুখন বেলেগ বিচনাত। আইভী আৰু আকাশী শুইছিল ভিতৰৰ কোঠাটোত। বহুত ৰাতিলৈকে আমাৰ টোপনি অহা নাছিল। আমি কথা পাতি আছিলোঁ। অদৰ্কাৰী কথা। এবাৰ সুবিধা উলিয়াই কথাৰ সুৰ বদলাই আকাশীৰ কলেজৰ কথা উলিয়াইছিলোঁ। পেটে পেটে মোৰ এটা সঙ্কোচৰ ভাৱ। জানোচা ময়ূৰে কিবা ভাবে ?

আমাৰ কথাবোৰ বহুখিনি আগুৱাই গৈছিল। মই সহজ হৈ পৰিছোঁ। নিশ্চিত হৈ পৰিছোঁ। ময়ূৰে তেন্তে একো ভবা নাই?

'আকাশীক আকৌ কলেজত নাম লগাই দে।'

'ইচ্ছাতো আছিলেই। কিন্তু টকাইহে কথা। দৰমহানো পাওঁ কেই টকা? তাৰেচোন খাবলৈকে নোজোৰে। দৰমহাৰ চাৰিভাগৰ এভাগ ঘৰ ভাৰাতে যায়।'

ক'ব খুজিছিলোঁ: আকাশীক কলেজত পঢ়োৱাৰ খৰচ মই দিম। কিন্তু কোৱাৰ সাহস নহ'ল। ক'লোঁ: টকাৰ কাৰণে পৰি নাথাকে। টকা কিবাকৈ হ'ব।

'কিবাকৈ ক'ৰ পৰা হ'ব? লেঠা এটা বঢ়াই লোৱা সহজ। কিন্তু লেঠা মৰাহে টান।'

'ধৰ, মই যদি দিওঁ?' ভয়ে ভয়ে কৈছিলোঁ।

'তইনো ক'ৰ পৰা দিবি? কিমান দিবি? এদিন দুদিন দিয়া বেলেগ কথা। কিন্তু মাহে মাহে দিবি কিয়? বন্ধু বুলি তই এদিন দিবি। দুদিন দিবি। কিন্তু সেই বুলি মই জানো তোৰ ওপৰত সদায় জুলুম কৰা উচিত?'

নিৰুৎসাহৰ সুৰত কথাবোৰ কৈ ময়ূৰ থমকি ৰৈছিল। বুজিলোঁ: সি মোক সন্দেহ কৰা নাই। একো ভবা নাই।

সাহ পাই কৈছিলোঁ: অধ্যাপক কাকতিৰ ছোৱালী হিচাপে আকাশীৰ প্ৰতি মোৰো এটা কৰ্ত্তব্য আছে। দায়িত্ব আছে। আকাশী মোৰ শিক্ষাগুৰুৰ কন্যা।

'কাকতিৰ বহুত ছাত্ৰই আছিল। আছে। অকল তই-ময়েই নহয়। মনৰ আৱেগত বহুত কথাই ক'ব পাৰি অসীম। কিন্তু··· এহ্, বাদ দে। বহুত ৰাতি হ'ল। এতিয়া শুই থাক। পিচৰ কথা পিচত হ'ব।'

সি ৰৈ গৈছিল! তলকা মাৰি শুবৰ যত্ন কৰিছিল। নিৰুপায় হৈ ময়ো মনে মনে ৰ'লোঁ। মনে মনে ভাবিলোঁ: আইভীক



বিয়া কৰাই সি তেন্তে অসুখী নে কি? মন্ত্ৰী বৰুৱাই দিব খোজা পদটোৰ কাৰণে সি ভাৱে নে কি? হয়তো সি ভাৱেঃ মনৰ আৱেগত আইভীলতা কাকতিক বিয়া কৰোৱাৰ প্ৰতিশ্ৰুতি নিদিয়াহেঁতেন আজি হয়তো তাৰ এই অৱস্থা নহয়।

ৰাতি সঁচাকৈয়ে বহুখিনি হৈছিল। অলপ পিচত ময়ূৰৰ টোপনি আহিছিল। ময়ো টোপনি যাবলৈ যত্ন কৰিছিলোঁ। কিন্তু টোপনি নাহিল। বহুত কথাই মোৰ মনৰ মাজত থূপ খাই মোৰ চকুৰ পতাৰ টোপনি কাঢ়ি নিছিল।

এইখন বিচনা আকাশীয়ে পাৰি দিছে। ইয়াত আকাশীৰ হাতৰ পৰশ লাগি আছে। আনক মৰম বিলোৱা আকাশীয়ে জীৱনত কাৰ পৰা মৰম পালে? কোনে তাইক মৰম কৰি এযাৰ কথা ক'লে? ভৱিষ্যত জীৱনৰ বাবে নিৰাপত্তাৰ আশ্বাস দিলে?

বেচেৰী আকাশী। অৱস্থাৰ তাড়নাত তাই আজি নিজৰ মনৰ স্বাধীনতা হেৰুৱাই আনৰ কৰুণা প্ৰাৰ্থীনী হৈ দিন কটাইছে। এটা ফটা ব্লাউজ। এমুঠি পেটৰ ভাত। অকণমান আশ্ৰয়। তাৰ কাৰণেও মানুহে মানুহৰ ওচৰত দাসত্ব কৰে।

ছিঃ কিবোৰ যে ভাবিছোঁ। আকাশীয়ে দাসত্ব কৰিব কিয়? আইভী আৰু ময়ূৰ তাইৰ পৰ নহয়। আপোন।

কেইগজমান ব্লাউজ পিচ, এযোৰ মেখেলা চাদৰ কিনি কাইলৈ আকাশীক দিব লাগিব। বিহুৰ উপহাৰ। কিমাননো টকা পৰিব? অ' কাইলৈ জানো দোকানবোৰ খোলা থাকিব? এৰা, বিহু বুলি দোকানবোৰ বন্ধ থাকিলে মস্কিলেই হ'ব।

ধেৎ, কিবোৰ যে ভাবিছোঁ। আকাশীয়ে মোৰ উপহাৰ ল'ব কিয়? মই আকাশীৰ কোন? দুখীয়া হ'লেও আকাশীৰ এটা আত্মসন্মান আছে! আত্মমৰ্য্যদা আছে। তাই সস্তীয়া গাভৰু নহয়। ময়ূৰ আৰু আইভী? সিহঁতে যদি কিবা ভাবে? যদি কয়: অসীম, তোক মই ভাল বুলি ভাবিছিলোঁ। বিশ্বাস

কৰিছিলোঁ। কিন্তু তই এটা সাপ। তোক বিশ্বাস কৰাও মহাপাপ। মেখেলা চাদৰ উপহাৰ দিবলৈ শ্বিলঙত বহুত গাভৰু পাবি। বেয়া নাপাবি; আজিৰ পৰা তই মোৰ ঘৰলৈ নাহিবি।

ছিঃ! আকাশীৰ কাৰণে মই ইমানবোৰ কথা কেলেই ভাবিছোঁ? আকাশীয়ে জানো মোৰ কথা ভাবিছে? মই তেন্তে আকাশীৰ প্ৰেমত পৰিছোঁ নে কি? আকাশীৰ প্ৰতি মই আকৃষ্ট কিয়? কিয় সহানুভূতিশীল? কিহে মোক ইমান মৰমিয়াল কৰি তুলিলে? তাইৰ অনবদ্য ৰূপে নে তাইৰ জীৱনৰ নিঃস্বতাই? গুৰুকন্যা বুলি দোহাই দিব খোজা কথাষাৰ একেবাৰে মিছা। তাইৰ ৰূপ-যৌৱনত মই তেন্তে বলিয়া নে কি? মৰম মৰম লগা আকাশীজনীৰ প্ৰতি মই জানো সঁচাকৈয়ে দুৰ্ব্বল?

ডেকা মনবোৰ বৰ অবিশ্বাসী। গাভৰু ছোৱালী দেখিলেই মনটোৱে কিলবিলাই উঠে।

কেতিয়া টোপনি আহিছিল কব নোৱাৰোঁ।

ৰাতিপুৱা। মুখ হাত ধুই চাহ জলপান খাই আহিবলৈ ওলাইছিলোঁ।

'এতিয়া যাব নোৱাৰে দেই। দুপৰীয়া খাই বৈ একেবাৰে আবেলিকৈ যাব।' এয়া মিছেছ দুৱৰাৰ কথা। মই কিবা কিবি আপত্তি দৰ্শাইছিলোঁ। ময়ূৰক সকিয়াইছিলোঁ: এনেকুৱা হ'লে মই আৰু তোৰ ইয়ালৈ কোনোদিনেই নাহোঁ দেই ময়ূৰ।

'মোৰ একো আপত্তি নাই। আইভীহঁতে যাবলৈ দিয়ে যদি যা।'

'কাৰনো কাম নাথাকে? আজি বিহুৰ দিনাখন মোৰ কথাষাৰ নাৰাখিলে মনত বৰ আঘাত পাম।'

'যাবলৈ দে বাইদেউ। আমাৰ নিচিনা দুখীয়া মানুহৰ ঘৰত কিয় থাকিব?' আকাশীৰ কথাত অনুযোগৰ সুৰ।



মই সেমেনা সেমেনিকৈ কিবা এটা কব খুজিছিলোঁ।

'নালাগে, নালাগে। য'ক গৈ। ৰ'ব, চাহ এপিয়লা আনি দিওঁ। খাই য'ক গৈ। আৰুতো নাহেই।' আকাশীয়ে কৈছিল।

মোৰো মনটোৱে কৈছিল: হেৰ গৰু, ইমান মৰম চেনেহ এৰি ক'লৈ যাব? অৱশেষত ফুটাই কৈছিলোঁ: আচ্ছা আপোনালোকৰ কথাই ৰ'ল। চেক্ৰেটাৰীয়ে হে মোক বেয়া পাব।

'চেক্ৰেটাৰীয়ে কেলেই বেয়া পাব লাগে? য'ক গৈ। আমি কিবা চেক্ৰেটাৰীৰ বেঙ্কৰ মানুহ নে? আমাৰ কথা শুনি চেক্ৰেটাৰীৰ লগত কেলেইনো বেয়া হয়?'

'কথা ক'বলৈ শিকিছা।'

'যাহ্ এইজনী। চাহ দিম বুলি কৈছিলি দেখোঁন।' আইভীয়ে কৈছিল। আকাশীয়ে মুখ টিপি হাঁহি আঁতৰি গৈছিল।

'চাহ খাই মই কিন্তু এবাৰ ওলাই যাম দেই।' কাকো লক্ষ্য নকৰি সকলোৰে উদ্দেশ্যে ক'লোঁ।

'আহিবতো?'

'মোক ইমান অবিশ্বাস কৰে নে?'

মোৰ উত্তৰটো শুনি আইভীয়ে লাজ পাইছিল।

চাহ এপিয়লা খাই ওলাই গৈছিলোঁ।

পুলিচ বজাৰৰ প্ৰায়বোৰ দোকানেই খোলা। অনা অসমীয়াৰ দোকান। গোটেই শ্বিলঙখনতে অসমীয়া মানুহৰ দোকান তিনি-খন নে চাৰিখন। পাট কাপোৰৰ দোকান। বৈশ্য আৰু সাউদৰ। আৰু দুখন নতুনকৈ দোকান খুলিছে। দোকানৰ মালিকবোৰৰ নাম নাজানো। কোনো দিনেই যোৱা নাই। বৰবজাৰলৈ খোজ ল'লোঁ। সাউদৰ দোকানখন বন্ধ। মনটো সেমেকি পাৰল। মাৰোৱাৰী দোকান এখনত সোমাই চাৰি গজ ব্লাউজ পিচ কিনি ল'লোঁ। তাৰ পিচত কিবা ভাবি বৰবজাৰৰ খট্খটীয়েদি উঠি যাব

খোজেঁাতে আসাম চিল্ক হাউচৰ বৈশ্যক লগ পালেঁা। বন্ধ দোকান-খনৰ অলপ দূৰত থিয় হৈ আছে।

'কি বৈশ্য! আজি দোকান নোখোলে নে কি?'

'আজি বিহু। দোকান বন্ধ। কৰ্ম্মচাৰী আটাইবোৰ ঘৰলৈ গ'ল। কিয়? আপোনাক কিবা লাগিছিল নে কি?'

'নেখোলে যদি নো আৰু কি কম?'

'আপোনাক কিবা লাগে যদি দিব পাৰিম বাৰু। আহক।'

বৈশ্যক অনুসৰণ কৰি দোকানৰ পিচ পিনেৰে ভিতৰলৈ সোমাই গৈছিলেঁা। লাইটৰ চুইচটো টিপি দি বৈশ্যই মোৰ মুখলৈ চাইছিল।

'পাটৰ মেখেলা চাদৰ দুখন চাওঁচোন বাৰু।'

'উকানে কেচ বছা? বুটা দিয়া ভাল মেখেলা চাদৰ আছে। কাজিৰঙা চেট দুটা লৈ যাওক। পিন্ধোতাই ভাল পাব।'

'চাওঁ বাৰু দেখুৱাওক চোন।'

বৈশ্যই ব্যস্ত হাতেৰে কেইবা সাজো কাপোৰ শ্বো কেচৰ পৰা উলিয়াই মোৰ সন্মুখত টেবুলখনত থৈ দামবোৰ মুখস্থ মতাৰ দৰে কৈ গ'ল।

'উকা মেখেলা চাদৰ যোৰৰ দাম পৰিব আপোনাৰ পঁচপন্ন টকা। বুটা দিয়া পঁয়সত্তৰ টকা। আৰু এই কাজিৰঙা চেটটোত পৰিব নব্বৈ টকা। কোনটো দিম কওক।'

'আপুনিতো ক'লেই। পইচাইহে কথা।'

মোৰ হাতত সঁচাকৈয়ে সৰহ পইচা নাছিল।

'পইচাৰ কাৰণে আপুনি কেলেই ভাবিছে? পইচা হ'ব বাৰু। আজি নাই, পিচত দিব। আপোনাৰ কোনটো পছন্দ হৈছে?'

'কাজিৰঙা চেটটো মোৰ ভাল লাগিছে। কিমান কমত দিব পাৰে বাৰু?'

'এটা চেট লাগে নে দুটা?'



'নিলে দুযোৰেই নিম।'

'এশ আশী টকা হয়। সত্তৰ টকা দিব।'

'তাতকৈ কম নহয় জানো? এশ ষাঠি?'

'এশ ষাঠি টকাত দিলে লোকচান হয়। পঁয়ষষ্ঠি দিব বাৰু। কিন্তু কেচ মেম' দিব নোৱাৰিম দেই।' মোৰ উত্তৰলৈ অপেক্ষা নকৰি বৈশ্যই কাপোৰ দুযোৰ কাগজৰ খাম এটাত ভৰাই মোলৈ আগুৱাই দিছিল।

'আপুনিতো দিলেই। কিন্তু সিমান টকাহে মোৰ লগত নাই।'

'যি আছে দিয়ক।'

মোৰ লগতে নব্বৈ টকাই আছিল। উলিয়াই দিলেঁা। বৈশ্যই আশী টকা ৰাখি দহ টকীয়া নোট এখন মোলৈ ওভোতাই দিলে।

'নব্বৈ টকা দিলে আপোনাৰ হাতত দেখোন আৰু টকাই নাথাকিব। দহ টকা ৰাখক।'

কৃতজ্ঞতাত মনটো মোৰ ভৰি পৰিল।

পাট-মুগাৰ কাপোৰ মই মোৰ কাৰণে নিকিনো। কিন্তু দামবোৰ জানো। নিজৰ কাৰণে নিকিনিলেও মিছেছ গোস্বামীৰ প্ৰায়বোৰ কাপোৰ ময়েই কিনি দিওঁ। তাৰোপৰি গোস্বামীয়ে বিয়াই সবাহে দিব লগীয়া উপহাৰৰ পাট-মুগাৰ কাপোৰবোৰ প্ৰায়ে মোৰ হতুৱাই কিনায়। সেই সূত্ৰপাততে বৈশ্যৰ লগত মোৰ চিনাকি। বৈশ্যৰ ধাৰণা: মই ধনী মানুহ।

ধন্যবাদ এটা জনাই ওলাই আহিলেঁা।

ব্লাউজ পিচ কেইটা কাপোৰ সাজৰ লগত মিলিব নে নাই ভাবি ভাবি আহোঁতে কেতিয়া ময়ূৰহঁতৰ ঘৰ পালোঁ কবই নোৱাৰিলেঁা। গাত ৰ'দ লগাই চোতালতে মূঢ়া এটাত বহি আছিল ময়ূৰ।

'কি অ' ইমানবোৰ কি কিনিলে?'

কাপোৰৰ টোপোলাটো ময়ূৰলৈ আগুৱাই দিলেঁা। সি

টোপোলাটো খুলি আচৰিত হৈ গ'ল। অবাক দৃষ্টিত মোৰ চকুলৈ চালে। সন্দেহ আৰু আশঙ্কাত মোৰ বুকুখন কঁপি উঠিল।

কিছু সময়ৰ মৌনতা। অস্বস্তিত মই উদ্বিগ্ন হৈ পৰিছোঁ। ময়ূৰৰ তিৰস্কাৰৰ কাৰণে নিজকে সাজু কৰি তুলিবৰ বাবে যত্ন কৰিছোঁ। এবাৰ ভাবিছোঁ ঃ মোকনো কিহে পাইছিল এইবোৰ কিনিবলৈ। মোৰ বলিয়ালিৰ কাৰণে মই গালি খোৱাই উচিত। সি যদি মোক সঁচাকৈয়ে গালি পাৰে মই কি কম ? আকাশীহঁতৰ সন্মুখত ইমান অপমান মই কেনেকৈ সহ্য কৰিম ? কম নে কিঃ এইবোৰ মিছেছ গোস্বামীয়ে কিনিবলৈ দিছিল। তাকেহে কিনি আনিলোঁ।

'বিহু খাবলৈ নিমন্ত্ৰণ কৰি তোক জৰিমনাহে ভৰালোঁ।'

বৰ সেমেকা সুৰত বহু সময়ৰ পিচত ময়ূৰে কৈ উঠিল। তাৰ কথাৰ প্ৰতিটো শব্দত অনুশোচনাৰ সুৰ। সি যেন মোক বিহুলৈ নিমন্ত্ৰণ নকৰাই ভাল আছিল। এনে এটা ভাব তাৰ কথাত ফুটি উঠিল।

সাহস পাই ক'লোঁ ঃ 'কেনেকৈ জৰিমনা ভৰোৱা হ'ল ?'

'এইবোৰ আকাশী আৰু আইভীৰ কাৰণে কিনা নাই জানো ?'

'তোক কোনে ক'লে ? আনৰ কাৰণে জানো আৰু কিনিব নোৱাৰি ? পৰোক্ষভাৱে তই কব খুজিছ যে বিহুলৈ নিমন্ত্ৰণ কৰিলে নিমন্ত্ৰিতই উপহাৰ লগত লৈ আহিব লাগিব।'

'নাই নাই। তই ভুল বুজিছ। তই আকাশীহঁতলৈ কিনি অনা বুলিহে কৈছিলোঁ।'

'নহয় অ'। মিছেছ গোস্বামীয়ে কিনিবলৈ দিছিল। কিনি লৈ আহিলোঁ। আবেলি যাওঁতে লৈ যাম।'

'হয় নে কি ? বৰ ভাল কৰিলি। মই আকৌ ভাবিছিলোঁ আকাশীহঁতৰ কাৰণেহে কিনিছ।' চকু-মুখত তাৰ সন্তুষ্টিৰ ছাপ।

'নহয় ময়ূৰ, তোক এতিয়া ফাকি দিলে কি হ'ব ? আকাশীহঁতক



মই সঁচাকৈয়ে কিবা এটা দিয়া উচিত। কেতিয়াবাকৈ দিম বাৰু।'

'ধেৎ তই পাগল হ'লি নেকি ?' মোৰ ভুল অনুমানটোকে তই ইমান চিৰিয়াচ্‌লি লবি বুলি মই ভবা নাছিলোঁ।'

ময়ূৰক জব্দ কৰাৰ কাৰণে আৰু কিবা কিবি কম বুলি ভাবিছিলোঁ। এনেতে ভিতৰৰ পৰা চোঁতাললৈ আকাশী ওলাই আহিছিল। মই আকাশীক দেখি মনে মনে ৰ'লোঁ। ময়ূৰৰ ওচৰত আন মূঢ়া এটাতে বহি পৰিলোঁ।

'শুনা আকাশী।'

আকাশী আমাৰ ওচৰলৈ আহিছিল।

'আই ঐ দেহি। ইমান ধুনীয়া কাপোৰ। কোনে আনিছে ? কাৰ ?'

'মই আনিছোঁ।'

'মোক দিব ?' আকাশীৰ চকুত আনন্দৰ চাৰনি।

আকাশী তেতিয়া কাপোৰবোৰ লিৰিকি-বিদাৰি চোৱাত ব্যস্ত।

'চেক্ৰেটাৰীয়ে কিনিবলৈ দিছিল। কাৰোবাক দিব হেনো।'

কৈছিলোঁ। এটা মিছা কথা। আকাশীৰ মন চাইছিলোঁ।

আকাশীয়ে মোৰ মুখলৈ চাইছিল। চকুত এটা অসহায় দৃষ্টি। সেমেকা। কিবা এটা হেৰুউৱাৰ বেদনা।

'তোমাকো লাগে নে কি আকাশী ?'

'ইমান দামী কাপোৰ আমি কি কৰিম ? আমাক নুশুৱায়।'

বৰ দুৰ্ব্বল মাতেৰে আকাশীয়ে উত্তৰ দিছিল।

'বাইদেউ, চাহিচোন বাইদেউ।' বুলি কাপোৰবোৰ সাৱটি লৈ আকাশী ভিতৰলৈ সোমাই গৈছিল।

ময়ূৰে সুধিছিল ঃ চাহ একাপ খাবি নে কি ?

'নাখাওঁ। কিমাননো চাহ খাবি ? কেতিয়াবা বিহুৰ উপহাৰ লৈ আহিলে খাম বাৰু।' ময়ূৰে একো নামাতিলে। কথাষাৰে

তাৰ মনত আঘাত দিয়া যেন মোৰ অনুমান হ'ল। আকাশী ওলাই আহি কাপোৰ দুসাজ জাপি মোলৈ আগুৱাই দিছিল। ব্লাউজ পিচ দুটাৰ দাম সুধিছিল।

'মোক কেলেই দিছা? ভাঁজবোৰ ভাঙি ছিঙি দিলে কোনে ল'ব?'

'ঔ আই। এনেহে সোণ লগা কাপোৰ নে? আমি ছুলেও জগৰ লাগে?'

'লাগিবতো। ওভোতাই দিব নালাগে। নতুন কাপোৰ দিব নোৱাৰালৈকে বায়েৰা আৰু তোমাৰ তত্বাৱধানতে থাওক।

আকাশীয়ে মোৰ মুখলৈ চাই ৰ'ল। চকুত অপৰাধীৰ দৃষ্টি। মোৰ চকু দুটাই হাঁহিছিল। 'কি বেঙী অ' এইজনী। তোমালোক বায়েৰা ভনীয়েৰাক দিছে। নিয়া।' ময়ূৰে কৈছিল। ময়ূৰৰ কথাষাৰ শুনি আকাশী ফেটী সাপৰ দৰে ফেট তুলি উঠিল।

'কি? আমাৰ কাৰণে ইমানবোৰ টকা আপোনাক খৰচ কৰিবলৈ কোনে কৈছিল? এতিয়াই ওভোতাই দি আহকগৈ।'

'কোনোবাই কাৰোবাক সুধিহে দিয়ে নে কি?'

'দিয়েতো।'

'তেনেহ'লে তোমালোকে মোক সুধিহে বিছুলৈ মাতিছিলা নে কি?'

'অ' তাৰ মানে আপুনি উৰুকাৰ···। নাই নকওঁ। বাইদেউ, অ' বাইদেউ।'

আইভী ওলাই আহিছিল।

'এয়া তোক দিছে। নে। যোৱা ৰাতি ভাত খুওৱাৰ পুৰস্কাৰ।'

'আমাৰ কাৰণে কিনিছে? আপোনাৰ আৰু কাম নাই। ইমানবোৰ টকা পানীত পেলাবলৈ আপোনাক কোনে কৈছিল?'



'পানীত পেলোৱা বুলি আপোনাক কোনে ক'লে? বৈশ্য দোকানী তেতিয়া হ'লে দেখোন হাৰ্ট ফেল কৰিব।'

'এইবোৰ মই ভাল নাপাওঁ দেউ। কিনিছে কিনক। মোৰ কাৰণে কেলেই? তাই গাভৰু ছোৱালী। বোৱাৰী মানুহজনীক এইবোৰে কিবা শুৱায় নে?'

'এইবোৰ বোৱাৰী মানুহৰ কাৰণেই।'

'হওক বোৱাৰী মানুহৰ কাৰণে। আমাৰ নিচিনা দুখীয়া মানুহৰ কাৰণে নহয়। আকাশীক দিব খুজিছে দিয়ক। এসাজ এতিয়াও ওভোতাই দিয়ক গৈ।'

'মোকনো কেলেই লাগিছে? দুয়োযোৰেই ওভোতাই দিয়ক। তাতকৈ দুযোৰ সূতাৰ মেখেলা-চাদৰ অনা হ'লেও হ'লহেঁতেন।'

কথা বঢ়াই লাভ নাই। মই মনে মনে ৰ'লোঁ।

'যি হৈছে, হৈছে। যোৱা। এতিয়া থৈ দিয়াগৈ। আমাক দুকাপ চাহ দিয়া।'

ময়ূৰে ধমক আৰু আদেশৰ সুৰত কৈ উঠিল।

'ইমান আপত্তিনো কেলেই কৰিছে? ওভোতাই দিবলৈ জানো মোৰ এটা সন্মান নাই?'

'আপুনি ভৱিষ্যতলৈ আমাৰ বাট মাৰিলে। আজিৰ পৰা আপোনাক চাহ এপিয়লা খাবলৈও আৰু মাতিব নোৱাৰা হ'লোঁ।'

'আপোনালোকে নামাতিলেও মই নিজেই আহিম নহয়।' হাঁহি হাঁহি কৈছিলোঁ।

'নে আকাশী। কাপোৰ দুযোৰ থৈ দেগৈ। দুয়োযোৰ তয়ে পিন্ধিবি।'

'মোকনো কেলেই?'

'এৰা, মই তেনেহ'লে পিন্ধি-উৰি ভাতৰ চৌকাত সোমালেহে হ'ব।'

আকাশী আৰু আইভী আঁতৰি গৈছিল। মই লক্ষ্য কৰিছিলোঁ ঃ আইভী আৰু আকাশীয়ে কাপোৰ তুসাজ পাই যেন বৰ ভাল পোৱা নাই। কাপোৰ তুসাজ দেখি আনন্দত উজ্জ্বল হৈ পৰা আকাশীৰ মুখখন গহীন হৈ পৰিছে।

'তই মিছাতে ইমানবোৰ খৰচ কৰিব নালাগিছিল অসীম।'

মই নামাতিলোঁ। যিমান আগ্ৰহ লৈ কাপোৰখিনি কিনি আনিছিলোঁ, আকাশীহঁতৰ হাতত তুলি দিয়াৰ পিচত সিমান আনন্দ যেন নাপালোঁ। গ্ৰহীতাৰ তৃপ্তিয়েই দাতাৰ আনন্দ। তৃপ্তি। সন্তুষ্টি।

আকাশীক কলেজত পুনৰ ভৰ্ত্তি কৰি দিয়াৰ কথা কৈ আবেলি ঘৰলৈ আহিছিলোঁ।

তাৰ কেইদিনমান পিচত। তুশ টকা ময়ূৰক দিছিলোঁ। আকাশীয়ে কলেজত দিবলগীয়া মাচুল।

দিনবোৰ বাগৰি গৈছিল। এমাহ-তুমাহকৈ তিনি মাহ। ইয়াৰ ভিতৰত আকাশীহঁতৰ ঘৰলৈ মই যোৱা নাই। ময়ূৰেও মতা নাই। মাহে মাহে আকাশীৰ কলেজৰ ফিজ ময়ূৰৰ হাততে দি পঠিয়াইছিলোঁ। সি ল'ব খোজা নাছিল। মই জোৰকৈয়ে দিছিলোঁ।

ৰঙালী-বিহুলৈ বেচি দিন নাছিল। ভাবিছিলোঁ ঃ বিহু খাবলৈ ময়ূৰে মোক এইবেলিও নিশ্চয় নিমন্ত্ৰণ কৰিব। কিন্তু নকৰিলে। বিহুৰ আগদিনাখনলৈকে অপেক্ষা কৰিছিলোঁ। ময়ূৰ মোৰ ওচৰলৈ আহিব। ক'ব ঃ কাইলৈ এবাৰ মোৰ তালৈ পাক এটা মাৰিবি। কিন্তু ময়ূৰ নাহিল।

ৰঙালী-বিহু অসমীয়াৰ বিহু। প্ৰাণৰ। বিহুতলী অসমীয়া কৃষ্টি-সভ্যতাৰ কঠীয়াতলী। ভাষাই ঠন ধৰে। মৰম-চেনেহবোৰে গজালি মেলে। কৃষ্টিৰ মাৰল-ঘৰত বৰ-সবাহ বহে। অসমীয়াৰ মনত জীপ লাগে। ৰঙাই তোলে ডেকা-গাভৰুৰ মনৰ আকাশ। ঐক্যৰ বৰ ভেঁটি সাজে।



শ্বিলঙৰ হায়দৰী পাৰ্কে ৰাজধানীত বিহুতলীৰ ৰূপ লয়। আঁহত গছ নাই। সৰল গছ আছে। অসমীয়া, অনা-অসমীয়া জুম খায়। বিহু-গীত, বিহু-নাচৰ কাৰ্য্যসূচী বাদ দি হ'লেও এচাম অসমীয়া ডেকাই অসমীয়াৰ সনাতন সংস্কৃতি এটাক জীয়াই ৰখাৰ চেষ্টা কৰে। স্পেনিচ্ গীতাৰত সুৰৰ লহৰ তোলে। ভাইঅ'লিনৰ সুৰে ইনাই-বিনাই কান্দে। মেণ্ড'লিনৰ হুঙ্কাৰে ৰভাতলী খলক লগায়। পিয়ানোৰ ৰীড্‌বোৰে কঁপি কঁপি চিঞৰে।

ওলাইছিলোঁ বিহুতলীলৈ। কিন্তু পালোঁগৈ ময়ূৰহঁতৰ ঘৰ। ময়ূৰ তেতিয়া ঘৰত নাছিল। আইভীলতাই চোঁতালৰ ডাঁৰডালত মেলি দিয়া কাপোৰবোৰ সামৰি আছিল। মোক দেখি চিঞৰি উঠিল ঃ আই ঐ! আমাৰ কি সৌভাগ্য! আকাশী এয়া কোন আহিছে চাহিচোন।

'আপোনালোকে নামাতিলে বুলিয়েই নাহিম নে? মোলৈ পিচে বিহুৰ পিঠা-পনা আছে নে নাই?'

ইতিমধ্যে আকাশী চোঁতাললৈ ওলাই আহিছিল।

'অ' ভিনিহিদেউ।'

'কিহে আকাশী! মোক দেখোন বিহু খাবলৈ নামাতিলা? কি জগৰ লগালোঁ?'

'যা আকাশী। ভিনিহিয়েৰক বহিবলৈ দেগৈ।'

চাহ-জলপান খাই আহিবলৈ ওলাইছিলোঁ। আকাশীয়ে কৈছিল ঃ 'আপোনাক এইবাৰ ইচ্ছা কৰিয়েই মতা নাই। বিহুলৈ মাতি আপোনাক জৰিমনাহে ভৰোৱা হয়।'

'ময়ূৰ পিচে ক'লৈ গ'ল?'

'আপোনাৰ তালৈকে গৈছে হ'বলা।'

'লগ নাপালোঁচোন। তেন্তে মই উঠোঁহে। ময়ূৰক ক'ব ঃ মই আহিছিলোঁ।'

মই উঠিব খুজিছিলোঁ। এনেতে আকাশীয়ে বটা এটাত

তামোল-পাণ এযোৰ লৈ ওলাই আহিছিল। বটাটো মোৰ ওচৰতে থৈ মোৰ ভৰি দুখন চুই সেৱা কৰিছিল। মই আচৰিত হৈ গৈছিলোঁ।

‘ছিঃ আকাশী, এইবোৰ কি কৰিছা? নাপায় নহয়।’

‘আপুনি তাইৰ ভিনিহিয়েক নহয় জানো? বিহুৰ দিনা ডাঙৰক সেৱা কৰাত একো দোষ নাই।’

তাৰ পিচত দুই-চাৰি আষাৰ কথা পাতি মই আহিবলৈ ওলাইছিলোঁ। আকাশীক পঢ়াৰ কথা সুধিছিলোঁ।

‘মাজে-সময়ে আহিবচোন। আপুনিচোন নাহেই। তাইক মাজে-সময়ে কিবা-কিবি অলপ বুজাই দিবহি। বহু দিন কলেজ খতি হ’ল।’

মই একো নক’লোঁ। বিদায় লৈ আঁতৰি আহিলোঁ।

বিহুতলীত সোমাব খুজিও নোসোমালোঁ। ময়ূৰ হয়তো মোৰ ঘৰত মোলৈকে ৰৈ আছে। ঘৰলৈ পোনাই খোজ ল’লোঁ।

ওৰে-বাটে ভাবি আহিছিলোঁ: বিহুৰ দিনাখন তেওঁলোকে মোক বিহুৱান এখনো দিবলৈ নাপায় নে? মোলৈ ইমানেইহে মৰম! পেটে পেটে মোৰ খং উঠিছিল। মনটো সেমেকি পৰিছিল। আকাশীহঁতে যেন মোক তাচ্ছিল্য কৰিছে। অপমান কৰিছে। মই দেখুওৱা মৰম আৰু সহানুভূতিৰ অৱমাননা কৰিছে। মনটো মোৰ বিদ্ৰোহী হৈ পৰিছিল। অশান্ত হৈ উঠিছিল। কাৰোবাৰ ওপৰত মোৰ ভীষণ খং উঠিছিল। বিহুৰ দিনাখন মইনো সিহঁতৰ ঘৰলৈ কেলেই মৰিবলৈ গৈছিলোঁ। আকাশী মোৰ কোন? তাইক ইমানখিনি সহানুভূতি দেখুওৱাৰ কি আৱশ্যক?

ছিঃ, কিবোৰ যে ভাবিছোঁ? বেচেৰীহঁতে মোকনো ক’ৰ পৰা বিহুৱান দিব? এয়া কিবা গাওঁ নে? সিহঁতৰ নিজৰে পানীত হাঁহ নচৰা অৱস্থা। তেনেস্থলত মোক বিহুৱান দিবলৈ সামৰ্থ্য ক’ত?

ঘৰ পাই দেখিছিলোঁ মোৰ ওচৰলৈ কোনো অহা নাই।



বাপুটিক মাতি আনি সুধিব খুজিছিলোঁ: মোক বিচাৰি কোনোবা আহিছিল নে কি? কিন্তু নুসুধিলোঁ। নিজৰ ওপৰতে মোৰ ভীষণ খং উঠিল। ময়ূৰ আহিব বুলি মিছাতে কেলেই মই ইমান লৰা-লৰিকৈ গুচি আহিলোঁ? বিহুতলীত সোমাই অহা হ’লেও হ’লহেঁতেন। মনতে কৈ উঠিলোঁ: পৃথিবীৰ আটাইবোৰ মানুহেই অকৃতজ্ঞ।

আকৌ বিহুতলীলৈ ওলাই যাম নে—কি কৰিম ভাবিছিলোঁ। মনটো সেমেকি পৰিছিল। বিহুতলীলৈ যোৱাৰ ইচ্ছা আৰু নহ’ল। কানি-কাপোৰ খুলি বিচনাত দীঘল হৈ পৰিলোঁ। বিহু সংখ্যা হিমাচলখন হাতত লৈ এনেই পাতবোৰ লুটিয়াই আছিলোঁ।

‘কি অ’? তহঁত ডেকা ল’ৰাবোৰক ঘৰত বিচাৰি পোৱাই টান। ক’লৈ গৈছিলি?’

চকুৰ আগৰ পৰা কাগজখন আঁতৰাই চাই পঠিয়ালোঁ। ময়ূৰ। হাতত দুটা টোপোলা।

‘অ’ ময়ূৰ বহ্ বহ্। মই তহঁতৰ পিনেই ওলাই গৈছিলোঁ অ’। ঘৰৰ পৰাচোন তই কেতিয়াবাই ওলাই আহিলি।’

‘এই বাৰৰ সৈতে তোৰ ইয়ালৈ অহা তিনিবাৰ হ’ল? ঘৰত কোনো নাই। তয়ো, বাপুটিও। দীপ্তিপ্ৰখৰতো ঘৰত নাথাকেই। তহঁতক ঘৰত নাপাই বিহুতলীত বিচাৰিছিলোঁগৈ।’

ময়ূৰৰ কথাষাৰ শুনি বাপুটিক মাতি আনি সুধিছিলোঁ: সি ক’লৈ গৈছিল?

‘একবাৰ বিহুৰ ফালে ওলাই গেইছিলু দ’ক। ঘৰটুত নু আৰু কিমান সোমাই থাকিম?’

কৈছিলোঁ: ‘বৰ ভাল কৰিছিলি। যা, এতিয়া আমাক চাহ দুকাপ দে।’

বাপুটি আঁতৰি গৈছিল।

‘তই আমাৰ পিনে গৈছিলি নে কি অসীম?’

‘ও।’

‘মই তেন্তে মিছাতে আহিলোঁ।’

‘কেলেই ? আহিলে মহাভাৰতখন কিবা অশুদ্ধ হয় নে কি ?’

‘একো নহয়। কিন্তু মানে দুই-চাৰিজন ওচৰ-চুবুৰীয়া বিহু বুলি ঘৰলৈ আহিব পাৰে।’

‘এৰা, পিচে মোকহে বিহুলৈ নামাতিলি দেখোন। মই নিজেহে গ’লোঁ।’

‘তোক নিমন্ত্ৰণ কৰি আৰু কেইটামান টকা ভৰোৱালেহে হ’ব।’

‘অ’ সেই কাৰণেই হ’বলা নামাতিলি ?’

‘আকাশীয়ে তোলৈ এইয়া বিহুৰ পিঠা কেইটামান দিছে হ’বলা। আৰু এইটো ল। মই দিয়া নাই দেই। আকাশীয়ে দিছে।’

ময়ূৰে আগুৱাই দিয়া কাগজৰ টোপোলাটো খুলি চালোঁ। এখন ধুতি, এটা পাটৰ পঞ্জাৱী আৰু এখন গামোচা। ফুলাম কাপোৰ সাজ দেখি মই অবাক হৈ গ’লোঁ। চকু স্থিৰ হৈ ৰ’ল।

ময়ূৰক কিবা-কিবি তিৰস্কাৰ কৰিম বুলি মুখ মেলাৰ আগতেই সি কৈ গ’ল : ‘মোক গালি পাৰিলে একো নহয়। আকাশীয়ে দিছে বিহুৱান। মই মাত্ৰ তোৰ ওচৰলৈকে কঢ়িয়াই লৈ আহিছোঁ। কিবা ক’বলগীয়া থাকিলে ঘৰলৈ গৈ আকাশীক কবি। মোক নহয় দেই।’

‘কিন্তু তোৰ পইচাৰে তয়েতো কিনিছ ?’

‘ওহো। আকাশীয়ে নিজে কিনিছে। আকাশীৰ পইচা।’

‘আকাশীয়ে পইচা ক’ত পালে ?’

‘জমাইছিল। ছোৱালীবোৰ পইচা সঞ্চয়ত পাকৈত।’

একো নক’লোঁ। মনে মনে ৰ’লোঁ।

বাপুটিয়ে ছুপিয়লা চাহ আনি দিছিল। ময়ূৰে অনা পিঠাৰ টোপোলাটোৰ পৰা পিঠা কেইটামান লৈ আমি চাহ খাইছিলোঁ।

জুলাই মাহৰ শ্বিলং। সেমেকা আকাশ।



যোৱা নিশাৰ পৰা নেৰানেপেৰা বৰষুণ। ৰাতিপুৱা তিতি-বুৰি অফিচ পাইছিলোঁগৈ। ঠাণ্ডাত হাত-ভৰিবোৰ কঁপিছিল। ইলেক্‌ট্ৰিক হিটাৰটো জ্বলাই হাত-ভৰিবোৰ তপতাইছিলোঁ। তিতা কানি-কাপোৰবোৰ শুকুৱাইছিলোঁ। চাহ, চিগাৰেট খাই ভৰিৰ তিতা জোতাযোৰ খুলি কাপোৰবোৰ শুকোৱাওঁতেই প্ৰায় তিনিটা-মান বাজিছিল। দিনৰ দিনটো কলম হাতেৰে স্পৰ্শ কৰা নহ’ল।

অফিচৰ পৰা আহি কানি-কাপোৰবোৰ খুলি চাহ-জলপান খাই উঠাৰ অলপ পিচতে গধূলি হৈছিল। দীপ্তিপ্ৰখৰে মোৰ পানী কোট আৰু পানী-টুপীটো পিন্ধি ওলাই গৈছিল। সি ক’লৈ গৈছিল জানো। কিন্তু সি নক’লেও মই জানো : ৰাতিলৈ দীপ্তিপ্ৰখৰ ঘৰলৈ উভতি নাহে। বাপুটিক মাতি আনি কৈছিলোঁ : আজি মাংসকে খোৱা যাওক। বুইছা বাপুটি ?

‘হবোক দক্। পইচা দিলি আইন্‌বা পাৰিম।’

পইচা লৈ বাপুটি ওলাই গৈছিল।

বাহিৰত ভালকৈয়ে এন্ধাৰ হৈছিল। বাপুটি বজাৰৰ পৰা উভতি অহা নাই। বিচনাখনতে দীঘল হৈ পৰি দ্বিতীয় পাঁচবছৰীয়া পৰিকল্পনাৰ প্ৰতিবেদনখনৰ পাতবোৰ লুটিয়াই আছিলোঁ। দ্বিতীয় পৰিকল্পনাৰ কালছোৱাত চৰকাৰে লোৱা উন্নয়নমূলক কামৰ লক্ষ্য, অগ্ৰগতি আৰু ব্যয়ৰ অঙ্কৰ সমানুপাত উলিয়াইছিলোঁ। এনেতে তিতা কাপোৰ আৰু তিতা জোতা এযোৰ পিন্ধি কোনোবা এজন ভিতৰলৈ সোমাই অহাৰ গম পাইছিলোঁ। ভৰি আৰু কাপোৰৰ শব্দৰ পৰাই মই অনুমান কৰি লৈছিলোঁ : আগন্তুকজন বাৰু-কৈয়ে তিতিছে।

ভাবিলোঁ : বাপুটি। কিন্তু পিচ মুহূৰ্ত্ততে মনত পৰিল : বাপুটি বজাৰৰ পৰা আহি কেতিয়াও বাহিৰৰ কোঠাটোৰে ভিতৰ নোসোমায়। বিশেষকৈ মই যেতিয়া ঘৰত থাকোঁ। বজাৰৰ পৰা

শাক-পাচলিৰ টোপোলাটো লৈ সি পোনে পোনেই পাগঘৰলৈ যায়। কাৰণটো মই বুজোঁ।

চকুৰ আগৰ পৰা প্ৰতিবেদনখন আঁতৰাই চালোঁ: ময়ূৰ। তিতি-বুৰি জুৰুলি-জুপুৰি হৈ ভিতৰলৈ সোমাই আহিছে।

'ময়ূৰ দেখোঁন অ'! তেনেই তিতিলি হ'বলা ?'

'এৰা, যিহে লেতেৰা বৰষুণ।'

মই কোৱাৰ আগতে কাঠৰ চকী এখনৰ পৰা গাদীখন আঁতৰাই ময়ূৰ বহি পৰিছিল।

'কি হ'ল ক'চোন ময়ূৰ ?'

'মই কলিকতালৈ যাব লাগে অ'।'

'কিয় ?'

'ডেপুটি চেক্ৰেটাৰী কলিকতালৈ যাব। মোকো লগতে যোৱাৰ কথা কৈছে।'

'কলিকতালৈ কেলেই ?'

'ট্ৰেড্ এডভাইচাৰ অফিচৰ পৰা ইকুইপ্‌মেণ্টৰ কিবা-কিবি হিচাপ আনিব লাগে হেনো।'

'ভালেহে। যাগৈ।'

'তইতো কৈছই। মইহে বুজিছোঁ কিমান লেঠা।'

'লেঠাটো আকৌ কিহৰ ? কলিকতাখনো চোৱা হ'ল। টি-এ. ও পাবি।'

'যিটোহে টি-এ উঠিব। দৰ্মহাৰ পৰা আৰু এশমান টকা যাবহে।'

'কেলেই ?'

'যাবলৈ হ'লে ভাল কানি-কাপোৰতো অন্ততঃ দুযোৰ লাগে।'

'নিশ্চয়।'

'সেই কাৰণেই মোৰ যোৱাৰ ইচ্ছা নাছিল। তাৰোপৰি ওৱাইফৰ কথাটো বোধ হয় তই জানই!'



'মানে ?'

'তাই যে মাতৃ হোৱাৰ পথত!'

'হয় নে কি ? মইতো নাজানো। মই অৱশ্যে তহঁতৰ পিনে বহুদিন যোৱা নাই।'

'কেলেই যাবি ? মইহে আহিব লাগে।'

মই একো নক'লোঁ। আইভীলতা যে মাতৃ হোৱাৰ পথত সেই কথা মই সঁচাকৈয়ে নাজানিছিলোঁ।

'ইমান আপত্তি কৰিলোঁ। কিন্তু ডেপুটি চেক্ৰেটাৰীয়ে একোতে নামানে।'

'তেন্তে কি কৰিব খুজিছ ?'

'উপায়তো আৰু নাই। যোৱাটোকে ঠিক কৰিছোঁ। চাকৰি কৰিছোঁ যেতিয়া ওপৰৱালাৰ হুকুম মানিবই লাগিব।'

'কেতিয়াকৈ যাবি ?'

'কাইলৈ ৰাতিপুৱা।'

'কাইলৈ ৰাতিপুৱা ? পইচা-পাই জানো যোগাৰ হ'ল ?'

'এড্‌ভান্স টি-এ ল'লোঁ।'

'কিমান ?'

'আচলতে টি-এ উঠিব, ধৰ খুউব বেচি তিনি-শ। মই ল'লোঁ পাঁচ-শ। ডেপুটি চেক্ৰেটাৰীয়েই ক'লে: আপোনাৰ পইচাৰ অসুবিধা যেতিয়া টকা পাঁচ-শকে লওঁক। মই মঞ্জুৰ কৰি দিম। পিচত ঘূৰাই দিবলগীয়া হ'লে কিবা এটা কৰিম বাৰুচোন। সেই কাৰণেই ল'লোঁ আৰু। আচলতে পাঁচ-শ টকাৰ কমত মোৰ খৰচ কোনোমতেই নুজুৰেগৈ। হ'ল্ডঅ'লৰ পৰা বিচনালৈ সকলোবোৰ নতুনকৈ কিনিবলগীয়া হৈছে।'

ময়ূৰ কোৱাৰ পৰা বৈ গৈছিল। তাৰ পিচত আকৌ কৈছিল: 'তোৰ ওপৰতে ভাৰসা কৰি আইভীহঁতক এৰি থৈ গ'লোঁ। অলপ খা-খবৰ লবি। ঘূৰি আহোঁতে এসপ্তাহ, ডেৰ-সপ্তাহমান লাগিব

পাৰে। যিমান সোনকালে পাৰোঁ মই সিমান সোনকালেই আহিবৰ যত্ন কৰিম।'

'বুজিছোঁ, কিন্তু এনেকুৱা অৱস্থাত…?'

'উপায়তো আৰু নাই। আমিতো চাকৰি কৰা নাই। কৰিছোঁ গোলামি। অফিচলৈ যাওঁতে পাঁচ মিনিট পলম হ'লেই ক্ৰছ। কৈফিয়ৎ। আৰু কত কি?'

'মই খবৰ লম বাৰু। কিন্তু যিমান সোনকালে পাৰ তই গুচি আহিবি।'

'তই ক'বই নালাগে' বুলি ময়ূৰে জেপৰ পৰা এজাপ নোট উলিয়াই তাৰ পৰা কেইখনমান দহটকীয়া নোট মোলৈ আগুৱাই দি ক'লে: 'এইখিনি তোৰ হাতত ৰাখ। হঠাৎ ৰাতি-বিয়লি কিবা এটা হ'লে ক'ত পাবি?'

'তয়ে ৰাখচোন। টকাৰ কাৰণে তই ভাবিব নালাগে। তাতকৈ পাৰ যদি কিছু টকা ঘৰত দি যাবি। নোৱাৰিলেও নাই। মোৰ হাতত টকা আছে। তোৰ অসুবিধা হয় যদি ঘৰত নিদিলেও হ'ব।'

'অশেষ ধন্যবাদ। মই এতিয়া আহোঁ। কিবা-কিবি যোগাৰ-পত্ৰ কৰিবলৈ আছেই নহয়।'

''যাৱই নে কি? চাহ এপিয়লা নাখাৱ জানো?'

'নাই। এতিয়া থাওক আৰু। কিন্তু তোৰ ওপৰতে সকলোবোৰ নিৰ্ভৰ কৰি থৈ গ'লোঁ দেই। তই নিতৌ অন্ততঃ এবাৰ খবৰ লবি। আৰু এটা কথা—তই যদি বেয়া নাপাৱ…'

ময়ূৰ ৰৈ গৈছিল।

'ক।'

'তই মোৰ তাতো থাকিব পাৰ দেখোন।'

'কিবা এটা কৰিম বাৰু। তই সিমান চিন্তা কৰিব নালাগে।'

দ্বিতীয়বাৰ ধন্যবাদ জনাই ময়ূৰ ওলাই গৈছিল।



ময়ূৰ যোৱাৰ তৃতীয় দিনা।

আবেলি খবৰ লৈ গম পাইছিলোঁ: আইভীৰ গা ভাল নহয়।

এই কেইদিন ময়ূৰ যোৱাৰ পৰা আইভীহঁতৰ ঘৰলৈ সদায় আবেলি গৈছোঁ। খবৰ কৰিছোঁ। কিন্তু আইভীক লগ পোৱা নাই। জানো: আইভী ঘৰতে আছে। কিন্তু আইভী মোৰ ওচৰলৈ ওলাই আহি কথা পতা নাই। আকাশীৰ সৈতে মই কথা পাতিছোঁ। আকাশীয়ে মোক চাহ-জলপান দিছে। খাইছোঁ।

সিদিনা আকাশীয়ে কৈছিল: আজি ৰাতিলৈকে কিবা এটা হ'ব পাৰে ভিনিহিদেউ। মোৰ যে ভয়েই লাগিছে। অকলে কি যে কৰিম?

আকাশীৰ কথাত অসহায়ৰ সুৰ।

'তুমি চিন্তা নকৰিবা আকাশী। আজি ৰাতি ময়ো ইয়াতে থাকিম।' বাইদেৱেৰাক সুধি আহাগৈ: মই ইয়াত থকাত কিবা আপত্তি আছে নে কি?

মোৰ কথাষাৰ শুনি আকাশীৰ মুখখন উজ্জ্বল হৈ উঠিছিল। কৈছিল: ইহ্, তাই কেলেই আপত্তি কৰিব? ভালেহে পাব। মোৰে শপত। আপুনি থাকিব দেই ভিনিহিদেউ।

আকাশীয়ে যেন মোক বিশ্বাস কৰিব পৰা নাছিল। বাৰে বাৰে সুধিছিল: মই সঁচাকৈয়ে ৰাতি তাত থাকিম জানো?

আকাশীয়ে চাহ একাপ আনি দিছিল। সুদা চাহ। খাইছিলোঁ। চাহ কাপ খাই মই ঘৰৰ পৰা আহোঁগৈ দেই বুলি আকাশীৰ ওচৰত বিদায় লৈছিলোঁ। মোৰ কথাষাৰ শুনি আকাশী শেঁতা পৰি গৈছিল। তাই যেন কান্দি দিব। কৈছিল: আপুনি তেন্তে আমাৰ ইয়াত নাথাকে?

'থাকিম। থাকিম। ইমান চিন্তা কৰিছা কেলেই? মই আহিম নহয়?'

'সঁচাকে আহিবতো ভিনিহিদেউ। মোৰে শপত আহিব দেই।'

'আহিম। তুমি চিন্তা নকৰিবা।'

'আপোনালৈ মই ইয়াতেই ভাত ৰান্ধিম ?'

আকাশীৰ কথাষাৰ শুনি মই থমকি ৰ'লোঁ। ক'ব খুজিছিলোঁ ঃ মোলৈ ভাত ৰান্ধিব নালাগে আকাশী। কিন্তু নক'লোঁ। তেনেদৰে ক'লে আকাশীয়ে মোক নিশ্চয় অবিশ্বাস কৰিব। ফুটাই ক'লোঁ ঃ ৰান্ধিবা বাৰু।

দঢ়াই দঢ়াই আহিবলৈ কৈ আকাশীয়ে মোক বিদায় দিছিল।

নিশা আঠমান বজাত অফিচৰ ষ্টাফ-কাৰখন লৈ আকাশীহঁতৰ ঘৰলৈ গৈছিলোঁ। তেতিয়াহে যেন আকাশীয়ে প্ৰত্যয় মানিছিল। মই তাইক ফাকি দিয়া নাছিলোঁ। সঁচা কৈছিলোঁ। আনন্দত তাইৰ চকু-মুখ উজ্জ্বল হৈ উঠিল। এটা নিৰ্ভয়ৰ চাৱনি লৈ মোলৈ চাইছিল।

ভাত-পানী খাই শুইছিলোঁ। আইভীয়ে কিবা খাইছিল নে নাই নাজানো। অফিচৰ গাড়ীখন তেনেদৰে বাহিৰতে পৰি থকাত মোৰ চিন্তাও হৈছিল। মনত পৰিছিল ঃ কোনোবা উচ্চ খাপৰ বিষয়া এজনে হেনো চৰকাৰী গাড়ীৰ নতুন চকা খুলি নিজৰ গাড়ীত খুৱাই লৈছিল। তাকেলৈয়ে বিধান সভাত মহা হুলস্থুল। চৰকাৰী গাড়ীৰ নামত পেট্ৰ'ল কিনি নিজৰ গাড়ী চলোৱাৰ কথা শুনিছিলোঁ। কিন্তু চৰকাৰী গাড়ীৰ চকা খুলি নি নিজৰ গাড়ীত ব্যৱহাৰ কৰাৰ কথা আগেয়ে শুনা নাছিলোঁ।

মোৰ নিজা গাড়ী নাই। গতিকে মই নিজে চকা খোলাৰ প্ৰশ্ন নুঠে। কিন্তু আন কোনোবাই যদি খুলি নিয়ে ?

কথাবোৰ ভাবি থাকোঁতে কেতিয়া টোপনি আহিল ক'ব নোৱাৰোঁ।

ৰাতি কেইটা বাজিছিল নাজানো। কাৰোবাৰ হাতৰ স্পৰ্শত মোৰ টোপনি ভাঙি গৈছিল। চকু দুটা মেলি আকৌ মুদি দিছিলোঁ। লাইটৰ উজ্জ্বল পোহৰটোত চকু দুটা পুৰিছিল।



'ভিনিহিদেউ। ভিনিহিদেউ। উঠকচোন ভিনিহিদেউ।'

'কোন ?'

'মই আকাশী।'

'কি হ'ল আকাশী ?'

'বাইদেৱে বিষত চট্‌ফটাই আছে। উঠকচোন।'

আইভীলতাৰ কোঠাটোলৈকে সোমাই যাবলৈ মই সঙ্কোচ বোধ কৰিছিলোঁ। কিন্তু উপায় নাই। বিপদত বহুত নীতি-নিয়মকে আমি বাদ দিবলগীয়া হয়।

বৰ কষ্টেৰে আকাশীয়ে আইভীক গাড়ীত তুলি দিছিল। ভয় নকৰিবলৈ আকাশীক সাহস দি মই গাড়ী ষ্টাৰ্ট দিছিলোঁ।

হাস্পাতালৰ পৰা যেতিয়া উভতি আহোঁ, ৰাতি তেতিয়া প্ৰায় দুটা। আহিবৰ সময়ত আইভীয়ে বৰ কষ্টেৰে কৈছিল ঃ আকাশীয়ে ভয় কৰিব পাৰে। আপুনি থ'ক।

হাস্পাতালৰ নাৰ্চজনীয়ে মোলৈ আগুৱাই দিয়া আৰ্হি কাকতখন পূৰাওঁতে মোৰ হাতখন কঁপিছিল। বুকুখন চিৰিংকৈ উঠিছিল। বাকী আটাইবোৰ কথাকে মই যথাযথ ভাৱে পূৰাই দিছিলোঁ। কিন্তু আৱশ্যক হ'লে অস্ত্ৰোপচাৰ কৰিবলৈ দিয়াত মোৰ সন্মতি আছে নে নাই সেই কথাষাৰ লিখিবৰ সময়ত মোৰ কলমটো বৈ গৈছিল। অৱশেষত সন্মতি থকাৰ কথা লিখি ফৰ্ম্মখন পূৰাই নাৰ্চজনীক ওভোতাই দিছিলোঁ। ওৰে বাটে ভাবিছিলোঁ ঃ আইভীৰ অৱস্থা তেন্তে সঁচাকৈয়ে গুৰুতৰ নে কি ? যদি কিবা এটা হয় ? ময়ূৰৰ ওপৰত মোৰ খং উঠিছিল। সিনো এনেকুৱা অৱস্থাত মানুহজনীক এৰি যাব লাগে নে ? মোক এনেকুৱা বিপদত পেলোৱাটো জানো তাৰ উচিত হৈছে ?

ঘৰ-দুৱাৰ বন্ধ কৰি বাহিৰৰ কোঠাটোতে আকাশী বহি আছিল। গাড়ীখন ৰখাই মই নামি গৈছিলোঁ। দুৱাৰত টুকুৰিয়াইছিলোঁ। আকাশীয়ে দুৱাৰখন খুলি দিছিল।

'কিহে ? ভয় কৰিছিলা নে কি ?'

আকাশী নিমাত। লক্ষ্য কৰিছিলোঁ ঃ আকাশীয়ে কান্দিছে। মই অহাৰ উমান পাই লৰালৰিকৈ চকুপানীবোৰ মচি পেলাইছে। কিন্তু চকুলোৰ দাগবোৰ তেতিয়াও সম্পূৰ্ণ কৈ মচ খাই যোৱা নাই।

'কান্দিবলৈ তোমাক কিহে পালে ?'

'ইহ্ কোনেনো কান্দিছে ?'

কথাষাৰ কৈ আকাশী আঁতৰি গৈছিল। ভিতৰৰ পৰা দুৱাৰখন বন্ধ কৰি দিছিল। মই কিছু সময় এনেই বহি ৰ'লোঁ ঃ আকাশী আকৌ ওলাই আহিব। কথা ক'ব। আইভীৰ কথা সুধিব। কিন্তু আকাশী নাহিল।

মই বহাৰ পৰা উঠি গৈ শুম বুলি ভাবিছিলোঁ। এনেতে ভিতৰৰ কোঠাটোৰ দুৱাৰখন খোলাৰ শব্দ হৈছিল।

'আপুনি শোৱক। আমাৰ কাৰণে আপোনাৰ বহুত কষ্ট হৈছে।'

'এতিয়ানো আৰু কি শুম ? ৰাতিপুৱাবলৈ বেচি সময় নাই। আহা। কথাকে পাতোঁ।'

'নাই। মোৰ বৰ টোপনি লাগিছে। মই শোওঁগৈ।'

আকাশী আকৌ আঁতৰি গৈছিল।

পিচদিনা ৰাতিপুৱা।

আকাশীও মোৰ লগতে হাস্পাতাললৈ যাবলৈ ওলাইছিল। কৈছিলোঁ ঃ তুমি গৈ কি কৰিবা ? এতিয়া বাইদেৱেৰাক দেখাও কৰিব নোৱাৰিবা। আবেলিহে দেখা কৰাৰ সময়। মই খবৰ লৈ আহোঁ।

'খবৰটোতো পাম ?'

'মই জানো নাপাম ? মই তোমাক মিছা কম বুলি ভাবিছা নে কি ?'

'মই গ'লেনো কি হয় ?'



তাৰ পিচত আকাশীক বাধা দিয়াৰ ইচ্ছা নহ'ল। একো নামাতিলোঁ।

হাস্পাতাললৈ গৈ খবৰ পাইছিলোঁ ঃ আইভী ভালে আছে। ৰাতিতকৈ বিষ এতিয়া বহু পৰিমাণে কমিছে। ফলচ্ পেইন। আৰু দুই-তিনিদিনমান সময় ল'ব পাৰে। নিউ কেচ। এনেকুৱা হয়েই হেনো।

আকাশীক ঘৰত নমাই দি মই অফিচলৈ গৈছিলোঁ। ন বজাৰ আগতে গাড়ী লৈ চেক্ৰেটাৰীৰ ওচৰ নাপালে ৰাণাদিলৰ চাকৰি যাব।

আকাশীয়ে কৈছিল ঃ গৈয়েই গুচি আহিব দেই ভিনিহিদেউ। আপুনি অফিচলৈ যাব বুলি মই ভবাই নাছিলোঁ। নহ'লে হাস্পাতাললৈ নগৈ ভাতকে ৰান্ধিলোঁহেঁতেন।

'মই আকৌ কেলেই আহিব লাগে ? ময়ূৰে বাইদেৱেৰাৰ খবৰ লোৱাৰ কথাহে কৈছিল।'

আকাশীৰ খং উঠক বুলিয়েই কৈছিলোঁ।

'ইহ্। চাওঁচোন কেনেকৈ নাহে। মই অকলে কেনেকৈ থাকিম ?'

হাস্পাতাললৈ নিয়াৰ তৃতীয় নিশা। আইভীয়ে জন্ম দিছিল এটা সন্তানৰ। আৰু সেই নিশাই মৃত্যু হৈছিল কুমাৰী আকাশীৰ কৌমাৰ্য্যৰ। বাহিৰত বৰষুণ। ভিতৰত মই আৰু আকাশী। ৰঘুবংশ, কালিদাস আৰু গ্ৰীষ্মৰ বৰ্ণনা মোৰ মনত পৰা নাছিল। কিন্তু কিবা এটা শিহৰণ মই অনুভৱ কৰিছিলোঁ। মই উন্মাদ হৈ গৈছিলোঁ। উশাহ-নিশাহবোৰ মোৰ ঘন হৈ গৈছিল। উষ্ণ হৈ পৰিছিল। এদল উন্মত্ত দঁতাল হাতীৰ গচকত মোৰ বিবেকৰ মৃত্যু ঘটিছিল। মই ফোঁপাইছিলোঁ। কঁপিছিলোঁ। হেজাৰ আপত্তি, অনুৰোধ আৰু অলেখ আকুতি। সকলো নিষ্ফল হৈ গৈছিল।

'...জীৱনটো মোৰ ধ্বংস নকৰিব।'

'...মই তোমাক বিয়া কৰাম আকাশী।'

আকাশীয়ে কান্দিছিল। ফোঁপাইছিল। আপ্ৰাণ চেষ্টা কৰিছিল মোৰ বাহু বন্ধনৰ পৰা মুক্ত হ'বলৈ। অৱশেষত তাই ভাগৰি পৰিছিল। দুৰ্ব্বল হৈ পৰিছিল।

পিচদিনা ৰাতিপুৱা।

অসম্ভৱৰূপে গম্ভীৰ হৈ পৰা আকাশীৰ চকুলৈ চোৱাৰ সাহস মোৰ হোৱা নাছিল।

অফিচলৈ যোৱাৰ সময়ত কঁপা কঁপা মাতেৰে কৈছিলোঁ: আজিৰ পৰা ৰাতি ইয়াত মই নাথাকোঁ আকাশী।

আকাশীয়ে কোনো উত্তৰ দিয়া নাছিল। মোৰ চকুলৈ চাইছিল। এটা তীব্ৰ চাৱনি। সেই চাৱনিটাৰে যেন মোক কৈছিল: মোৰ সৰ্ব্বনাশ কৰি আঁতৰি পলাব খুজিছা?

অফিচত বহি বহি যোৱা নিশাৰ কথাকে ভাবিছিলোঁ। অনুতাপত মন মোৰ ভৰি পৰিছিল। আবেলি আইভীৰ খবৰ ল'বলৈ যাবলৈকে মোৰ সাহস হোৱা নাছিল। অনুমান হৈছিল: হাস্পাতালত থকা আইভীয়ে যেন আমাৰ সকলো কথা গম পাইছে।

অফিচ ছুটীৰ পিচত ঘৰলৈ যাম বুলি ভাবিছিলোঁ। কিন্তু মই নজনাকৈয়ে আকাশীহঁতৰ ঘৰত উপস্থিত হৈছিলোঁ।

এষাৰো কথা নোকোৱা আকাশীয়ে মোক চাহ-জলপান দিছিল। খাইছিলোঁ। 'হাস্পাতাল বন্ধ হ'বৰে হ'ল। মই লৰালৰিকৈ গৈ আহোঁ।'

'আপুনি অকণমান ৰওক।'

মই আকাশীৰ চকুলৈ চাইছিলোঁ।

দৌৰি যোৱাৰ দৰেই আকাশী আঁতৰি গৈছিল। হাতত এটা টিফিন কেৰিয়াৰ আৰু এবটল গৰম গাখীৰ।

পঞ্চম দিনাৰ নিশা।

ভাত-পানী খাই মোৰ শোৱনি কোঠাত পানী এগিলাচ থৈ



আঁতৰি যাব খোজা আকাশীৰ হাতখনত মই থাপ মাৰি ধৰিছিলোঁ। মোৰ গাৰ কাষলৈ টানি আনিছিলোঁ।

'কি হ'ল?'

আকাশীয়ে কোনো আপত্তি নকৰিলে। প্ৰতিবাদ নকৰিলে। সহজেই তাই মোৰ ওচৰতে বিচনাখনত বহি সুধিছিল।

'আকাশী।'

'হো।'

'তুমি মোক বেয়া পাইছা?'

'ওহো।'

'তেন্তে তুমি মোক মতা নাই কিয়?'

'কিয় নামাতিম? মাতিছোঁ নহয়।'

'নহয়। তুমি মোক বেয়া পাইছা।'

'মই বেয়া পাবলৈ কিটো আছে? মই বেয়া পাই আপোনাক কি কৰিম? মৃত্যুৰ মুখলৈ মই আগুৱাই গৈছোঁ।'

'মানে?'

'আপুনিও বুজে। ইয়াৰ পৰিণাম মৃত্যু।'

'মই তোমাক বিয়া কৰাম আকাশী।'

'বিয়া কৰাবহে। এতিয়াতো কৰোৱা নাই।'

'তুমি কি কৈছা আকাশী।'

'সঁচা কথাকে কৈছোঁ। জানো, আপুনি মোক বিয়া নকৰায়। মিঠা মিঠা কথা কৈ নাৰীক ভুলোৱা পুৰুষৰ স্বভাৱ। এয়া আপোনাৰ উত্তেজিত মুহূৰ্ত্তৰ ভাষা। ইয়াৰ কোনো মূল্য নাই।'

'তুমি তেন্তে মোক অবিশ্বাস কৰা?'

'সময়ে যদি কেতিয়াবা বিশ্বাস কৰাবলৈ শিকায়, সিদিনা নিশ্চয় বিশ্বাস কৰিম। কিন্তু মোক বিয়া কৰাব লাগিব বুলি মই কাৰো ওচৰত দাবী কৰিব নোৱাৰোঁ। নকৰোঁ।'

'ধৰা, তুমি যদি মোৰ বাবেই মাতৃ...'

'খুউব স্বাভাৱিক। তথাপিও নকৰোঁ।'

'কি কৰিবা ?'

'আত্মহত্যা কৰিম।'

'মোৰ দোষৰ বাবে তুমি আত্মহত্যা কৰিবা কেলেই ? তেন্তে তুমি মোক ইমান সহজে ধৰা দিছিলা কেলেই ?'

'তাৰ বাহিৰে জানো মোৰ উপায় আছে ? নাৰীৰ চৰিত্ৰ ক্ষণভঙ্গুৰ। মোৰ চৰিত্ৰৰ শুচিতা আজি তিনিদিন আগতেই ধ্বংস হৈ গ'ল। মই নিৰাশ্ৰয়া। আপুনি মোক পঢ়ুৱাইছে। ভিনিহিদেউৰ অতি বিশ্বাসী বন্ধু। আপোনাক অসন্তুষ্ট কৰাৰ সাহস থাকিলেও শক্তি মোৰ নাই। মোৰ ওপৰত জোৰকৈয়ে আপুনি অধিকাৰ গঢ়ি তুলিছে।'

'ইমান কথা জানিও তুমি মোক সিদিনা ধৰা দিছিলা ?'

'অনুৰোধ কৰিছিলোঁ। আপত্তি কৰিছিলোঁ। তথাপি আপুনি নুশুনিলে। উপায় নাপাই মই কান্দিছিলোঁ। তাৰ বাহিৰে মই কি কৰিব পাৰোঁ ? বৰ বেচি মই সিদিনা চিঞৰি দিব পাৰিলোঁহেঁতেন। চৰিত্ৰৰ শুচিতা হয়তো মোৰ ৰক্ষা হ'লহেঁতেন। কিন্তু মই চৰিত্ৰহীনা বুলি মই নিজেই সমাজক কৈ দিয়াৰ বাহিৰে জানো আন কিবা লাভ হ'লহেঁতেন ?'

মোৰ হাতখন আপোনা-আপুনিয়েই শিথিল হৈ আহিছিল। কোনোবাই যেন হাতুৰীৰেহে কোবাইছিল। আকাশীৰ চকুলৈ চাইছিলোঁ। এটা অসহায় দৃষ্টি। অনুশোচনাত মোৰ মন ভৰি পৰিছিল। ক'ব খুজিছিলোঁ ঃ তুমি মোক ক্ষমা কৰা আকাশী। ক্ষণিকৰ দুৰ্ব্বলতাত মই যি ভুল কৰিলোঁ, তাৰ বাবে মই অনুতপ্ত। লজ্জিত।

কিন্তু ক'ব নোৱাৰিলোঁ। নক'লোঁ।

আকাশী মোৰ কাষৰ পৰা উঠি আঁতৰি গৈছিল।

দহদিন পিচত।



আইভী ঘৰলৈ উভতি আহিছিল। কোঁচত এটা কেঁচুৱা। ময়ূৰৰ দ্বিতীয় প্ৰতিমূৰ্ত্তি। মই সিদিনা আইভীক টেক্সি এখনত নিজেই ঘৰলৈ লৈ আহিছিলোঁ।

সিদিনাৰ পৰা নিশা আকাশীহঁতৰ ঘৰত মই আৰু থকা নাই। কিন্তু সদায় আবেলি খবৰ লৈছোঁ। এটা সঙ্কোচ ভৰা মন। অপৰাধী ভাব। আইভীয়ে যদি জানে ঃ মই আকাশীৰ দেহৰ শুচিতা নষ্ট কৰিছোঁ ? ময়ূৰক যদি কৈ দিয়ে ? আকাশীয়ে নিশ্চয় আইভীক কৈছে ঃ বিপদত অকণমান সহায় কৰাৰ সুবিধা লৈ তহঁতৰ বন্ধুৱে তাৰ দাম মোৰ পৰা সুতে-মূলে আদায় কৰিছে। মোৰ নিজৰ চৰিত্ৰ বিক্ৰী কৰিও তহঁতৰ সন্মান ৰক্ষা কৰিছোঁ। কাৰণ মই তহঁতৰ আশ্ৰয়-প্ৰাৰ্থিনী।

দ্বিধা আৰু শঙ্কা ভৰা গধুৰ মন এটা লৈ ময়ূৰৰ ওভতনিৰ বাবে প্ৰতীক্ষা কৰিলোঁ। ময়ূৰক ক'ম নে কি ঃ মই আকাশীক বিয়া কৰাম ময়ূৰ। মোৰ মনৰ ফেটী সাপটোৱে আমাৰ বন্ধুত্ব বিষাক্ত কৰি তুলিছে। মোৰ প্ৰতি থকা তোৰ বিশ্বাস মই ৰক্ষা কৰিব নোৱাৰিলোঁ।

দুসপ্তাহ পিচত ময়ূৰ উভতি আহিছিল।

তাক দেখিয়েই মোৰ বুকুখন কঁপি উঠিছিল। মই শেঁতা পৰি গৈছিলোঁ কিজানি।

'তোৰ কথা আইভীহঁতে মোক কৈছে।'

মোৰ বুকুখন চিৰিংকৈ উঠিছিল।

'মই বৰ ভুল কৰিলোঁ অসীম।'

ময়ূৰৰ দ্বিতীয় কথাষাৰে যেন মোৰ মূৰটো আচন্দ্ৰাই কৰি দিছিল। ইচ্ছা হৈছিল ঃ মই যেন চিঞৰি দিম। ক'ম ঃ মোক ক্ষমা কৰ ময়ূৰ। আকাশীক মই বিয়া কৰাম।

'মই নোযোৱা হ'লেই ভাল আছিল। তোৰ কষ্ট আৰু সহায়ৰ বাবে মই তোৰ ওচৰত চিৰ দিন ঋণী।'

এটা দীঘলকৈ উশাহ লৈ সুস্থিৰ হ'বলৈ যত্ন কৰিছিলোঁ।

মনতে ক'লোঁ ঃ আইভী, আকাশীহঁতে তেন্তে তোক মোৰ বিশ্বাস-ঘাতকতাৰ বিষয়ে একো কোৱা নাই ?

'কলিকতালৈ গৈ কি কৰিলি ?'

মনৰ সকলো দুৰ্ব্বলতা আৰু সঙ্কোচ চেঁপি ৰাখি কোনোমতে সুধিছিলোঁ।

'কি কৰিবি ? আটাইবোৰ ফাং-ফুং। ডিউটি-ফিউটি মিছা।'

'মানে ?'

আচলতে ডেপুটি চেক্রেটাৰী গৈছিল ঘৈণীয়েকৰ টিউমাৰ অপাৰেশ্যন কৰাবলৈ। ট্ৰেড্ এড্ভাইচাৰ অফিচৰ ডিলিং এচিষ্টেণ্ট-জনেই ইকুপ্মেণ্টৰ লিষ্টখন তৈয়াৰ কৰি দিছিল। কাম আমাৰ এদিনতে শেষ হ'ল। ইয়াৰ পৰা চিঠি এখন দি খুজি পঠিয়ালেও হ'লহেঁতেন।

'তেন্তে ইমান দিন কৰিলি কেলেই ?'

'আচল কামেই যে হোৱা নাই।'

'মানে ?'

'অপাৰেশ্যন।'

'তইতো গুচি আহিব পাৰ।'

'কেনেকৈ ? মই গুচি আহিলে যে ডেপুটি চেক্রেটাৰীৰ 'গুমাৰ ফাক' হৈ যায়। গতিকে বাধ্য হৈ হোটেলত দিনে আঠ টকাকৈ ভৰিবলগীয়া হ'লোঁ। অথচ টি-এ পাম দুটকা পঁয়সত্তৰ নয়া পইচা নে একাশী নয়া পইচা।'

'আউট-চাইড প্ৰভিঞ্চ দুগুণ পাবি হ'বলা নহয় ?'

'তথাপি তাৰে জানো জুৰিব ?'

পিচৰ মাহৰ তিনি তাৰিখে কিবা এটা সকাম পতাৰ কথা ময়ূৰেই মোক কৈছিল। নৱ-জাতকৰ সকাম।

দুই তাৰিখ। আবেলি।



ময়ূৰ মোৰ কোঠাটোলৈকে সোমাই আহিছিল। তাৰ মুখখন শুকান। চকু দুটা ৰঙা। কাৰোবাৰ ওপৰত যেন তাৰ ভীষণ খং উঠিছে। ময়ূৰৰ চকু-মুখলৈ চাই মই শিয়ৰি উঠিছিলোঁ। কঁপা কঁপা মাতেৰে বহিবলৈ কৈছিলোঁ।

'চব জুৱাচোৰ। চালাহঁতক জোতাৰে পিটিব লাগে।'

'কি হ'ল ? বহচোন।'

'কি হ'ব ? এইখন অফিচ নে ? চব চোৰ।'

'আঃ, অফিচত ইমান চিঞ্ৰৰ-বাখৰ নকৰিবিচোন। লাহে লাহে ক'।'

'চিঞ্ৰৰ-বাখৰ কৰিলে কোনে কি কৰিব পাৰে অ' মোক ? কুকুৰহঁত অফিচাৰ হৈছে।'

'কিনো হ'ল ? নকৰ কিয় ?'

'কাইলৈ সকাম পাতিছোঁ। অথচ আজি মোৰ দৰ্ম্মহাৰ পৰা এশ নবৈৰ টকা কাটি ৰাখিছে। আশী টকাৰে মই কাৰ মূৰটো কৰোঁ গৈ ? ঘৰ ভাৰাই দিওঁ নে ? দোকানৰ বাকী পৰিশোধ কৰিম ? নে সকাম পাতিম ?'

'মই বুজা নাই।'

'এডভাঞ্চ টি-এ যে লৈছিলোঁ।'

'অ'। কি হ'ল পিচে ?'

'এশ নবৈৰ টকা ফিৰাই দিবলগীয়া হৈছে। আটাইখিনি এই মাহতে কাটি ৰাখিছে।'

'তই জানো টি-এ বিল দাখিল কৰিছ ?'

'মই নকৰিলে কি হ'ব ? বিল ব্ৰাঞ্চত সিহঁতেই তৈয়াৰ কৰিছে। পাবলগীয়া থাকিলেহে বিল সোনকালে নকৰে। চৰকাৰক দিব-লগীয়া বিলবোৰ আমি দাখিল নকৰিলেও হয়। তেনেকুৱা বিল প্ৰস্তুত কৰি দিবলৈ বিল ব্ৰাঞ্চত মানুহৰ অভাৱ নহয়। অথচ লাইট-চাৰ্জ্জ আৰু ফোন চাৰ্জ্জৰ বিল আজি পাঁচ বছৰেও নাপাই হাইড্ৰ'

ইলেক্ট্ৰিক আৰু প'ষ্ট এণ্ড টেলিগ্ৰাফে কেবাবাৰো লাইন কাটি দিবলৈ আহিছিল।'

'তই ডেপুটি চেক্ৰেটাৰীক নক'লি কেলেই ?'

'কৈছিলোঁ।'

'কি ক'লে ?'

'কি ক'ব আৰু ? সেইবোৰ মানুহৰ কথাৰ কি মূল্য আছে? অফিচে নোট দিছে। গতিকে তেওঁ আদেশ নিদি নোৱাৰে হেনো। আটাইবোৰ স্বাৰ্থপৰ। ইহঁতে আকৌ অফিচাৰ চলাইছে।'

ময়ূৰ মৌন হৈ ৰৈছিল। কলিকতীয়া কাগজ এখনত আজি কেইদিনমান আগতে পঢ়া খবৰ এটা মনত পৰিছিল। অসম চৰকাৰ হেনো লেন-দেনত বৰ অনিয়মীয়া। ভাৰতৰ প্ৰসিদ্ধ আইৰণ এণ্ড ষ্টিল কোম্পানীয়ে হেনো আজিকালি আগতীয়াকৈ দাম নাপালে কোনো বস্তু যোগান নধৰে। বেঙ্কবোৰেও ঋণ দিয়া বন্ধ কৰি দিছে। পেট্ৰ'ল ব্যৱসায়ী ৰূপমলে কুপনত পেট্ৰ'ল নিদিয়াৰ কথা মই নিজেই জানো।

মোৰ হাততো অতিৰিক্ত টকা নাছিল। অলপ আগতে পোৱা দৰ্মহাৰ টকা কেইটা কাক ক'ত দিব লাগিব তাৰ হিচাপ এটা কৰিছিলোঁ। দিবলগীয়া টকা পৰিশোধ কৰাৰ পিচত মোৰ হাতত টকা থাকিব মাত্ৰ পোন্ধৰটা। তাৰে এমাহ চলিব লাগিব।

মিছেছ গোস্বামীৰ পৰা দুশমান টকা ধাৰলৈ আনিব পাৰিম নে কি ভাবিছিলোঁ। ক'লোঁ ঃ তোক কিমান টকা লাগে ?

'সম্পূৰ্ণ দৰ্মহা পালেও মোৰ নহয়। তেনেস্থলত...।'

'তোক মুঠতে এতিয়া কিমান লাগে ?'

'অতি কমেও আঢ়ৈ-শ। সকামলৈ মানুহক নিমন্ত্ৰণ কৰিছোঁ। এনেস্থলত সকামখন কেনেকৈ বন্ধ কৰোঁ ক'চোন ?'

'দৰ্মহাৰ আঢ়ৈ-শ টকা মোৰ হাতত আছে। তাকেই নে ?'



'তই কি কৰিবি ?'

'মই কিবা এটা কৰিম। তোক কেলেই ?'

টকা আঢ়ৈ-শ লৈ ময়ূৰ ওলাই গৈছিল। কৈছিল ঃ 'আঢ়ৈ-শ নহয়। এশমান দে। মই অইন ক'ৰবাত পাওঁ নে কি যত্ন কৰি চাওঁ।'

'নাপালে কি কৰিবি ?'

'উপায় নাপালে দোকানৰ বাকী...।'

'নেলাগে। মোৰ পৰাই লৈ যা। মোৰ একো অসুবিধা নহয়।'

'তোক আৰু কিমান আমনি কৰিম ? মোৰ নিজৰে বেয়া লাগিছে। অ' কাইলৈ এবাৰ যাবি। বুইছ ?'

'হ'ব বাৰু যাচোন।'

'হ'ব বাৰু নহয়। তই যাবিয়েই।'

সকামলৈ মই নগ'লোঁ। যোৱাৰ সাহস নহ'ল। আকাশীৰ সন্মুখত থিয় হোৱাৰ সাহস মোৰ নাছিল। যাওঁ বুলি ভাবিও মই নগ'লোঁ।

পিচদিনা। ময়ূৰে মোক অফিচতে লগ ধৰি তিৰস্কাৰ কৰিছিল। আক্ষেপ কৰিছিল। কিবা-কিবি বহুত কৈছিল। মোৰ পৰা তেনেদৰে হকে-অনাহকে পইচা নি মোক আমনি দিয়া বাবে হেনো মই তাক এৰাই ফুৰিবৰ যত্ন কৰিছোঁ। আমাৰ বন্ধুত্বটো ছিঙি পেলাবৰ যত্ন কৰিছোঁ। ইত্যাদি।

মই মৌন হৈ ৰ'লোঁ। তাৰ বাহিৰে মোৰ কোনো উত্তৰ নাছিল।

ক'ব খুজিছিলোঁ ঃ মোৰ হাতত আনকি চিটি বাছৰ ভাৰাও নাছিল ময়ূৰ। তই একো নাভাব। জানো। কিন্তু কিবা এটা দিব নোৱাৰিলে, নিজৰে বৰ বেয়া লাগে।

কিন্তু নক'লোঁ। তেনেদৰে ক'লে ময়ূৰে মনত আঘাত পাব। সি হয়তো সঁচাকৈয়ে বিশ্বাস কৰিব মোৰ হাতত পইচা নাই কাৰণেই মই নগ'লোঁ।

এদিন ছুদিনকৈ প্ৰায় ছুমাহ পাৰ হৈ গৈছিল। মই ইয়াৰ মাজত ময়ূৰহঁতৰ ঘৰলৈ যোৱা নাই। ময়ূৰেও মোৰ পৰা এই ছুমাহ আকাশীৰ কলেজৰ ফিজ নিয়া নাই। এদিন ময়ূৰক আকাশীৰ কলেজৰ ফিজ দিব খোজোতে কৈছিল: তই আকাশীৰ কলেজৰ ফিজ দিব নালাগে। মই তোক ইমান দিনে বুজা নাছিলোঁ। এতিয়া বুজিছোঁ। এই টকা-শ ল। বাকী ডেৰ-শ টকাও মই যিমান সোনকালে পাৰোঁ দিবৰ যত্ন কৰিম। আমাৰ বন্ধুত্ব ইমানতে শেষ হোৱাই ভাল।

তাৰ কথাষাৰে মোৰ অন্তৰ আত্মা কঁপাই দিছিল। মই কঁপিছিলোঁ। ভাব হৈছিল: ময়ূৰে আমাৰ সকলোবোৰ কথাৰে ভু পাইছে। আকাশীয়ে কৈ দিছে। সেইবাবেই সি মোৰ পৰা আকাশীৰ কলেজৰ ফিজ ল'ব খোজা নাই। আমাৰ বন্ধুত্বটো সি ইমানতে শেষ কৰিব খোজে।

ময়ূৰক ছুনাই আকাশীৰ পঢ়া খৰচ যচাৰ সাহস মোৰ নহ'ল। মই লক্ষ্য কৰিছিলোঁ: ময়ূৰে যেন মোক আগৰ দৰে সহজ দৃষ্টিৰে চাব পৰা নাই। মোক এৰাই ফুৰিবলৈ যত্ন কৰিছে। দেখিলেও যেন মোক নামাতিব।

অনুতাপ আৰু অনুশোচনাত মোৰ মন দেই-পুৰি গৈছিল। ইচ্ছা হৈছিল মই যেন চিঞৰি চিঞৰি কম: মোক ক্ষমা কৰ ময়ূৰ। ক্ষণিকৰ ছুৰ্ব্বলতাৰ বাবে মই অনুতপ্ত। মোৰ এই ছুৰ্ব্বলতাৰ বাবে ময়েই অকলে দায়ী নহয়। তয়ো দায়ী। আৰু তোৰ মোৰ দৰে সমানে দায়ী তোৰ চৰকাৰ। এজন ডেকা আৰু এজনী গাভৰুক ইমান বিশ্বাস কৰাটো তহঁতৰ ভুল হৈছিল।

চেপ্তেম্বৰ মাহৰ শেষ সপ্তাহ। কেইদিন মান পিচতে পূজাৰ বাবে আকাশীহঁতৰ কলেজ বন্ধ হ'ব। আজি তিনিমাহে আকাশীক মই কলেজৰ মাচুল দিয়া নাই। ময়ূৰে দিছে নে নাই নাজানো। আকাশী জানো কলেজলৈ গৈ আছে? তাই কলেজলৈ যাবলৈ এৰি পেলোৱা নাইতো? কলেজত এবাৰ খবৰ কৰিম নে কি, তাই কলেজলৈ আহি আছে নে নাই?

বাতৰিখন মেলি লৈ অফিচৰ অকলশৰীয়া কোঠাটোত বহি বহু কথাই ভাবিছিলোঁ। এনেতে সোমাই আহিছিল ময়ূৰ। মই দোষীৰ মনোভাৱ এটা লৈ কৈছিলোঁ: 'বহ ময়ূৰ।'

মাতটো মোৰ সেমেকা।

'নবহোঁ। আকাশীয়ে আজি তোক যেনে তেনে এবাৰ মাতিছে। কিবা হেনো বৰ জৰুৰী কথা এটা আছে। বৰ গোপনীয় হেনো। যাবি। বুইছ।'

কথাষাৰ কৈয়েই ময়ূৰ ওলাই গৈছিল। চকুৰে মই ধোঁৱা-কোঁৱা দেখিছিলোঁ। বহুতবোৰ চিন্তাই মোৰ মনৰ মাজলৈ আহিছিল। মূৰটো ঘূৰাই দিছিল।

ময়ূৰেও জানে আকাশীয়ে মোক কিয় মাতিছে। মই গ'লে ময়ূৰে ক'ব: অসীম, আকাশীক তই বিয়া কৰাব লাগিব। আকাশীৰ তই সৰ্ব্বনাশ কৰিছ।

ময়ূৰৰ কথাত মই যদি সহজে সন্মতি নিদিওঁ, তেন্তে হয়তো মই পাব লাগিব অপমান।

আকাশী সঁচাকৈয়ে জানো মাতৃ হোৱাৰ পথত?

গৈ পালে আকাশীয়ে ক'ব: তুমি মোৰ সৰ্ব্বনাশ কৰিছা। তুমি মোৰ জীৱনৰ দায়িত্ব গ্ৰহণ কৰা। মোক বিয়া কৰোৱা।

মই জানো আকাশীক বিয়া কৰাব পাৰিম? মা-দেউতাই সন্মতি দিব?

মোৰ কাৰণেই যদি আকাশীয়ে মৃত্যু বৰণ কৰিবলগীয়া হয়?

## ॥ পাঁচ ॥

আকাশীইঁতৰ ঘৰলৈ যোৱা নাই। আকাশীয়ে মতা বুলি ময়ূৰে খবৰ দিয়া আজি তিনি দিন পাৰ হৈ গ'ল। ভাবিছিলোঁঃ মই জানো আকাশীক বিয়া কৰাবলৈ প্ৰস্তুত? সিমান সাহস জানো মোৰ আছে? বিয়া কৰাই সংসাৰ এখন চলোৱাৰ জোখাৰে মই জানো ক্ষমতা পাইছোঁ?

চাপ্ৰাচী এজনে ফাইল এটা আনি মোৰ টেবুলত থৈছিল। মেলি চালোঁ। ওপৰৰ নোট শ্বিটখনতে চেক্ৰেটাৰীয়ে কিবা-কিবি লিখি আদেশ দিছে। ফাইল ক'ভাৰটোলৈ চালোঁ। এষ্টাব্লিষ্ট্মেণ্ট। কন্‌ফিডেন্সিয়েল।

গোপনীয় শব্দটোৱে ফাইলটোৰ ভিতৰৰ কথাবোৰ পঢ়ি চোৱাৰ কৌতূহল এটা জন্মাইছিল। পাতবোৰ এফালৰ পৰা লুটিয়াই গ'লোঁ।

শ্ৰীধীৰেন ধৰ,

নিম্ন-খাপৰ অফিচ কৰ্ম্মচাৰী,

যোৱা চাৰি আৰু সাত জুলাই তাৰিখে অফিচ পৰিদৰ্শন কৰি আপোনাক যথাক্ৰমে আঠ আৰু দহ মিনিট পলমকৈ অফিচত উপস্থিত হোৱা দেখা গৈছে। যথা সময়ত অফিচত উপস্থিত নোহোৱা বাবে আপোনাক কিয় চাকৰিৰ পৰা বৰ্খাস্ত কৰা নহ'ব, সেই বিষয়ে লিখিত কাৰণ পোন্ধৰ তাৰিখৰ ভিতৰত দৰ্শাব লাগিব। অন্যথাই আপুনি নিজে তাৰ বাবে দায়ী হ'ব লাগিব।

... ... ...

ডেপুটি চেক্ৰেটাৰী, পি, টি, এম

বিভাগ ঃ শ্বিলং



তাৰ পিচতো লুটিয়াই গ'লোঁ।

শ্ৰীনৰেশ নবীশ,

ওখ-খাপৰ অফিচ কৰ্ম্মচাৰী,

যোৱা ন আগষ্ট তাৰিখে অফিচ চুপাৰিণ্টেণ্ডেণ্টক অভদ্ৰ ব্যৱহাৰ কৰা বাবে আপোনাৰ বিৰুদ্ধে গোচৰ তৰা হৈছে।

দ্বিতীয় গোচৰ ঃ সোতৰ আগষ্টত কোনো খবৰ অথবা ছুটীৰ দৰ্খাস্ত নিদিয়াকৈ অফিচত আপুনি অনুপস্থিত আছে।

তৃতীয় গোচৰ ঃ .........তাৰিখৰ ......নং চিঠিখন যথা সময়ত আপুনি পঠোৱা নাই।

উপৰোক্ত গোচৰবোৰৰ কাৰণে এই চিঠি পোৱাৰ তিনি দিনৰ ভিতৰত আপোনাৰ পৰা লিখিত কৈফিয়ৎ বিচৰা হৈছে।

... ... ...

বিশেষ বিষয়া,

পি, টি, এম বিভাগ ঃ শ্বিলং

শ্ৰীমৃন্ময় দেৱ,

নিম্ন-খাপৰ অফিচ কৰ্ম্মচাৰী,

তলত দিয়া গোচৰ কেইটাৰ বাবে আপোনাক সাময়িকভাৱে কামৰ পৰা বৰ্খাস্ত কৰা হৈছে।

প্ৰথম গোচৰ ঃ ...তাৰিখে বিভাগীয় চৰকাৰী গাড়ীখন এ. জি. অফিচলৈ নিয়াৰ চলেৰে এজনী গাভৰু ছোৱালীৰ সৈতে আপোনাক লাবানত ঘূৰি ফুৰি থকা দেখা গৈছে। আৰু সিদিনাই গাড়ীৰ চালক বাহাদুৰক উচটাই আপুনি পঞ্চাশ লিটাৰ পেট্ৰ'ল বিক্ৰী কৰাৰ প্ৰমাণ পোৱা গৈছে।

দ্বিতীয় গোচৰ ঃ— ...তাৰিখে আপুনি অফিচৰ ভিতৰত আপোনাৰ বন্ধু এজনৰ সৈতে [ বাহিৰা লোক ] গল্প কৰি থকা দেখা গৈছে।

তৃতীয় গোচৰ ঃ অফিচৰ বহুতো গুৰুত্বপূৰ্ণ আৰু গোপনীয় তথ্য-পাতি প্ৰকাশ কৰা বুলি আপোনাৰ বিৰুদ্ধে অভিযোগ অনা হৈছে।

চতুৰ্থ গোচৰ :—অফিচৰ সময়ৰ ভিতৰত প্ৰায়ে আপোনাক আপোনাৰ চকীত পোৱা নাযায়। কৰ্তৃপক্ষক অথবা আন কাকো একো নজনোৱাকৈয়ে আপুনি অফিচৰ পৰা ওলাই গৈ ঘণ্টাৰ পিচত ঘণ্টা জুৰি বাহিৰত ঘূৰি ফুৰে।

পঞ্চম গোচৰ : শ্ৰী......বদলিৰ ভ্ৰমণ বিলত খৰচৰ ভুৱা প্ৰমাণ-পত্ৰ আৰু হিচাপৰ ইচ্ছাকৃত ভুল দেখুৱাই ছয় টকা সত্তৰ নয়া বেচিকৈ দিয়াৰ চেষ্টা কৰি ৰাজহুৱা ধনৰ অপব্যয় কৰাৰ প্ৰচেষ্টা কৰিছিল।

উল্লেখিত অভিযোগবোৰৰ বিষয়ে আপোনাৰ কিবা ক'বলগীয়া থাকিলে......তাৰিখে......বজাত শিক্ষা বিভাগৰ অধিকৰ্ত্তাৰ ওচৰত আপুনি হাজিৰ হ'ব পাৰিব।

... ... ...

বিশেষ বিষয়া,
পি, টি, এম বিভাগ : শ্বিলং

ফাইলটো বন্ধ কৰি থৈ ভাবিলোঁ: এইখন চৰকাৰক সমাজ সচেতন জাতীয় চৰকাৰ নহয় বুলি কোনে ক'ব? কোনে ক'ব: এইখন ৰাজ্যিক চৰকাৰৰ খেতিয়কসকলৰ খেতি-পথাৰত জলসিঞ্চনৰ বাবে কেন্দ্ৰীয় চৰকাৰে পঠোৱা লাখ লাখ টকাৰ পাইপ অসমৰ বাহিৰত বিক্ৰী হয়? সমবায় চেনিকল অথবা ৰেচম শিল্পৰ কাৰখানা ৰাজনৈতিক ভিত্তিত অনুপযুক্ত ঠাইত স্থাপন কৰি ৰাইজৰ কোটি কোটি টকা অপব্যয় কৰে? এক কোটি টকা মূল্যৰ যন্ত্ৰপাতি দু-কোটি টকাত ক্ৰয় কৰে? পানী, কেঁচামাল আৰু পৰিবহন সুবিধাৰ অভাৱত উদ্যোগ কেন্দ্ৰবোৰ বছৰৰ পিচত বছৰ জুৰি বন্ধ ৰাখে? চৰকাৰী ডাক্তৰখানাৰ [ চৰকাৰী মেডিকেল কলেজ ] ৰোগীবোৰৰ বাহুত স্পিৰিটৰ সলনি কেৰাচিন তেল সানি বেজী দিয়া হয়। খৰিৰ দাম প্ৰতি মোন এটকা একত্ৰিশ নয়াৰ ঠাইত দুটকালৈ বৃদ্ধি পোৱাৰ সময়তো নিম্নতম্ চাকৰিয়ালসকলৰ বেতন বৃদ্ধিৰ বাবে এপইচাও



খৰচ কৰিব নোখোজা চৰকাৰৰ গাত দোষ দেখা লোকসকলৰ দৃষ্টি-দোষ নুবুলি কি ক'ম বাৰু? আমি মৰিও ৰাইজৰ সেৱা কৰিম। আমি দধীচিৰ বংশধৰ। 'সুতখোৰ নেই হ্যায় : হাৰামখোৰ' বুলি গায়ত্ৰী মন্ত্ৰ মতা কাবুলীসকল কেলেই আছে? চৰকাৰৰ কোনো দোষ নাই। এই কাবুলীসকলক জীয়াই থাকিবলৈ দিয়া। বেচেৰাইঁত ইমান মৰমিয়াল দেহি। মোৰ মৃত্যুত মোৰ সহকৰ্ম্মী-সকলে বৰঙণি তুলি মৌলাই শ্মশানত অস্থি-ভস্ম কৰিব। মোৰ চিকিৎসাৰ বাবে প্ৰভিডেণ্ড ফাণ্ডৰ পৰা টকা বিচাৰি কৰা আবেদন পত্ৰৰ বিবেচনা মোৰ মৃত্যুৰ ছমাহ পিচত কৰিবা। মোৰ বছৰেকীয়া শ্ৰাদ্ধৰ সময়ত টকা পালেও হ'ব। আমি আয়কৰ দিম। ব্যৱসায় কৰ দিম। বাধ্যতামূলক সঞ্চয় আঁচনিত টকা সঞ্চয় কৰিম। আমাৰ কিহৰ ভয়? দিনে ডেৰ কোটি, দুই কোটি টকাৰ চাউল, দাইল, চেনি বিক্ৰয় কৰা সাগৰমলৰ বছৰেকীয়া বিক্ৰীকৰ ত্ৰিশ টকাই আমাৰ ঘাটি বাজেট পূৰাবলৈ যথেষ্ট। এন্টি কৰাপ্‌শ্যনৰ চোৰাংচোৱা বিভাগৰ পৰিদৰ্শকে শ্বিলং, ডিব্ৰুগড়, গুৱাহাটী আৰু নগাঁৱত ঘৰ সজাৰ বাবে ৰাইজৰ চকু পোৰে কিয় নাজানো। বাস্তৱ অভিজ্ঞতা নাথাকিলে তেওঁলোকে কৰ্ত্তব্য পাৰদৰ্শিতা দেখুৱাব কেনেকৈ? বিধান সভাৰ সদস্যসকলক মাহে ডেৰ-শ টকা নিৰ্দ্ধাৰিত ভ্ৰমণ বানচ দিয়াৰ বাবে পৰশ্ৰীকাতৰ ৰাইজৰ চকুত টোপনি নাই। কিন্তু এই সদস্যসকলৰ মহানুভৱতাৰ কথা আমি পাহৰি যাওঁ। এই সদস্যসকলেই ৰাইজক সাগৰ সঙ্কাশ পানীত দলং সাজি দিছে। ৰাস্তাৰ চিন নথকা প্ৰস্তাৱিত আলিত পানী যোৱা পকা জান তৈয়াৰ কৰি দিছে। আলি-পদূলিৰ নামত জলসিঞ্চনৰ গড়-খাৱৈ খান্দি দিছে। নকৈ স্থাপিত হোৱা ডাক্তৰখানাবোৰত ডাক্তৰ আৰু মিড্‌ৱাইফৰ [ প্ৰশিক্ষণ প্ৰাপ্ত নাৰ্চ পাবলৈ নাই। ৰক্ষণশীল অসমীয়া সমাজৰ মনোবলৰ অভাৱ। ] প্ৰেমাগাৰ সজাই দিছে। অৰ্থাৎ মিড্‌ৱাইফৰ পোনপটীয়া অসমীয়া অৰ্থ : মাজৰ ঘৈণী।

ডাক্তৰসকলৰ ডেকা কাল আৰু বিয়া হোৱাৰ মাজৰ ছোৱা কালৰ ঘৈণী। বিবাহিত ডাক্তৰসকল যে এই ক্ষেত্ৰত ক্ষমনীয় তেনে নহয়। আমাৰ বেতঁাৰ কেন্দ্ৰ হ'ল। বিশ্ববিদ্যালয় হ'ল। উচ্চ-ন্যায়ালয় হ'ল। এখন এখনকৈ দুখন মেডিকেল কলেজ হ'ল। ভৰিত পোকলগা কোনোবা গাড়ী-চালক চিকিৎসাৰ অভাৱত কামাখ্যা শ্মশানত মৃত্যুক অপেক্ষা কৰিছে? সেয়া মৃত্যু-অভিলাষী ৰোগীৰ দুৰ্ব্বাৰ মৃত্যু কামনা। চৰকাৰে কি কৰিব? বিশুদ্ধ পানীৰ বাবে পানী মেটেকাৰে ভৰা এবুকু জলাশয়ত নলী-নাদ বহুৱাই দিয়া বিধান সভাৰ সদস্যসকলৰ অপযশ গোৱা হিংসাকুৰীয়া ৰাইজৰ স্বভাৱ। সাত পুৰুষত নলী-নাদ নেদেখা ৰাইজে ব্যৱহাৰ কৰিব নজনাৰ দোষত নলী-নাদৰ মুখেৰে পানী নোলায়? সেয়াও জানো সদস্য-সকলৰ দোষ? তাৰোপৰি কৃষি ঋণ, শিল্প ঋণ, পুনৰ্বসতি ঋণ, গৃহনিৰ্ম্মাণ ঋণ আদি এশ-এটা ঋণ ৰাইজক দিয়াৰ ব্যৱস্থা কৰোৱা হৈছে। তথাপি ৰাইজৰ আপত্তি। নিৰ্দ্ধাৰিত ভ্ৰমণ বানচ ডেৰ-শ টকাৰ ওপৰতহে চকু! এইবোৰ ৰাইজৰ জন্ম লগ্নত শনি আৰু ৰাহুৰ কোপ দৃষ্টি। খাই পাত ফলা মানুহক কোনে সন্তুষ্ট কৰিব? স্বয়ং বিষ্ণুৱেও চকুৰে ধেঁৱা-কোঁৱা দেখিব।

কংগ্ৰেছৰ বদনাম গোৱা আন দলৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা এজন প্ৰাৰ্থীয়ে নিৰ্ব্বাচনী সভাত বক্তৃতা দিছিলঃ কংগ্ৰেছ চৰকাৰে কৰিছে কি? আপোনালোকক কি দিছে? কাৰ্জ্জন হল'টোৰ নাম দিলে নবীন বৰদলৈ হল'। ভৰলু পাৰ্কখনৰ নামাকৰণ কৰিলে ফুকন পাৰ্ক। তাৰ বাহিৰে আৰু জানো কিবা কৰিছে?

কংগ্ৰেছ প্ৰাৰ্থী এজনে ভোট বিচাৰি দিয়া বক্তৃতাত কৈছিলঃ আপোনালোকে এতিয়ালৈকে যি পাইছে; দেশৰ উন্নতিৰ বাবে যি-বোৰ কৰা হৈছে সেয়া কংগ্ৰেছেই কৰিছে। কংগ্ৰেছে আপোনা-লোকক স্বাধীনতা দিলে। স্বাধীনতা কি বস্তু (?) আপোনালোকে আজি নিশ্চয় বুজিছে? আন আন দল-উপদলৰ পৰা যিসকল লোক



বিধান সভালৈ নিৰ্ব্বাচিত হৈছে, সেইসকল সদস্যই বিধান সভালৈ গৈ কি কৰে আপোনালোকেও জানে। তেওঁলোকে এজন মানুহকে [চাকৰি অথবা ঋণ প্ৰাৰ্থী] দেউতাকৰ বেলেগ বেলেগ নাম লিখি ছয়-সাতখনকৈ চৰিত্ৰৰ প্ৰমাণ-পত্ৰ লিখি দিয়ে। কংগ্ৰেছৰ পৰা নিৰ্ব্বাচিত হোৱা সদস্যসকলৰ ভ্ৰমণ বিলৰ সমালোচনা কৰে। এই খিনিতে আপোনালোকক এটা কথা কোৱা উচিত। এজন কংগ্ৰেছ সদস্যই গাৰোপাহাৰত ভ্ৰমণ কৰাৰ বাবে ভ্ৰমণ বানচৰ বিল দিছিল। বিৰোধীদলৰ সদস্য এজনে এডাল ৰছী আৰু এখন গাৰোপাহাৰৰ মেপ যোগাৰ কৰিছিল। মেপত থকা একা-বেঁকা ৰাস্তাটোৰ ওপৰত ৰছীডাল পেলাই স্কেলেৰে জুখি মিটাৰৰ হিচাপ উলিয়াই প্ৰমাণ কৰি-বলৈ যত্ন কৰিছিল যে কংগ্ৰেছ সদস্যজনে দুই কিলোমিটাৰৰ ভ্ৰমণ বানচ অতিৰিক্ত ভাৱে আদায় কৰিছে। এইবোৰেই বিৰোধী দলৰ সদস্যসকলৰ কাম। তেওঁলোকৰ ধাৰণাঃ তেওঁলোক যেহেতু বিৰোধীদলৰ সদস্য গতিকে কংগ্ৰেছৰ প্ৰত্যেকটো কামতে বিৰোধিতা কৰাই তেওঁলোকৰ কাম। গতিকে আপোনালোকেই ভাবি চাওঁক কাক ভোট দিয়া উচিত?

কথাবোৰ মনত পৰি আপোনা-আপুনি মোৰ হাঁহি উঠিছিল।

এনেতে ফোনটো বাজি উঠিল। ধৰিলোঁ।

'মই ময়ূৰে কৈছোঁ। তই সিদিনা কেলেই নাহিলি? আজি যেনে তেনে এবাৰ আহিবি। বিশেষ অসুবিধাৰ বাবে এই কেইদিন মই অফিচলৈ যাব পৰা নাই। আজি এবাৰ যেনে তেনে আহিবিয়েই আহিবি। বুইছ?'

'বাৰু' বুলি ফোনটো থৈ দিছিলোঁ।

মূৰটো ঘূৰাই দিছিল। বুকুখন কঁপিছিল।

হাতৰ ঘড়ীটোলৈ চাইছিলোঁ। দুটা বাজিছে।

এবাৰ ভাবিছিলোঁঃ চাকৰি-বাকৰি পৰিত্যাগ কৰি শ্বিলং এৰি

পলাই যাওঁ নে কি ? অফিচ ছুটীৰ পিচত বাৰে বাৰে এটা কথাই ভাবিছিলোঁ ঃ ক'লৈ যাওঁ ?

অৱশেষত সিদ্ধান্ত লৈছিলোঁ ঃ যি হয় হ'ব। মই পুৰুষ। আৱশ্যক হ'লে মই মোৰ দোষৰ বাবে ক্ষমা খুজিম। আকাশীক গ্ৰহণ কৰিম।

ভয়ে ভয়ে গৈ ময়ূৰহঁতৰ ঘৰত উপস্থিত হৈছিলোঁ। বাহিৰৰ দুৱাৰখনত টুকুৰিয়াই দিছিলোঁ। অলপ পিচতে দুৱাৰখন মেল খাই গৈছিল। আকাশীয়ে মেলি দিছিল।

'ময়ূৰ ক'ত ? ঘৰত নাই নে কি আকাশী ?'

'আছে। বহক।'

অসম্ভৱ ৰূপে গম্ভীৰ হৈ পৰা আকাশীয়ে কওঁ-নকওঁকৈ কৈছিল।

আকাশীৰ চকুলৈ চাইছিলোঁ। সেমেকা। চকু-মুখ উখহি আছে। বোধহয় কান্দিছিল। মই বহি পৰিছিলোঁ। আকাশী ভিতৰলৈ সোমাই গৈছিল।

ময়ূৰ আৰু আইভীয়ে আকাশী আৰু মোৰ সকলোবোৰ কথাই জানে! ময়ূৰে হয়তো আকাশীক গালি পাৰিছে। বলকিছে। আৰু নিৰুপায় হৈ আকাশীয়ে কান্দিছে। কান্দি কান্দি চকু-মুখ উখহাই দিছে।

কিবা এটা অসহ্য তাড়নাত মই চট্‌ফটাই উঠিছিলোঁ। শঙ্কা আৰু দ্বিধাৰে অপেক্ষা কৰিছিলোঁ ময়ূৰলৈ।

হঠাৎ মাজৰ কোঠাটোৰ পৰ্দাখন কঁপি উঠিছিল।

শঙ্কা-বিহ্বল দৃষ্টিৰে চাই পঠিয়ালোঁ। আকাশী।

'ইমান দিনে আমাৰ ঘৰলৈ কিয় অহা নাছিল ?'

'সময়ে পোৱা নাছিলোঁ।' কঁপা কঁপা মাতেৰে কৈছিলোঁ।

তাৰ পিচত বহু সময়ৰ মৌনতা।

'মোক কিয় মাতিছিলা আকাশী ? কোৱাচোন, কি তোমাৰ গোপনীয় কথা ?'





'ক'ম।'

আকাশীৰ উত্তৰটো যেন উত্তৰ নাছিল। এটা বজ্ৰপাত।

আকাশী নিমাত। এটা অসহনীয় মৌনতা।

মই সুধিব খুজিছিলোঁ ঃ তুমি জানো সঁচাকৈয়ে অন্তঃসত্বা ? ময়ূৰে আমাৰ কথাবোৰ জানে নে কি ?

কিন্তু সুধিব নোৱাৰিলোঁ। সোধাটো নিষ্প্ৰয়োজন। ময়ূৰে জানিবলৈ আজিলৈকে বাকী থকা নাই। অণ্ঠ-কণ্ঠ মোৰ শুকাই গৈছিল।

'ৰ'ব, আজি পাব নহয় মজা-পালি।'

হঠাৎ আকাশীয়ে কৈ উঠিছিল।

এনেতে ওলাই আহিছিল ময়ূৰ। মোক দেখিয়েই সি চিঞৰি উঠিল ঃ 'চাওঁ, বছী এডাল আনা আকাশী। ইয়াক বান্ধা।'... —

তাৰ পিচত সি আৰু কিবা-কিবি কৈছিল হ'ব পায়। কিন্তু শুনাৰ ধৈৰ্য্য মোৰ নাছিল। ইচ্ছা হৈছিল মই যেন ময়ূৰৰ ভৰিত সাৱটি ধৰিম। ক'ম ঃ মোক ক্ষমা কৰ ময়ূৰ।

আকাশীয়ে হাঁহিছিল।

কিমান সময় পাৰ হৈ গৈছিল ক'ব নোৱাৰোঁ।

'তোৰ কি হৈছে ? কথা নকৰ কিয় ? গা ভাল নহয় নে কি ?' ময়ূৰেই সুধিছিল।

মই তলমূৰকৈ ৰ'লোঁ।

এনেতে ওলাই আহিছিল আইভী। হাতত এখন টি-ট্ৰে।

'আমিনো আপোনাৰ কি দোষ কৰিলোঁ। নহাই হ'ল দেখোন। আপোনাক আমি আমনি দিওঁ কাৰণে আহিবলৈকে এৰি পেলালে নহয় ?'

'সেই কাৰণেই আজি তাক বান্ধি থম বুলি ভাবিছোঁ। তুমি কি কোৱা আকাশী ?'

আকাশীয়ে আকৌ হাঁহিছিল।

মোৰ যেন তেতিয়াহে চেতনা ফিৰি আহিছিল। মনটো পাতল পাতল লাগিছিল। ময়ূৰে তেন্তে মোক ধেমালিহে কৰিছে?

'গাটো ভাল নহয় অ'। তই বেয়া পাবি বুলিহে আহিছোঁ।'

কোনোমতে ক'লোঁ। মিছা কথা। এটা জীয়া ফাকি।

মোৰ হাতখন হাতৰ মুঠিত লৈ ময়ূৰে মোৰ শৰীৰৰ উত্তাপ পৰীক্ষা কৰিছিল। কৈছিল: 'এৰা, এতিয়াও যথেষ্ট টেম্পাৰেচাৰ আছে। গা বেয়া যদি নহাহেঁতেনেই ভাল আছিল।'

'তই বেয়া পাবি বুলিহে আহিছোঁ। মূৰটো অসম্ভৱ কামুৰিছে।'

মোৰ শৰীৰৰ উত্তাপ যে যথেষ্ট পৰিমাণে বাঢ়িছিল সেয়া ঠিক। ভয়ত। শঙ্কাত।

'গৰম চাহ এপিয়লা খাই লওক। ভাল পাব।'

এসোপামান খোৱা বস্তুৰে প্লেট এখন আগ বঢ়াই দি চাহ একাপ ঢালি আইভীয়ে মোৰ সম্মুখত থৈছিল।

ময়ূৰ, আকাশী আৰু মই একেলগে চাহ খাইছিলোঁ। আইভীক সুধিছিলোঁ: 'আপোনাৰ?'

'আপোনালোকে খাওকচোন। মই খাম বাৰু।'

চাহ-কাপ খাই সঁচাকৈয়ে গাটো পাতল পাতল লাগিছিল। জানো: মোক সুস্থিৰ কৰিছিল চাহ-কাপে নহয়। সহজ হৈ অহা পৰিস্থিতিটোৱে। মই যি ভাবিছিলোঁ, যি ভয় কৰিছিলোঁ সেয়া মোৰ অমূলক ধাৰণা। কৈছিলোঁ: আপুনি যাদু জানে নে কি মিছেছ হুৰৰা? চাহ পিয়লা খাই সঁচাকৈয়ে গাটো বহুখিনি পাতল পাতল লাগিছে।

'আকাশীয়ে বনাই দিয়া হ'লে আৰু বেচি ভাল পালিহেতেঁন।'

'যাঃ। কি যে অসভ্য।'

ময়ূৰৰ কথাষাৰ শুনি উচাৎ মাৰি আকাশী ভিতৰলৈ সোমাই গৈছিল।



আইভীয়ে লাজ-লাজকৈ কাপ-প্লেটবোৰ সামৰিছিল।

মই যেন কথাবোৰ শুনা নাই। আনমনা হৈ কিবা ভাবিছোঁ: এনে এটা ভাব দেখুৱাবৰ যত্ন কৰিছিলোঁ।

'তামোল আনো ৰ'ব' বুলি আইভী আঁতৰি গৈছিল।

'তোক কিয় মাতিছিলোঁ জান?'

মই মূৰ দাঙি চালোঁ।

'আজি আইভীৰ মাকৰ শ্ৰাদ্ধ। মাকলৈ মনত পৰিছে হ'বলা। আকাশীয়ে ওৰে দিনটো কান্দি আছে।'

'কন্দাটো স্বাভাৱিক। ছোৱালীবোৰে দেউতাকতকৈও মাক-বোৰৰ অভাৱ অনুভৱ কৰে বেচি।'

তাৰ পিচত কাৰো মুখত মাত নাই। কিছু সময়ৰ মৌনতা।

'আকাশীক তইহে শান্ত কৰিব পাৰিবি। সেই কাৰণে তোক মাতিছোঁ।'

ময়ূৰৰ আওপকীয়া কথাবোৰ শুনি মোৰ আকৌ সন্দেহ হৈছিল। ময়ূৰে আমাৰ কথাবোৰ জানে? প্ৰকাৰান্তৰে সি তাকেই প্ৰকাশ কৰিবলৈ যত্ন কৰিছে নে কি? হয়তো সুবিধা উলিয়াই কথাৰ মাজতে সি ক'ব: আকাশীক তয়েই বিয়া কৰ অসীম। তই তাইৰ কৌমাৰ্য্য হৰণ কৰিছ। তাই অন্তঃস্বত্বা।

তামোলৰবটাটো হাতত লৈ আইভী আকৌ ওলাই আহিছিল।

'ৰাতি আপুনি ইয়াতে ভাত খাব। বুইছে?'

'কোনে? মই? ভাত? ক্ষমা কৰিব?'

'কিয়?'

'বহুত ৰাতি হ'ব। আন এদিন খাম বাৰু। মোৰ গাও সিমান ভাল নহয়। আপোনালোকে জানেই।'

'একো নহয়। বেচি ৰাতিলৈকে আপোনাক ৰখাই নথওঁ।'

'সকাম বুলি কাকো নিমন্ত্ৰণ কৰা নাই। তয়ো যদি তেনেদৰে আপত্তি কৰ...।'

আধা কোৱাকৈ ময়ূৰ ৰৈ গৈছিল।

'ক'তনো আপত্তি কৰিছে? খাব নহয়। আপুনি সোনকালে বজাৰৰ পৰা আহক গৈ।'

কি ক'ম একো ভাবি নাপালোঁ। বটাৰ পৰা তামোল এখন লৈ মুখত ভৰালোঁ।

'আকাশীয়ে আপোনাক ভাত এসাজ খুওৱাৰ কথা আজি বহু দিনৰ পৰা কৈ আছে।'

প্ৰত্যেক কথাতে আকাশী, আকাশী। ইয়াৰ মানে কি?

'অ' ইয়াৰ টকাখিনিও দি দিয়াহে। বহুদিন হ'ল। হাতত থাকোঁতে নিদিলে পিচলৈ দিয়াই নহ'ব।'

'ক'ৰবাত বহুত টকা পালি নে কি?'

'নাপালেওতো তোক দিব লাগিব।'

'অসুবিধা হ'লে থ'ক। মোক এতিয়া নহ'লেও হ'ব। আকাশীৰ কলেজৰ মাচুল ময়ো বহুখিনি দিবলগীয়া আছোঁ।' সুবিধা পাই ক'লোঁ।

'আকাশীৰ কথা শুনিছ নে নাই?'

'কি?'

'টাৰমিনেলত প্ৰথম হৈছে।'

'খুউব ভাল কথা। পিচে আকাশী কলেজলৈ গৈ আছেতো?'

'আছে। আছে।'

'আপোনালোকে কথা পাতক। মই আহোঁ।'

আইভী আঁতৰি যাব খুজি থমকি ৰৈছিল। কৈছিল ঃ আপুনি-চোন বজাৰৰ পৰা আহিও কথা পাতিব পাৰে।

'যাম ৰ'বাচোন। তুমি ইমান ব্যস্ত হৈছা কেলেই?'

আইভী ভিতৰ সোমাই গৈছিল।

'এটা কথা নহয় অসীম।'

'কি?'



'আকাশীৰ বিয়াখনো পাতিব লাগিছিল অ'।'

'নিশ্চয়। ল'ৰা পাইছ জানো?'

'তই তোৰ বিয়াৰ কথা কি ভাবিছ বাৰু?'

মোৰ বুকুখন চিৰিংকৈ উঠিল। মোৰ বিয়াৰ লগত আকাশীৰ বিয়াৰ সম্পৰ্ক কি? তাৰ মানে ময়ূৰে মোক ক'ব নে কি ঃ আকাশীক তয়ে বিয়া কৰ অসীম। আকাশীয়ে তোক খুউব ভাল পায়। তয়ো পাৰ। তাৰোপৰি তহঁতৰ মাজৰ সম্পৰ্কটো মই জানো।

মই একো নামাতিলোঁ। শেঁতা পৰি গ'লোঁ।

'বিয়া কৰালে সোনকালেই কৰাব লাগে। বেচি বয়সলৈকে ৰৈ থকাৰ কোনো অৰ্থ নাই। বিশেষকৈ আমাৰ দৰে মধ্যবিত্ত শ্ৰেণীৰ মানুহবোৰৰ বিয়া উপযুক্ত বয়সত হোৱা উচিত।'

'বিয়া কৰাটো সহজ। কিন্তু সুখৰ ঘৰ এখন তৈয়াৰ কৰা টান। বিশেষকৈ...... ।'

'একো নহয়। মই জানো এতিয়া চলা নাই? অভাৱ মানুহৰ কোনো দিনেই নুগুচে। সকলোৱে যদি হেজাৰ-টকীয়া চাকৰিৰ আশাত বিয়া নকৰোৱাকৈ থাকে তেন্তে সংসাৰত খুউব কম মানুহৰে ঘৰ সংসাৰ হ'ব। বিয়া হ'ব।'

'আগেয়ে আকাশীৰ বিয়াখনকে পাত। আমি চাওঁ। খাওঁ।'

'মইনো কেনেকৈ পাতিম? তহঁতেই পাতিব লাগিব। ল'ৰা এটা চাবিচোন।'

'মই ক'ত ল'ৰা পাম অ'?'

'অলপ যত্ন ৰাখিবি। তোক সিদিনা কিয় মাতিছিলোঁ জান?'

'কিয়?'

'তোৰ দেউতাৰাই মোলৈ এখন চিঠি দিছে।'

'দেউতাৰ চিঠি? তোলৈ কিয়?'

'তোৰ হেনো বিয়াৰ যো-জা কৰিছে। যোৰহাটৰ ছোৱালী।

ছোৱালীৰ দেউতাকে শ্বিলঙতে চাকৰি কৰে। তোৰ মতামত ল'বলৈ মোলৈ লিখিছে। আকাশী, অ' আকাশী।'

অলপ পিচত আকাশী ওলাই আহিছিল।

'সিদিনাৰ চিঠিখন আনাচোন আকাশী।'

'কাৰ চিঠি?'

'ইয়াৰ দেউতাকৰ।'

আকাশী আঁতৰি গৈছিল।

'দেউতাহঁত পাগল হ'ল নে কি?'

'মানে?'

'খাবলৈ ভাত নাই। থকাৰ ঘৰ নাই। বিয়া পাতে।'

এনেতে আকাশী ওলাই আহিছিল। চিঠি এখন ময়ূৰলৈ আগুৱাই দিছিল। কৈছিল: 'আমাক বিয়ালৈ মাতিবলৈ নাপাহৰিব আকৌ।'

'কাৰ বিয়ালৈ? তোমাৰ?'

'আমাৰ বিয়া নহয় অ'।'

ময়ূৰে চিঠিখন মোলৈ আগুৱাই দিছিল।

ধেমালিৰ সুৰত কৈছিলোঁ: 'বুইছ ময়ূৰ, আকাশীৰ দৰা আৰু ক'ত বিচাৰিবি? ময়েই বিয়া কৰাম।'

'ছিঃ, লাজো নাপায়।'

ময়ূৰে একো নামাতিলে। তলমূৰকৈ ৰ'ল। মুখ ভেঙুচাই আকাশী ভিতৰলৈ সোমাই গ'ল। মই দেউতাৰ চিঠিখন মেলি ল'লোঁ।

'তই বহ্। মই বজাৰৰ পৰা আহোঁ।'

ময়ূৰ আঁতৰি গৈছিল।

চিঠিখন সামৰি থৈ ভাবিছিলোঁ: ময়ূৰক তেনেদৰে কৈ ভুল কৰিলো নে কি?

'কি ভাবিছে? স্বৰ্ণাক বিয়া কৰাব?'



মূৰ দাঙি চালোঁ। আকাশী। কোঁচত ময়ূৰৰ কেঁচুৱাটো।

চিঠিখনত স্বৰ্ণা বোলা ছোৱালী এজনীৰ লগত মোৰ বিয়াৰ বন্দৱস্ত কৰা বুলি লিখিছিল। মোৰ মতামত পালেই বিয়াৰ দিন ঠিক কৰিব।

'স্বৰ্ণা বৰ ভাল ছোৱালী। খুউব ধুনীয়া।'

'এৰা।'

'তাই মোতকৈ এক শ্ৰেণী ওপৰত পঢ়িছিল। যোৱা বাৰ বি-এ দিব লাগিছিল। দিলে নে নাই নাজানো।'

'মোৰ ছোৱালী মই নিজেই ঠিককৈ থৈছোঁ আকাশী।'

'কোন?'

'আছে নহয়। তোমাক কেলেই?'

'কওকচোন।'

'মোৰ সন্মুখতে আছে।'

'সিমান কণ সাহস আপোনাৰ নাই।'

'কেনেকৈ জানিলা?'

'জানো। পিচে মোৰ ব্যৱস্থাটো এতিয়া কি কৰে কৰিব।'

'তোমাৰ ব্যৱস্থা মানে?'

'এতিয়া নুবুজাই হ'ল?'

'সঁচাকৈয়ে বুজা নাই।'

আকাশীৰ কোঁচৰ কেঁচুৱাটোৱে কান্দি উঠিছিল। নিচুকীয়াই নিচুকীয়াই আকাশীয়ে কৈছিল: 'কেই দিনমান পিচত নিজৰ কেঁচুৱাইও এনেদৰে কান্দিব ৰ'ব। বাইদেৱে আমাৰ সকলোবোৰ কথাই জানে। মই কৈছোঁ।'

'আকাশী।'

'তাৰ বাহিৰে মোৰ কোনো উপায় নাছিল। কিমান দিন আৰু নিজক লুকুৱাই ৰাখিম? ঠিক ফাইনেল পৰীক্ষাৰ সময়তে হাস্পাতাললৈ যাব লাগিব?'

সন্মুখত সাপ দেখি উচাপ খাই উঠাৰ দৰে মই উচাপ খাই উঠিছিলোঁ। আকাশীলৈ চাইছিলোঁ। কিন্তু আকাশীৰ শৰীৰৰ কোনো পৰিবৰ্ত্তনেই মোৰ চকুত ধৰা নপৰিল।

'এনেদৰে চাই আপোনালোকে কি বুজিব? মতা মানুহক ফাকি দিয়া সহজ। তিৰোতা মানুহক ফাকি দিব নোৱাৰি। বাইদেউকো মই ফাকি দিব নোৱাৰিলোঁ।'

মোৰ মূৰত যেন বজ্ৰপাত পৰিছিল।

'তুমি মোক আগতে নক'লা কেলেই আকাশী?'

'আপুনি জানো আহিছিল? আপোনাক মাতি মাতিও দেখোন অনাব নোৱাৰিলোঁ।'

পৃথিবীখন ঘূৰিছিল।

ৰান্ধনি-ঘৰৰ পৰা আইভীয়ে আকাশীক মাতিছিল। তাই আঁতৰি গৈছিল। গম্ভীৰ খোজ। সমাধান বিচৰা চিন্তাক্লিষ্ট মুখ।

আকাশ-পাতাল ভাবি মই বহি ৰ'লোঁ।

ইলিজা বেগম।

কেবা নিশাও ইলিজা বেগমক লগ পাইছিলোঁ। অকল-শৰীয়াকৈ। শেষ নিশা মই তাইক ঘৰত থৈ আহিছিলোঁ। শোট-মোট খোৱা কাপোৰ। আউল-বাউল চুলি। ওঁঠত এবাই যোৱা লিপ্‌ষ্টিকৰ শেঁতা ৰং। কিন্তু ইলিজা বেগমেতো আকাশীৰ দৰে কোনো দিনে কোৱা নাই। ইলিজাৰতো একো হোৱা নাই। একো নহ'ল। কুমাৰী ইলিজা আজিও সমাজৰ চকুত কুমাৰী হৈয়ে আছে। কুমাৰী হৈ বিদেশলৈ যোৱা ইলিজা হয়তো আকৌ কুমাৰী ইলিজা হৈয়েই উভতি আহিব। প্লট'-প্লাজম্ সংৰক্ষণ কৰি প্ৰজনন কৰাৰ শক্তি জানো ইলিজাৰ নাই? আকাশীৰ আছে? আকাশী উৰ্ব্বৰা? ইলিজা বন্ধ্যা?

শীলাদাস?



চেক্ৰেটাৰী গোস্বামীৰ জৰিয়তেই শীলাদাসৰ লগত মোৰ গঢ়ি উঠিছিল এটা সম্বন্ধ। গাঢ়।

ৰবিবাৰ। মেটিনী চাই উভতি আহিছিলোঁ। মূৰটো কামুৰিছিল। শীলাদাসহঁতৰ ঘৰৰ সন্মুখেৰে পাৰ হৈ যাব খুজিছিলোঁ।

ভিতৰৰ পৰা মাত এটা ভাঁহি আহি মোৰ কাণত পৰিছিল।

'হেৰা অসীম! শুনা।'

মই ভিতৰলৈ সোমাই গৈছিলোঁ।

শীলাদাস বোধহয় টোপনিৰ পৰা উঠিছিল। চকু-মুখ উখহি আছে।

আমি বাহিৰৰ কোঠাটোতে বহি কথা পাতি আছিলোঁ।

'ছোৱালীজনীও আজিকালি হোষ্টেলত থাকে। দেউতাকতো ঘৰত নাথাকেই। আগেয়ে মাজে-সময়ে গোস্বামী আহিছিল। আজিকালি তেখেতো আহিবলৈ কমাই দিছে। ইমানটো ঘৰত অকলে অকলে বৰ বেয়া লাগে। মাজে মাজে কেতিয়াবা কেতিয়াবা আহিবাচোন হে। ডেকা ল'ৰা।'

'মদন নাই জানো?'

'আছে। কিন্তু মদন-সংহাৰ নাই। চাকৰ-বাকৰৰ লগতনো কি কথা পাতিবা?'

মদন-সংহাৰ শব্দ দুটাৰে কি অৰ্থ কৰিছিল মই বুজি নাপালোঁ। মনে মনে ৰ'লোঁ।

'তোমালোকৰ অফিচত বোলে আজিকালি এজনী বৰ ধুনীয়া ছোৱালীয়ে কাম কৰে, হয় নে?'

'কাৰ বা কথা কৈছে?'

'লজ্জাৱতী নে নিলাজী?'

'অ' লাবণ্য।'

'গোস্বামী বোলে আজিকালি সন্ধিয়া সদায় তাইৰ তালৈ যায়। হয় নে কি?'

'নাজানো।'

'জানা। নোকোৱা।'

'সঁচাকৈ নাজানো।'

কিছু সময়ৰ মৌনতা।

'বুকুখন বৰকৈ বিষাইছে। কৰঙন দুখনো ইমান কামুৰিছে।'

'কিয় ?'

'নাজানো।'

ক'ব খুজিছিলোঁ ঃ যোৱা নিশা বৰ অত্যাচাৰ হ'ল নে কি? কিন্তু নক'লোঁ। নক'লোঁ নহয়। ক'ব নোৱাৰিলোঁ।

'বুকুৰ বিষৰ বাবে আজি ব্ৰেচিয়াৰকে পিন্ধা নাই।'

মই সচেতন হৈ উঠিছিলোঁ। এয়া কিহৰ ইঙ্গিত ? মনটো মোৰ লক্‌লকাই উঠিছিল।

সন্মুখৰ চকী এখনত ঠেং দুখন তুলি বহা শীলাদাসৰ মুগাৰ মেখেলাখনৰ ভিতৰত বতাহৰ পাতল ঢৌ সোমাই ঢোল সাজিছিল।

হাত দুখন মূৰৰ ওপৰলৈ তুলি এঙামুৰি দিয়া শীলাদাসৰ হাত চুটি ব্লাউজটোৱে ঢাকিব নোৱাৰা সুগোল বাহু দুখন ধুনীয়া হৈ ওলাই পৰিছিল। বুকুখন কঁপিছিল।

এনেতে বতাহ এজাকে বাট হেৰুৱাই আহি শীলাদাসৰ ঢোল সজা মেখেলাখন বহুত ওপৰলৈ দাঙি দিছিল। শীলাদাসৰ কৰঙন দুখন লাজ লগাকৈ ওলাই পৰিছিল।

'বতাহজাকৰ বাবে আৰু শান্তি নাই।'

শীলাদাসৰ মুখত এলেহুৱা ভাৱ। মন্থৰ হাতেৰে মেখেলাখন ঠিক কৈ ল'ব খোজোঁতে বুকুৰ চাদৰখন খহি পৰিছিল। মন্থৰ হাত এখনেৰেই চাদৰখন আকৌ আগৰ ঠাইত তুলি থৈছিল।

মদনে চাহ, পকা কল আৰু আনাৰস কেইটুকুৰামান আনি আমাৰ সন্মুখত থৈছিল।

'মই বজাৰলৈ যাওঁ নে আইদেউ ?'



'এৰা যা। অথনিৰ পইচা তোৰ হাতত আছে নহয় ?'

'আছে।'

মদন আঁতৰি গৈছিল।

আমি চাহ খাইছিলোঁ।

'তুমি হেনো প্ৰেমত পৰিছা ? হয় নে অসীম ?'

'মিছা কথা। আপোনাক কোনে ক'লে ?'

'শুনিছোঁ।'

তাৰ পিচত আমাৰ কাৰো মুখত মাত নাই।

'বতৰটো ওন্দোলাই আনিছে। বৰষুণ দিব হ'বলা।' মৌনতা ভাঙি কৈছিলোঁ।

'এনেকুৱা বতৰবোৰেই ভাল।'

কথাষাৰ কৈ বেঁকা দৃষ্টিৰে শীলাই মোলৈ চাইছিল। হাঁহিছিল।

মই বিদায় ল'ব খুজিছিলোঁ।

এনেতে হুৰমুৰকৈ নামি আহিছিল এজাক বৰষুণ।

মই উঠিব খুজিও আকৌ বহি পৰিলোঁ। বৰষুণৰ বৰ বৰ টোপালবোৰৰ লগত শিলো পৰিছিল। বতাহে হো-হোৱাইছিল।

'ইয়াত বৰ চেঁচা লাগিছে। ভিতৰলৈকে ব'লা।'

'মই যাওঁগে।'

'বৰষুণজাক এৰিবলৈ দিয়া। বৰ নেৰা-নেপেৰা বৰষুণ। বেগতে নেৰে।'

শীলাদাস বহাৰ পৰা উঠিছিল। দুৱাৰ-খিড়িকীবোৰ বন্ধ কৰি দিছিল। পৰ্দ্দাবোৰ বহলাই দিছিল। কোঠাটো আপেক্ষিকভাৱে অন্ধকাৰ হৈ পৰিছিল। ভাবিছিলোঁ শীলাদাসে লাইটটো জ্বলাই দিব। কিন্তু নিদিলে।

'ভিতৰলৈ ব'লা।'

'ইয়াতেই বহক না।'

শীলাদাসৰ হাতখনত ধৰি বহুৱাই দিছিলোঁ। তাই আছাৰ

খাই পৰি যাব খুজি মোৰ কোঁচতে বহি পৰিছিল। বুজিলোঁ ঃ আচলতে শীলাদাস পৰি যোৱা নাই। সেয়া তাইৰ অভিনয়।

মোৰ কি হৈছিল ক'ব নোৱাৰোঁ। হাত দুখনে মোৰ বিবেকৰ শাসন মনা নাছিল। শীলাই ঘন ঘনকৈ উশাহ লৈছিল। কৈছিল ঃ দুষ্টটো ক'ৰবাৰ।

তাৰ পিচত শীলাদাসৰ ওচৰলৈ প্ৰায়ে গৈছিলোঁ। কিন্তু শীলাদাসে কোনোদিনে কোৱা নাছিল ঃ মৰিবা ৰ'বা।

মইহে এদিন কৈছিলোঁ ঃ কিবা যদি হয়, কি কৰিবা ?

তেতিয়া শীলাদাস 'আপুনি' নহয়। 'তুমি' হৈ পৰিছে।

'আজিৰ দিনতো কোনোবা তিৰোতা এনেকুৱা মূৰ্খ আছে নে কি ?'

সেই শীলাদাস আৰু ইলিজা বেগমেই মোক সাহস যোগাইছিল আকাশীৰ কৌমাৰ্য্যৰ সোৱাদ ল'বলৈ।

দিনবোৰ বাগৰি গৈছিল। অশান্তিত। চিন্তাত।

মোৰ মনৰ মাজত ভিচুভিয়াচৰ উদ্গীৰণ।

আকাশীক এদিন অকলে লগ পোৱাৰ প্ৰয়োজন বৰকৈ অনুভৱ কৰিছিলোঁ। ভাবিলোঁ ঃ কলেজৰ পৰা আহোঁতে আকাশীক লগ ধৰিম।

পূজা বন্ধৰ পিচত কলেজ খুলিছিল। আকাশীক লগ পাবৰ কাৰণে কেইবাদিনো যত্ন কৰিছিলোঁ। কলেজৰ বাটত খাপ লৈছিলোঁ। কিন্তু আকাশীক লগ নাপালোঁ।

আকাশী তেন্তে কলেজলৈকে অহা নাই নে কি ? অধ্যাপিকা আৰু ছাত্ৰীসকলৰ সন্মুখত ধৰা পৰাৰ ভয়ত তাই কলেজলৈকে আহিবলৈ এৰি দিছে ?

ময়ূৰক আকাশীৰ কথা সোধাৰ অথবা ঘৰলৈ গৈ খবৰ লোৱাৰ সাহস নহ'ল। অস্থিৰ উন্মাদনাত দিনবোৰ বাগৰি গ'ল।



আকাশী।

স্বৰ্ণা।

লাজ, অপমান।

আৰু মা-দেউতা। কোন সঁচা ? মই কাক বিয়া কৰোৱা উচিত ?

আকাশীক নে স্বৰ্ণাক ?

ক্ষণিকৰ উত্তেজনাত কৰা ভুলৰ বাবে নিজৰ ওপৰতে ধিক্কাৰ জন্মিল।

বনৰীয়া দঁতাল হাতীৰ দৰে বান্ধিব নোৱাৰা মনটোৰ ওপৰত ভীষণ খং উঠিল। মই নিজেই নিজৰ মুখত ঘুচিয়াই মুখখন যেন ভাঙি গুৰি কৰি পেলাম। কিবা এটা খাই মৰি থাকিম। ইমান কথা মই ভাবিব নোৱাৰোঁ। এই সমস্যাৰ সমাধান কৰা মোৰ দ্বাৰা অসম্ভৱ।

## ॥ ছয় ॥

নবেম্বৰ মাহ। শ্বিলঙৰ আকাশ শেঁতা। বায়ুমণ্ডল চেঁচা।

অফিচ ছুটী হ'বলৈ আৰু বেচি সময় নাছিল।

ছুটীৰ পিচত বিয়া এখনলৈ যোৱাৰ কথা আছিল। আমাৰ অফিচৰে স্পেচিয়েল ড্ৰাফটিং অফিচাৰ মুখাৰ্জ্জীৰ ছোৱালীৰ বিয়া। উমৈহতীয়া ভাৱে কিবা এটা উপহাৰ দিয়াৰ বাবে চাৰি টকা নে পাঁচ টকা বৰঙণিও দিছিলোঁ। কিন্তু বিয়ালৈ যোৱাৰ ইচ্ছা সমূলি নাছিল। ভাবিছিলোঁ ঃ আকাশীহঁতৰ ঘৰলৈ এবাৰ যাম। কিন্তু পুলকেশহঁতক অসন্তুষ্ট কৰাৰ ইচ্ছা নহ'ল। সিহঁত কেইটাই বাৰে বাৰে আহি কৈছিল ঃ আপুনি যাবই লাগিব। চেক্ৰেটাৰীক কৈ অফিচৰ গাড়ীখন ল'ব। ভাবিলোঁ ঃ ছুটীৰ পিচত আটাইবোৰ একেলগে গ'লেও মই বেগতে গুচি আহিম।

আলপনা মুখাৰ্জ্জী। ধুনীয়া গাভৰু। মৰম লগা চাৰনি। ছোৱালী কলেজৰ মিউজিক চেক্ৰেটাৰী আলপনা। অৰ্থনীতিত সন্মানৰ পৰীক্ষা দিয়াৰ বাবে ব্যস্ত। তাৰ মাজতেই বিয়াৰ বন্দৱস্ত কৰিছিল দেউতাকে। দেউতাক সুবোধ মুখাৰ্জ্জী বুঢ়া মানুহ। পেঞ্চন পাবলৈ মাত্ৰ এবছৰ নে দুবছৰ আছে।

আমি কৈছিলোঁ: 'বিয়াখন ইমান লৰা-লৰিকৈ নাপাতিলেও দেখোন হ'লহেঁতেন। ছোৱালীজনীক পৰীক্ষাটো দি ল'বলৈ নিদিলে কেলেই?

'পৰীক্ষা না হয় বিয়েৰ পৰেও দিতে পাৰ্বে। কিন্তু আজকাল ভাল ছেলে পাওয়াটা কত মুস্কিল জানেনতো। বিয়েটা আপনাদেৰ আশীৰ্ব্বাদে হয়ে যাক্। আপনাৰা সবাই আশীৰ্ব্বাদ করুন।'

মুখাৰ্জ্জীয়ে কৈছিল। আমি মনে মনে আছিলোঁ।

আলপনা আৰু আকাশী।

আকাশীৰো হয়তো এনেদৰে এদিন বিয়া হ'ব। আকাশী আনৰ হৈ যাব। মোৰ বুকুখন চিৰিংকৈ উঠিছিল। আকাশীক বিয়া কৰাবলৈ জানো কোনোবা আগ বাঢ়ি আহিব? হয়তো আলপনায়ো জানে: আকাশী সন্তান-সম্ভৱা।

নীলপল্লৱ মুখাৰ্জ্জী।

অসম চৰকাৰৰ বন্ধুৱা দফ্তৰৰ বিশেষ বিষয়া। এজন ধুনীয়া ডেকা। ভদ্ৰ আৰু গম্ভীৰ। চেহেৰা-পাতিত আভিজাত্যৰ ছাপ। অৱশ্যে নীলপল্লৱৰ বদনামো নোহোৱা নহয়। বহুতে কয়: নীলপল্লৱ অহঙ্কাৰী। টকা আৰু বিদ্যাৰ ভেমত ওফন্দি থকা গণ্ডাটোপ।

আৱশ্যকতকৈ বহুত কম কথা কোৱা নীলপল্লৱৰ ভেম থকাটোৱে স্বাভাৱিক। কেবাটাও ফৰেইন্ ডিগ্ৰী আৰু ডিপ্ল'মাধাৰী সম্ভাৱনাপূৰ্ণ



উজ্জ্বল ভৱিষ্যত থকা নীলপল্লৱে ভেম নেদেখুৱাই দেখুৱাব কোনে? ভাবিছিলোঁ: কমকৈ কথা ক'লেই যদি মানুহ অহঙ্কাৰী হয়, তেন্তে পৃথিবীৰ বহুত মানুহেই অহঙ্কাৰী। আত্মগৰ্ব্বী।

অফিচৰ প্ৰায় আটাইবোৰেই কৈছিল: বুঢ়াই অৱশেষত ভাল ল'ৰা এটাকে পালে। মাক নোহোৱা ছোৱালী। সেই লৈয়েই বুঢ়াৰ মহা চিন্তা আছিল।

নীলপল্লৱক মই কেবাদিনো লগ পাইছোঁ। আলপনাকো দেখিছোঁ। আলপনা আৰু নীলপল্লৱৰ যুগল মূৰ্ত্তিটো মোৰ চকুৰ আগত ভাঁহি উঠিল।

চেক্ৰেটাৰীৰ ষ্টেন' ৰিডে কৈছিল: নাইচ্ ম্যাট্চিং।

অৰ্থাৎ দৰা-কইনা বেছ মিলিছে।

অফিচ ছুটীৰ পিচত অফিচৰ সৰহ ভাগেই আমি বিয়ালৈ গৈছিলোঁ।

আমাক দেখি সুবোধ মুখাৰ্জ্জীৰ উৎসাহে হিয়া নধৰা হৈছিল। হাঁহি হাঁহি অভ্যৰ্থনা জনাইছিল। বহিবলৈ দিছিল।

'গৰিব লোক। কিছুই কৰ্তে পাৰছি না। একটু পদ-ধূলা দিয়ে আসবেন।' বুলি নিমন্ত্ৰণ জনোৱা সুবোধ মুখাৰ্জ্জীয়ে তলে তলে ইমানবোৰ যোগাৰ কৰিব বুলি আমি কল্পনাও কৰা নাছিলোঁ।

খোৱা টেবুলত বহি আমি আচৰিত হৈছিলোঁ। আমাৰ সন্মুখত বহুতো ভোগৰ সামগ্ৰী। ওচৰতে বহা বিনয় বৰঠাকুৰে মোৰ কাণৰ কাষত ফুচফুচাই কৈছিল: 'মাহৰ শেষত বজাৰ কৰিবলৈ অফিচ এচিষ্টেণ্টৰ পৰা পাঁচ টকা ধাৰলৈ লোৱা বুঢ়াই ছোৱালীৰ বিয়াত বহুত খৰচ কৰিছে দেউ।'

মই মূৰ দুপিয়াই সমৰ্থন জনাইছিলোঁ।

আন এজনে কৈছিল: 'ফাৰ্ণিচাৰ চে'টটো দেখিছে? এৰা, নিদিনো কি কৰিব? আগলৈ পিচলৈ বুলিবলৈ এজনীয়ে ছোৱালী।'

এনেতে সোমাই আহিছিল সুবোধ মুখাৰ্জ্জী। কৈছিল ঃ 'কিছু মনে কৰ্‌বেন না। গৰিৱলোক, কিছুই কৰ্‌তে পাৰছি না।'

নবীন শইকীয়াই আমাৰ মাজৰ পৰাই কেল্‌কেচিয়ান বঙালী ক'বৰ যত্ন কৰি কৈছিল ঃ 'নাই। নাই। আপুনিতো বহুত কৰেছেন। আৰু কত কৰ্‌বেন।'

শইকীয়াৰ মুখত বঙালী ভাষা শুনি আমি আটাইবোৰে গিৰ্জ্জনি মাৰি হাঁহিছিলোঁ। হাঁহিৰ কোবত ৰেজিষ্ট্ৰাৰৰ মুখৰ ৰসগোল্লা নাকেৰে ওলাই দূৰত ছিটিকি পৰিছিল। বহু কষ্টেৰে চেপি ৰাখিব খুজিও আমি হাঁহি ৰাখিব নোৱাৰিলোঁ। লাজত ৰেজিষ্ট্ৰাৰৰ মহন্ত ৰঙা পৰি গৈছিল।

চাহ-জলপান খোৱাৰ পিচত আমি বিদায় লৈছিলোঁ।

মুখাৰ্জ্জীয়ে দৰা অহালৈকে থাকিবলৈ অনুৰোধ কৰিছিল। আমি নাথাকিলোঁ। কেইজনমান থাকিল। 'পাৰিলে দৰা অহাৰ সময়ত এবাৰ আহিম' বুলি কৈ আমি ৰাতিলৈ থাকিব নোখোজা কেইজন গুচি আহিছিলোঁ।

নিশা বহুখিনি হৈছিল। শুবৰ যত্ন কৰিও মই শুব নোৱাৰিলোঁ। নানাৰকম অসংলগ্ন চিন্তাই মোৰ মনৰ মাজত মকৰাজাল গুঠিছিল। ওৰে নিশাটো চট্‌ফটাই কটাই দিলোঁ। টোপনি নাহিলে জোৰকৈ টোপনি যাবৰ যত্ন কৰা মিছা।

ৰাতিপুৱা চকু দুটা পুৰিছিল।

অফিচ পাওঁতে কেইমিনিটমান মোৰ পলম হৈছিল।

অফিচত সোমায়ে লক্ষ্য কাৰছিলোঁ ঃ অফিচটো যেন সেৰেঙা। বহু কৰ্ম্মচাৰী অফিচলৈ অহা নাই। ভাবিলোঁ ঃ ৰাতি বোধহয় বিয়ালৈ গৈছিল। এতিয়া অফিচলৈ আহোঁতে পলম হৈছে।

মোক দেখি ৰিডে ইংৰাজীতে সুধিছিল ঃ 'আপুনি এতিয়া বিয়া-ঘৰৰ পৰা আহিছে নে কি?'

'ওহোঁ। কেলেই?'



'খবৰটো শুনিছে নে নাই?'

'কি খবৰ?'

'আপুনি শুনা নাই?'

'ওহোঁ। মইতো একো শুনা নাই।'

'অফিচত কোনোৱেই নাই।'

'ক'লৈ গ'ল? অফিচ ছুটী নে কি?'

ৰিডক প্ৰশ্ন কৰি খিড়িকীৰে সচিবালয়ৰ ওপৰত আঁৰি থোৱা জাতীয়-পতাকাখনলৈ চাইছিলোঁ। কোনোবা মৰিলে জাতীয়-পতাকাখন অৰ্দ্ধনমিত কৰি ৰখা হয়। কিন্তু পতাকাখন অৰ্দ্ধ-নমিত কৰি ৰখা হোৱা নাই?

'নহয়, নহয়। অফিচ ছুটী হ'ব কেলেই? অফিচৰ আটাইবোৰ স্পেচিয়েল-অফিচাৰ-ড্ৰাফ্‌টিঙৰ ঘৰত।'

'মুখাৰ্জ্জীৰ ঘৰত? কিয়?'

'কালিৰ দৰাজনক আজি ৰাতিপুৱা পুলিচে গ্ৰেপ্তাৰ কৰিছে। ওহ্‌ পুওৰ্‌ ওল্ড্‌ ফেলো।'

'গ্ৰেপ্তাৰ কৰিলে? কেলেই?'

এনেতে সোমাই আহিছিল বিনয় বৰঠাকুৰ।

'কি হৈছিল হে ভাইটি?' সুধিছিলোঁ।

'ৰং পাৰ্‌চনিফিকেশ্যন্‌ ককাইদেউ। ৰং পাৰ্‌চনিফিকেশ্যন্‌।'

'মই বুজা নাই।'

'নীলপল্লৱক পুলিচে গ্ৰেপ্তাৰ কৰিলে নহয়। বেচেৰা মুখাৰ্জ্জী-টো আধা-মৰা হৈছে। আলপনাৰতো এতিয়ালৈকে জ্ঞানেই ফিৰি অহা নাই।'

'কি হৈছিল?'

'বেটা ধুৰন্ধৰ। সি ক'ৰ ফৰেইনলৈ গৈছিল? ক্লাছ এইট্‌ নে নাইনলৈ পঢ়িছিল। এতিয়া ধৰা পৰিছে।'

'কেনেকৈ?'

'আচলতে তাৰ নাম নীলপল্লৱ মুখাৰ্জ্জী নহয়। নীলমাধৱ বেনাৰ্জ্জীহে। নীলমাধৱহঁতৰ ঘৰৰ ওচৰৰে নীলপল্লৱ মুখাৰ্জ্জী নামৰ ডেকা এজন ফৰেইনলৈ গৈছিল। ফৰেইনৰ পৰা কিবা-কিবি ডিপ্লʼমা লৈ ফিৰি আহিছিল।'

'তাৰ পাচত?'

'বেচেৰা নীলপল্লৱ বিদেশৰ পৰা অহাৰ কেইদিনমান পিচতে ঢুকাল। নীলমাধৱে সেই চাৰ্টিফিকেটবোৰ সংগ্ৰহ কৰি লʼলে। তাৰ পিচত নীলমাধৱ বেনাৰ্জ্জীয়ে নীলপল্লৱ মুখাৰ্জ্জী হৈ অসম চৰকাৰৰ তলত চাকৰি লʼলে।'

'কিন্তু ধৰা পৰিল কেনেকৈ? চাকৰিত সোমোৱাৰো দেখোন আজি চাৰি বছৰ নে পাঁচ বছৰ পাৰ হৈ গʼল?'

'এমাহ নে দুমাহ আগতে নীলপল্লৱ হেনো ডিগবয়লৈ গৈছিল। লেবাৰ ডিচ্পুটৰ কেচৰ অনুসন্ধান কৰিবলৈ। ডিগবয় অʼইল কোম্পানীৰ এচিষ্টেণ্ট মেনেজাৰজনৰ অভদ্ৰ ব্যৱহাৰেই হেনো বনুৱা-সকলৰ অসন্তুষ্টিৰ কাৰণ। সেই মেনেজাৰজন আকৌ নীলপল্লৱহঁতৰ ঘৰৰ ওচৰৰ। মেনেজাৰজনৰ সন্দেহ হʼল। ভুৱা নীলপল্লৱে নজনাকৈ মনে মনে চীফ্ চেক্ৰেটাৰীলৈ তাঁৰ পঠিয়ালে। অসম চৰকাৰে তাঁৰ পাই, বঙ্গ চৰকাৰলৈ অনুসন্ধানৰ বাবে লিখি পঠিয়ালে। নীল-পল্লৱে বঙ্গ চৰকাৰৰ তলত চাকৰি কৰা বুলি যিখন প্ৰমাণ-পত্ৰ দেখুৱাইছিল, সেইখনো নীলপল্লৱৰ পৰা খুজি নি পঠিয়াই দিলে। কালি নে পৰহি বেঙ্গল গৱৰ্ণমেণ্টৰ পৰা উত্তৰ আহিছে। সেই চাৰ্টি-ফিকেটখনো ভুৱা। জাল। নীলপল্লৱ আৰু নীলমাধৱ দুয়োজনৰে ঘৰ খানাতালাচ কৰি দুয়োজনৰ ফটোৰে সৈতে কলিকতাৰ পুলিচ ৰিপʼৰ্টৰ নকলসহ বঙ্গ চৰকাৰে পঠোৱা প্ৰতিবেদনখন পাই আজি ৰাতিপুৱা বিয়া ঘৰতে আমাৰ পুলিচে ভুৱা নীলপল্লৱক গ্ৰেপ্তাৰ কৰিলে।'

'কথা সেয়েহে নে কি?'



'এনেকুৱা ৰং পাৰ্চনিফিকেশ্যন্ অসমত বহুত আছে ককাইদেউ। চোৰাংচোৱা বিভাগেও জানে। কিন্তু গোপনে ৰাখে। চাকৰি খাব নোখোজে। ৰিফিউজী ঋণ লোৱা শতকৰা যাঠিজন মানুহেই ৰং-পাৰ্চন্। পঞ্জাৱতো এদিন ৰিফিউজী সমস্যাৰ উদ্ভৱ হৈছিল। কিন্তু সেইসকল ৰিফিউজীক আজি ৰিফিউজী বুলি কʼলে বেয়া পায়। কিন্তু অসমলৈ যিসকল ৰিফিউজী হৈ আহিল, সেইসকল চিৰ দিন ৰিফিউজী হৈয়ে ৰʼল। সেই চাৰ্টিফিকেটখনকে লৈ আটাইবোৰ সা-সুবিধা লৈছে। লৈ আছে। অসমলৈ দিনৌ নতুন নতুন ৰিফিউজী আজিও আহিয়েই আছে। গুৱাহাটীৰ বহুতো থলুৱা মানুহৰ থাকিবলৈ ঘৰ-বাৰী নাই। কিন্তু ৰিফিউজীসকলৰ আছে। থলুৱা মানুহে মাটি পোৱা নাই। ৰিফিউজীসকলে পাইছে। গুৱাহাটী, শ্বিলং, নগাওঁ সকলোতে ৰিফিউজীসকলৰ বাবে বাসৰ ব্যৱস্থা কৰা হʼল। নহʼল মাথোন আমাৰ থলুৱা লোকসকলৰ। কৰ্ম্মচাৰী-সকলৰ। ৰিফিউজীসকল দণ্ডকাৰণ্যলৈ নাযায়। অসমলৈ আহে। জানে ঃ অসম সোণৰ অসম। ইয়াৰ মাটিত সোণ গজে। এক কিলো শুকান বেঙেনা সলালে কুৰি কিলো গুটি-ধান পায়।'

বিনয়ে বক্তৃতা-মঞ্চত থিয় হৈ বক্তৃতা দিয়াৰ দৰেই বক্তৃতা আৰম্ভ কৰি দিলে।

'গুৱাহাটীতো এজন ভুৱা ইঞ্জিনিয়াৰ গ্ৰেপ্তাৰ হোৱাৰ কথা কাগজত পঢ়া নাছিল জানো? ভুৱা ডাক্তৰো অসমত বহুতেই আছে। ছায়া সিঙৰ কেচটো নাজানে জানো?'

'কোন ছায়া সিং?'

'কিয়? নাজানে? পাব্লিক্ হেলথ্ ইঞ্জিনিয়াৰ ছায়া সিং?'

'ওহোঁ। ছায়া সিঙৰ আকৌ কি হʼল? কিনো হৈছিল?'

'ছায়া সিঙে মায়া কৰি অসমৰ পুলিচৰ চকুত ধূলি মাৰিলে।'

'কি হৈছিল, কোৱা না?'

'ছায়া সিঙৰ মাদ্ৰাজত নে কেৰেলাত কʼৰবাত ঘৰ। ইঞ্জিনিয়াৰিং

ডিপ্ল'মা, চাৰ্টিফিকেট আদি বহুত কিবা-কিবি দেখুৱাই অসম চৰকাৰৰ পাব্লিক্ হেলথ্ ইঞ্জিনিয়াৰটো হৈ বহি পৰিল। লণ্ডনৰ কোনোবা মেকমিলান কোম্পানীতো হেনো বহু বছৰ কাম কৰিছিল। তিনি বছৰ নে চাৰি বছৰ অসমত চাকৰি কৰাৰ পিচত এদিন দুলাখ টকা লৈ ছায়া সিং উধাও।'

'ক'লৈ গ'ল?'

'কোনে কাক ক'ত ধৰে?'

'দুলাখ টকানো ক'ত কেনেকৈ পালে?'

'হে ভগৱান, তাকো বুজাই ক'ব লাগে নে কি? আপুনি দেখিছোঁ মোৰ চাকৰি খাব।'

'কোৱা না। একো নহয়।'

'আচলতে ছায়া সিং তাৰ নামেই নহয়। এজন ৰ' মেন্। জেনেৰেল এডুকেশ্যন অলপ আছিল বোধহয়। গাৱঁলীয়া অঞ্চলত পানী-যোগান ব্যৱস্থাৰ বাবে দুলাখ টকাৰ নলী-নাদৰ সা-সৰঞ্জাম কিনাৰ বাবে অসম চৰকাৰে আঁচনি মঞ্জুৰ কৰিছিল। মাৰ্চ্চৰ ভিতৰত আটাইবোৰ টকা খৰচ কৰাৰ কথা। নহ'লে বিত্তীয় মঞ্জুৰী নাকচ হ'ব। কিন্তু আঁচনি অনুমোদন হ'ল মাৰ্চ্চৰ ষোল তাৰিখে। চৈধ্য দিনত দুলাখ টকাৰ কাম কৰাব লাগে। ছায়া সিঙেও সুবিধা চাইহে আছিল। একত্ৰিশ মাৰ্চ্চৰ দিনা দুলাখ টকা বেঙ্কৰ পৰা উলিওৱা হ'ল। পি-এল একাউণ্ট খুলি এপেক্স্ বেঙ্কত জমা থোৱাৰ বাবে ছায়া সিঙে টকাখিনি নিজৰ হাতলৈ নিলে। তাৰ পিচ দিনা ৰবিবাৰ। অফিচ বন্ধ। সোমবাৰে ৰাতিপুৱা দহ বজাত ছায়া সিঙৰ বঙলাৰ পৰা ফোন আহিল: ছায়া সিঙৰ অসুখ। অফিচলৈ নাহে।'

'তাৰ পিচত?'

'সোমবাৰ গ'ল। মঙ্গলবাৰ গ'ল। তাৰ পিচতো এসপ্তাহ। আমাৰ চৰকাৰৰো খবৰ নাই। ছায়া সিঙৰো নাই। আচলতে



ছায়া সিং টকা লোৱাৰ দিনাখনেই পলাল। ছায়া সিং ছায়া হৈ অসমৰ মাজৰ পৰা গুচি গ'ল।'

'তেনেহ'লে সোমবাৰে বঙলাৰ পৰা ফোন কৰিলে কোনে?'

'ছায়া সিঙৰ ছায়াই। অৰ্থাৎ বঙলাৰ অইন মানুহে।'

'ছায়া সিঙৰ ঘৰৰ ঠিকনাত পুলিচে অনুসন্ধান কৰা নাই জানো?'

'কৰিলে কি হ'ব? ছায়া সিঙে যদি চন্দন বাজপেয়ী নাম লৈ ডাঢ়ি-চুলি খুৱাই বোম্বাইৰ ভেণ্ডী-বজাৰ অথবা নল-বজাৰত সোমাই থাকে; তেন্তে কোনে কাক চিনি পায়?'

'ছায়া সিঙৰ তেন্তে কোনো খবৰেই নাপালে?'

'ওহোঁ। আজি ছবছৰ হ'ল? কোনো খবৰ নাই। মজা কি জানে ককাইদেউ?'

'কি?'

'ছায়া সিঙে মায়া কৰি অন্তৰ্দ্ধান হোৱাৰ এমাহ পিচলৈকে প্ৰধান সচিবে কি কয় জানে?—'হয়তো ঘৰলৈ গৈছে। আকৌ উভতি আহিব। মিছাতে হুলস্থূল কৰি অথবা পুলিচত খবৰ দি একো লাভ নাই।' মূৰ্খ। বিধান সভাৰ মজিয়াতো এই সম্পৰ্কে কোনো কথাই নুঠিল।'

কথাবোৰ কৈ বিনয় বোধহয় ভাগৰি পৰিছিল। সি কোঠাৰ পৰা ওলাই গ'ল। মই মনে মনে ৰ'লোঁ। ৰিডে কিবা টাইপ কৰি আছিল। ময়ূৰে কোৱা কথা এষাৰ মনত পৰিল: বুইছ অসীম, এই সস্তীয়া খাচিয়া কেইজনীয়ে অসমখন খালে। ডেকা-বুঢ়াৰ কোনো প্ৰভেদ নাই। বৰ বৰ বিষয়াবোৰ খাচিয়ানী লৈয়ে ব্যস্ত। ক্লাব্ আৰু মদ। ৰাজধানীখন শ্বিলঙৰ পৰা ভৈয়ামলৈ নিলে দুৰ্নীতিবোৰ বহু পৰিমাণে কমিব। অৱশ্যে আত্মশুদ্ধি নহ'লে অন্যায় আৰু দুৰ্নীতিৰ পৰা অব্যাহতি পোৱাৰ আশা মিছা। এইখন চৰকাৰৰ ওপৰত কাৰো শ্ৰদ্ধা নাই। আস্থা নাই।

ভাবিলোঁ: ইয়াৰ সমাধান জানো নাই? ৰাইজ ঐক্যবদ্ধ হওক।

জনসাধাৰণে সমস্যা সমাধানৰ বাবে বিপ্লৱ কৰক। চৰকাৰ ভাঙি দিয়ক। খবৰৰ কাগজৰ সম্পাদক আৰু বিশ্ববিদ্যালয়ৰ উৰ্ব্বৰ মস্তিষ্ক-পূৰ্ণ লোকসকলে চৰকাৰৰ দোষ-গুণবোৰ ফঁহিয়াই ৰাইজক প্ৰকৃত পথত চালিত কৰক। দেশৰ সমগ্ৰ ৰাইজে চৰকাৰৰ ওচৰত স্মাৰক-পত্ৰ দাখিল কৰক। চৰকাৰৰ ভুল আৰু ত্ৰুটি-পূৰ্ণ নীতিৰ সমালোচনা কৰি শুদ্ধ নীতি দাঙি ধৰক। চৰকাৰক বাধ্য কৰক: জনতাৰ আহ্বানত সঁহাৰি দিবলৈ। চৰকাৰক অকল সমালোচনা কৰিলেই আমাৰ কৰ্ত্তব্য শেষ নহয়। আমি চৰকাৰক শুদ্ধ নীতি, শুদ্ধ পথ দেখুৱাই দিব লাগিব। গঢ়ন-মুখী সমালোচনা কৰক। গণতান্ত্ৰিক দেশ এখনত 'ৰাইজেই ৰজা' নহৈ 'ৰজাই ৰাইজ' হোৱাটো আমি বাঞ্ছা নকৰোঁ। আমি প্ৰত্যেকেই জানো: দেশৰ ৰাজধানী-বোৰ শাসনৰ ৰাজধানী। শিক্ষা, সংস্কৃতিৰ ৰাজধানী। ভাস্কৰ্য্য আৰু ঐতিহ্যৰ ৰাজধানী। কিন্তু আমাৰ ৰাজধানীখন কিহৰ ৰাজধানী? শিক্ষাৰ। সংস্কৃতিৰ নে শাসনৰ। নে অকল ৰঙা ফিতাৰ আৰু ৰেষ্ট পেপাৰ বাচ্‌কেটৰ? আমাৰ ৰাজধানীত পুৰ-নাৰী আছে। পুৰুষ আছে। কিন্তু নাৰীত্ব আৰু পুৰুষত্ব আছে নে নাই? যদি নাই, তেন্তে কিয় নাই? তাৰ বিচাৰ কৰাৰ সময় জানো এতিয়াও অহা নাই? ৰাজধানীৰ মাজ বুকুত চাউলৰ প্ৰতি কিলো সাতাশী নয়া পইচাত বিক্ৰী কৰা দোকানী-বেপাৰীসকলৰ বিৰুদ্ধে চৰকাৰে একো ব্যৱস্থা ল'ব নোৱাৰিলে বুলিয়েই জানো আমি ৰাইজেও তাৰ ব্যৱস্থা ল'ব নোৱাৰোঁ? যোগান পৰিদৰ্শক ৰবীন বৰা চাপ্লাই চুপাৰিণ্টেণ্ডেণ্টলৈ প্ৰমোচন পোৱাত হৃদয়মল আগৰৱালাই কিয় চাহ-মেল পাতিব লাগে? ইয়াৰ অৰ্থ কি? ট্ৰাঙ্ক-কল বুক কৰি শ্বিলঙৰ পৰা গুৱাহাটীৰ ৰামমলক কিয় ক'ব লাগে: 'হাম্‌লোগ্‌কা ইন্সপেক্টৰ বৰা চাহেব চুপাৰিণ্টেণ্ডেণ্ট হো গয়া।'

ভেজাল ব্যৱসায়ীক লাইট-প'ষ্টত ওলোমাই ফাঁচি দিয়া জৱহৰ-লাল মৌন হ'ল বুলিয়েই আমি জানো মৌন হোৱা উচিত? চৰকাৰে



কওক: এয়া হুলিগ্যান? গুণ্ডামি? স্বাধীনতা লাভৰ বাবে আমি প্ৰাণ বলি দিছিলোঁ। ইয়াৰ বাবেই নে কি? দেশৰ জনতাৰ সুখ-শান্তি আৰু জীৱন-ধাৰণৰ নিৰপত্তাৰ কাৰণে আমি 'গুণ্ডামিকে' নকৰোঁ কেলেই? আমি প্ৰমাণ কৰিবলৈ যত্ন নকৰোঁ কিয়: গুণ্ডা ৰাইজ নে কোন? 'বাতিপুৱা চাৰে আঠ বজাৰ পৰা চাৰি বজালৈ কাৰ্য্যালয়ৰ সময় নিৰূপণ কৰাৰ' কথাৰে বক্তৃতা দিয়া মন্ত্ৰী গৰাকীক ৰাইজে প্ৰশ্ন নকৰিলে কেলেই: জলপান খোৱা আধা-ঘণ্টাৰ ছুটীত প্ৰত্যেকজন কৰ্ম্মচাৰীক ঘৰলৈ গৈ জলপান খাই যথা-সময়ত উভতি আহিবলৈ চৰকাৰে একোখন গাড়ী দিব নে কি? চৰকাৰে খোলা কেণ্টিনত কৰ্ম্মচাৰীসকলৰ অভিৰুচি আৰু স্বাস্থ্যৰ বাবে প্ৰয়োজনীয় আহাৰ অথবা খাদ্য-সামগ্ৰী যোগাব পাৰিব নে কি? মন্ত্ৰী আৰু উচ্চ বিষয়াসকলে কিয় দুপৰীয়া 'লাঞ্চ' খাবলৈ যাব লাগে? বাতিপুৱা ন বজাত ভাত খালে তেওঁলোকৰ হজম নহয় নে কি? শ্বিলঙৰ পৰা চিঠি এখনৰ উত্তৰ ডিব্ৰুগড়লৈ আহোঁতে ছবছৰ লাগে কিয়? শনিবাৰে এক বজাৰ পিচত বিষয়াবোৰক কাৰ্য্যালয়ত পোৱা নাযায় কিয়? যি সময়ত নিম্নতম চাকৰিয়ালসকলে অফিচত বহি চাৰে-তিনিটাৰ ঘড়ীৰ কাঁটাৰ ওপৰত সতৃষ্ণনয়নে দৃষ্টি ৰাখি গল্প কৰি সময় কটায়, সেই সময়ত বৰ বৰ বিষয়াসকলে অনুদান, আঁচনি অথবা মঞ্জুৰীৰ কথা ভাবে নে 'ফ'ৰকাষ্ট', 'লেগ', 'উইনৰ' হিচাপ কৰে। চৰকাৰী বিষয়াসকলৰ কামত ৰাইজে সহযোগ কৰিবলৈ টান পায় কিয়? কাৰ্য্যালয়ৰ নিম্নতম চাকৰিয়ালসকলৰ বাসৰ বাবে চৰকাৰে খোলা ত্ৰিশজনীয়া বৰলা-চাংখনেই জানো যথেষ্ট? চকীদাৰে বিক্ৰী কৰা ঘৰ-ভাৰা আইনৰ পাণ্ডুলিপিৰে কোন খাচিয়ানীয়ে কিমান হেজাৰ থোঙা বনালে তাৰ হিচাপ জানো কোনোবাই কেতিয়াবা লৈছে? জেল চাপ্লায়াৰসকলে যোগান ধৰা খাদ্য-বস্তুৰ হিচাপ চৰকাৰে জানো কাহানিবা আকস্মিকভাৱে পৰীক্ষা কৰিছে? শ্বিলং জেইলত মাহে কেইমোন তেঁতেলী টেঙা যোগান ধৰা হয়? জেলৰ

কয়েদীসকলৰ মাজত দৰাচলতে সপ্তাহত কেইদিন তেঁতেলী টেঙা সিজোৱা পানী পৰিবেশন কৰা হয়, তাৰ হিচাপ জানো চৰকাৰে দিব পাৰিব? প্ৰতি কুইণ্টালত পোন্ধৰ নয়া পইচাকৈ বৰবজাৰৰ পৰা বস্তু কঢ়িয়াই আনি জেইলৰ গুদাম-ঘৰত জমা দিয়া বাবে হেণ্ডলিং এজেণ্টক দিয়া পৰিবহন বিল চৰকাৰে পৰীক্ষা কৰি কেতিয়াবা জানো ভাবিছে: এই হেণ্ডলিং এজেণ্টবোৰ ইমান কম হাৰত কেনেকৈ লাভৱান হয়। ইয়াৰ ভিতৰত কি ৰহস্য লুকাই আছে? সাধাৰণ গ্ৰাম-সেৱক এজনৰ গৃহ-নিৰ্ম্মাণৰ নিৰ্ম্মাণ স্থান নিৰ্ণয়ৰ বাবে মূৰৰ চুলি সৰোৱা মন্ত্ৰী গৰাকীয়ে সেইবোৰ দায়িত্ব বিভাগীয় বিষয়াসকললৈ এৰি তাতকৈ কামত ফাকি দিয়া কৰ্ম্মচাৰীসকলক শাস্তি দিয়াৰ বাবে নতুন আইন প্ৰণয়ন কৰাৰ কথা নাভাবে কেলেই? কৰ্ম্মচাৰী-সকলে কামত ফাকি দিয়া আৰু গাফিলি কৰাৰ কাৰণ উদ্‌ঘাটন কৰাৰ প্ৰয়োজন জানো নাই? বাধ্যতামূলক সঞ্চয়ে কৰ্ম্মচাৰী-সকলক আত্মৰক্ষা কৰিব নোৱাৰে। জাতীয় সঞ্চয় বৃদ্ধিৰ বাবে তাতকৈ উৎপাদনাৰ্থে সঁচা আৰু কাৰ্য্যকৰা আঁচনি নলয় কিয়? এবুকু পানীত 'এমুনিয়াম চালফেট' দিয়াৰ বাবে খেতিয়কসকলক উপদেশ দিয়াটো জানো অঁকৰামি নহয়। শালিধান চিনি নোপোৱা কৃষি-বিষয়াই আহুধানৰ গছত 'ক্ৰছ-ব্ৰিডিং' কৰি জহাধান উৎপাদন কৰিবলৈ গ'লে ৰাইজে তেওঁক কিয় বিশ্বাস কৰিব?

আমাৰ জনসাধাৰণৰ বাবে সভাথলীখনেই বিধান সভাৰ মজিয়া। বিষয়া, মন্ত্ৰী-উপমন্ত্ৰী আৰু নেতাসকলৰ বক্তৃতা শুনিয়েই অসন্তুষ্টিৰ মৌন গুঞ্জন তুলি আমি সভাথলীৰ পৰা ঘৰলৈ ঢাপলি মেলোঁ। এয়া জানো আমাৰ উচিত হৈছে? আমাৰ মুখৰ ভাষাৰ ওপৰত চৰকাৰে এতিয়াও কৰ লগোৱা নাই। লেতেৰা ৰাজনীতি লৈ দিন কটোৱাৰ সময় আমাৰ কাহানিবাই উকলি গ'ল। উচিত কথা কোৱাৰ সাহস আমাৰ ক'ত হেৰাল? জেললৈ নিব? কিন্তু কিমানক? সিমান সাহস যদি আমাৰ নায়েই, তেন্তে গোপনে



চৰকাৰক সমালোচনা কৰাৰ পৰা লাভ কি? চৰকাৰৰ নীতিত আমি পেটে পেটে অসন্তুষ্ট হওঁ কেলেই? নিজৰ ল'ৰাৰ নামত চৰকাৰী জলপানী এটা পোৱাৰ আশাত দেশক আভুৰা-ভৰা স্বভাৱৰ বাবে আমি এদিন দেশবাসীৰ ওচৰত কৈফিয়ৎ দিবই লাগিব। আমি জীয়া নে মৃত? মানুহ নে আন কিবা? কোনোবা অত্যাচাৰী ৰজাৰ কঙ্কাল মৰিশালিৰ পৰা খান্দি আনি ফাঁচি দিয়াৰ দৰে আমাৰ সতি-সন্ততিসকলেই আমাক ডুবিব! আমাৰ কঙ্কালক ফাঁচি-কাঠত ওলোমাব। ইতিহাসে আমাক কেতিয়াও ক্ষমা নকৰে। হাঁহিব।

কথাবোৰ ভাবি থাকোঁতে কিমান সময় পাৰ হৈ গৈছিল ক'ব নোৱাৰোঁ। দুৱাৰখন মেলি ৰিড কোঠাটোৰ পৰা ওলাই গৈছিল। সোমাই আহিছিল এজন চাপ্ৰাচী। তাৰ হাতত এখন চিঠি।

'কাৰ চিঠি অ' শঙ্কৰ?'

'আপ্‌কা হ্যায় হুজুৰ।'

চিঠিখন মোলৈ আগুৱাই দি শঙ্কৰ ওলাই গৈছিল।

চিঠিখন খুলিব খুজিছিলোঁ। এনেতে ফোনটো বাজি উঠিল। ধৰিলোঁ। কৈছিলোঁ:

'মই অসীম মিশ্ৰ।'

সিমূৰৰ পৰা ভাঁহি আহিছিল এটা কোমল মাত।

'কোন? আকাশী? ক'ৰ পৰা কৈছা? প্ৰিন্সিপালৰ ৰুমৰ পৰা? অ' প্ৰিন্সিপাল ৰুমত নাই? অ' কোৱা। মোৰ ৰুমতো কোনো নাই। এৰা, মই অকলে আছোঁ।...ধেৎ, সেই ভয়ত মই নোযোৱাকৈ থকা নাই। কিন্তু যথেষ্ট চিন্তা হৈছে সঁচা। ...কি কলা? কথাটো মিছা? ধেমালি কৰিছিলা? উঃ ভগৱান! ৰক্ষা। ...এনেকুৱা জীৱন-মৰণ সমস্যা লৈও তুমি ধেমালি কৰা নে? মোক পাগল কৰিব খুজিছিলা নে কি?...বাৰু, বাৰু। নিশ্চয় যাম। আজি। অফিচ ছুটীৰ পিচত।...ময়ূৰ আৰু বাইদেৱেৰা নাথাকে? ক'লৈ যাব? চিনেমা?...বাৰু, বাৰু। ধন্যবাদ ...থৈছোঁ দেই।'

ফোনটো থৈ দীঘলকৈ এটা উশাহ লৈছিলোঁ। গধুৰ বোজা এটা যেন মূৰৰ পৰা খহি পৰিছিল। ইচ্ছা হৈছিল ঃ মই যেন জঁপিয়াম। নাচিম।—আনন্দত।

চাহৱালীজনী সোমাই আহিছিল। মোৰ সন্মুখত চাহ এপিয়লা থৈ ওলাই গৈছিল। অলপ আগতে শঙ্কৰে দিয়া চিঠিখন মেলি ল'লোঁ। দেউতাই লিখিছে ঃ

মোৰ মতামত থকা বুলি ধৰি লৈয়ে স্বৰ্ণাৰ লগত বিয়াৰ দিন ঠিক কৰিছে। মই যেন আপত্তি নকৰোঁ। স্বৰ্ণা ভাল ছোৱালী। দেখনিয়াৰ। স্বভাৱ-চৰিত্ৰও বেয়া নহয়। এই মাহৰে সাতাইশ তাৰিখে বিয়াৰ দিন।

তাৰ পিচত এবকলা ছোৱালী আৰু ছোৱালীৰ পৰিয়ালৰ ঃ গুণানুকীৰ্ত্তন।

খঙত মই কঁপিছিলোঁ। চিঠিখন টুকুৰা-টুকুৰকৈ ফালি পেলালোঁ। ইচ্ছা হৈছিল, সেই মুহূৰ্ত্ততে তাঁৰ কৰি দিম। ক'ম ঃ মোৰ মতামত থকা বুলি আপোনালোকে কেনেকৈ ধৰি ল'লে? মোৰ বিয়াৰ বাবে আপোনালোকে ইমান চিন্তা নকৰিলেও হ'ব। এই বিয়া ভাঙি দিয়ক। স্বৰ্ণাক মই বিয়া নকৰাওঁ।

চকুৰ আগত ভাঁহি উঠিছিল ঃ এখন ছবি। আকাশীৰ। আশাৰ চাৰনি-ভৰা এখন মৰমিয়াল মুখ। শান্ত। নিৰ্ম্মল।

হঠাৎ বাঁওহাতৰ কিলাকুটিটো লাগি চাহৰ কাপটো বাগৰি পৰিল। পিয়লাটোৰ ঠাৰিডাল ছিগিছিল। চাহবোৰ টেবুলখনত বিয়পি পৰিছিল।

'আকাশী সন্তান-সম্ভৱা নহ'ল বুলিয়েই মই তাইক প্ৰতাৰণা কৰিব নোৱাৰোঁ। আকাশীৰ প্ৰতি মোৰ এটা দায়িত্ব আছে। মই পুৰুষ। সমাজ আৰু শাসন-নীতি। দুয়োটাতে আজি ঘুণে ধৰিছে।'

মই নিজে নিজেই চিঞৰি উঠিছিলোঁ।



খোলা খিড়িকীখনেৰে ঘৰ-চিৰিকা চৰাই এটা উৰি আহি মোৰ টেবুলত পৰিছিল। ধৰিম নে কি ভাবিছিলোঁ। কিন্তু পিচ মুহূৰ্ত্ততে ভুবংকৈ উৰা মাৰি আকৌ আঁতৰি গৈছিল। খিড়িকীখনেৰে দূৰৰ আকাশখনলৈ চাই ৰ'লোঁ।

চকুৰ আগত জিলিকি উঠিল এখন আকাশ। বহল। ৰঙটো আকাশী নে ছাই-ৰঙী ধৰিব নোৱাৰিলোঁ। এইখন আকাশৰ বুকুতেই বিজুলীয়ে চিক্‌মিকায়। মেঘে গাজে। শান্ত আকাশখনে কাল-ৰূপ লয়। ৰুদ্ৰ-মূৰ্ত্তি ধাৰণ কৰে। কান্দে। তাৰ পিচত আকৌ শান্ত হৈ পৰে।

আমি শান্তি বিচাৰোঁ। নিৰাপত্তা বিচাৰোঁ।

কিন্তু আকাশৰ ঔদাৰ্য্য জানো আমাৰ আছে?

এহেজাৰমান প্ৰশ্নবোধক চিন মোৰ চকুৰ আগৰ পৰা ভাঁহি গৈ আকাশখনৰ বুকুত বিৰাট আকাৰ ধাৰণ কৰিছিল।

ঘৰ-চিৰিকাজনী হয়তো তেতিয়া বহুত দূৰলৈ উৰি গৈছিল। হয়তোবা কাৰোবাৰ চোঁতালত পৰি সস্তীয়া চাউলৰ দোকানৰ চাউলৰ পৰা বাছি পেলোৱা ধান দুটা এটা বুটলি খাইছিল।

---

Mr. Nilutpal Barthakur